J-293

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

# ডিব্ৰুৱান

২০১১-১২ বৰ্ষ




ৰাজা মোহন শইকীয়া
সম্পাদক

# Welcome to Dibru College




DIBRU COLLEGE CENTRAL LIBRARY
ESTD.-1963
DIBRUGARH
J-293

# ডিব্রুয়ান

ডিব্রু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৩১ তম্ সংখ্যা, ২০১১-১২ বৰ্ষ

প্ৰতি,

.....................................................

.....................................................

সম্পাদক

ৰাজা মোহন শইকীয়া

DIBRUYAN The 31st Annual Journal of Dibru College for the session 2011-12, edited by Raja Mohan Saikia, Published by Dibru College Students' Union and Printed at M/s Print-tech, J.P. Nagar, Dibrugarh

## সম্পাদনা সমিতি

*তত্ত্বাৱধায়ক অধ্যাপকসকল —*

ড° অলস নিৰঞ্জন সাহাই
অধ্যাপিকা নন্দিতা বৈশ্য
ড° বিজু মৰাণ

*সম্পাদক*

ৰাজা মোহন শইকীয়া

*সদস্য-সদস্যা*

অপূৰ্ব কুমাৰ দাস
সুৰজীৎ গগৈ
নয়নজ্যোতি কাকতি

*বেটুপাত*

নবীন ৰয়

*অংগসজ্জা*

দেৱজীৎ বৰা

*মুদ্ৰণ*

মেচাৰ্চ প্ৰিণ্টটেক্
জীৱন ফুকন নগৰ
ডিব্ৰুগড় - ৩
ফোন - ০৩৭৩-২৩১৬৫৪০




## উছৰ্গা

যিসকল ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ,
অক্লান্ত পৰিশ্ৰম আৰু আশাসুধীয়া
প্ৰচেষ্টাৰ ফলত এই পৱিত্ৰ জ্ঞান মন্দিৰ
'ডিব্ৰু মহাবিদ্যালয়'ৰ জন্ম হ'ল, সেইসকল
মহান মণিষী তথা এই মহাবিদ্যালয়ৰ অগ্ৰজ
আৰু জ্ঞান অৰ্জন কৰিবলৈ অহা সমূহ ছাত্ৰ-
ছাত্ৰীলৈ আলোচনীখন উছৰ্গা কৰিলোঁ।

— সম্পাদক

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: kkdekadu@yahoo.com

No.DU/VC/073/13/950

Date : 03.05.2013

## শুভেচ্ছাবাণী

প্ৰতি,

ৰাজা মোহন শইকীয়া
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা ঃ ২০১১-১২ বৰ্ষ
ডিব্ৰুগড়

মৰমৰ ৰাজা,

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'ৰ ৩১ তম্ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও অনুষ্ঠানখনৰ বিভিন্ন তথ্য-পাতি লিপিবদ্ধ কৰিব পাৰে। মই আশা কৰিছোঁ ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনীত গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব।

আলোচনীখন সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে —

(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড বিশ্ববিদ্যালয়

অসম চৰকাৰ
ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ কাৰ্যালয়
ডিব্ৰুগড় - ৭৮৬০০১

ফোন নং ঃ ২৩১৬০৩৩ (কাঃ)
২৩১৬০৬২ (আঃ)
ফেক্স নং ঃ ০৩৭৩-২৩১৬০৩৪

পত্ৰাংক ঃ

দিনাংক ঃ

## শুভেচ্ছাবাণী

প্ৰতি,

ৰাজা মোহন শইকীয়া
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা ঃ ২০১১-১২ বৰ্ষ
ডিব্ৰুগড়

ডিব্ৰুগড়স্থিত ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'ৰ ৩১ তম্ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে বুলি জানি আনন্দিত হ'লোঁ।

মহাবিদ্যালয়ৰ আলোচনীখনত অন্তৰ্ভুক্ত হ'বলগীয়া গল্প, কবিতা, প্ৰবন্ধ ইত্যাদিয়ে শিক্ষাৰ্থীসকলৰ সুপ্ত হৈ থকা প্ৰতিভাবোৰ প্ৰকাশ কৰাৰ লগতে শিক্ষাখণ্ডৰ উন্নতি আৰু প্ৰচাৰ-প্ৰসাৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব।

আলোচনী 'ডিব্ৰুয়ান'লৈ মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলোঁ।

ডিব্ৰুগড়ঃ অসম

( অৰুণা ৰাজোৰিয়া, আই, এ, এছ )
উপায়ুক্ত, ডিব্ৰুগড় জিলা।

**ড° পৰেশ বৰুৱা,** *এম.এচ.চি., পিএইচ.ডি.*
অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়



## শুভেচ্ছাবাণী

কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাৰে অসমৰ উচ্চ শিক্ষাৰ জগতখনত বিশেষ ব্যাপ্তি লাভ কৰা উজনি অসমৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ে ২০১২ বৰ্ষত সোণালী জয়ন্তীৰ মধুৰ ক্ষণত প্ৰৱেশ কৰিছে। এই বিৰল ক্ষণক যুগমীয়া কৰাৰ অৰ্থে বছৰজোৰা কাৰ্যসূচী গ্ৰহণ কৰি যথোচিতভাৱে ৰূপায়ণ কৰা হৈছে। ইয়াৰ মাজতে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবছৰে প্ৰকাশ কৰি অহাৰ দৰে এই বৰ্ষতো মহাবিদ্যালয়ৰ মুখপত্ৰ 'ডিব্ৰুয়ান'ৰ নৱতম সংখ্যাটো প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি একতা সভাৰ সভাপতি আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে অতিকৈ আনন্দ অনুভৱ কৰিছোঁ।

আলোচনীখনৰ বিভিন্ন শিতানত প্ৰকাশ পাবলগীয়া কবিতা, গল্প, চিন্তাশীল লেখা আদিয়ে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা প্ৰকাশত অৰিহনা যোগায়। মই আশা কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ ভালে সংখ্যক অনুৰাগী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মনত স্তৱীভূত হৈ থকা বাচকবনীয়া ভাৱৰাশিৰে এখন উচ্চমানৰ আলোচনী প্ৰকাশত এক অনবদ্য ভূমিকা গ্ৰহণ কৰিব।

মই কামনা কৰিছোঁ 'ডিব্ৰুয়ান'এ সুন্দৰকৈ আত্মপ্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰা আৰু উদীয়মান লেখক-লেখিকাসকলৰ বাবে এখনি শক্তিশালী মঞ্চ গঠন কৰিবলৈ সক্ষম হ'ব। আলোচনীখন সুৰুচিপূৰ্ণ সাহিত্য আৰু মধুৰ চিন্তাৰ মেটমৰা সম্ভাৰ হৈ প্ৰকাশ পাওক, তাকে আশা কৰি মোৰ শুভেচ্ছা জনালোঁ। ইতি —

**ড° পৰেশ বৰুৱা**
অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়



ড০ পৰেশ বৰুৱা, এম.এচ.চি., পি.এইচ.ডি.
অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়



**TEACHING STAFFS**



TEACHING STAFFS



TEACHING STAFFS



TEACHING STAFFS




ADMINISTRATIVE BLOCK



LIBRARY STAFFS



UNION BODY

# ক্র ম সূ চী


৯ ➢ সম্পাদকৰ কলম

১১ ➢ গোটা আৱৰ্জনানগৰাঞ্চলৰ এক জ্বলন্ত সমস্যা ✍ ড° দিলীপ কলিতা

১৫ ➢ অসমৰ বনাঞ্চল, বন্যপ্ৰাণী আৰু ইয়াৰ ভৱিষ্যত ✍ হিৰণ্য বড়া

১৭ ➢ শিক্ষা আহৰণৰ প্ৰথম চৰ্ত ঃ শ্ৰদ্ধা, যত্ন আৰু অন্তহীন প্ৰেৰণা ✍ বিতোপন দত্ত

১৯ ➢ অসমত অতীতত প্ৰচলিত জাতীয় খেলধেমালি ✍ আলোক গগৈ

২১ ➢ সোনোৱাল কছাৰীসকলৰ লোকবিশ্বাস ✍ পম্পী স্বৰ্গাৰী

২৩ ➢ মটকসকলৰ উৎস সম্পৰ্কে আহোম ভাষাৰ আহোম বুৰঞ্জীৰ পম খেদি ✍ গীতিমনি পাত্ৰ







২৫ ➢ সোনোৱাল কছাৰীসকলৰ খাদ্যৰ জুতি-বিধি ✍ ভৈৰৱী সোনোৱাল

২৮ ➢ অসমীয়া আলোচনীৰ গতিপ্ৰকৃতি ✍ সত্যজিত গগৈ

৩১ ➢ অৰুণোদয় ঃ এটি চমু অৱলোকন ✍ বিপ্লৱী গগৈ

৩৪ ➢ মানিক বন্দ্যোপাধ্যায়ৰ উপন্যাস পুতলা নাচৰ ইতিকথা এটি বিশ্লেষণ ✍ স্মৃতিৰেখা চেতিয়া সন্দিকৈ

৩৮ ➢ হীৰেণ ভট্টাচাৰ্য মানুহজন ✍ লক্ষ্যজিত গগৈ

৪০ ➢ সংস্কৃতি আৰু আজিৰ প্ৰজন্ম ✍ সুস্মিতা গগৈ

৪২ ➢ জীৱনৰ সংজ্ঞা ✍ পৰাগ খনিকৰ

৪৩ ➢ **Topic : The life History of BADEN POWELL** ✍ *Miss Jolly Chutia*

৪৫ ➢ **Some beliefs and restrictions of Sonowal Kachari People** ✍ *Dr. Promanita Bora*

৪৭ ➢ **Why People Get Angry ??** ✍ *Papori Handique*

৪৯ ➢ **Finance ACT, 2012 & Salaried Class** ✍ *Prasanta Banerjee*

৫১ ➢ **Applications of Nanotechnology** ✍ *Bikram Chetry*





৫৩ ➢ মাতৃভূমি — প্ৰেম প্ৰসাদ শৰ্মা

৫৪ ➢ এটা বিদ্ৰোহ হ'ব — কুলদীপ ফুকন

৫৫ ➢ অনৈতিক চুক্তি — প্ৰিয়া দিহিঙ্গীয়া

৫৫ ➢ নোৱাৰো ক'বলৈ মই — সৌৰভ ৰাজকোঁৱৰ

৫৬ ➢ মায়া — ৰীতামণি গগৈ

৫৬ ➢ সপোনৰ বাটেৰে বাট বুলোতে — মিলন জ্যোতি চাংমাই

৫৭ ➢ তোমাৰ বাবে এই কবিতা — মজেশ মুণ্ডা

৫৭ ➢ জীৱন — অৰুণিমা কোঁৱৰ

৫৮ ➢ শৰতৰ আগমন — কাশ্মীৰা চাংমাই

৫৮ ➢ ধন্য তোমাৰ — কাশ্মীৰা চাংমাই

৫৯ ➢ জ্ঞানৰ মন্দিৰ — আমিনা বেগম

৫৯ ➢ মৰমৰ মাতৃ — আমিনা বেগম

৬০ ➢ শাওনৰ শুকুলা ঘোঁৰা — মহানন্দ দত্ত

৬০ ➢ শংকৰদেৱ তুমি এতিয়া ক'ত — আমিনা বেগম

৬১ ➢ বৰষা — ৰিণ্টু গগৈ

৬১ ➢ অস্থিৰ কিয় জনতা — ত্ৰিয়ংকা দেউৰী

৬২ ➢ বতাহ — ইলিভা পূৰ্ত্তি

৬২ ➢ মনে বিচাৰে মোৰ —বলদেৱ কালিন্দী

৬৩ ➢ স্বাৰ্থপৰ — কাৰ্তিক শইকীয়া

৬৩ ➢ স্মৃতি — ৰাখী বকলীয়াল

৬৪ ➢ মাঁ — প্ৰীতি ৱাৰ্মা

৬৪ ➢ প্ৰণতি — সংগীতা দিহিঙ্গীয়া

৬৫ ➢ পৰে নে মনত ? — কিৰণ গগৈ

৬৫ ➢ শৈশৱৰ অনুভূতি — কিৰণ গগৈ

৬৬ ➢ প্ৰেয়সী — বিপুল ভূঞা

৬৬ ➢ হেৰুৱা স্মৃতি — ভাগ্যশ্ৰী গোস্বামী

৬৭ ➢ নিয়ঁৰ — বিশ্বজিত বুঢ়াগোহাঁই

৬৮ ➢ অপেক্ষা —জোনমণি সোনোৱাল

৬৮ ➢ জ্ঞান — জয়ন্ত শৰ্মা

৬৯ ➢ হে প্ৰকৃতি জগত — অভিজিৎ দাস

৬৯ ➢ হৃদয়ত মাথোঁ তুমিয়ে — জুৰি সোনোৱাল

৭০ ➢ অভিশপ্ত জি. এছ. ৰোড — মুনশিখা শইকীয়া

৭১ ➢ এক নতুন আশাৰ সন্ধানত — বিনী ভৰালী

৭২ ➢ বানপানী — জিনুমণি বৰা

৭২ ➢ গোলাপ — কল্যাণ বৰগোহাঁই

৭৩ ➢ প্ৰেম...কৰাতকৈ নকৰাই ভাল — ধনটি কোঁৱৰ

৭৩ ➢ মাতৃ — প্ৰিয়া ৰাজখোৱা
৭৪ ➢ সপোন — নয়নমণি দিহিঙ্গীয়া
৭৪ ➢ অনুভৱ
৭৫ ➢ স্মৃতিৰ দলিচাত তুমি — অঞ্জু বাইলুং
৭৫ ➢ নিঃশব্দ আঘাত — জুৰি সোনোৱাল
৭৬ ➢ জীৱনৰ লেখা চিত্ৰ — গুনিন বৰগোহাঁই
৭৭ ➢ বন্ধুৰ ওচৰত মোৰ অনুৰোধ — পৰমানন্দ বৰগোহাঁই
৭৭ ➢ তোমাৰ বিষাদত
৭৮ ➢ সন্ত্ৰাসবাদ — ৰিণী দিহিঙীয়া
৭৯ ➢ আশা-প্ৰত্যাশাৰ দোমোজাত — ৰূপম গগৈ
৭৯ ➢ নিষিদ্ধ সময় — সত্যজিত গগৈ
৮০ ➢ স্মৃতি — লীলা ছেত্ৰী
৮০ ➢ জীয়াই থকাৰ আন এটা নাম — নিৰ্মালী বৰা
৮১ ➢ অনুভৱ — কল্যাণ কুমাৰ দাস
৮১ ➢ তুমি মোৰ জীৱনৰ লগৰী — দ্বীপজ্যোতি চেতিয়া
৮২ ➢ মোক উৰি থাকিবলৈ দিয়া — অঞ্জু বাইলুং
৮২ ➢ হঁবানে বাৰু মোৰ জীৱনৰ লগৰী — ৰিকুমনী দিহিঙীয়া
৮৩ ➢ কবিতা মোৰ অব্যক্ত বেদনা — ৰাজলক্ষী গগৈ
৮৩ ➢ তুমি অহাৰ আশাৰে — ৰাজলক্ষী গগৈ
৮৪ ➢ আমাৰ মহাবিদ্যালয় — ক্ষীৰোদ শইকীয়া
৮৪ ➢ তোমাৰ বাবে — ইমৰান আহমেদ
৮৫ ➢ শীতৰ সেমেকা ৰাতি — মামু গগৈ
৮৫ ➢ তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ এতিয়া মাথোঁ সপোন — জ্যোতি পাটৰ
৮৬ ➢ প্ৰেম বা ভালপোৱা — ৰক্তিম ৰঞ্জন বৰকটকী
৮৬ ➢ সবল শ্ৰদ্ধা আৰু প্ৰেম — মহানন্দ দত্ত
৮৭ ➢ বহাগত প্ৰকৃতিৰ ৰূপ — পাৰ্থপ্ৰতিম কোঁৱৰ
৮৭ ➢ প্ৰেমৰ কবিতা — ইমৰান আহমেদ
৮৮ ➢ মোৰ প্ৰেম — পূৰবী শইকীয়া
৮৮ ➢ প্ৰেয়সী — বিপুল মুৰ্মু
৮৯ ➢ বীণাপাণি





৯০ ➢ **Long Live The Teachers**– *Chiranjiv Sagar*
৯১ ➢ **The Indian Cricket Team**– *Prem Kumar Sonar*
৯১ ➢ **Belive in Yourself** – *Naina Dihingia*

৯২ ➢ স্নেকলেৰ আৰু দেৱাঙ্গী ✍ ড° জ্যোতিমা ফুকন
৯৫ ➢ এটি ৰঙীণ আবেলি ✍ ভৈৰবী সোনোৱাল
৯৮ ➢ অশৃংখল ✍ সত্যজিত গগৈ
১০০ ➢ নৈঃশব্দত হৃদয়ৰ উচুপনি ✍ বিপ্লৱী গগৈ
১০৫ ➢ আইতা আৰু বিমি ✍ সীমা ছেত্ৰী
১০৭ ➢ নীৰৱ হৃদয়ৰ তপত অশ্ৰু ✍ বিনী ভৰালী
১০৯ ➢ স্বপ্ন ভংগৰ বেদনা ✍ গুনীন বুঢ়াগোহাঁই
১১১ ➢ মৰিশালিৰ নিস্তব্ধতা ✍ মুনশিখা শইকীয়া
১১৫ ➢ প্ৰেম প্ৰতীক্ষাৰ অন্তত ✍ দিপিকা বৰগোহাঁই
১১৬ ➢ যন্ত্ৰণা ✍ লীলা ছেত্ৰী
১১৮ ➢ কি! ঘৰ সাজিব ... সাৱধান ✍ ড° বিজু মৰাণ
১২০ ➢ বেদনাৰ বিশাল সাগৰৰ মাজত দেৱজিৎ ✍ দ্বীপ জ্যোতি চেতিয়া
১২৩ ➢ তোমাৰ অপেক্ষাত ✍ ধৰিস্মিতা সোনোৱাল
১২৬ ➢ জেলত থকা এটা ল'ৰাৰ কাহিনী ✍ ৰক্তিম ৰঞ্জন বৰকটকী
১২৭ ➢ এটা ঘৃণনীয় সিদ্ধান্তৰ বেদনাদায়ক পৰিণাম ✍ হীৰক জ্যোতি শইকীয়া
১২৯ ➢ পোহৰৰ ৰেঙণি
১৩০ ➢ এটি মধুৰ স্মৃতি ✍ মামণি ডেকা
১৩৩ ➢ জীৱনৰ মহিমা ✍ গীতামণি পাত্ৰ






১৩৫ - ১৪২ ➢ ছাত্ৰ একতা সভাৰ প্ৰতিবেদন
১৪৩ - ১৪৪ ➢ অন্যান্য সংগ্ৰহ







## সম্পাদকৰ কলম

*শিক্ষা যে মানুহৰ জীৱনত কিমান প্ৰয়োজনীয়, সেই কথা আমি সকলোৱেই উপলব্ধি কৰিব পাৰোঁ। এই উপলব্ধিয়েই প্ৰতিজন মানুহক বা অভিভাৱকক নিজৰ সন্তানৰ শিক্ষা-দীক্ষাৰ প্ৰতি সচেতন হ'বলৈ শিকাইছে। আগতকৈ দেশত শিক্ষিতৰ হাৰ বৃদ্ধি পাইছে। সৰ্বশিক্ষা অভিযানৰ জৰিয়তে প্ৰাথমিক শিক্ষাত এক আমূল পৰিৱৰ্তনৰ সূচনা হৈছে। শিক্ষা হ'ল জাতিৰ মূল আধাৰ। আমি মনত ৰখা উচিত যে যি জাতিৰে বা, যি ধৰ্মৰে নহওক, অথবা ধনী-দুখীয়া যিয়েই নহওক এটা জাতিৰ উত্থান-পতন, কৃষ্টি-সংস্কৃতি ইত্যাদিৰ বিষয়ে তেওঁলোকৰ নিজা সাহিত্যৰপৰা জানিব পাৰি।*

*এনে শিক্ষা সাহিত্যৰ লগত জড়িত শিক্ষাগুৰুসকল হ'ল সমাজৰ পথ-প্ৰদৰ্শক। মানৱ সম্পদ গঢ়োঁতা একো একোজন শিল্পী। শিল্পীৰ সৃষ্টিত বাধা নাই। নিজৰ সৃষ্টিশীল প্ৰতিভাৰে ন-ন সৃষ্টিৰে সমাজত আনিব পাৰে নৱচেতনা। আৰু এনে মহৎ উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখিয়েই পৰিকল্পনা কৰা হৈছিল এখন আলোচনীৰ।*

## সম্পাদকীয়

*যিকোনো আলোচনীৰে সম্পাদকীয় বুলি ক'লে মোৰ নিজৰে পঢ়িবলৈ ভয় হয়। দেশখনৰ সকলোবোৰ সমস্যা, সমাজ ব্যৱস্থাৰ তীব্ৰ গৰিহণা, নিজে সদায় কৰি থকা কাম কিছুমানৰে চোকা সমালোচনা, দুই এজন আগশাৰীৰ সমালোচকৰ পৰা ধাৰ কৰা বাক্য কেইটামান, দাঁত-মুখ ভঙা শব্দ কিছুমানৰ স্থান - কাল - পাত্ৰ অবিচাৰে কচৰৎ - মুঠতে লিখনিৰ জৰিয়তে নিজকে এজন চিন্তাশীল ব্যক্তি যেন দেখুৱাই পঢ়া জনৰো মূৰৰ কামোৰণি তোলা এটা ভয়াবহ প্ৰৱন্ধ। সেয়েহে মই আজি নিজে তেনে এটা বস্তু লিখিবলৈ গৈ প্ৰচণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো।*

*সম্পাদকীয় সুখপাঠ্য কৰিবলৈ গৈ মই এইটো ক'ব বিচৰা নাই যে আমাৰ দেশৰ বা ৰাজ্যখনৰ কোনো সমস্যা নাই, আমি শান্তিৰে, সুখেৰে, নিৰাপত্তাৰে জয়জয় ময়ময় হৈ জীয়াই আছো। আজি পাচলি বজাৰ কৰিবলৈ গ'লে, বাছত উঠিবলগীয়া হ'লে, চিনেমা চাবলৈ গ'লে সততে ভয় হয় - কোন মুহূৰ্তত বা বোমাত উৰি যাওঁ! ক'ৰবাত গাড়ী-মটৰে যোৱাৰ পৰিকল্পনা কৰি তাৰিখ*

ঠিক কৰিব লগা হ'লে দুবাৰ ভাবিব লাগে - সিদিনা কেনেবাকৈ অসম বন্ধ হ'ব নেকি বাৰু! ইফালে ঘৰৰ পৰা ক'ব - "দুমাহ ধৰি দৰমহা হোৱা নাই, পইচা কমকৈ খৰচ কৰিবি"। আনফালে বজাৰলৈ যাবহে - বস্তুৰ জুইছাই দাম, ঘূৰি আহোঁতে টেম্প' ভাড়া দিবলৈ পাৰ্চ খুচৰি খুচৰি মিলাব লগা হয়। এই ক্ষেত্ৰত বুদ্ধিজীৱি সকলৰ মতামত এয়ে যে সমাজত সমস্যা থাকিবই। এটা সমস্যা শেষ হ'লে আন এটা সমস্যা উদ্ভৱ হ'বই। অথবা এটা সমস্যা সমাধান কৰিবলৈ আন এটা সমস্যাৰ সৃষ্টি কৰা হয়। এই বিষয়ত মই ক'ব বিচৰা কথাটো হ'ল - আনক সমালোচনা কৰাটো সহজ। কিন্তু আচল কথাটো হ'ল আমি প্ৰতিজন সচেতন নাগৰিক এইক্ষেত্ৰত কিমান নিষ্কলুষ, কিমান শুদ্ধ, কিমান নিস্বাৰ্থ?

ইয়াৰ পাছত আহিল আমাৰ শিক্ষা ব্যৱস্থা। আমাৰ এই শিক্ষা ব্যৱস্থাটো অতি আওপুৰণি। আমি ছাত্ৰ সমাজে প্ৰকৃত শিক্ষা লাভ কৰিব পাৰিছোনে? ইও এক জটিল প্ৰশ্ন। আমাৰ শিক্ষা ব্যৱস্থাটোত প্ৰকৃতাৰ্থত আছে কি? কেৱল মাত্ৰ একোখন প্ৰমাণ পত্ৰৰ বিনিময়ত আমাৰ এই শিক্ষা ব্যৱস্থাটো আনৰ ওপৰত এৰি দিছো। তাহানিৰ বৃটিছৰ দিনৰে মেক'ল ব্ৰেণ্ডৰ যি শিক্ষা ব্যৱস্থা সেই শিক্ষা ব্যৱস্থাক আমি মূৰ পাতি গ্ৰহণ কৰিছোঁ। ইয়াৰ পৰা আমি পাইছো কি? কেৱল মাত্ৰ আমি আমাৰ নিজৰ পৰিচয় নিজে পাহৰি গৈছোঁ, নিজৰ অস্তিত্ব পাহৰি গৈছো। আমি আমাৰ নিজক, নিজৰ সমাজখনক, নিজৰ জাতিটোক, নিজৰ দেশখনক কিমান জানো? এবাৰ মাত্ৰ ভাবি চালে দেখিম সকলোবোৰ কেৱল শূন্যৰে ঠাহ খাই আছে। সেয়ে আমি প্ৰত্যেকেই এইবোৰ কথা উপলব্ধি কৰা উচিত। স্বামী বিবেকানন্দৰ ভাষাত — "আমি সেই শিক্ষাই বিচাৰোঁ, যি শিক্ষাৰ দ্বাৰা আমাৰ চৰিত্ৰ নিৰ্মাণ, মানসিক শক্তি আৰু বুদ্ধিৰ বিকাশৰ জৰিয়তে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দিব পাৰোঁ।" নহ'লে আমাৰ এই শিক্ষা ব্যৱস্থাটো উৱলি যাবলৈ বেছি পৰ নালাগিব।

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ডিব্ৰুয়ান' এখন গাম্ভীৰ্যপূৰ্ণ আলোচনী। আমাৰ মহাবিদ্যালয়খনে অতীজৰেপৰাই যথাসম্ভৱ সাহিত্য চৰ্চাত মনোনিৱেশ কৰি আহিছো। আমাৰ মাজৰ সাহিত্যিক প্ৰতিভাসমূহক উৎসাহিত আৰু বিকশিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে এই 'ডিব্ৰুয়ান'খনেই।

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'ডিব্ৰুয়ান' খনি প্ৰকাশৰ প্ৰস্তুতিৰপৰা প্ৰকাশলৈকে সম্পাদক ৰূপে ব্যক্তিগত প্ৰচেষ্টাৰে আলোচনীখনৰ বাবে কৰিব পৰা সকলো খিনিয়েই কৰিছোঁ। আলোচনীখন প্ৰকাশ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো ঠিকেই; কিন্তু নিজৰ অযোগ্যতাৰ কথা সোঁৱৰি ক্ষণে ক্ষণে কঁপি উঠিছোঁ — কিজানি আৰোপিত কাৰ্যত ব্যৰ্থ হওঁ। 'নটিচ ব'ৰ্ড'ত তিনি-চাৰিবাৰলৈকে জাননী দি এটিও লেখা যোগাৰ কৰিব নোৱাৰি ব্যক্তিগত হেঁচা প্ৰয়োগ কৰি সকলোখিনি লেখা আপোনাসবৰ আগত দাঙি ধৰিছোঁ এখনি আলোচনী ৰূপত। যদি আলোচনীখন আপোনাসবৰ দৃষ্টিত ধৰা পৰিছে "ৰানে গৰকা উকা পথাৰ" হিচাপে; তেনেহ'লে তাৰবাবে মই আপোনাসবৰ ওচৰত ক্ষমা মাগিছোঁ।

শেষত সকলো ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুলৈ এটি অনুৰোধ তেওঁলোকে যাতে সাহিত্যৰ এই বিশাল পথাৰখনি পৰৱৰ্তী সময়ত সেউজীয়া ৰঙেৰে পৰিবেষ্টিত কৰি অধিক মনোগ্ৰাসী ৰূপত জিলিকাই তোলে।

— ৰাজ্য মোহন শইকীয়া

## সম্পাদকীয়





# গোটা আৱৰ্জনা

## নগৰাঞ্চলৰ এক জ্বলন্ত সমস্যা

ড° দিলীপ কলিতা

আমি দৈনন্দিন জীৱনত বিভিন্ন ধৰণৰ গোটা বস্তু যেনে শাক-পাচলি, ফলমূল, পলিথিন, কাপোৰ কানি, বিভিন্ন প্ৰকাৰৰ বীজাণুনাশক, কীটনাশক, ৰাসায়নিক সাৰ আদি ব্যৱহাৰ কৰোঁ। শাকপাচলি, ফলমূল আদিৰ ব্যৱহাৰ নকৰা অংশ নতুবা গেলা-পচা অংশ সমূহ, ফটা কাপোৰ-কানি, পুৰণা ব্যৱহাৰৰ অনুপযোগী জোতা-চেণ্ডেল, বটল, প্লাষ্টিকৰ সামগ্ৰী আদি এশ এবুৰি পেলনীয়া সামগ্ৰীসমূহেই গোটা আবৰ্জনা। তদুপৰি মাছ-মাংসৰ খোৱাৰ অনুপযোগী অংশসমূহ যেনে মাছৰ বাকলি, চৰাইৰ পাখি, ঠেং, জন্তুৰ ছাল, শিং, ঠেং, পোহনীয়া জীৱ-জন্তুৰ মল, কৃষি ক্ষেত্ৰৰ জাবৰ-জোথৰ আদিয়েও গোটা আবৰ্জনাৰ সৃষ্টি কৰে। বিভিন্ন উদ্যোগৰ আৰু চিকিৎসালয়ৰ পৰা ওলোৱা গোটা অলাগতিয়াল বস্তু সমূহে গোটা আৱৰ্জনাৰ এক উৎস। এনে ধৰণৰ ব্যৱহাৰ অনুপযোগী বুলি বিবেচিত হোৱা বিভিন্ন ধৰণৰ গোটা সামগ্ৰী সমূহকে গোটা আবৰ্জনা বুলি কোৱা হয়। ইহঁত পৰিবেশ প্ৰদূষণৰ এক অন্যতম কাৰক।



গোটা আৱৰ্জনাৰ শ্ৰেণী বিভাজন ঃ

উৎপত্তিৰ উৎস অনুসৰি গোটা আবৰ্জনাসমূহক পাঁচোটা ভাগত বিভক্ত কৰিব পাৰি।

(১) ঘৰুৱা আৱৰ্জনা ঃ প্ৰত্যেক গৃহস্থৰ ঘৰত নিতৌ বিভিন্ন ধৰণৰ জাবৰ-জোথৰ উৎপন্ন হয়। এইবোৰৰ ভিতৰত শাক-

পাচলি, ফলমূলৰ পেলনীয়া অংশ, তামোল, নাৰিকল আদিৰ বাকলি, বিভিন্ন প্ৰকাৰৰ সামগ্ৰী বজাৰৰ পৰা ক্ৰয় কৰোতে লগত অনা পলিথিনৰ মোনা, চাবোন, চুপাৰি, চাৰ্ফ, লজেন্স, আদিৰ ওপৰৰ পলিথিনৰ আৱৰণ, বিভিন্ন ধৰণৰ পেলনীয়া খাদ্যবস্তু, ফটা- চিটা কাগজ, কাপোৰ, পুৰণি জোতা, চেণ্ডেল, পুৰণি কলম, ভঙা গ্লাচ, কাপ, প্লেট, টাব, ইটাৰ টুকুৰা, কাঠ-বাঁহৰ টুকুৰা, ছাই, এঙাৰ আদি এশ এবুৰি বিভিন্ন ধৰণৰ পেলনীয়া সামগ্ৰী আদি পৰে।

(২) নগৰৰ আৱৰ্জনা ঃ নগৰৰ আৱৰ্জনাবোৰ বিশেষকৈ দোকান, বজাৰ আদি বেছিকৈ থকা অঞ্চলত গোট খায়। ইয়াৰ ভিতৰত হোটেলৰ পেলনীয়া খাদ্য, শাক-পাচলিৰ পেলনীয়া অংশ, শাক-পাচলি, ফল-মূল আদি বান্ধি অনা বিভিন্ন যতন সমূহ, চৰাইৰ পাখি, হাঁহ-কুকুৰা, ছাগলী, গাহৰি আদিৰ নাড়ী, ভুৰু, ঠেং আদি নগৰৰ গোটা আৱৰ্জনাৰ ভিতৰত পৰে। চাইকেল, গাড়ী আদিৰ পুৰণা টায়াৰ-টিউব আদিয়েও নগৰৰ আৱৰ্জনাৰ সৃষ্টি কৰে।

(৩) কৃষিক্ষেত্ৰ বা পামৰ আৱৰ্জনা ঃ কৃষি ক্ষেত্ৰৰ ৰুগীয়া উদ্ভিদ, অন্যান্য জাৱৰ-জোথৰ, চৰাই আৰু জন্তুৰ মল আদি পৰে। তদুপৰি ৰাসায়নিক সাৰ আৰু কীটনাশকৰ অৱশিষ্ট অংশ আদি এই শ্ৰেণীৰ আৱৰ্জনা।

(৪) উদ্যোগক্ষেত্ৰৰ আৱৰ্জনা ঃ বিভিন্ন শিল্প উদ্যোগ যেনে ধান বনা কল, ঘেঁহু পিচা কল, কয়লাৰ খনি, কাগজ তৈয়াৰ কৰা কাৰখানা, ৰাসায়নিক দ্ৰব্য উৎপাদন কৰা কাৰখানা আদি বিভিন্ন ধৰণৰ উদ্যোগৰ পৰা সৃষ্টি হোৱা গোটা আবৰ্জনাসমূহ এই শ্ৰেণীৰ আৱৰ্জনাৰ ভিতৰত পৰে।

(৫) চিকিৎসালয়ৰ আবৰ্জনা ঃ এইবোৰৰ ভিতৰত ঔষধ আদিৰ বটল, অব্যৱহৃত ঔষধ, ৰোগীৰ পেলনীয়া প্লাষ্টাৰ, কাপোৰ কানি, ব্লাড, ব্যৱহাৰ কৰা চিৰিঞ্জ, ৰোগীয়ে আধাখোৱা বস্তু, দৰব, চিকিৎসালায়ত ৰোগীয়ে ব্যৱহাৰ কৰা বিচনা, টেবুল, চকী, মেজ, আদিও চিকিৎসালয়ৰ আৱৰ্জনাৰ ভিতৰতে পৰে।

পচন হোৱা ক্ষমতাৰ ওপৰত ভিত্তি কৰি গোটা আৱৰ্জনা বোৰক আকৌ দুটা ভাগত বিভক্ত কৰা হৈছে, ক্ৰমক্ষয়যুক্ত আৰু ক্ৰমক্ষয়হীন।

(১) ক্ৰমক্ষয় যুক্ত ঃ যিবোৰ গোটা আৱৰ্জনা প্ৰাকৃতিক পৰিবেশত ক্ৰমে ক্ষয় প্ৰাপ্ত হয় অৰ্থাৎ জীৱানু (Bacteria), ভেঁকুৰ, একটিনমাইচিটিচ আদিয়ে পচন ঘটাব পাৰে সেইবোৰক ক্ৰমক্ষয়যুক্ত গোটা আৱৰ্জনা বোলে। জৈব উৎসৰ পৰা উৎপন্ন হোৱা আৱৰ্জনাসমূহ ক্ৰমক্ষয়যুক্ত গোটা আৱৰ্জনা, শাক পাচলিৰ পেলনীয়া অংশ, কৃষিক্ষেত্ৰৰ জাৱৰ-জোথৰ, জীৱ-জন্তুৰ মল, ধান বনা কল, ঘেঁহু পিচা কল, তেল পেৰা কল আদিৰ পৰা উৎপন্ন হোৱা তুঁহ, খলিহৈ, কাঠ আৰু বাঁহৰ টুকুৰা আদি এনে আৱৰ্জনাৰ উদাহৰণ।

(২) ক্ৰমক্ষয়হীন ঃ যিবোৰ গোটা আবৰ্জনা প্ৰাকৃতিক পৰিবেশত ক্ৰমে ক্ষয়প্ৰাপ্ত নহয় বা হ'লেও বহুত বছৰ লাগে তেনে ধৰণৰ গোটা আবৰ্জনাবোৰ এই শ্ৰেণীৰ ভিতৰত পৰে, পলিথিল, গ্লাচ, নাইনলৰ টায়াৰ, টিউব, ভঙা টিন, পলিষ্টাৰ জাতীয় কাপোৰ কানি, প্লাষ্টিক জাতীয় পদাৰ্থৰে তৈয়াৰী মোনা, ৰচী, ৰাসায়নিক সাৰ, ৰাসায়নিক জীৱনাশক (কীটনাশক, ভেঁকুৰ নাশক, পতংগনাশক আদি) তৈল উদ্যোগৰ আৱৰ্জনা, কয়লা উদ্যোগৰ আৱৰ্জনা আদি এই শ্ৰেণীৰ ভিতৰত পৰে।

**গোটা আৱৰ্জনাই সৃষ্টি কৰা সমস্যাসমূহ ঃ**

গোটা আৱৰ্জনাই সৃষ্টি কৰা বহুতো সমস্যাৰ বিষয়ে আমি কম বেছি পৰিমাণে সকলোৱেই জ্ঞাত। এটা কথা মন কৰিব লগীয়া যে গাঁও অঞ্চলতকৈ নগৰ আৰু মহানগৰ সমূহত গোটা আৱৰ্জনাই অধিক ভয়াবহ সমস্যাৰ সৃষ্টি কৰি আহিছে। নগৰ-মহানগৰ সমূহত গোটা আৱৰ্জনাই সৃষ্টি কৰা সমস্যাসমূহ দিনক-দিনে কমক চাৰি দ্ৰুত গতিত বৃদ্ধি পোৱাহে পৰিলক্ষিত হৈছে। নগৰ-মহানগৰ সমূহত জনবসতি ঘন, শিল্প উদ্যোগ, চিকিৎসালয় আদিৰ সমস্যাও গাঁও অঞ্চলৰ তুলনাত বহুত বেছি বাবে গোটা আৱৰ্জনাৰ সৃষ্টিও গ্ৰাম্য অঞ্চলতকৈ নগৰ-মহানগৰ সমূহত বেছিকৈ হয়। তদুপৰি নগৰ অঞ্চলত বসবাস কৰা লোকসকল গাঁও অঞ্চলত বসবাস কৰা লোকসকলতকৈ তুলনামূলক ভাবে আৰ্থনৈতিক ভাৱে অধিক সৱল হোৱা হেতু নগৰ মহানগৰবাসীয়ে গাঁওবাসীৰ তুলনাত অধিক সামগ্ৰী ক্ৰয় কৰে। এটা কথা মন কৰিবলগীয়া যে আমি ক্ৰয় কৰা সামগ্ৰীসমূহৰ কিছুমানৰ এটা অংশ আৰু কিছুমান গোটেই খিনিয়েই এটা সময়ত আৱৰ্জনাত পৰিণত হয়। নগৰ-মহানগৰসমূহৰ অতি ঘন জনবসতিপূৰ্ণ অঞ্চলসমূহ, দোকান পোহাৰ অধিক পৰিমাণে থকা অঞ্চলসমূহত চৰকাৰী বাট-পথ গোটা আৱৰ্জনাৰে ভৰপূৰ হৈ থকাটো আমাৰ সঘনাই চকুত পৰে। এই গোটা আৱৰ্জনাৰ দ'ম সমূহ বিভিন্ন ধৰণৰ ৰোগৰ বাহক আৰু ৰোগ বীজানুৰ আশ্ৰয়স্থল। বহুতো ক্ষেত্ৰত এনে গোটা আৱৰ্জনাৰ দমৰ কাষতে আকৌ হোটেল, মাছ-পাচলিৰ বজাৰ আদিও অৱস্থিত। এই গোটা আৱৰ্জনাবোৰৰ পৰা ওলোৱা বেয়া গোন্ধে আমাৰ পেটৰ অসুখ, মানসিক অশান্তি আদিৰ সৃষ্টি কৰে। তদুপৰি এইবোৰৰ পৰা ৰোগৰ বীজাণু বিয়পি পৰি



কাষৰ জলাশয়সমূহ প্ৰদূষিত কৰে। গোটা আৱৰ্জনাত থকা পলিথিন, প্লাষ্টিক আদিৰ পৰা আৰ্চেনিক, কেডমিয়াম আদি বিষাক্ত দ্ৰব্য পানীৰ লগত উটি গৈ কাষৰ খাল, বিল, পথাৰ আদিৰ জলভাগ প্ৰদূষিত কৰে। গোটা আৱৰ্জনা পচিলে নিৰ্গত হোৱা গেছসমূহে এক বৃহৎ এলেকাৰ বায়ু প্ৰদূষিত কৰে। গোটা আৱৰ্জনা ভূমি প্ৰদূষণৰ এক অন্যতম কাৰক। গতিকে গোটা আৱৰ্জনা ভূমি, জল আৰু বায়ু এই তিনিও বিধ প্ৰদূষণৰ বাবে দায়ী। তদুপৰি এই গোটা আৱৰ্জনা সমূহৰ পৰা বহুতো ৰোগৰ বীজাণু, বিষাক্ত পদাৰ্থ আমাৰ জোতা, চেণ্ডেল, চাইকেল, মটৰ চাইকেল, স্কুটাৰ, গাড়ী আদিৰ টায়াৰত লাগি আহি আমাৰ ঘৰৰ চৌহদত সোমায়। কেতিয়াবা ঘৰৰ ভিতৰতো পায়হি। নগৰাঞ্চলৰ বহুতো আৱৰ্জনাই নলা-নৰ্দমা বন্ধ কৰি পানী ওলাই যোৱা ব্যৱস্থাৰ ক্ষতি সাধন কৰে। বন্ধ পানীত মহ, মাখি আদি বহুতো ৰোগ বাহকে বংশবৃদ্ধি কৰিবলৈ সুবিধা পায়। পথৰ কাষত থকা জাৱৰৰ দমে নগৰৰ সৌন্দৰ্য্য একেবাৰে বিনষ্ট কৰে। পথৰ কাষত পেলোৱা জাবৰে নলা নৰ্দমা বন্ধ কৰি কৃত্ৰিম বান পানীৰো সৃষ্টি কৰে। এই আবৰ্জনাবোৰ যেতিয়া পৌৰ নিগমে কঢ়িয়াই নি কোনো নদ-নদীৰ কাষত নতুবা আন ঠাইত পেলায় তেতিয়া এইবোৰৰ পৰা ওলোৱা বেয়া গোন্ধে এক বৃহৎ অঞ্চলৰ বায়ু প্ৰদূষিত কৰে। তদুপৰি ইহঁতক নদীৰ কাষত পেলোৱাৰ ফলত বাৰিষা বৰষুণৰ পানীত এইবোৰ উটি গৈ নদীৰ জলভাগ প্ৰদূষিত কৰে। এনে প্ৰদুষণৰ ফলত নদীত থকা জলচৰ প্ৰাণী যেনে মাছ, কাছ, শিহু আদিৰ বৃহৎ ক্ষতিসাধন হয়। ভাৰতৰ গংগা আৰু ব্ৰহ্মপুত্ৰ নদী এনে প্ৰদূষণৰ কবলত পৰিছে। এই প্ৰদূষিত পদাৰ্থবোৰ পিছত খাদ্য শৃংখলৰ জৰিয়তে জলচৰ প্ৰাণীৰ দেহৰ পৰা মানুহ আৰু আন আন প্ৰাণীৰ দেহলৈ যায়। গোটা আৱৰ্জনাসমূহ পিতনি আদি দ'ঠাইত পেলালে সেই ঠাইবোৰৰ জৈৱবৈচিত্ৰত আঘাত কৰাৰ উপৰিও এই গোটা




আৱৰ্জনাবোৰত থকা বিষাক্ত পদাৰ্থসমূহ ভূগৰ্ভলৈ যোৱা পানীৰ লগত মিহলি হৈ ভূগৰ্ভ পথটো আৰু এনদৰে ভূগৰ্ভৰ জলও প্ৰদূষিত কৰে।

কৃষিভূমিত প্ৰয়োগ কৰা ৰাসায়নিক সাৰ বিশেষকৈ নাইট্ৰেট আৰু ফছফেট জাতীয় সাৰ সমূহ যেতিয়া কৃষিভূমিৰ পৰা বৈ যোৱা পানীৰ লগত মিহলি হৈ জান, জুৰি, পুখুৰী আৰু হ্ৰদ আদিত পৰে তেতিয়া এই জলাশয়বোৰৰ উৰ্বৰতা বৃদ্ধি পায় আৰু ইয়াকে ইউট্ৰপিফিকেশ্বন বোলে। নাইট্ৰজেন আৰু ফছফৰাছৰ পৰিমাণ বৃদ্ধিয়ে শেলুৱৈ আৰু আন আন জলজ উদ্ভিদৰ বৃদ্ধিত অৰিহণা যোগায়। ইয়াৰ ফলত এই জলাশয়বোৰত ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। তদুপৰি কৃষিভূমিৰ পৰা এনে ৰাসায়নিক সাৰৰ কিছু অংশ নিগৰি নিগৰি ভূগৰ্ভ পায়গৈ আৰু ভূগৰ্ভৰ পানীও প্ৰদূষিত কৰে। নাইট্ৰজেন যুক্ত পানী খালে আমাৰ দেহৰ ভিতৰত থকা অনুজীৱ সমূহে নাইট্ৰেটক নাইট্ৰাইটলৈ ৰূপান্তৰ কৰে, এই নাইট্ৰাইটে দেহৰ তেজত থকা হিমগ্লবিনৰ লগত মিহলি হৈ মিথেনগ্লবিন নামৰ যৌগৰ সৃষ্টি কৰে। এই ৰাসায়নিক যৌগৰ প্ৰভাৱত মানৱদেহৰ শ্বাস-প্ৰশ্বাস তন্ত্ৰ আৰু ৰক্ত সঞ্চালন তন্ত্ৰৰ ক্ষতি হয়। ফলত তেজৰ অক্সিজেন কঢ়িওৱা ক্ষমতা নষ্ট হয়, দেহৰ ছালৰ বৰণ নীলা হয় আনকি কেন্সাৰো হ'ব পাৰে, মিথেনগ্লমিনৰ প্ৰভাৱত দেহত যিৰোগ হয় তাকে মিথেন'গ্লমিনেৰিয়া বোলে। এই ৰোগত ৰোগী মূৰৰ কামোৰণি, বিবেচনা শক্তিহীনতা আদি ৰোগত ভোগে।

কেতিয়াবা কেতিয়াবা কোনো কোনো ব্যক্তি নতুবা নগৰ পালিকাই গোটা আৱৰ্জনাবোৰ মুকলি ঠাইত জ্বলাই দিয়া চকুত পৰে। ইয়াৰ ফলত বায়ু প্ৰদূষিত হয়। ইয়াৰ ফলত বহুতো বিষাক্ত গেছ বায়ুত মিহলি হয়।

ইটা ভাটা, কয়লাখনি, বৃহৎ বৃহৎ অট্টালিকা নিৰ্মাণ কৰা ঠাইবোৰৰ ওচৰে পাজৰে কয়লাৰ টুকুৰা, শিল-ইটাৰ টুকুৰা আদি পৰি ভূমি প্ৰদূষিত কৰি তোলে। এনে ভূমি কৃষি অনুপযোগী হয়। এনে ঠাইৰ সৌন্দৰ্যও কিছু পৰিমানে ম্লান হয়।

তৈল উদ্যোগৰ আৱৰ্জনাত বহুতো বিষাক্ত দ্ৰব্য থাকে। যিবোৰ পেলোৱাৰ ফলত বহুতো জলাহ অঞ্চল একেবাৰে নষ্ট হোৱা দেখা যায়। ইহঁতে জৈৱ বৈচিত্ৰত কুপ্ৰভাৱ পেলায়। ইয়াৰ কেতবোৰ নিগৰি নিগৰি ভূগৰ্ভ পায়গৈ। চিকিৎসালয়ৰ আৱৰ্জনাসমূহ অতি বিষাক্ত। চামৰা উদ্যোগৰ আৱৰ্জনাৰ পৰা ফ্লুৰাইড, ক্ৰমিয়াম আদি যৌগ, কাগজ উদ্যোগৰ আৱৰ্জনাত

লিগানিন আদি থাকে যিবোৰে ভূমি আৰু জল বৰ বেয়া ধৰণে প্ৰদূষিত কৰে।

আমাৰ গ্ৰাম্য অঞ্চলতো কোনো কোনো লোকে ঘৰুৱা আৱৰ্জনা, পোহনীয়া জন্তুৰ গোবৰ আদি ঘৰৰ কাষতে পেলায়। যাৰ ফলত পৰিবেশ বিনষ্ট হয়। ভঙা গ্লাচ, অব্যৱহৃত গজাল আৰু টিং আদি যতে ততে পেলায়। এইবোৰ কেতিয়াবা ভৰিত সোমায় যাৰ ফলত চেপটিক হয়। গতিকে এনে গোটা আৱৰ্জনা সাৱধানে ৰাখিব লাগে। গোটা আৱৰ্জনা সৃষ্ট প্ৰদূষণৰ পৰা হাত সৰাৰ উপায় ঃ

১) পচন সাৰ আৰু পাম সাৰ প্ৰস্তুত কৰণৰ দ্বাৰা ঃ কৃষিক্ষেত্ৰৰ জৈৱিক আৱৰ্জনা, ঘৰুৱা জৈৱিক আৱৰ্জনা, নগৰ আৰু উদ্যোগৰ পৰা সৃষ্টি হোৱা জৈৱিক আৱৰ্জনা, ঘৰুৱা জৈৱিক আৱৰ্জনা, নগৰ আৰু উদ্যোগৰ পৰা সৃষ্টি হোৱা জৈৱিক আৱৰ্জনা বোৰৰ পৰা পচন সাৰ আৰু জীৱ জন্তুৰ মলৰ পৰা পাম সাৰ প্ৰস্তুত কৰি পৰিবেশ প্ৰদূষণৰ পৰা ৰেহাই পাব পাৰি। ৰাসায়নিক সাৰৰ ঠাইত এনে সাৰ ব্যৱহাৰ কৰিলে ৰাসায়নিক সাৰৰ দ্বাৰা হোৱা পৰিবেশ প্ৰদূষণৰ পৰাও ৰেহাই পাব পাৰি। পচন সাৰ, পামসাৰৰ উপৰিও, ৰাসায়নিক সাৰৰ পৰিবৰ্তে সেউজ সাৰ, গোবৰ, জীৱসাৰ আদি ব্যৱহাৰ কৰি ৰাসায়নিক সাৰৰ দ্বাৰা সৃষ্ট পৰিবেশ প্ৰদূষণ ৰোধ কৰিব পাৰি।

২) গোবৰ গেছ প্লেন্ট স্থাপন কৰি ঃ জৈৱিক গোটা আৱৰ্জনাৰ দ্বাৰা গোবৰ গেছ পেল্ট স্থাপন কৰি শক্তি উৎপাদন কৰিলে গোটা আৱৰ্জনাৰ দ্বাৰা সৃষ্টি হোৱা পৰিবেশ প্ৰদূষণ ৰোধ কৰিব পাৰি।

৩) পুনৰ ব্যৱহাৰৰ যোগেদি ঃ ভঙা টিন, ভঙা প্লাষ্টিকৰ বাচন-বৰ্তন, চামৰা, ৰবৰ, বটল আদি যিমান পৰা যায় পুনঃ পুনঃ ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে। এইবোৰ য'তে ত'তে নেপেলায় একে ঠাইতে শৃংখলাবদ্ধ ভাবে থব লাগে।

৪) ব্যৱহাৰ বন্ধ কৰি নতুবা খুব কমকৈ ব্যৱহাৰ কৰি পলিথিনৰ বজাৰ কৰা মোনাবোৰ সম্পূৰ্ণ বন্ধ কৰিব লাগে। কোম্পানীবোৰক বস্তু বান্ধিবৰ বাবে পলিথিন জাতীয় সামগ্ৰীৰ ঠাইত সহজে পচন যোৱা কাগজ জাতীয় সামগ্ৰী ব্যৱহাৰ কৰিবৰ বাবে বাধ্য কৰিব লাগে। পৰিৱেশ অনুকুল পদ্ধতিৰে উৎপাদন কাৰ্যত অগ্ৰসৰ হোৱা উদ্যোগসমূহক চৰকাৰে পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্লাষ্টিকৰ কাপ প্লেট আদিৰ ঠাইত গছৰ পাতেৰে তৈয়াৰী কাপ প্লেট নতুবা কাঁহ, পিতল, ব্যৱহাৰ কৰিব লাগে। কলপাত, কলগছৰ পটুৱা আদিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব দিব লাগে। এনে উদ্ভিদৰ উদ্যান স্থাপন কৰিব লাগে। অতি এৰাব নোৱাৰা অৱস্থাতহে পলিথিন ব্যৱহাৰ কৰিব লাগে। চিয়াঁহীৰ কলমৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগে।

৫) চিকিৎসালয়ৰ আৱৰ্জনা আৰু আন আন পলিথিন আৰু প্লাষ্টিকজাতীয় সামগ্ৰীবোৰ ইন্সিনেটৰ ব্যৱহাৰ কৰি পুৰিব লাগে। অৱশ্যে ই ব্যয়বহুল।

৬) উদ্ভিদৰ পৰা তৈয়াৰী পলিথিন আদিৰ বহুল ব্যৱহাৰৰ ওপৰত চৰকাৰে অধিক গুৰুত্ব দিব লাগে। এই দিশত আৰু গৱেষণাৰ প্ৰয়োজন আছে।

৭) উন্নত দেশবোৰত নগৰ পালিকাসমূহে জাবৰ-জোথৰ পেলাবৰ বাবে চেফটি টেংক ব্যৱহাৰ কৰিছে। তাৰ ফলত জাৱৰ জোথৰৰ পৰা বিষাক্ত দ্ৰব্য বাহিৰ হৈ ভূ-পৃষ্ঠৰ জলৰাশি প্ৰদূষিত কৰাৰ সম্ভাৱনা নাই। আমাৰ চৰকাৰেও এই দিশত বিহিত ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্ছনীয়।

৮) উদ্যোগ যেনে তৈল উদ্যোগ, কাগজ উদ্যোগ, চামৰা-উদ্যোগ, চিমেণ্ট উদ্যোগ, ইটাভাটা, কয়লাখনি আদিৰ পৰা নিৰ্গত হোৱা বৰ্জিত পদাৰ্থৰ বিহিত ব্যৱস্থা ল'বৰ বাবে চৰকাৰ আৰু কেম্পানী সমূহে বিহিত ব্যৱস্থা লোৱাতো বাঞ্ছনীয়। এই ক্ষেত্ৰত আৰু কঠোৰ আইন বলবৎ কৰা প্ৰয়োজন।

৯) সকলো প্ৰকাৰৰ পৰিবেশ প্ৰদূষণ ৰোধ কৰাৰ বাবে লাগিব সমাজৰ প্ৰত্যেকজন লোকৰ পৰিৱেশ সম্বন্ধীয় শিক্ষাৰ। প্ৰত্যেকজন ব্যক্তি আন্তৰিক প্ৰচেষ্টাৰো একান্ত প্ৰয়োজন।

গোটা আৱৰ্জনাৰ দ্বাৰা সৃষ্ট পৰিৱেশৰ বিপৰ্যয় বৰ্তমান এক জ্বলন্ত সমস্যা হিচাপে দেখা দিছে। গ্ৰাম্য অঞ্চলসমূহতকৈ নগৰ-মহানগৰ সমূহত গোটা আৱজনাই অধিক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। ই স্বাস্থ্যৰ প্ৰতিও অতি ক্ষতিকাৰক। অসমৰ প্ৰায়বোৰ নগৰৰ বাসিন্দা সকল এই ক্ষেত্ৰত সচেতন বুলি ক'ব নোৱাৰি। নগৰৰ বাসিন্দা সকল সচেতন নহ'লে কেৱল নগৰপালিকা সমূহে এই সমস্যাৰ সমাধান কৰিব নোৱাৰে। চৰকাৰে আইন প্ৰণয়ন কৰিলেও আমাৰ মাজৰ বহুতেই এই আইন ভাঙিবৰ বাবে যত্নপৰ হয়। শিক্ষা-দীক্ষা নতুবা পৰিবেশ সচেতনতাৰ অভাৱত গ্ৰাম্য অঞ্চলতো কোনো কোনো গৃহৰ চৌহদত জমা হোৱা গোটা আৱৰ্জনাই ঘৰখনৰ পৰিবেশ বিনষ্ট কৰা দেখা যায়। এই ক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ শিক্ষিত তথা পৰিবেশ সচেতন লোকসকলে তেনে লোকসকলক গোটা আৱৰ্জনাৰ ভয়াৱহতাৰ কথা বুজাবলৈ যত্ন কৰিব লাগে। আমি সকলোৱে এটা কথা মনত ৰাখিব লাগিব যে মানৱ সৃষ্ট পৰিৱেশ প্ৰদূষণে কেৱল পৰিৱেশৰ ক্ষতি কৰা জনকে ক্ষতি নকৰে; ক্ষতি কৰে সকলোকে, ক্ষতি সমগ্ৰ জীৱকুলক, আমাৰ সেউজ ধৰিত্ৰী আইক।



# অসমৰ বনাঞ্চল, বন্যপ্ৰাণী আৰু ইয়াৰ ভৱিষ্যত


হিৰণ্য বড়া
স্নাতক তৃতীয় বৰ্ষ
বুৰঞ্জী বিভাগ

অসম ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত এখন অতি প্ৰাচীন ৰাজ্য। বৰ্তমান ২৮ খন জিলাৰে গঠিত এই ৰাজ্যখনৰ মাজেদি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীকে কেন্দ্ৰ কৰি আন ভালেমান সৰু বৰ নদী ইয়াৰ মাজেদি বৈ গৈছে। বিভিন্ন জনজাতিয়ে আৰবা পাহাৰ-ভৈয়ামক একত্ৰিকৰণ কৰা নানা ভাষা সংস্কৃতিৰে ভৰপূৰ এই ৰাজ্যখন প্ৰাকৃতিক দিশত অতি প্ৰাচীনকালৰে পৰা চহকী।

প্ৰাকৃতিক দিশলৈ চালে চমক লগা ৰাজ্যখনিত ইমূৰৰপৰা সিমূৰলৈ মহাবাহু ব্ৰহ্মপুত্ৰই বিৰাজ কৰিছে। ইয়াৰ বিভিন্ন ঠাইত নানা বনাঞ্চলে আগুৰি আছে। বৰ্তমানে এই ৰাজ্যখনত চৰকাৰীভাৱে সংৰক্ষিত বহুকেইখন বনাঞ্চলৰ লগতে পাঁচখনকৈ ৰাষ্ট্ৰীয় উদ্যানৰ শোভা বিৰাজমান।

ইয়াৰ নদীবোৰৰ সাৰুৱা উপত্যকাসমূহৰ পৃথিৱীৰ কিছুমান আটাইতকৈ মূল্যৱান গছ গছনি আৰু পশুপক্ষীৰে ভৰপূৰ। ইয়াৰ কিছুমান গছ, পাত পৃথিৱীৰ বিৰল বহুমূলীয়া বনৌষধি আৰু সুগন্ধি প্ৰসাধনীয় তেলৰ উৎস। ঘনক্ৰান্তিয় অৰণ্য আৰু বৰ্ষাৰণ্য ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ বিয়পি আছে। ইয়াৰ চিৰসেউজীয়া অঞ্চলবোৰ তিনিখলপীয়া। সৰ্বোচ্চ স্তৰটোত আছে ১৫০ ফুটলৈকে উচ্চতাৰ চিৰসেউজীয়া আৰু বহুলৈকে ঠাল-ঠেঙুলী মেলা বিৰাট আকাৰৰ গছবোৰ। মধ্যস্তৰত আছে ৮০ ফুটলৈকে ওখ মধ্যমীয়া গছবোৰ আৰু একেবাৰে তলৰ সৰু সৰু জোপোহা গছৰ হাবি, লতা, অৰ্কিড আৰু ঢেকীয়া জাতীয়বোৰ। এই বৰ্ষাৰণ্যবোৰ তৰু-তৃণ লগতে বিশেষকৈ পশু-পক্ষীৰ জৈৱিক বৈচিত্ৰ্যৰ ক্ষেত্ৰত আটাইতকৈ সমৃদ্ধ।

নানাবিধ বিৰল প্ৰজাতিৰ বন্যপ্ৰাণীৰ লগতে বহু প্ৰকাৰৰ মূল্যৱান গছ-গছনিয়ে আগুৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰত থকা বনাঞ্চলসমূহৰ অৱস্থান এনেদৰে দেখা যায় চিৰাং জিলাৰ কছুগাঁও অভয়াৰণ্য, ধুবুৰী জিলাত অৱস্থিত চক্ৰিশিলা অভয়াৰণ্য কামৰূপ (গ্ৰাম্য) জিলাত অৱস্থিত দীপৰ বিল অভয়াৰণ্য, ওদালগুৰি জিলাত অৱস্থিত বৰনদী অভয়াৰণ্য, শোণিতপুৰ জিলাত অৱস্থিত সোনাই ৰূপাই অভয়াৰণ্য, নগাঁও জিলাত অৱস্থিত লাওখোৱা অভয়াৰণ্য, হাইলাকান্দি জিলাত অৱস্থিত ইনাৰ সংৰক্ষিত বন আৰু কাটাখাল সংৰক্ষিত বন, গোলাঘাট জিলাৰ নামবৰ বনাঞ্চল কাকভোঙা সংৰক্ষিত বন, দিয়া সংৰক্ষিত বন, কাৰ্বিআলং আৰু গোলাঘাট জিলাক আগুৰি থকা গৰমপানী অভয়াৰণ্য কাৰ্বি আলং জিলাৰ ৰেংমা সংৰক্ষিত বন, ডিফু সংৰক্ষিত বন, যোৰহাট জিলাত অৱস্থিত গিৱন অভয়াৰণ্য, দিচাং ভেলি সংৰক্ষিত বন, তিৰু সংৰক্ষিত বন, লখিমপুৰৰ পাত অভয়াৰণ্য, ধেমাজী জিলাত অৱস্থিত বৰদৈবাম বিলমুখ পক্ষীৰ অভয়াৰণ্য, শিৱসাগৰৰ পানীদিহীং পক্ষীৰ অভয়াৰণ্য, অভয়পুৰ সংৰক্ষিত বন, ডিব্ৰুগড় জিলাত অৱস্থিত জকাই সংৰক্ষিত বন, জয়পুৰ সংৰক্ষিত বন, উজনি দিহিং সংৰক্ষিত বন, দিহিং পাটকাই অভয়াৰণ্যৰ লগতে নগাঁও, গোলাঘাট আৰু



কাৰ্বি আংলং জিলাৰ ৪৩০ বৰ্গ কিঃমিঃ আগুৰি থকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, তিনিচুকীয়া জিলাৰ উত্তৰে ৩৪০ বৰ্গ কিঃমিঃ আগুৰি থকা ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান য'ত কেৱল পৃথিৱীৰ ভিতৰত একমাত্ৰ বনৰীয়া ঘোঁৰা পোৱা যায়। বৰপেটা জিলাৰ ৩৬০ বৰ্গ কিঃ মিঃ আগুৰি থকা নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু দৰং জিলাৰ ৭২ বৰ্গ কিঃ মিঃ আগুৰি থকা ওৰাং ৰাষ্ট্ৰীয় উদ্যান আদিয়ে ৰাজ্যখনৰ প্ৰাকৃতিক দিশতো অতি চহকী কৰি ৰাখিছে।

এই বনাঞ্চলসমূহত অতি বিৰল প্ৰজাতিৰ নানা প্ৰকাৰৰ বন্য প্ৰাণী তথা পৰিভ্ৰমী চৰাই লগতে হাজাৰ হাজাৰ নানা প্ৰকাৰৰ স্থানীয় পক্ষীৰ বিচৰণ হ'ল। ইয়াৰ লগতে এই বনাঞ্চলসমূহৰ মাজৰ নদ-নদী তথা জলাশয়সমূহ বিভিন্ন প্ৰকাৰৰ জলপ্ৰাণী লগতে নানা বিধ সৰীসৃপ দেখিবলৈ পোৱা যায়।

আনহাতেদি ইয়াৰ অন্তৰ্গত যিবিলাক মূল্যবান গছ-গছনি আছে ইয়ো বিশেষকৈ বনাঞ্চল সমূহৰ ভাৰসাম্য কৰি আহিছে। এই গছ গছনি সমূহত নানা বিধ অৰ্কিড দেখিবলৈ পোৱা যায়।

এটা খৰ্গযুক্ত গঁড়ৰ বাবে বিখ্যাত কাজিৰঙাক গঁড়ৰ বাহিৰেও বনৰীয়া ম'হ আৰু হাতী প্ৰধান বন্যজন্তু। ৪৩০ বৰ্গ কিঃ মিঃ আগুৰি থকা এই উদ্যানখনক ১৯৭৪ চনত ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি পায়। ক্ৰমে ১৯৯৯ চনত ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, ১৯৯০ চনত মানস ৰাষ্ট্ৰীয় উদ্যান ১৯৯৮ চনত নামেৰীক ৰাষ্ট্ৰীয় উদ্যান ১৯৯২ চনত ওৰাংক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা প্ৰদান কৰে।

কাজিৰঙাকে ধৰি এই বিশ্ববিখ্যাত ৰাষ্ট্ৰীয় উদ্যান কেইখনৰ লগতে বনাঞ্চলসমূহত এশিঙীয়া গঁড়ৰ (কাজিৰঙা, ওৰাং) উপৰি বনৰীয়া ম'হ, বন গাহৰি, হাতী, নানা প্ৰকাৰৰ বান্দৰ আৰু বহুতো সৰীসৃপৰ লগতে ইয়াৰ জলাশয়সমূহত মাছ-কাছ নানাবিধ বনৰীয়া হাঁহে ভৰপূৰ জলাশয়সমূহত মাছ, কাছ, নানাবিধ বনৰীয়া হাঁহে ভৰপুৰ ইয়াৰ লগতে নানাবিধ পৰিক্ৰমীৰ লগতে বহু প্ৰকাৰৰ স্থানীয় চৰাই পোৱা যায়।

বৰ্তমান এইবিলাকে ৰাজ্যখনিক চৌপাশ শুৱনী কৰা লগতে অৰ্থনৈতিক দিশতো নানাধৰণে অৱদানৰ হাত আগবঢ়াইছে। এইবোৰ স্থানক সৌন্দৰ্য তথা ইয়াৰ বন্যপ্ৰাণী দৰ্শনৰ কাৰণে পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা হাজাৰ হাজাৰ দৰ্শনাৰ্থীৰ তথা পৰ্যটকৰ আগমন ঘটে আৰু ইয়াৰে শৰণলৈ বিভিন্নজন নিবনুৱাই বিভিন্ন স্থানত পৰ্যটকৰ শাল, পৰ্যটকক অহা-যোৱা কাৰণে যান-বাহন ব্যৱস্থা তথা পৰ্যটকক আকৰ্ষণ কৰিব কাৰণে বিভিন্ন গীত-মাত, নানাবিধ হস্ত নিৰ্মিত সামগ্ৰী নিৰ্মাণ কৰি নিজৰ জীৱিকাৰ পথ মুকলি কৰিছে।

আনহাতেদি এই স্থানসমূহৰপৰা চৰকাৰে অৰ্থনৈতিকভাৱে লাভালাভ হোৱা লগতে পৰ্যটকৰ অহা যোৱা দিশত আলি-পদূলিৰ উন্নত হোৱা উপৰি বিৰল প্ৰজাতিৰ বন্যপ্ৰাণীৰসমূহৰো সংৰক্ষণত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

কিন্তু, বৰ্তমান অতি দুখৰ কথা যে, এই অৰণ্যসমূহক অসম চৰকাৰে যিদৰে ৰক্ষণাবেক্ষণ দিব লাগিছিল এই ক্ষেত্ৰও এওঁলোক অক্ষম। চোৰাং চিকাৰীৰ নিধন কাৰ্যৰ ফলত বনাঞ্চলসমূহৰ প্ৰায়বিলাক বন্যপ্ৰাণী আজি বিলুপ্ত পথত। অতি আপুৰুগীয়া সম্পদ এশিঙীয়া গঁড়ৰ লগতে বাকী জীৱ-জন্তু, পক্ষী সকলোৰে কাৰণে ভাবুকি নামি আহিছে। আনহাতে অসমৰ এৰাব নোৱাৰা সমস্যা বানপানী আছেই। যাৰ ফলত বছৰি হাজাৰ হাজাৰ বন্যপ্ৰাণী খাদ্য তথা বাসস্থানৰ অভাৱৰ কাৰণে মৃত্যুক আকোৱালি ল'বলগীয়া হয়। তদুপৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে মুখ্য বহুকেইখন বনাঞ্চলত অবৈধভাৱে নিৰ্মাণ কৰা বাসগৃহ তথা বেদখলে এফালৰপৰা বনাঞ্চলৰ সীমা গ্ৰহণ কৰাৰ ফলত ইয়ো এক প্ৰকাৰে এৰাব নোৱাৰা সমস্যাত বৰ্তমান পৰিণত। ইয়াৰ লগে লগে বহিঃৰাজ্যত যিদৰে অসম এখন উগ্ৰপন্থীৰ ৰাজ্য বুলি পৰিচিত ইয়াৰ কাৰণেও বন্যপ্ৰাণীৰ বাবে ভাবুকি নামি আহিছে। যিহেতু এই বনাঞ্চলসমূহত থকা আপুৰুগীয়া বন্য প্ৰাণী দৰ্শন কৰিবলৈ যিসকল পৰ্যটক আহে ইয়াৰ কাৰণে



এওঁলোকৰ আগমনো হেমাহি হ'বলৈ ধৰিছে। যদিহে অসম চৰকাৰৰ লগতে বিভিন্ন বেচৰকাৰী সংগঠনসমূহ তথা অসমৰ সকলো বিলাক জনসাধাৰণে এনে দিশত গুৰুত্বপূৰ্ণ ভূমিকা তথা গুৰুত্ব সহকাৰে চকু নিদিয়ে তেনেহলে অদূৰ ভৱিষ্যতলৈ এই আপুৰুগীয়া বন্যপ্ৰাণীসমূহৰ লগতে প্ৰাকৃতিক শোভাৰে উজ্জলাই থকা বনাঞ্চলসমূহ এদিন চকুৰ আগতে বিলুপ্ত হ'ব।





*বিদ্যা মানুহৰ সুৰক্ষিত হৈ থকা গোপনীয় ধন, বিদ্যা অথবা শিক্ষাৰ দ্বাৰা ভোগ হয়, যশস্যা হয়, সুখ হয়। বিদ্যা পৰম গুৰু, বিদ্যা পৰমেশ্বৰস্বৰূপ, বিদ্যাক ৰজায়ো আদৰ কৰে, যিটো ধন-সোণৰ দ্বাৰা পাব নোৱাৰি। গতিকে যাৰ বিদ্যা নাই তেওঁ পশুতুল্য।*

## শিক্ষা আহৰণৰ প্ৰথম চৰ্ত ঃ

# শ্ৰদ্ধা, যত্ন আৰু অন্তহীন প্ৰেৰণা

✍ বিতোপন দত্ত
স্নাতক প্ৰথম বাৰ্ষিক
বিজ্ঞান শাখা

বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগতপ্ত ধনম।
বিদ্যা ভোগকৰী যশঃ সুখকৰী বিদ্যাগতৰুণাং গুৰুঃ।।
বিদ্যা বন্ধুজনো বিদেশগমণে বিদ্যাপৰং দৈৱতং।
বিদ্যা ৰাজাযু পূজিতা নহি ধনং বিদ্যাবিহীন পশুঃ।।

বিদ্যা মানুহৰ সুৰক্ষিত হৈ থকা গোপনীয় ধন, বিদ্যা অথবা শিক্ষাৰ দ্বাৰা ভোগ হয়, যশস্যা হয়, সুখ হয়। বিদ্যা পৰম গুৰু, বিদ্যা পৰমেশ্বৰস্বৰূপ, বিদ্যাক ৰজায়ো আদৰ কৰে, যিটো ধন-সোণৰ দ্বাৰা পাব নোৱাৰি। গতিকে যাৰ বিদ্যা নাই তেওঁ পশুতুল্য।

প্ৰাক-ঐতিহাসিক যুগৰে পৰা ভাৰতবৰ্ষত শিক্ষা আহৰণৰ অৰ্থে যি পথ প্ৰদৰ্শিত হৈ আহিছে, সি প্ৰকৃতাৰ্থত কণ্টকময় তথা কৌতুহলোদ্দীপক। প্ৰাচীন ভাৰতীয় শিক্ষাৰ মূলসুঁতি বেদ, উপনিষদ, পুৰাণ, গীতা আদি শাস্ত্ৰৰ বুকুৰ পৰা বৈ আহিছিল। শিক্ষাত আধ্যাত্মিকতাক সদায় উচ্চস্থান দিয়া হৈছিল আৰু ইয়াৰ মূল লক্ষ্য স্থিৰ হৈছিল, আত্মাৰ মুক্তি মোক্ষ লাভ। আত্মাৰ মুক্তিতে ভাৰতীয় মানুহৰ অন্তৰত প্ৰোথিত হৈছিল ঐহিক আৰু পাৰমাৰ্থিক শক্তিৰ বীজ। ব্যক্তিৰ আধ্যাত্মিক শক্তি জাগ্ৰত কৰাৰ লগে লগে এই শিক্ষাই সততা পৰিত্ৰতাৰ মাজেদি ন্যায়-নিষ্ঠাৰ ব্যৱহাৰিক ভেঁটি সুদৃঢ় কৰে।

গ্ৰীক দাৰ্শনিক প্লেটো আৰু এৰিষ্ট'টলে শিক্ষাক দেহ আৰু আত্মাৰ সকলো সৌন্দৰ্যৰ বিকাশ আৰু সকলো সম্ভাৱৰ পূৰ্ণতা প্ৰদান আৰু সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে বুলি কৈছে। আনহাতেদি শিক্ষাবিদ ডিউইৰ মতে শিক্ষা হ'ল মানুহৰ জীৱন ব্যাপী চলা উৎকৰ্ষৰ অন্তহীন প্ৰক্ৰিয়া - "Education is a life long process of development."
মহাত্মা গান্ধীয়ে শিক্ষা সন্দৰ্ভত কৰা মন্তব্যটো এনেধৰণৰ বহল দৃষ্টিভংগীৰে ব্যক্ত হৈছে। তেখেতৰ মতে -- "By education I mean an all round drawing out of best in child and man, body, mind and soul.
অসমীয়াত এটি সুন্দৰ ঠাঁচ আছে যে,

অধ্যৱসায়ে সফলতাৰ গুপ্ত কৌশল। সেই গতিকে অধ্যৱসায় হৈছে শিক্ষাৰ্থীৰ কৃতকাৰ্যতাৰ মূল চাবি-কাঠি।

শিক্ষাৰ্থীৰ দেহ, মন আৰু আত্মাৰ সৰ্বতোমুখী বিকাশ সাধনত অধ্যৱসায়তকৈ শিক্ষাগুৰুৰ ভূমিকা সৰ্বতো ওপৰত বুলিব পাৰি। গুৰুৰ ওচৰত শৰণ নোলোৱা পৰ্যন্ত জীৱাত্মাৰ মুক্তি নাই। গুৰু কোনো কথাত সন্তুষ্ট নহ'লে অথবা তেওঁৰ আশীৰ্বাদমালা

*শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত শ্ৰদ্ধা, ভক্তি তথা অন্তহীন প্ৰেৰণা থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব লগা পাঠ্যপুথিৰ প্ৰতিও শ্ৰদ্ধা আৰু নিষ্ঠা স্থাপন কৰা নিতান্তই প্ৰয়োজনীয়।*

শিৰত নপৰিলে শিষ্য শাস্ত্ৰজ্ঞ হ'ব নোৱাৰে। জীৱন সংগ্ৰামৰ প্ৰকৃত যোদ্ধা হ'ব নোৱাৰে আৰু কিবা প্ৰকাৰে হ'লেও তেওঁৰ সেই বিদ্যা অথলে যায়। মহাভাৰতত বৰ্ণিত মহাৰথী কৰ্ণ আৰু একলব্যৰ কাহিনী ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

উপনিষদত জ্ঞানক অমৃত আখ্যা দিয়া হৈছে। গীতাত 'জ্ঞান'ক আটাইতকৈ পৱিত্ৰ বস্তু বুলিছে। নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।' এই অমৃতময় পৱিত্ৰ বস্তু 'জ্ঞান' লাভ কৰাৰ ঘাই উপায় হ'ল – শ্ৰদ্ধা আৰু যত্ন। 'শ্ৰদ্ধাৱান লভতে জ্ঞানম'। এই বাক্যৰ পৰিপূৰক উক্তি হিচাপে উত্তৰকালৰ মণীষীয়ে শ্ৰদ্ধা আৰু যত্নক সদায় আগস্থান দিছে।

শ্ৰদ্ধা-যত্ন যদি স্যাতাং মেধায়াম কিং প্ৰয়োজন।
ভাবুভৌ যদি ন ব্যাতাং, মেধয়াম কিং প্ৰয়োজনম।।

শ্ৰদ্ধা বোলোতে ছাত্ৰৰ গুৰু বা শিক্ষকৰ প্ৰতি দ্বিধাহীন শ্ৰদ্ধা বা ভক্তিকে বুজায়। গুৰুৰ প্ৰতি অচল ভক্তি ৰাখি গুৰুমুখ নিসৃত কথাবোৰ কায়মনো বাক্যে বিশ্বাস কৰি তাক উপলব্ধিৰ সহায়ত চিন্তা কৰি থাকিলে বিশ্বাস দৃঢ় হয়। বিশ্বাসে জ্ঞান লাভতো সহায় কৰে। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত শ্ৰদ্ধা, ভক্তি তথা অন্তহীন প্ৰেৰণা থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব লগা পাঠ্যপুথিৰ প্ৰতিও শ্ৰদ্ধা আৰু নিষ্ঠা স্থাপন কৰা নিতান্তই প্ৰয়োজনীয়। গীতাত সেয়ে উল্লেখ আছে যে, অজ্ঞ, শ্ৰদ্ধাহীন আৰু মনৰ পৰা সংশয় নুগুচা শিক্ষাৰ্থী বিনষ্ট হয়। সন্দেহ নুগুচাজনৰ ইহলোকো নাই পৰলোকো নাই। গতিকে যি বিদ্যা শিক্ষা হয় আৰু যাৰ পৰা বিদ্যা শিকা হয় এই দুয়োৰে প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা থাকিব লাগে। শ্ৰদ্ধাৰ পৰা একাগ্ৰতা বাঢ়ে আৰু একাগ্ৰতা ওপজে সংযমী মনৰ পৰা। ছাত্ৰাৱস্থাতে গতিকে ইন্দ্ৰিয় সংযম অতি লাগতিয়াল কথা। সেই গতিকে ছাত্ৰাৱস্থাক ব্ৰহ্মচাৰীৰ লগত তুলনা কৰা হয়। এনেদৰে শ্ৰদ্ধা-যত্ন, একাগ্ৰতা আৰু ইন্দ্ৰিয় সংযমৰ পিছত শিক্ষা আহৰণৰ পন্থা হিচাপে নিৰ্দেশিত হৈছে – প্ৰণিপাত, পৰিশ্ৰম আৰু সেৱা। গীতাত কৈছে – "তদ্বিদ্বি প্ৰণিপাতেন পৰিপ্ৰশ্নেণ সেৱয়া।" দৰাচলতে 'শ্ৰদ্ধা-যত্ন' এই দুই শব্দতে প্ৰণিপাত আদি অভিধাবোৰ লীন হৈ আছে। প্ৰণিপাত মানে শিক্ষাগুৰুলৈ প্ৰণাম। ই ছাত্ৰ বা ছাত্ৰীৰ নম্ৰতা গুণৰ পৰিচয়।

'History is the best policy' - ৰ দৰে নম্ৰ বা বিনয়ী ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ মনোযোগ সহজে আকৰ্ষণ কৰিব পাৰে আৰু সহানুভূতি লাভ কৰে। শিক্ষকৰ সহানুভূতিয়ে ছাত্ৰ-ছাত্ৰীৰ শিৰত বৰমালা ৰূপে বৰ্ষিত হয়। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যেতিয়াইপিতৃআৰু সন্তানৰ দৰে মধুৰ সম্পৰ্ক গঢ় লৈ উঠে, তেতিয়াই পৰিপ্ৰশ্নৰ দ্বাৰা শিক্ষাৰ্থীৰ শিক্ষা লাভ সহজলভ্য হৈ পৰে।

অন্যহাতেদি উল্লেখ কৰিবলগীয়া কথা যে, সেৱাৰ মনোভাৱ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীৰ বুকুৰ মাজত জ্যেষ্ঠজনৰ প্ৰতি থকা অন্তহীন প্ৰেৰণাৰ পৰা ওপজে। প্ৰাচীন কালত শিষ্যই গুৰুগৃহলৈ যাওঁতে 'সমিৎ পাণি' হৈ যোৱাৰ নিয়ম আছিল। সমিধ কেইডাল শ্ৰমযুদ্ধ সেৱাৰ প্ৰতীক। উপনিষদত বৰ্ণিত আৰুণি, উপমন্যু আদি শিষ্যৰ অশেষ কষ্ট আৰু কৃচ্ছসাধন তেনে শ্ৰমযুক্ত সেৱাৰ উদাহৰণ।

বৰ্তমান শিক্ষাজগতলৈ বহুতো পৰিৱৰ্তনৰ জোৱাৰ আহিছে। শিক্ষিতৰ হাৰ উৰ্দ্ধগামী কৰা, শিক্ষকৰ সহজলভ্য আৰু আকৰ্ষণীয় কৰি তোলা, প্ৰাচ্য-পাশ্চাত্যৰ সমন্বয় ৰাখি কোঠাৰি আয়োগ (১৯৬৪-৬৬) ৰ পৰা আৰম্ভ কৰি বিভিন্ন শিক্ষা আয়োগে বিভিন্ন সময়ত শিক্ষাৰ উৎকৰ্ষ সাধনৰ পৰামৰ্শ আৰু সংশোধনৰ উপায় আগবঢ়াই আহিছে। পিছে শিক্ষাৰ ক্ষেত্ৰত উত্থাপিত নানা সমস্যাৰ সু-সমাধান আজিকোপতি হোৱা নাই। এইটো স্বীকাৰ্য যে, বৰ্তমান শিক্ষা ব্যৱস্থা পাশ্চাত্য শিক্ষাৰ আদৰ্শত গঢ় লৈ উঠিছে। বৰ্তমান গ্লোৱেলাইজেচনৰ যুগত পাশ্চাত্যৰ প্ৰস্তাৱ একে ভাষাৰে নুই কৰিব নোৱাৰি। সেইবুলি অন্ধ অনুকৰণ মুঠেই কাম্য নহয়।

শিক্ষা জগতত সততা আৰু পৱিত্ৰতাৰ ভেঁটিত এটা সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ হ'লে অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় সকলোৰে মাজত এটা সুমধুৰ সম্পৰ্ক গঢ়ি তুলিব লাগিব।

সৰ্বোপৰি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগুৰু আৰু পাঠ্যপুথিৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা অটুট ৰাখি অধ্যয়নৰত হৈ দেশৰ ধৰণী হ'বলৈ যত্নপৰ হ'ব লাগিব। তেহে বিদ্যা অমৃতময় আৰু পৱিত্ৰময় হৈ উঠিব।


সহায়ক গ্ৰন্থ ঃ
১. মহাত্মা গান্ধীৰ আত্মজীৱনী
২. World famous 101 great lives (vol-1)
৩. বিভিন্ন বাতৰি কাকতৰ অংশসমূহৰ সংযোগ স্থাপন




# অসমত অতীতত প্ৰচলিত জাতীয় খেলধেমালি


আলোক গগৈ
সহকাৰী সঞ্চালক
ক্ৰীড়া ও যুৱ কল্যাণ বিভাগ
গুৱাহাটী - ৬


অসমৰ খেলৰ ইতিহাসত যি সমূহ খেলে প্ৰকৃততে প্ৰাধান্য লাভ কৰিব লাগিছিল। সেই সমূহ খেল সময়ৰ সোঁতত বিলীন হৈ গ'ল বুলি ক'ব পাৰি। আজি তেনে খেলসমূহ খেলাটো দূৰৰ কথা বহুতে হয়তো নামেই শুনা নাই। ইংৰাজৰ ৰাজত্বতে আমাৰ মাজত দি থৈ যোৱা বহু অভ্যাসৰ লগতে বিলুপ্তি পোৱা অনেকৰ মাজত এই খেল সমূহো অন্যতম। অতীতৰ খেল সমূহৰ মাজত সকলোৰে সমাজত খেল সমূহ আছিল হাতী দৌৰ, ঘোঁৰা দৌৰ, নাওখেল, কড়ীখেল, ঘিলাখেল, ঢোপখেল, কুকুৰা যুঁজ, বুলবুলি চৰাই যুঁজ, চিলনী খেল, হাইগুডো, কড়ি খেল, তিনিঠেঙীয়া দৌৰ, সাঁতোৰ। টাংগুটি ৰচী টনা, টেকেলী ভঙা, লাঠী দলিওৱা, মল্লযুজ আদি কৰি নানা বিধ খেল সময়ত অসমৰ গাঁৱে-ভূঞে সকলো স্তৰতে, ৰজা-প্ৰজা, ধনী-দুখীয়া সকলো শ্ৰেণীৰ মাজত প্ৰচলিত হোৱাৰ পাছতো আজি তেনেবোৰ খেল বিস্মৃতিৰ অটল গহ্বৰত লীন হৈ যাবলৈ ধৰিছে। ই আমাৰ সমাজৰ বাবে কম পৰিতাপৰ বিষয় নহয়। যিহেতু সমাজত জাতি-কুল, উচ্চ-নীচ পৰিহাৰ কৰি যদিহে এক কৰিব পৰা কিবা এক স্থান আছিল সেইয়া হ'ল খেল পথাৰ। উপৰুক্ত খেলসমূহৰ বেছি ভাগেই অসমীয়া সমাজত ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ সকলোলৈকে সকলোৰে খেলত অংশ গ্ৰহণ কৰি আনন্দ উপভোগ কৰিছিল। এই সমূহ বিশেষকৈ অসমীয়া জাতীয় উৎসৱ বিহুৰ সময়ত খেল-ধেমালি প্ৰতিযোগিতা হিচাপে অতি প্ৰাচীন কালৰ পৰা আৰম্ভ হৈ এতিয়াও প্ৰচলিত হৈ আছে। এতিয়াও অৱশ্যে বিহুৰ সময়ত বহুলোকে কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, মহযুঁজ, টেকেলী ভঙা, ৰচী টনা, হাইগুডু অসমীয়াৰ বিহু উৎসৱৰ এক অবিচ্ছেদ্য অংশ হিচাবে বিবেচিত হৈ আহিছে। এই খেল সমূহৰ নিৰ্দ্দিষ্ট কোনো নীতি-নিৰ্দেশনা নথকাৰ বাবে স্থান কাল ভেদে পৰিচালনাৰ নিয়ম ভিন্ন হোৱা বাবে আজিৰ দৰে প্ৰতিযোগিতাৰ আওতালৈ আনিব পৰা হোৱা নাই তাৰবাবে কোনোৱে চেষ্টা চলোৱা নাই। সেয়েহে সময়ৰ বুকুত খেলসমূহ হেৰাই যাব ধৰিছে। সেই সময়ত ৰজাঘৰৰ পৃষ্ঠপোষকতাত খেলসমূহ অনুষ্ঠিত হোৱাৰ লগতে বিজয়ী সকলক উপযুক্ত ভাবে পুৰস্কৃত কৰিছিল লগতে বিজিত সকলক কেতিয়াবা শাস্তি প্ৰদানও কৰা হৈছিল। সেয়েহে সকলোৰে



প্ৰশিক্ষণলোৱাৰ চেষ্টা কৰিছিল। ক্ৰীড়াৰ প্ৰসাৰৰ ক্ষেত্ৰও আহোম স্বৰ্গদেউ সকলে যি দৰে উৎসাহিত কৰিছিল সেয়াই এতিয়াও আমাৰ মাজত প্ৰচলিত হৈ থকাৰ উৎকৃষ্ট নিদৰ্শন।

আহোম ৰাজত্ব কালত খেলৰ উৎকৰ্ষ সাধনৰ এক উৎকৃষ্ট নিদৰ্শন হ'ল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত নিৰ্মাণ কৰি উলিওৱা ৰংঘৰ। এই ৰংঘৰৰ বাকৰিতে ৰজাঘৰৰ লগতে সাধাৰণ প্ৰজাই সেই সময়ত বিভিন্ন খেল-ধেমালি উপভোগ কৰাৰ সুবিধা লাভ কৰিছিল। এই ৰংঘৰৰ বাকৰিত অনুষ্ঠিত খেল সমূহ কিছু মুকলি ভাবে আৰু কিছু কিছু পিঞ্জৰা বা কোনো বিশেষ ভাবে আবৃত সীমাৰ ভিতৰত অনুষ্ঠিত হৈছিল। বিশেষ ভাবে হাতী দৌৰ, হাতী যুঁজ, ম'হ যুঁজ, ঘোঁৰা দৌৰ, মল্ল যুঁজ, তৰোৱাল চালনা, কাতমৰা, বাঘযুঁজ আদি। সেই সময়ত কোনো খেলকেই জাতি, ধৰ্ম, উচ্চ-নীচ, ধনী-দুখীয়া আদিৰ বাবে পৃথক নাছিল। সকলো খেলা ৰজা-প্ৰজা, ধনী-দুখীয়া, উচ্চনীচ সকলোৰে বাবে উন্মুক্ত আছিল। পাৰদৰ্শিতাৰ মাজেৰেহে শ্ৰেষ্ঠত্ব নিৰ্বাচিত হৈছিল। সেই সময়ত ৰজা ঘৰৰ পৰা বিজয়ী সকলক প্ৰদান কৰা বঁটা বাহনে বা বাব আদিয়ে সাধাৰণ জনগণক উৎসাহিত কৰিছিল আৰু গুৰুত্ব সহকাৰে উপযুক্ত প্ৰশিক্ষণৰ মাজেৰে খেল সমূহত অংশ গ্ৰহণ হোৱা বাবে খেল সমূহৰ মানদণ্ড উচ্চমান বিশিষ্ট আছিল। ইয়াৰ দ্বাৰাই স্বাস্থ্যৰ সজাগতা, শাৰীৰিক সমৰ্থতা আৰু মানসিক উৎকৰ্ষ সাধনৰ দিশ প্ৰতিফলিত হৈছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতাই আহোম স্বৰ্গদেউ সকলৰ বদান্যতাকে প্ৰকাশ কৰে। আনহাতে আহোম স্বৰ্গদেউ সকলৰ যুদ্ধত সহজে কোনোৱে পৰাজিত কৰিব নোৱাৰে কাৰণ এই খেল সমূহৰ মাজেৰে হোৱা শাৰীৰিক সমৰ্থতা অন্য এক কাৰণ বুলিব পাৰি। যিহেতু প্ৰতিজন আহোম সেনাই তৰোৱাল চলোৱা, কাঁড় মৰা, নাও বোৱা, হাতী চলোৱা আদি সকলো কামতে পাৰ্গত আছিল। যাৰ উৎকৃষ্ট উদাহৰণ একৰাতিৰ ভিতৰতে সৈন্য সকলে নিৰ্মাণ কৰা মোমাই কটা গড়।

বিহু অথবা অন্য উৎ সৱ উপলক্ষে হোৱা খেল-ধেমালিৰ দৰে আহোম সকলৰ শাসন কালত কোনো ৰজাৰ অভিষেক আদি হ'লে সপ্তাহজোৰা অন্যান্য মাংগলিক অনুষ্ঠান যেনে সাংস্কৃতিক অনুষ্ঠান, নাচ-গান, ভোজভাতৰ লগতে খেল ধেমালিৰো ব্যৱস্থা কৰা হৈছিল। এই সমূহ উপভোগৰ বাবে অন্য নালাগে কাষৰীয়া কৰতলীয়া ৰজা সকলকো নিমন্ত্ৰণ জনোৱা হৈছিল। এই সমূহৰ বাবে ডা-ডাঙৰীয়া সকলে সকলোবোৰ ব্যৱস্থা কৰিছিল। মুঠতে সকলোদিশতে প্ৰজাৰ উপভোগ্য কৰি তুলিছিল।



আহোম ৰাজত্বৰ অৱসানৰ পাছতে এই সমূহ খেলৰো প্ৰসাৰতা ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিলে। ৰংঘৰ বাকৰিও মাথো বিহু আদি উৎসৱৰ সময়তহে এই সমূহ খেল কিছু বছৰলৈ প্ৰচলিত হৈ আছিল যদিও লাহে লাহে লোপ পাব ধৰিলে।

ইংৰাজ সকলৰ আগমনৰ লগে লগে অসমীয়া সমাজ ব্যৱস্থাতো সময়ৰ গতিত আমুল পৰিবৰ্তন আহিল। পশ্চিমীয়া সভ্যতাৰ আচাৰ-ব্যৱহাৰ, খেল-ধেমালি অসমীয়া সমাজত বিয়পি পৰিল। চহৰ অঞ্চলৰ পৌৰাণিক খেল সমূহৰ ঠাইত আধুনিক ফুটবল আদি খেলে আধিপত্য বিস্তাৰ কৰিবলৈ ল'লে। চহৰত, বাগান, কয়লাখনি, তেলখাদ আদিবোৰত ক্লাব আদিৰ ব্যৱস্থাও হয়। বগা চাহাবৰ লগত কলা চাহাবে খেলত অংশ গ্ৰহণৰ সুবিধাৰে অতীজৰ খেলক এলাগি কৰা হ'ল।

ইংৰাজী শিকাৰ প্ৰভাৱত আমাৰ সমাজলৈ যি পৰিবৰ্তন আহিল সেয়া ক্ৰমান্বয়ে অসমীয়া সমাজ ব্যৱস্থাৰ খাদ্যভাষা, সাজ পোছাক, আদৱ-কায়দা সকলোতে প্ৰভাৱ বিস্তাৰ কৰিলে আৰু সকলো খিনিকেই সলনি কৰিলে। সেয়েহে আমাৰ মাজত প্ৰচলিত মুক্ত খেল সমূহ সময়ত ফুটবল, ভলীবল, লন টেনিচ, টেবুল টেনিচ, ক্ৰিকেট আদি বিভিন্ন খেলে কোঙা কৰি খেল পথাৰৰ পৰা বাহিৰ কৰি দিলে। নকৈ গঢ় লোৱা নতুন অসমীয়া সমাজে আধুনিক খেলসমূহকে সাদৰেৰে আকোঁৱালি ল'বলৈ ধৰিলে আৰু থলুৱা খেল-ধেমালিসমূহ উপযুক্ত পৃষ্ঠপোষকতাৰ অভাৱত লাহে লাহে আমাৰ মাজৰ পৰা হেৰাই যাবলৈ ধৰিলে।

ভাৰত চৰকাৰে দেশৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা বিভিন্ন জনগোষ্ঠীৰ মাজত বহুলভাবে প্ৰচলিত বহু খেল 'ইণ্ডিয়ান ইণ্ডিজেনিয়াচ গেম' হিচাবে ভাৰতৰ মূল অংশৰ লগত পৰিচিত কৰি ইয়াৰ উৎকৰ্ষ সাধনৰ এক ব্যৱস্থা গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণক তাৰ উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন উৎসৱৰ মাজেৰে প্ৰতিযোগিতা অনুস্থিত কৰি প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। সংগঠন সমূহৰ ইয়াৰ প্ৰতি দায়বদ্ধ হ'ব পাৰিলেহে এনেবোৰ খেলক স্থানীয় প্ৰতিযোগিতাৰ মাজেৰে ভাৰতৰ মূল সুঁতিলৈ নিব পৰা যাব। চৰকাৰৰ পৃষ্ঠপোষকতা পোৱা যাব যেতিয়া এক শ্ৰেণী মানুহৰ প্ৰয়োজন যিসকলে তেনে খেলক সমাজত পৰিচিত কৰি নীতি-নিয়ম নিৰ্দ্ধাৰণেৰে পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে।





*সোনোৱাল কছাৰীসকল অসমৰ ভূমি-পুত্ৰ সকলৰ অন্যতম। সাধাৰণতে কছাৰীসকলৰ তিনিটা বৈদ লক্ষ্য কৰা যায় বলিৰ বংশ কছাৰী, নৰকাসুৰৰ বংশ কছাৰী আৰু হিড়িম্বা বংশৰ কছাৰী। সোনোৱাল সকলে নিজকে বলিৰ অংশৰ কছাৰী বুলি বিশ্বাস কৰে। সেয়েহে তেওঁলোকে বহাগ বিহুক বলি ৰজাৰ দোমাহীৰূপে পালন কৰে। বৰ্তমান শদিয়া, ডাঙৰী অঞ্চল আৰু ব্ৰহ্ম পুত্ৰৰ উত্তৰ পাৰে ধেমাজি, লক্ষীমপুৰ অঞ্চলেই এওঁলোকৰ প্ৰধান বসতিস্থান যদিও সম্প্ৰতি সমগ্ৰ অসমতে বিয়পি আছে। এওঁলোকে বসবাস কৰা গণৰাজ্যখন হালালী আছিল বুলি জনবিশ্বাস আছে। এই হালালী ৰাজ্য আছিল শদিয়াত। সূৰ্বকুমাৰ ভূঞাৰ 'কছাৰী বুৰঞ্জী'ত উল্লেখ থকা শদিয়লীয়া বা কছাৰীয়ে এই জনগোষ্ঠীকেই ইংগিত দিছে। আউনীআটী সত্ৰতো বৰ্তমানেও এওঁলোকক শদিয়লীয়া বুলি উল্লেখ কৰা হয় বুলি জনা যায়। অৰ্থাৎ প্ৰাচীন কালত এই জনগোষ্ঠীয়ে নিজকে বংশ বিভক্তি কৰি পৰিচয় দিয়া নাছিল। হাইদাং গীতত আদি যুগৰ কছাৰী হায়দাংদে" বুলিহে উল্লেখ থকা কথাটোৰেই এই কথা প্ৰমাণ কৰে। তেৰ শতিকাৰ পিছৰ কালছোৱাত এওঁলোক সোনোৱাল নামেৰে পৰিচিত হৈ পৰে।*



# সোনোৱাল কছাৰীসকলৰ লোকবিশ্বাস

পম্পী স্বৰ্গাৰী
অসমীয়া বিভাগ, প্ৰথম ষান্মাসিক

সোনোৱাল কছাৰীৰ হাইদাং আৰু হুঁচৰি গীতত শদিয়াল হালালী ৰাজ্যৰ কথা একাধিকবাৰ উল্লেখ আছে। এই লোকবিশ্বাসৰ ভিত্তি সম্পূৰ্ণ অমূলক বুলি নাকচ কৰিব পৰাকৈ কোনো যুক্তিপূৰ্ণ তথ্য আমাৰ হাতত নাই।

১৪ বংশৰ মাজত কৰ্মৰ বিভাজন কেনেদৰে আছিল শ্ৰীলভিত শইকীয়াই তলত দিয়াৰ দৰে উল্লেখ কৰিছে

১। হগ্ৰাল - ৰজা
২। মদন - মন্ত্ৰী
৩। ডিঙিয়াল - ৰাজমন্ত্ৰী
৪। মানিকিয়াল - ৰাজগুৰু
৫। বৰহাজোৱাল - হাজৰিকা
৬। সৰু হাজোৱাল - শইকীয়া
৭। মুক্তাল - বৰবৰুৱা
৮। ফৰমাল - ফুকন
৯। এচমাল - যুঁজাৰু
১০। কুমৰাল - বৰা
১১। ঢেকিয়াল - বাঢ়ৈ
১২। লাঠিয়াল - গাঁওবুঢ়া-দুৱৰী
১৩। দংৰাল - কমাৰ
১৪। চেতিয়াল - বাঢ়ৈ

ভূঞাদেৱৰ কছাৰী বুৰঞ্জীত উল্লেখ আছে "শদিয়া পৰ্বততৰ সমীপত ১২ ঘৰ কছাৰী আছিল।" এই বাৰ ঘৰৰ পৰা বাৰটা বংশৰ সৃষ্টি হৈছে বুলি ধৰি ল'ব পাৰি। শেষত হয়তো আৰু দুটা বংশৰ সৃষ্টি হ'ল।

হায়দাং গীতসমূহত সোনোৱাল কছাৰীৰ অতীত শদিয়াৰ হালালী ৰাজ্যৰ পৰা খামটিৰ আক্ৰমণৰ ফলত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰলৈ প্ৰব্ৰজনৰ ইংগিত পোৱা যায়। সোনোৱাল কছাৰীৰ হুঁচৰি গীতত নিজৰ ৰাজ্যৰ কথা মনত পৰিলে আজিও কেনেদৰে বুকু হম্ হম্ কৰে, তাৰ উল্লেখ আছে। যদি একালত নিজৰ ৰাজ্য নাথাকিলহেঁতেন, তেন্তে এই গীতসমূহত এনে কথাৰ উল্লেখ নহ'লহেঁতেন।

"সোনোৱাল কছাৰীৰ চৈধ্য বংশৰ ভিতৰৰে এটাৰ নাম হ'ল চেতিয়াল। চেতিয়াল বংশৰ চুতীয়া বংশৰ উৎপত্তি। গতিকে চুতীয়াসকল কোনো বেলেগ জাতিৰ মানুহ নহয়, কছাৰী জাতিৰে ঠাল।"

"শদিয়া ৰাজ্যৰে সাবি পচলা
শদিয়া ৰাজ্যলৈ মনতে পৰিলে
দুনাই কুমলীয়া হমে কিনা
শদিয়া ৰাজ্যৰে লথবা ডেকাটি
ভাঙিলে আমাৰে গাঙে কিনা।"

খামটি ডেকা লথবাই খামটি বাহিনীৰ অধিনায়ক হৈ আহোমৰ মিলিত সৈন্যৰ সৈতে অকস্মাতে আক্ৰমণ কৰি কছাৰীসকলক পৰাস্ত কৰিলে। উক্ত গীত ফাঁকিত লথবাক দোষা ৰোপ কৰা হৈছে।

অৱশেষত প্ৰাণৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰ পাৰ হৈ ছেঁখোৱা ঘাট পালেহি। ইয়াৰে মিৰি গাঁও এখনৰ সাতঘৰ মিৰিৰ সৈতে বন্ধুত্ব স্থাপন কৰিলে।

এই সাতঘৰ মিৰিৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপনৰ দ্বাৰা কছাৰী সমাজত তেওঁলোকৰো অন্তৰ্ভুক্তি ঘটিল। এওঁলোকৰ লিকাম, হাগ্ৰ আদি বংশৰ লোক কছাৰী সমাজত সেয়ে দেখিবলৈ পোৱা যায়।

শদিয়া এৰি আহিল যদিও তাত থকা বিভিন্ন থানসমূহক আজিও সোনোৱাল কছাৰীয়ে শ্ৰদ্ধাৰে সোঁৱৰে। এক বিশেষ ঠাইৰ মাটিৰ গোন্ধৰ সৈতে চিনাকি নাথাকিলে উক্ত ঠাইৰ কোনো কথাই মানুহক ইমান আকৰ্ষণ কৰিব নোৱাৰে।

"শদিয়াত আছে চাৰিশাল গোঁসানী
তেওঁলোকলৈ এসেৰা কৰোঁ।

উক্ত গীত ফাঁকিয়ে প্ৰমাণ কৰে যে একালত স্থায়ীভাৱে এই জনগোষ্ঠীৰ লোক শদিয়াত বাস কৰিছিল।

পোহৰী গীতৰ অন্তৰ্গত তলৰ গীত ফাঁকিৰে হালালী ৰাজ্যৰ সম্পৰ্কে সুস্পষ্ট ইংগিত দিছে।

গীত - হেমালী (হালালী)

ঐ লালৌ লালৌ হয়া
হেমালী ৰাজ্যত আছিলো দেউতা
সোণত সুৰগা চৰাই না হেই
বাঘকে ছাগকে হালকে জুৰিলে
বলধক জুৰিলে সৈ
মানিক, মুকুতা নাৰায়ণ
কৃষ্ণ চন্দ্ৰ হালালী ৰজা

এসময়ত হালালী ৰাজ্যৰ ৰজাসকলে শাসক হিচাপে যে কঠোৰ শাসন ব্যৱস্থা মানি চলিছিল আৰু ৰাজ্যগণ ধনে-ধানে উপচি আছিল, উক্ত গীতত আমি তাৰেই বৰ্ণনা পাওঁ। তদুপৰি মানিক, মুকুতা, নাৰায়ণ, কৃষ্ণচন্দ্ৰ নামেৰে যে হালালীৰ ৰজা আছিল, সেই কথাও আমি জানিব পাৰো।

শদিয়াৰ ৰাজ্যত বাস কৰা কালতেই সোনোৱাল সকলে শিৱৰ দ্বাৰা সৃষ্ট হুঁচৰি গীত সুবচনী কুঁৱৰীৰ পৰা যে লাভ কৰিলে সেই কথাও পোহৰী গীতত উল্লেখ আছে।

কৈলাসৰ শংকৰে হুঁচৰি স্ৰজিলে
পাৰ্ব্বতীয়ে স্ৰজিলে নাম
কৈলাসৰ পৰা নমাই লৈ আহিলে
সুৱচনী কুঁৱৰীয়ে পাই।
সুৱচনী কুঁৱৰীয়ে শদিয়া ৰাজ্যতে
মুনিসক দি গ'ল দান।

অৰ্থাৎ সোনোৱাল কছাৰীসকল শদিয়াৰ ৰাজ্যত থাকোতেই হুঁচৰিৰ সৃষ্টি হয়।

জন বিশ্বাসৰ আঁত ধৰি কৰা উপৰোক্ত আলোচনা মৰ্মে শদিয়াত একালত সোনোৱাল কছাৰীৰ গণৰাজ্য এখন আছিল বুলি পতিয়ন যাব পৰা যায়। কিন্তু ঐতিহাসিক প্ৰমাণৰ অভাৱত শেষ সিদ্ধান্তলৈ আহিব পৰা নাযায়। শ্ৰীলভিত কুমাৰ শইকীয়াই "সোনোৱাল কছাৰীৰ ইতিবৃত্ত" নামৰ এটি প্ৰবন্ধ সোনোৱাল কছাৰীৰ চেতিয়াল বংশৰ পৰাই চুতীয়া বংশৰ উৎপত্তি বুলি অনুমান কৰিছে। তেখেতে লিখিছে ঃ "সোনোৱাল কছাৰীৰ চৈধ্য বংশৰ ভিতৰৰে এটাৰ নাম হ'ল চেতিয়াল। চেতিয়াল বংশৰ চুতীয়া বংশৰ উৎপত্তি। গতিকে চুতীয়াসকল কোনো বেলেগ জাতিৰ মানুহ নহয়, কছাৰী জাতিৰে ঠাল।"

আমাৰ ধাৰণা এনে এক স্পৰ্শকাতৰ বিষয়ত মতামত আগবঢ়াবলৈ হ'লে অধিক সতৰ্কতাৰ প্ৰয়োজন। চুতীয়া লোকসকলৰো বক্তব্য নুশুনাকৈ একপক্ষীয় সিদ্ধান্তত উপনীত হোৱাটো সমীচীন নহ'ব।

সোনোৱাল কছাৰীৰ শিক্ষিত যুৱক-যুৱতীয়ে এই দিশতে গৱেষণা কাৰ্যত ব্ৰতী হ'লে নিশ্চয় বহু কথাই পোহৰলৈ আহিব। সোনোৱাল কছাৰী বংশাৱলী সভাইও এনে দিশত যথেষ্ট বৰঙণি যোগাব পাৰে।





# মটকসকলৰ উৎস সম্পৰ্কে আহোম ভাষাৰ আহোম বুৰঞ্জীৰ পম খেদি



✍ গীতিমনি পাত্ৰ
স্নাতক তৃতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ, কলা শাখা

**মটকসকল অসমৰ এটি অতি পুৰণি জাতি। মৰাণবিলাক তেওঁলোকৰ এটা প্ৰধান ফৈদ বা ভাগ। মটকসকলৰ গুৰি গোষ্ঠী আহোম, খামতি আৰু নৰাবিলাকৰ লগত একে আৰু তেওঁলোক সকলোৱেই একে 'টাই' জাতিৰ মানুহ। মটকসকল আহোম, খামতি আৰু ন'ৰাবিলাকতকৈ আগতে অসমলৈ আহিছিল। কিন্তু ঠিক কোন সময়ত আহিছিল সেইটো বুৰঞ্জীত পোৱা নাযায়।**

অনেক লোকে 'মটক' এটা ধৰ্মীয় সম্প্ৰদায় বুলি ক'ব খোজে বা ধাৰণ কৰে। তেওঁলোকৰ এই ধাৰণাটো কিন্তু শুদ্ধ নহয়। মটক আৰু মৰাণবিলাক কছাৰী, আহোম, খামতি আদিৰ দৰে এটা জাতি বা Tribe এই কথাৰ প্ৰমাণ বুৰঞ্জীত পোৱা যায়।

টাই আহোম ভাষাত 'মটক' শব্দই 'জ্ঞানী' 'পৰাক্ৰমী' লোকক বুজায়। আহোম শব্দম - পণ্ডিত, জ্ঞানী, ক্ষমতাশালী + টক জোখা - পৰীক্ষিত। এইবাবেই সম্ভৱ 'হেমকোষ অভিধানে' 'মটক' শব্দৰ অৰ্থ অসম দেশৰ এজাতি হিন্দু ধৰ্ম লোৱা আদিবাসী মানুহ আৰু এই শব্দই বৰ নিষ্ঠুৰ মানুহক বুজাই বুলি উল্লেখ কৰিছে। কিন্তু 'চন্দ্ৰকান্ত-অভিধানে' অতি স্পষ্ট ভাষাৰেই মটকসকল আহোম আগমনৰ পূৰ্বৰে পৰা বসবাস কৰি থকা উজনি অসমৰ একাংশ 'অধিবাসী' বুলি ব্যাখ্যা কৰিছে।

আহোম বুৰঞ্জীত উল্লেখ আছে ম্যাওনান তুন ফান-মান ফু খাও চাম ৰা ম তক (মটক) (পৃঃ ৩৮ Ahom Buranji) আহোম বুৰঞ্জীৰ পৰা গোলাপ চন্দ্ৰ বৰুৱাই কৰা ইংৰাজী ভাঙনিত লিখিছে যে - The Matak descended from Phu Khao family (a family orginated from seed sewn) ইয়াৰ অৰ্থ এনে যেন লাগে 'ফু খাও' বংশৰ পৰা মটকৰ উৎপত্তি হৈছিল। এই ফু মানে টাই ভাষাত মানুহ সন্মানিত মানবিশিষ্ট মানুহ ব্যক্তি বা মানুহৰ গোট। আহোম বুৰঞ্জীত লিখা বানান মতে 'খাও'। শব্দটোৰে আহোম লেক্সিকনত (পৃঃ ২৮) লিখা মতে 'ভাল' (বা বগা) বুজায় তেনেহ'লে 'ফুখাও' মানে ভাল মানুহ, মানবিশিষ্ট মানুহ (বগা মানুহ)। 'চাম ৰা' মানে 'বোলে' বা কোৱা হয়। ফুখাও বা মান বিশিষ্ট লোকসকলকেই মটক বুলি কোৱা হয়। 'ম্যাও নান' বুলিলে- পুৰণি সময়ৰ বা আগৰ সময়ৰ আগৰ মানুহ। অৰ্থাৎ আগৰ কালৰ মানুহ বোৰেই মটক। সম্ভৱত চ্যুকাফাৰ আগমন সময়ত ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগতেই 'মটক' নামেৰে এখিনি মানুহ পৰিচিত হৈছিল। সেইখিনিক টাই-বংশৰ মানুহ বুলি চ্যুকাফাৰ টাই দলে চিনাক্ত কৰিব পৰিছিল।

আহোম বুৰঞ্জীত অৰ্থাৎ টাই ভাষাৰ বুৰঞ্জীত 'মটক' শব্দটো চ্যুকাফাৰ আগমনৰ কথা লিখোতে বহুবাৰ উল্লেখ কৰিছে। "পই অন ম্যাও মান ছু কাফা মা ছাম উটি পাম। মটক জুলো। ল্যাংহাও মাক থুন চাও ফা। মটক ছাম থিম ৰাওত হিত চ্যুক খুন ম্যুঞ ৰে অন তাং চাও মা চাম) ......... মটক চাম ৰাং জাও ......... মটক কিপ ৰাই। উ মান মা য়্যুণ জু মটক। ৰাও-চাং খাও চাম বা মটক পাটৰ। (পৃঃ 38 Ahom Buronji)।

এই কথাখিনিয়ে বুজাইছে যে ছ্যুকাফাই আহি থাকোতে বুঢ়ী দিহিঙৰ পাৰৰ 'তিপাম'ত পূৰ্বৰে পৰা থকা মটক লোকক লগ পাই তেওঁৰ দলৰ লগত এটি মটক পৰিয়াল অন্তৰ্ভুক্ত কৰি আনিলে। সেই পৰিয়ালটোক চ্যুকাফাই ৰজাৰ বেঙেনা যোগনিয়াৰ বিষয়াৰ বাব দিলে। তদুপৰি আহোম বুৰঞ্জীত ইংৰাজীত অনুবাদ কৰা মতে সেই অঞ্চলৰেই মটক পৰিয়ালৰ মুখ্যজনৰ সহযোগত মটক মুখ্যজনৰ সৈন্যৰ সহায়ত নগাক জয় কৰিবলৈ চ্যুকাফা আগবাঢ়িছিল। চ্যুকাফাৰ দলে মটক সকলক খুব ভাল পাইছিল। সেয়ে চ্যুকাফাৰ দলৰ চাও থুম লুং কানঙন বা কানঙন বৰগোহাঁঞিয়ে মটক দলপতি বা মুখ্যক লান মাক খ্রু নাম বা বিজয় দিলে।

ড° গোঁহায়েও কৈছে যে 'মটক' নামটো চুকাফাই দিয়া আৰু পূৰ্বতে দিহিঙৰ পাৰত বসতি কৰা মৰাণ মানুহ এচামক 'মটক' বুলি নামকৰণ কৰা বুলি কৈছে। সম্ভৱ 'ফুখাও' নামেৰে জনাজাত হৈছিল মৰাণ সকল, যাক চুকাফাই মটক নাম দিছিল। অসমীয়া ভাষাৰ বুৰঞ্জীত অৱশ্যে মৰাণ শব্দৰ উল্লেখ আছে। আৰু চ্যুকাফাই মৰাণ সকলৰ লগ পাই তেওঁৰ অনুগামী কৰিছিল। চ্যুকাফাই মৰাণৰ পৰিয়াল এটাক লানমাক খ্রু বা লানমাখ্রু উপাধি বা বাব দিছিল বুলি উল্লেখ আছে আৰু বৰ্তমান লান মাখ্রু ফৈদ বুলি আহোমৰ মাজত এটা ফৈদ আছে। এই পৰিয়ালটোক চ্যুকাফাৰ ধাৰণাত তেওঁলোকৰ জাতৰ পুৰণা মানুহ বুলি ধৰা হৈছিল আৰু সেই মৰাণ ঘৰকে মটক বুলি বাব দি পৰিচিত কৰা হৈছিল। আনহাতে টাই মাও পৰিয়ালৰ টাই লোককো চ্যুকাফাই মটক নাম দি তেওঁৰ দলত সুমুৱাই লৈছিল। চ্যুকাফাই মাই মাই খ্রিও ক'ত নামৰ অন্য এক মৰাণ পৰিয়ালক তিপামত তেওঁৰ দলৰ অন্তৰ্ভুক্ত কৰিছিল। তেওঁ আছিল তুলাচ লনী ধৰা (আহোম বুৰঞ্জী - তক আওমান কাপ কাক ৰা পান। ছ্যু মান মাই মাই খ্রিও কত)। চুকাফাই মটক মূলৰ এজন চুতীয়াক কৰ কাটল তুলিবলৈ নিয়োগ কৰিছিল বুৰঞ্জীত উল্লেখ আছে যে টাই আহোমসকলে মটকসকলক টাই ক্লং বা টাই কলঙীয়াও বুলি কৈছিল।

এনেবোৰ বুঞ্জীৰ তথ্যই প্ৰমাণ কৰে যে মটকসকলৰ মূল উৎসৰ একাংশ ম্যুং মাও লুঙৰ পৰা ছ্যুকাফাৰ পূৰ্বেই বুঢ়ী দিহিং উপত্যকালৈ অহা টাই মাও লোক। তেওঁলোক ত্ৰয়োদশ শতিকাৰ পূবেই ইয়ালৈ আহিছিল। মৰাণসকলৰো একাংশ টাই মানুহ হিচাপেই জনাজাত আছিল আৰু তেওঁলোক প্ৰাক্ ছ্যুকাফাৰ কালতেই ব্ৰহ্মপুত্ৰ, বিশেষকৈ বুঢ়ীদিহিং উপত্যকাত থিতাপি লৈ সৰু সৰু প্ৰধান হৈ ৰাজ্য খাই আছিল। এনেবোৰ কাৰণতেই ছ্যুকাফাই বিনাযুদ্ধে মৰাণ সকলৰ লগত মিলিব পাৰিছিল আৰু মটকসকলো ছ্যুকাফাৰ দলৰ সহযোগী হৈ পৰিছিল। চ্যুকাফাৰ পূৰ্বেই যে উজনি অসমৰ উপত্যকালৈ টাই মানুহ আহিছিল তাৰ প্ৰমাণো বুৰঞ্জীৰ পৰা পোৱা যায়। উল্লেখনীয় যে যিকোনো এটা জাতি যি উৎসৰপৰাই নাহক বিভিন্ন মানুহ সময়ৰ সোঁতত গোটখাই এটা জাতি বা জনগোষ্ঠী হৈ পৰেগৈ। সেয়ে মৰাণ বা মটক জনগোষ্ঠী পাছলৈ বা পূৰ্বেও যেনেকৈ গঠন নহওঁক এওঁলোকৰ মাজত যে ম্যুং মাও লুঙৰ টাই জাতীয় তেজ প্ৰবাহিত হৈ আছে এই কথা বুৰঞ্জীয়ে সাক্ষী দিয়ে।

ভাৰত চন্দ্ৰ দাসে ১৯৪৫ চনত লিখা তেখেতৰ 'মটক জাতিৰ বুৰঞ্জী'ত মটকসকল টাইমূলৰ মানুহ বুলি উল্লেখ কৰিছিল। তেখেতে উল্লেখ কৰিছে যে পূৰ্বৰ দেশৰ পৰা মটকসকল উজনি অসমলৈ আহিছে। অৱশ্যে এজন বিৰাধৰ দাসে মটকসকল আহোমসকলৰ আগেয়ে মথুৰাৰ পৰা আহিছিল বুলি উল্লেখ কৰিছিল। উল্লেখযোগ্য যে আহোম বুৰঞ্জীত তথা শ্বানদেশৰ বুৰঞ্জীত উল্লেখ আছে যে চ্যুকাফাৰ পূৰ্বেই মুংমাও লুঙৰ ৰজা ছ্যুখান ফান অধীনত চাম লুং ফাৰ নেতৃত্বত কেছে (মণিপুৰ), মেনতে (নগা), খংপই (কাবুই নগা), কুৱাং তেওফাকে, তিপাম, ম্যুংচুন (অসম), মকাং (মটক) মঙুন (শদিয়া), নামৰুক (দিহিং) জয় কৰিছিল। মকাং বুলিলে মটকসকলক বুজা হয়। তদুপৰি 'ফুখাও' বুলিও টাইসকলে মটকসকলক বুজাইছিল। বুৰঞ্জীত উল্লেখ থকা মতে মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰ কথা লিখোঁতে টাই ভাষাত মোৱামৰীয়া মটক বুলি উল্লেখ কৰোঁতে 'ফুখাও - আন - কাও' অৰ্থাৎ পূৰ্বতে অহা 'ফুখাও' সকল বুলি লিখে। 'মুনান তুন ফান মান ফুখাও চাম ৱা মটক বুলি সেই সময়ত ফুখাও সকলৰ মিতিৰসকলক মটক বুলি কোৱা হৈছিল বুজোৱা হয়। 'ফুখাও' সকল মূলতে টাই মানুহ। উত্তৰ ভিয়েটনামত থকা একাংশ টাইলোকৰ বৰ্তমানো 'ফুখাও' নামেৰে জনাজাত টাইবোৰ উজনি দিহিঙৰ পৰা উত্তৰ ভিয়েটনামলৈকে বিয়পি থকাৰো সম্ভাৱনা নোহোৱা নহয়।

অসমৰ জনগোষ্ঠীৰ বুৰঞ্জী, জনগোষ্ঠীয় নৃতত্ত্ব, জনগোষ্ঠী গঠনৰ প্ৰক্ৰিয়া সংস্কৃতি তুলনামূলকভাৱে গভীৰভাৱে অধ্যয়ন নকৰাৰ বাবে আমি বহুবোৰ কথাও বুজিব নোৱাৰা হৈ আছো। সেয়ে জাতি জনগোষ্ঠীৰ সূক্ষ্ম অধ্যয়নৰ প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি। তেতিয়াহে অসমৰ সম্পূৰ্ণ সাংস্কৃতিক জাতীয় ইতিহাস উন্মোচিত হ'ব।

*('মটক জনগোষ্ঠী ঃ শিপা আৰু আঁতি-গুৰি' গ্ৰন্থৰ সহায়লৈ প্ৰবন্ধটো যুগুতোৱা হৈছে।)*



## সোনোৱাল কছাৰীসকলৰ

# খাদ্যৰ জুতি-বিধি

ভৈৰবী সোনোৱাল
স্নাতক তৃতীয় বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

*সোনোৱালসকলৰ খাদ্য প্ৰণালী বিশেষ বৈচিত্ৰপূৰ্ণ নহয় আৰু উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা অন্যান্য জনজাতিসকলৰ সৈতে প্ৰায় একে যদিও তেওঁলোকৰ ৰন্ধন প্ৰণালী আৰু আহাৰ-বিহাৰত এক স্বকীয়তা নিহিত হৈ থকা দেখা যায়।*

অসম এখন কৃষি প্ৰধান ঠাই হোৱাৰ বাবে অসমৰ প্ৰায়বিলাক জনগোষ্ঠীয়েই ভাতকেই প্ৰধান (মৌলিক) আহাৰ হিচাপে গ্ৰহণ কৰে আৰু সোনোৱাল সকলো ইয়াৰ ব্যতিক্ৰম নহয়। সোনোৱালসকলে কৃষি কাৰ্যৰ দ্বাৰা নানা বিধ ধানৰ উৎপাদন কৰে। তেওঁলোকে উৎপাদন কৰা ধানৰ কেইটামান সঁচ এনেধৰণৰ — নেকেৰা, শ'লপনা, বগা জহা, কলা জহা, বেতগুটি, কাঁৰশালী, বৰা ধান ইত্যাদি।


সোনোৱালসকলে আৰৈ আৰু উহোৱা দুয়োবিধ চাউলকে ব্যৱহাৰ কৰে। সোনোৱালসকলে বৰা চাউলৰ ভাত তৈয়াৰ কৰা পদ্ধতিও সুকীয়া আৰু ইয়াক চাংপতা, ভাপত দিয়া অথবা চেৰা দিয়া বৰাভাত বুলিহে কোৱা হয়। চাউলৰ পৰা তৈয়াৰ কৰা ভাতকেইটা গৰমে গৰমে খোৱাই নহয় ইয়াক ঠাণ্ডা কৰি কৰকৰা ভাত হিচাপেও খোৱা হয়। গৰৈ মাছ সেকা, কঠালৰ গুটি পোৱা, পিয়াজ পাত, ধনীয়া পাত আৰু কেঁচা সৰিয়হ তেলেৰে কৰা পিটিকাখনেৰে কৰকৰা ভাতৰ পাতখন সোনোৱালসকলৰ বৰ প্ৰিয় খাদ্য।



স্বাদ আৰু গুণাগুণ অনুসৰি সোনোৱালসকলে ব্যৱহাৰ কৰা ব্যঞ্জনৰ তালিকাখন এনে ধৰণৰ — টেঙা, তিতা, খাৰ, পোৰা, পাতত দিয়া, পিটিকা, ভাপত দিয়া, উহোৱা আৰু কেঁচাই খোৱা। বিভিন্ন ব্যঞ্জনৰ বাবে শাক-পাচলি ঘৰৰ বাৰীখনতে কৰি লোৱাৰ উপৰিও হাবি বননিৰ পৰাও বিধে বিধে তাৰি-তৰকাৰি সংগ্ৰহ কৰি লয়। নাফু (কাঠফুলা), নেফাফু, মেচাকী, মেজেঙা, চেং মৰা, টিকনি মৰা, কচু, ঢেকীয়া, মাণিমুনী, মচন্দৰী মেটেকা, কলমৌ, খুতৰা, মাটি কাঁদুৰী, টেঙেচী, তিতাকচি, বন জলকীয়া, বাৰী সুন্দৰী, ভেঁকুৰী, নলটেঙা, ভেদাইলতা, হেলচি, নৰসিংহ, নিমপাত, ডিমৰু, পোমা, ঔটেঙা, থেকেৰা, বগৰী, বাঁহ গাজ, বেত গাজ, বনকল, শুকলতি, তৰাগছ, বিবিধ বনৰীয়া আলু, বনৰীয়া মাহ, মালভোগ বন, মধু সোলেং, চুতিয়া লফা, বন পালেং ইত্যাদি অনেক পাচলি হাবি বনৰ পৰাই সংগ্ৰহ কৰে। ঘৰৰ বাৰীখনতে খেতি কৰি মাটি মাহ, মগু মাহ, কচু, আলু, কাঠ আলু আদি উৎপন্ন কৰি লয়।

ব্যঞ্জনখন সুস্বাদু আৰু সুৰুচি কৰি তুলিবলৈ লোণ, তেলৰ বাহিৰেও তৰহে তৰহে মা-মচলাৰো ব্যৱহাৰ কৰে। বাৰীতে উৎপাদিত মচলা - আদা, জলকীয়া, জালুক, পিপলি, ধনীয়া, ৰচুন বা নহৰু, পিয়াঁজ, হালধি আদিৰ উপৰিও তেজমুই, নিমেদাং বা মেমেধু, জাখলেং গুটি, জাব্ৰাং, মেজেঙা, তেজপাত, পশু- পাত আদি হাবি-বননিৰ পৰা সংগ্ৰহ কৰি মচলা হিচাপে ব্যৱহাৰ কৰে।

সোনোৱালসকলৰ প্ৰায় সকলোৱেই আমিষ আহাৰ ভোজন কৰে। অৱশ্যে সোনোৱাল কছাৰীসকলৰ পৰিয়ালৰ কাৰোবাৰ মৃত্যু হ'লে অশুচিৰ দিনকেইটাত মাছ-মাংস ভক্ষণ কৰাটো নিষিদ্ধ। মৃত্যুৰ দহদিনৰ দিনা 'দহা' বা দাহ পিণ্ড' দি উঠিহে জ্ঞাতিৰ সৈতে মাছ খোৱাৰ প্ৰথা আছে। সোনোৱাল কছাৰীসকলৰ 'হুগ্ৰা নৃত্য'ও তেওঁলোকৰ চিকাৰী জীৱনৰ এক



জ্বলন্ত নিদৰ্শন। চিকাৰৰ বাবে নানা ৰকমৰ সৰঞ্জামৰ ব্যৱহাৰ কৰে। দা, লাঠি, যাঠি, জোং, কাঁড়-ধনু, নানাবিধ চিটিকা, ফান্দ আদিৰে পশু-পক্ষী ধৰা হয়। সোনোৱাল কছাৰীসকলে সামূহিকভাৱে মাছ মাৰে। মাছ ধৰিবৰ বাবে জাকৈ-খালৈ, টোনা, পল', জুলুকি, চেপা, খোকা, ডিঙৰা, মোকাৰী, পচা, কাড় শালি, ঘোকোটা আদি সজুঁলি বাঁহৰ কাঠি কামিৰে সাজি লয়। জাল আদিও মাছ ধৰিবৰ বাবে ব্যৱহাৰ কৰে।

সোনোৱাল কছাৰীসকলে নানাবিধ পোক-পৰুৱাকো খাদ্য হিচাপে গ্ৰহণ কৰে। আমৰলি পৰুৱাৰ টোপ, এড়ি আৰু মূগাৰ লেটা, চাকছুন, উঁই চিৰিঙা, মাতৰ, নিংকৰি, খেতেমা, ঝুপিয়াং, কেকোঁৰা, কুদুঁ-বৰলৰ টোপ, ছেয়া পোক আদি পোক পতঙ্গও আহাৰ হিচাপে গ্ৰহণ কৰে। মুৱা, দনিকণা, লাউগুটি, তুৰা, ককিলা, বাঁহপতি আদি নানা মাছ নৈ-বিলৰ পৰা ধৰি বিভিন্ন পদ্ধতিৰে খোৱা হয়। জুইত শুকোৱাই মাছ খুন্দি গুড়ি কৰি বাঁহৰ চুঙাত ভৰাই থৈ কৰা মাছৰ 'শুকতি' সোনোৱালসকলৰ বাবে বৰ প্ৰিয় খাদ্য। এনে 'শুকতি' পাতত দি নাইবা কচু শাকত দি সুমিষ্ট ব্যঞ্জন তৈয়াৰ কৰে।

আঞ্জা হিচাপে সোনোৱাল কছাৰীসকলে ব্যৱহাৰ কৰা জবৰা শাক, কচু শাক, মাটি মাহৰ শাক, খাৰ শাক আদিয়েই প্ৰধান। জবৰা শাকখন সাধাৰণতে তেল মৰা নহয়। কচু, ঢেঁকীয়া, লফা, খুতৰা, পালেং, লাই আদিৰ জবৰা শাকখন ঔটেঙা, বগৰী, আম, কৰদৈ, তেতেলী, জলফাই আদি টেঙা দি তাতে সৰু-সৰু মাছ দি ৰন্ধা হয়। কাৰণিৰ বাবে মাটিমাহৰ জাবৰি পুৰি তৈয়াৰ কৰা খেটালি খাৰ নাইবা আঁঠিয়া কলৰ বাকলিৰ পৰা কৰা কলাখাৰ ব্যৱহাৰ কৰা হয়। মাটিমাহৰ শাকখনত বেতগাজ নাইবা তিতা কেৰেলা দি ৰন্ধা হয়। কেতবোৰ তিতা শাক যেনে — তিতাকুছিৰ ফুল আৰু কলি, শেৱালিফুল, দুৰুণ বন, শুকোতা আদিত খাৰ দিহে আঞ্জা ৰন্ধা হয়। কল পচলা আৰু বাঁহ গাজতো খাৰ দিহে মুখৰোচক ব্যঞ্জন প্ৰস্তুত কৰা হয়। পাতি হাঁহৰ মাংসৰ সৈতে বাঁহ গাজ নাইবা পানী কোমোৰাৰ আঞ্জা, শ'ল মাছৰ সৈতে মূলাৰ জাল দিয়া, ঔটেঙা আৰু মৌ টোপৰ থুপ-থুপীয়া, বৰালী মাছ আৰু ঔ টেঙা, কুকুৰা নাইবা পাৰ মাংসৰ সৈতে কলডিলৰ ভাজি, লাই শাকৰ ঢেকুৱা সৈতে গাহৰি মাংসৰ ভাজি, ভেকুৰি গুটি, কচুৰ লটি, মচন্দৰী, দুৰুণবন, তিতাকুছি আদি পাতত দি কৰা পিতিকা, মোৱা, শুকতি আদি মাছ পাতত দিয়া, এই বিলাক বিধে বিধে কৰা সু-ৰুচিকৰ ব্যঞ্জন সোনোৱালসকলে খাদ্য হিচাপে গ্ৰহণ কৰে।









নানাবিধ টেঙাৰ পৰা কৰা আঞ্জাৰ উপৰিও মুখ ৰুচিকৰ আচাৰ, মৰিচা, খলিহৈ বা পানীটেঙা আদি তৃপ্তিদায়ক খাদ্যও ভক্ষণ কৰে। সোনোৱাল কছাৰীসকলৰ পূজা পাৰ্বণ, খীন-ভঙা, সৰগদেউ, পূজা, গজাই ভোজ, বাইথ পূজা আদি অনুষ্ঠানত মদ বা সুৰাৰ প্ৰচলন বহুল্যতাৰে কৰে। এনে মদ সাধাৰণতে বৰা নাইবা শালি ধানৰ চাউলেৰে ঘৰতে তৈয়াৰ কৰে। মদ তৈয়াৰ কৰিবলৈ নানাবিধ বনৰীয়া বন-লতাৰে মচলা তৈয়াৰ কৰি মদ পিঠা বনায়। পানীমুৰী, গৰপচুৰি, মিঠা পাত, বিহলঙনিৰ শিপা আৰু কুমলীয়া পাত, খৰমৰি পাত, মাধৈ মালতীৰ শিপা চাউলৰে সৈতে গুড়ি কৰি তাৰে মিঠৈ তৈয়াৰ কৰে। এই মিঠৈ ধান খেৰেৰে ঢাকি থৈ গাপতে শুকাবলৈ দিয়ে। শুকাই ফুৰ-ফুৰিয়া হ'লে এই মদ পিঠাৰে মদ প্ৰস্তুত কৰাৰ উপযোগী হৈ উঠে।

সোনোৱাল সকলে দৈনন্দিন ভাত-সাজৰ উপৰিও জা-জলপান প্ৰচুৰ ভাৱে ব্যৱহাৰ কৰে। তেওঁলোকে ব্যৱহাৰ কৰা জা-জলপানসমূহ সাধাৰণতে চাউলৰ পৰাই প্ৰস্তুত কৰি লয়। জলপান সমূহৰ ভিতৰত কোমল চাউল, চিৰা, সান্দহ, ভজা



পিঠাগুৰি, কৰাই, মুড়ি, নানা বিধ পিঠা আদিয়েই প্ৰধান। চিৰা আৰু সান্দহ বৰা লাহি ধানৰ পৰাহে কৰে। চিৰা এনেয়ে পুনৰবাৰ ভাজি দোঁৱা ভজা চিৰা কৰে। গাখীৰ, দৈ আৰু গুড় জলপানৰ অপৰিহাৰ্য উপকৰণ। কেঁচা নাইবা ভজা পিঠাগুৰিৰ সৈতে পকা কল নাইবা পকা কঠালৰ বাদু সানি কৰা জলপান বৰ উপাদেয় আৰু ৰুগীয়া মানুহৰ বাবে হিতকাৰী পথ্য। ধুম পিঠা, টেকেলি পিঠা, চপৰা পিঠা, জোন পিঠা, ঘিলা পিঠা, চুঙা পিঠা, নাঙল পিঠা, কান্দুলি পিঠা, সুতুলি পিঠা, আঙলি পিঠা, তিল পিঠা আদি বিভিন্ন স্বাদৰ আৰু বিচিত্ৰ সাঁচৰ পিঠাবোৰ সোনোৱাল কছাৰীসকলে তৈয়াৰ কৰে।

সোনোৱাল কছাৰী সকলে বিভিন্ন ফলমূল আহাৰ হিচাপে গ্ৰহণ কৰে। যেনে- বিভিন্ন জাতৰ কল, আম, কঁঠাল, লেটেকু, পনিয়ল, খালৈ টেঙা, ৰবাব টেঙা, বৰ টেঙা, জৰা টেঙা, ধাপ টেঙা, চকলা টেঙা, কৰদৈ, জলফাই, টেপৰ টেঙা, অমৰা, তেতেলী, বগৰী, আমলখি, মধুৰী, জামুক, থেকেৰা, কুটকুৰা, মিৰিকা টেঙা, নুনী পকা, ডিমৰু, বনপিঠা, ঔ টেঙা, কচু ক'ল, জেতুলী পকা, ফুট কলা, পানী শিঙৰী, চেচু শেলুক, পদুমৰ চকা, মাধৈ মালতীৰ গুটি, চিৰাল, মিঠা আলু, কাঠ আলু, মোৱা আলু, তৰা আলু, শিমলু আলু ইত্যাদি অনেক ফল-মূল।

আহাৰৰ পিছত মুহুদি নাইবা মুখশুদ্ধিৰ বাবে তামোল-পাণ, চালি, আমলখি, শিলিখা আৰু আদা আদি ব্যৱহাৰ কৰে। ল'ৰা-বুঢ়া, ডেকা-গাভৰু, পুৰুষ,-স্ত্ৰী সকলো সোনোৱাল কছাৰীয়েই তামোল খোৱাত বাধা নিষেধ নাই। পূজাৰ নৈবেদ্যত তামোল-পাণ এক অপৰিহাৰ্য উপচাৰ। গুৰু-গোসাঁই, নামঘৰ, দেৱতা-অপদেৱতালৈ গুৱা-পান আগবঢ়োৱা হয়। ঘৰলৈ অহা আলহী-অতিথিকো তামোল-পাণেৰেই আতিথ্য কৰা হয়। সোনোৱাল সকলে তামোল ব্যৱহাৰ কৰা কথা সোনোৱালসকলৰপোহাৰী গীত সমূহত এনে দৰে প্ৰকাশ পায়

"হেপায় পায় পোহাৰী চাই,
পাণ আনিবা পকা চাই,
তামোল আনিবা ডাঙৰ চাই,
ছালি আনিবা কেঁচা চাই,
ধপাত আনিবা চোকা চাই,
চূণ আনিবা নিকা চাই,
পান বিয়াবা চূণ চাই,
কেঁহা তামোল সোৱাদ পায়"।

তামোল-পান, চালি, চূণ আৰু ধপাত, এই পাঁচবিধ উপকৰণেৰে তামোলখন সম্পূৰ্ণ হয়। ঘৰতে খেতি কৰি ধপাত বাঁহৰ চুঙাত ভৰাই থৈ মলা ধপাত প্ৰস্তুত কৰা হয়। হাবি-বনৰ পৰা ৰকৌ-চালি, দেৱা চালি, লালেং চালৈ, টেগৰ চালি আদি বিধে বিধে চালি সংগ্ৰহ কৰি তামোল পানৰ সৈতে খোৱা হয়।

সোনোৱাল কছাৰীসকলে খোৱা-বোৱাৰ ক্ষেত্ৰত ভালে মান বিধি বিধানো মানি চলে। ৰাতি তিতা ব্যঞ্জন আৰু দৈ খাব নাপায়। এঁৱা গাখীৰৰ সৈতে নিমখ, কৰদৈ টেঙাৰ সৈতে বৰালীমাছ, মাছ-মাংসৰ সৈতে তিতা পাচলি, মদৰ সৈতে হাঁহ কণীৰ ভাজি, আম টেঙা খাই উঠি পানী খোৱা, কচু শাকত তেল মৰা ইত্যাদি সম্পূৰ্ণ নিষিদ্ধ।

*(বিঃদ্ৰঃ সোনোৱাল কছাৰী সমাজ আৰু সংস্কৃতি গ্ৰন্থৰ আলমলৈ)*


# অসমীয়া আলোচনীৰ গতিপ্ৰকৃতি


সত্যজিত গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ


অসমৰ প্ৰধান ভাষা হৈছে অসমীয়া। অসমীয়া ভাষা সাহিত্যৰ বিকাশ আৰু সমৃদ্ধি সাধনৰ ক্ষেত্ৰত আলোচনীসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ অন্তত অসমত ইংৰাজে শাসন চলায় আৰু ১৮৩৬ চনত আমেৰিকাৰ খ্ৰীষ্টান মিছনেৰীসকলে শিৱসাগৰকে কৰ্মস্থলৰূপে নিৰ্বাচন কৰি অসমীয়া ভাষাটো শিকি উক্ত ভাষাতেই অসমৰ প্ৰথমখন আলোচনীৰ জন্ম দিয়ে। ১৮৪৬ চনৰ জানুৱাৰী মাহত জন্ম লাভ কৰা "অৰুণোদই" নামৰ মাহেকীয়া আলোচনীখনে আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠা কৰে। গদ্য-পদ্য, ভূগোল, বুৰঞ্জী, নীতি-কথা, দেশ-বিদেশৰ বতৰা, জীৱনী, কাহিনী আদি বিভিন্ন ৰচনা সম্ভাৰেৰে "অৰুণোদই"ৰ পৃষ্ঠা গপগপীয়া হৈ আছিল। ইয়াতেই প্ৰথম "দেওধাই অসম বুৰঞ্জী", "পুৰণি অসম বুৰঞ্জী", "কামৰূপৰ বুৰঞ্জী", গুণাভিৰাম বৰুৱাৰ আধুনিক নাট "ৰাম নৱমী" প্ৰকাশ হৈছিল। "অৰুণোদই"ৰ পাততেই পণ্ডিত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ দৰে অসমীয়া লেখক আৰু চিন্তাবিদসকলে ভুমুকি মাৰে। আৰ্থ-সামাজিক বিষয়ৰ প্ৰবন্ধসমূহে স্পষ্ট কৰি ১৮৮৬ চনত বলিনাৰায়ণ বৰাৰ সম্পাদনাত কলিকতাৰ পৰা প্ৰকাশ পায় 'মৌ'। তাৰ উপৰিও লক্ষীকান্ত বৰকাকতীৰ "প্ৰকাশ" আৰু ১৮৮৮ চনত কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰথম শিশু আলোচনী 'ল'ৰাবন্ধু' প্ৰকাশ পায়।

অন্যহাতে উনবিংশ শতিকাৰ শেষৰ ফালে অৰ্থাৎ ১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত কলিকতাৰপৰা প্ৰকাশ পায় মাহেকীয়া আলোচনী 'জোনাকী'। এইখন আছিল অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ। এই আলোচনীখনে পাশ্চাত্য সাহিত্যৰ ৰূপ আৰু ভাৱধাৰা প্ৰৱৰ্তন কৰাৰ লগতে অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ সূচনা কৰে। 'জোনাকী'ৰ পাততে চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰথম ৰোমাণ্টিক কবিতা 'বনকুঁৱৰী', হেমচন্দ্ৰ গোস্বামীৰ প্ৰথম অসমীয়া ছনেট "প্ৰিয়তমাৰ চিঠি" প্ৰকাশ পায়। লক্ষ্মীনাথ বেজবৰুৱাই "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" শিতানেৰে হাস্যৰসৰ পাতনি মেলিছিল এই 'জোনাকী'ৰ পাততেই। তাৰ উপৰিও বহু বিখ্যাত সাহিত্য কাণ্ডাৰীৰ জন্ম হৈছিল 'জোনাকী'ৰ বুকুতেই। সেয়েহে কোৱা হয় যে অসমীয়া ভাষা সাহিত্যৰ বিকাশত 'জোনাকী'ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

এইদৰে 'জোনাকী'ৰ সমসাময়িকভাৱে ১৮৯০ চনত জন্ম লাভ কৰে 'বিজুলী' আলোচনীখনে। আলোচনীখনৰ জৰিয়তে নতুন ভাবাদৰ্শেৰে আধুনিক অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন আৰু অসমীয়া ভাষাৰ বিকাশ সাধনত ভূমিকা অতুলনীয়। বিংশ শতিকাৰ প্ৰথম দশকত প্ৰকাশিত 'দীপ্তি' (১৯০৫) 'উষা' (১৯০৭), 'বাঁহী'(১৯০৯) আলোচনীকেইখনে 'জোনাকী'ত প্ৰৱৰ্তিত পাশ্চাত্য সাহিত্যৰ ভাৱধাৰা অধিক গভীৰ আৰু বিস্তৃত ৰূপত প্ৰতিষ্ঠা লাভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত যুগান্তকাৰী মাহেকীয়া আলোচনীখনে প্ৰথমে কলিকতাৰপৰা প্ৰকাশ হৈ ১০ম বছৰৰপৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ দ্বাৰা ডিব্ৰুগড় আৰু গুৱাহাটীৰপৰা প্ৰকাশিত হয়। যতীন্দ্ৰনাথ দুৱৰা, দণ্ডিনাথ কলিতা, ৰত্নকান্ত বৰকাকতী আদিৰ দৰে কেইগৰাকীমান বিশেষভাৱে আগশাৰীৰ কবি সাহিত্যিকৰ লিখনিৰে 'বাঁহী' সমৃদ্ধিশালী হয়। প্ৰায় একে সময়তে মাহেকীয়া আলোচনী 'আসাম বান্ধৱ' তিনিমহীয়া আলোচনী 'কবিতাৱালা', ভোলানাথ দাস সম্পাদিত 'আসাম ৰায়ত' (১৯১২) অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'জন্মভূমি' (১৯২২), 'মিলন' (১৯২৩), ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত শিশু আলোচনী 'মইনা' মহম্মদ চালেহৰ সম্পাদনাত মুছলিম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'সাধনা'(১৯২৪), 'জাগৰণ', আৰ্য-দৰ্পণ, 'আসাম হিতৈষী', আৰু কনক চন্দ্ৰ শৰ্মাৰ সম্পাদনাত প্ৰথম অসমীয়া বিজ্ঞান আলোচনী 'পশুপালন' প্ৰকাশ হয় ডিব্ৰুগড়ৰপৰা। ইয়াৰ উপৰিও অসম সাহিত্য সভাৰ তিনিমহীয়া মুখপত্ৰ 'অসম সাহিত্য সভাৰ পত্ৰিকা' (১৯২৫), চন্দ্ৰধৰ বৰুৱাৰ সম্পাদনাত, মহাদেৱ শৰ্মাৰ সম্পাদনাত শিশু আলোচনী 'অৰুণ' (১৯২৬) কছাৰীসকলৰ মুখপত্ৰ 'প্ৰভাতী', কৈৱৰ্ত সম্প্ৰদায়ৰ দ্বি-মাসিক আলোচনী 'সেৱা', শুক্ৰেশ্বৰ বৰা সম্পাদিত, চুলেইমান খাঁৰ সম্পাদনাত এশ্বায়াতে ইছলাম সভাৰ মুখপত্ৰ প্ৰচাৰক চাদিৰ হুচেইন সম্পাদিত 'জননী' আদি উল্লেখযোগ্য আলোচনী।



'বাঁহী' আলোচনীৰ সময়তেই 'আলোচনী' (১৯১০), 'চেতনা'(১৯১৯), 'আৱাহন' (১৯২৯), 'জয়ন্তী' (১৯৩৮) আদি প্ৰকাশ হয়। আটাইকেইখন আলোচনীয়েই সমসাময়িকভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। 'চেতনা' আছিল উগ্ৰ জাতীয়তাবাদী আৰু উচ্চ মানদণ্ডৰ প্ৰৱন্ধৰ সমাহাৰেৰে ভৰপূৰ। 'আৱাহনে' অসমীয়া জাতীয় জীৱন তথা ভাষা সাহিত্যৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাইছিল। অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ ঠাইত নতুন ভাৱধাৰা সম্বলিত বা বাস্তৱবাদী কবিতা প্ৰকাশত 'আৱাহন' আলোচনীখন আছিল পথপ্ৰদৰ্শক। উক্ত আলোচনীৰ জৰিয়তেই সাহিত্যৰ ক্ষেত্ৰখনত ভূমুকি মাৰিছিল কমল নাৰায়ণ চৌধুৰী, ভৱানন্দ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য আৰু অমূল্য বৰুৱাৰ দৰে চিন্তাশীল সাহিত্যিকসকলে। তদুপৰি 'পছোৱা' (১৯৪৮) যোগেদি আধুনিক অসমীয়া প্ৰগতিবাদী কবিতাৰ সূচনা হয়। ১৯২৭ চনত প্ৰকাশ লাভ কৰা "ঘৰ জেউতী" আছিল অসমীয়াৰ প্ৰথম মহিলা আলোচনী।

পঞ্চাশৰ দশকৰ প্ৰসিদ্ধ অসমীয়া আলোচনী 'ৰামধেনু'ৰ যোগেদিয়ে 'জয়ন্তী' আৰু 'পছোৱা'ই প্ৰৱৰ্তন কৰা অসমীয়া সাহিত্যৰ প্ৰগতিবাদী ধাৰাটোৰ বিস্তাৰ ঘটে। লগতে বাস্তৱবাদ আৰু আধুনিক কবিতাক সু-প্ৰতিষ্ঠিত কৰি যুদ্ধোত্তৰ যুগৰ বিশ্বসাহিত্যৰ সকলো লক্ষণ প্ৰস্ফূটিত কৰে। ৰচনা, চুটিগল্প আদিৰ বিকাশৰ ক্ষেত্ৰত নতুন ভাবাদৰ্শ আৰু সাহিত্যিক ধাৰণাই অসমীয়া সাহিত্যক অধিক সুদৃঢ় কৰিববলৈ প্ৰয়াস কৰে। 'ৰামধেনু'ৰ পাততেই হেম বৰুৱা, নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, সৌৰভ কুমাৰ চলিহা আদিৰ সাহিত্যিক জীৱনৰ আৰম্ভ হয়।

'ৰামধেনু'ৰ পৰৱৰ্তী কালত প্ৰকাশ পোৱা 'সৌমাৰজ্যোতি', 'কাণ্ডাৰী', ড° মহেন্দ্ৰ বৰাৰ 'মণিদীপ' (১৯৬০), 'পূৰ্বাচল', 'ইনচাফ', 'কাঁচিজোন', 'অসমীয়া' (১৯৬৮), 'আমাৰ প্ৰতিনিধি' (১৯৫৯), 'সংগ্ৰাম', 'মিনাৰ', 'প্ৰহৰী', 'সাদিনীয়া নৱযুগ', 'প্ৰবাহ' (১৯৬৫), 'অজন্তা'

*ডঁ সূৰ্য্যকুমাৰ ভূঞাৰ মতে — "কোনো জাতিৰ মনোভাৱ উন্নত কৰিবলৈ সাহিত্যৰ যিমান শক্তি, আন কাৰো সিমান শক্তি নাই।"*

(১৯৭২), 'নতুন প্ৰবাহ' (১৯৭১), 'আজান', 'গতিপথ', 'ক্ৰান্তি' (১৯৭৩), 'গতি' (১৯৫৭), 'হিমাচল' (১৯৬১), 'ৰ'দালি' (১৯৬১), 'জোনবাই' (১৯৬১), 'দীপক' (১৯৫৪), 'বৰদৈচিলা', 'অৰুণাচল', 'মৌচুমী', 'নীলাচল', 'দৈনিক অসম', 'সংলাপ' (১৯৭১), 'নতুন পৃথিৱী' (১৯৭২), 'সংজ্ঞা', 'বিজ্ঞান জেউতি', 'প্ৰকাশ' (১৯৭৫), 'প্ৰান্তিক' (১৯৮১), 'নৱদূত', 'প্ৰতিনিধি' (১৯৮৪), 'সীৱলু', 'অধিনায়ক', সূত্ৰধাৰ' (১৯৮৯), 'গৰীয়সী' (১৯৯৩), 'শ্ৰীময়ী', 'পূবালী', 'কথা-গুৱাহাটী' আদিয়ে অসমীয়া ভাষা সাহিত্য সমাজ, সংস্কৃতিক পৰিপুষ্টি প্ৰদান কৰিছে।

আলোচনী একোখনে সমাজৰ বৌদ্ধিক মান, বিস্তাৰ কৰে আৰু নব্য সামাজিক ধ্যান-ধাৰণা, জ্ঞানৰ প্ৰসাৰ অৱশ্যম্ভাৱী কৰি তুলে। প্ৰথম অৱস্থাত অসমীয়া আলোচনীসমূহে একেলগে সকলো বিষয় সংযোজন কৰিছিল। কিন্তু বিষয়ৰ ব্যাপকতাৰ গুৰুত্বই প্ৰতিটো বিষয়কে পৃথকভাৱে পুংখানুপুংখকৈ আলোচনা কৰাৰ এটা পৰিৱেশ সৃষ্টি কৰিলে। উক্ত পৰিৱেশ সৃষ্টি সম্পৰ্কে বিতং ব্যাখ্যালৈ নগৈ বিংশ আৰু একবিংশ শতিকাৰ প্ৰথম দশক কেইটাৰ প্ৰকাৰগত বিশিষ্টতালৈ উজাই চাব পাৰি।

এনেকৈয়ে অসমীয়া আলোচনীসমূহ আৰম্ভণিৰপৰা লক্ষ্য কৰিলে দেখা যায় যে, 'অৰুণোদই' প্ৰকাশৰ আঁৰত মূলতঃ অসমত অসমীয়া ভাষাত খ্ৰীষ্টানধৰ্মী মতাদৰ্শ প্ৰচাৰ কৰাই তেওঁলোকৰ প্ৰধান উদ্দেশ্য আছিল যদিও মৃতপ্ৰায় অসমীয়া ভাষাক পুনৰ্জীৱন দান দিলে। 'আসাম বন্ধু'য়ে অসমীয়া জাতীয় চেতনা আৰু সাহিত্যিক চেতনাক জাগ্ৰত ৰূপ দিয়ে। বিজ্ঞান, বুৰঞ্জীমূলক লেখা, ব্যংগ ৰচনা, সমাজ অধ্যয়ন, জনগোষ্ঠীয় অধ্যয়ন, চিন্তাশীল প্ৰবন্ধ, সাহিত্য সমালোচনা, গদ্য, কাহিনী, কবিতা, নাটক আদিৰ সঞ্চয়নে অসমীয়া সৃষ্টিশীল সাহিত্য সমালোচনা, চিন্তামূলক আলোচনা আদিক প্ৰকট কৰি তোলে। ঊনবিংশ শতিকাৰ শেষৰপৰা বিংশ শতিকাৰ আগভাগলৈকে অসমীয়া ভাষা সাহিত্য, সমাজ, সংস্কৃতিৰ লগতে বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত 'জোনাকী' আছিল দিক্‌দৰ্শক, ৰোমাণ্টিক চেতনাযুক্ত ৰচনা, প্ৰবন্ধ, নাটক, চুটিগল্প, বিজ্ঞান, বুৰঞ্জী আদি বিবিধ প্ৰসংগৰ ৰচনাৰ চয়নে 'জোনাকী'ত বিশেষ মাত্ৰা পৰিগ্ৰহ কৰিছিল। 'বাঁহী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাটোৰ আটাইবোৰ লেখা, বেজবৰুৱাই নিজে ৰচনা কৰিছিল যদিও ইয়াৰ ৰচনাই ভাষা সাহিত্যৰ বিভিন্ন দিশ সামৰি লৈছে। আলোচনীখনত ভাষা, সাহিত্য, সমাজ-সংস্কৃতি, ধৰ্ম-দৰ্শন, বিজ্ঞান পুৰাতত্ব আদি বিষয়ক ৰচনাৰ অন্তৰ্ভুক্তিকৰণে অসমীয়া সমাজ আৰু সভ্যতাৰ উত্তৰণৰ ক্ষেত্ৰত যথোচিত পৃষ্ঠভূমি নিৰ্মাণ কৰিছিল।

গতিকে আলোচনী এখন হৈছে সাহিত্যৰ দাপোণস্বৰূপ। ডঁ সূৰ্য্যকুমাৰ ভূঞাৰ মতে — "কোনো জাতিৰ মনোভাৱ উন্নত কৰিবলৈ সাহিত্যৰ যিমান শক্তি, আন কাৰো সিমান শক্তি নাই।" সাহিত্যৰ উন্নতিয়ে জাতিৰ উন্নতি আৰু ইয়াৰ বাবে প্ৰয়োজন জাতিটোৰ মাজত একতা তথা সমন্বয়ৰ।

*আলোচনী একোখনে সমাজৰ বৌদ্ধিক মান, বিস্তাৰ কৰে আৰু নব্য সামাজিক ধ্যান-ধাৰণা, জ্ঞানৰ প্ৰসাৰ অৱশ্যম্ভাৱী কৰি তুলে।*








# অৰুণোদয় ঃ এটি চমু অৱলোকন

বিপ্লৱী গগৈ
স্নাতক ৩য় বৰ্ষ
শিক্ষাতত্ত্ব বিভাগ

**অসমত বাতৰি কাকতৰ প্ৰকাশ আৰম্ভ হোৱা কাৰ্য নিৰ্ভৰশীল আছিল ৰাজ্যখনলৈ ছপাশাল যন্ত্ৰৰ আগমন ঘটাৰ ওপৰত। অসমলৈ প্ৰথমে আমেৰিকান বেপিষ্ট মিশ্যনে ছপাশাল আনি 'অৰুণোদয়' সংবাদপত্ৰ আৰু গ্ৰন্থৰ ছপা কামৰ আৰম্ভণি ঘটায়।**

অৰুণোদই প্ৰকাশ হোৱাৰ আগৰ অৱস্থাৰ বিষয়ে অসম চৰকাৰে প্ৰকাশ কৰা পলিটিকেল 'হিষ্টৰী অৱ আছাম'ৰ প্ৰথম খণ্ডৰ ন নং অধ্যায়ত (পৃঃ ১৫০) উল্লেখ কৰিছে এনেদৰে - "অসমত বাতৰি কাকত বা সাংবাদিকতাৰ সুচনা আৰু অগ্ৰগতি হৈছে ঊনৈশ শতিকাৰপৰা। চল্লিছৰ দশকত এই প্ৰদেশত ছপা যন্ত্ৰৰ প্ৰৱৰ্তনৰ ফলত ১৮৪৬ চনত শিৱসাগৰৰ বেপিষ্ট মিশ্যন প্ৰেছৰপৰা প্ৰথমখন মাহেকীয়া 'অৰুণোদয়' প্ৰকাশৰ কথা ইতিমধ্যেই উল্লেখ কৰা হৈছে। তাৰ আগতে অসমত ঘটা ঘটনাৱলীৰ বিৱৰণ প্ৰকাশ পাইছিল প্ৰধানকৈ বেংগলৰ বাতৰি কাকতবোৰত। আৰম্ভণিতে, অসমত বাস কৰা ভাৰতীয় আৰু অভাৰতীয়সকলে কলিকতাৰপৰা প্ৰকাশিত বাতৰি কাকত আৰু আলোচনীবোৰলৈ সম্পাদকলৈ চিঠি পঠাইছিল। এনেবোৰ চিঠিত কোনো এক বিশেষ বিষয়ৰ ওপৰত নিজস্ব মতামতৰ উপৰিও প্ৰদেশখনৰ উন্নয়নৰ সন্দৰ্ভত প্ৰয়োজনীয় তথ্য আছিল। সেইবোৰ চিঠি প্ৰকাশ কৰাত সম্পাদকসকলে অতি আগ্ৰহ দেখুৱাইছিল আৰু প্ৰায়ে তাৰ লগত ব্যক্তিগত মন্তব্যসহ সৰু টোকা একোটা সম্পাদকে যোগ কৰি দিছিল। ফণ্ড অৱ ইণ্ডিয়াঃ নামৰ কাকতখনে ১৮৩৮ চনৰ ২২ মাৰ্চৰ সংখ্যাত প্ৰকাশ কৰা চিঠিত পত্ৰলেখকৰ নিজা মন্তব্যৰ লগত যি কথা যোগ কৰি দিছিল, তাৰ দ্বাৰা উজনি অসম দখল কৰা আৰু ৰজা পুৰন্দৰ সিংহৰ শাসন সম্পৰ্কীয়



অৰুণোদয়

SIBSAGOR, ASAM, JANUARY, 1851.

বহুবোৰ কথাৰ বিষয়ে আলোকপাত কৰা হৈছিল। একেধৰণৰ বাতৰি আৰু মন্তব্য ভাৰতীয় ভাষাৰ বাতৰি কাকত যেনে সমাচাৰ দৰ্পন, সমাচাৰ চন্দ্ৰিকা আৰু সঞ্জীৱনীত প্ৰকাশ পাইছিল। চৰকাৰৰ অপ্ৰিয়ভাজন হোৱাৰ ভয়ত অৰুণোদই কাকতত চৰকাৰৰ বাবে আপত্তিকৰ আনহে নালাগে ৰায়তৰ স্বাৰ্থ ক্ষতি কৰিব পৰা বিষয়েও কোনো কথা প্ৰকাশ নকৰিছিলেই। এই কাকতৰ সুৰ আছিল সাধাৰণভাৱে ধৰ্মীয় আৰু এক বিশেষ মতাৱলম্বীৰ। 'ঢাকা নিউজ' আৰু 'সম্প্ৰকাশ' নামৰ কাকতখনৰ ১৮৬৭ চনৰ কেইবাটাও সংখ্যাত ৰাজ্যখনৰ বিপুল অব্যৱহৃত সম্পদবোৰ উন্নয়নৰ বাবে ৰাজ্যখনৰ প্ৰশাসনীয় সালসলনিৰ বাবে যুক্তি দিছিল। কিছুমান চিভিল গোচৰত সাধাৰণ মানুহৰ 'আপিল' কৰাৰ অধিকাৰ সীমিত কৰি প্ৰযোজ্য কৰা নতুন বিধিৰ বিষয়ে এই কাকতখনে মন্তব্য কৰিছিল আৰু লগতে পৰামৰ্শ দিছিল যে অসমৰ ননৰেগুলেটেড প্ৰদেশ এখনত যোগ্যতাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলকহে ন্যায়াধীশ আৰু উকীল হিচাপে নিযুক্তি দিব লাগে। সঘনে নতুনকৈ কৰ নিৰ্দ্ধাৰিণৰ ফলত ৰায়তসকলে কম ৰাজহ থকা অঞ্চললৈ যাবলৈ বাধ্য হোৱাৰ ফলত মৌজাদাৰসকলে ৰাজহ সংগ্ৰহ কৰাটো কষ্টকৰ হৈ পৰিছিল বাবে কাকতখনে তেনে ব্যৱস্থাৰ প্ৰতিবাদ কৰিছিল। ঊনৈশ শতিকাৰ সামৰণিপৰা বছৰবোৰ অসমীয়া সাংবাদিকতাৰ গঠনকাল বুলি বিবেচনা কৰিব পাৰি।

***অৰুণোদয়ৰ দুটা ৰূপ আছিল। এটা হ'ল সংবাদপত্ৰ হিচাপে আৰু আনটো হ'ল জ্ঞানভাণ্ডাৰ বা আলোচনী হিচাপে। ড° মহেশ্বৰ নেওগৰ মতে, অৰুণোদয়ৰ সংবাদপত্ৰ আৰু আলোচনী এই দুটা ৰূপ আছিল আৰু অন্তত ১৮৫৪ চনলৈকে এই দুইটা ৰূপ চলি আছিল।***

মিছনেৰীসকলৰ অৱদান ঃ ১৬ শ শতিকাৰপৰাই ইউৰোপীয় বণিক যেনেঃ পৰ্টুগ্ৰীজ, ভলন্দাজ, ইংৰাজ, ডেনিচ, ফৰাচী আদি বেহা-বেপাৰৰ উদ্দেশ্যৰে ভাৰতলৈ আহে। ইউৰোপীয়সকলৰ ভাৰতলৈ আগমন ঘটাৰ লগে লগে ভাৰতীয় শিক্ষাখণ্ডতো এক নতুন যুগৰ সূচনা হৈছিল। ভাৰতত শিক্ষাৰ বিকাশৰ অৰ্থে ইউৰোপীয়সকলে বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰি ভাৰতীয় শিক্ষণব্যৱস্থালৈ প্ৰভূত বৰঙণি আগবঢ়াইছিল। কালক্ৰমত ইউৰোপীয় বণিকগোষ্ঠী ভাৰতত টিকিব নোৱাৰি গুচি যায়। লগে লগেই তেওঁলোকে স্থাপন কৰা অনুষ্ঠানসমূহ লোপ পালে। তেওঁলোকৰ ভিতৰৰে মিছনেৰীসকলে দক্ষিণ উপকূলৰ বিভিন্ন অঞ্চলক বম্বে, কলিকতা, মাদ্ৰাজ এই তিনিটা কেন্দ্ৰত বিভক্ত কৰি ধৰ্ম প্ৰচাৰ, বেহা-বেপাৰ আৰু শিক্ষাৰ কাম আৰম্ভ কৰে। সেই সময়ত তেওঁলোকৰ ক্ৰিয়া-কলাপে ভাৰতীয় শিক্ষা ব্যৱস্থাত যি যুগজয়ী প্ৰভাৱ পেলালে সেয়া আজিও ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা আছে।

অসমৰ শিক্ষা ব্যৱস্থালৈ মিছনেৰীসকলে আগবঢ়োৱা অৱদান অতি তাৎপৰ্যপূৰ্ণ। ইংৰাজ শাসনৰ পূৰ্বৰেপৰাই অসমত মিছনেৰীসকলে শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ কামত অগ্ৰসৰ হৈছিল। অসমত বিৰাজমান এক বিশেষ পৰিস্থিতিৰ সময়তে খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ১৮৩৬ চনত দুজন আমেৰিকান বেপিষ্ট সপৰিয়ালে শদিয়ালৈ আহিল। তেওঁলোক আছিল ড° নাথান ব্ৰাউন আৰু অলিভাৰ টি কট্টৰ। তেওঁলোকৰ মূল উদ্দেশ্য আছিল চীন দেশত খৃষ্টান ধৰ্ম প্ৰচাৰ কৰা, কিন্তু পৰিস্থিতিৰ বাধ্য বাধকতাত পৰি তেওঁলোকৰ চীন যোৱা নহ'ল। এনেতে আন এজন বেপিষ্ট মিছনেৰী সপৰিবাৰে এই দুজনৰ লগত যোগ দিবলৈ ১৮৩৭ চনত শদিয়া পালেহি। তেওঁ হ'ল মাইলছ ব্ৰনছন। আমেৰিকাৰপৰা ব্ৰনছন দম্পতীৰ সৈতে জেকব টমাছ দম্পতীও আহিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে অসুখত ভোগা ব্ৰনছনৰ বাবে শদিয়াৰ পৰা দৰৱ আনিবলৈ যাওঁতে নৈৰ পাৰত গছ উভালি পৰি হেঁচা মাৰি ধৰাত টমাছৰ মৃত্যু হয়। প্ৰথম অৱস্থাত শদিয়াতে মিছনেৰী কেইজনে কাম আৰম্ভ কৰিলেও ১৮৩৯ চনত খামতিসকলে ইংৰাজ বিষয়া কৰ্ণেল আজম হোৱাইটক হত্যা কৰাত, তাত থকা মিছনেৰী বাৰ্কাৰ দম্পতি আৰু মাইলছ ব্ৰনছনৰ ভনীয়েক ৰোজ ব্ৰনছন জয়পুৰ পালেহি। পৰিস্থিতিৰ বাবে বাধ্য হৈ মিছনেৰী সকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ মনোযোগ দিলে আৰু ১৮৪১ চনৰ ২৪ মে' বাৰ্কাৰ সপৰিবাৰে শিৱসাগৰ পালেহি। তাৰ পিছতে শিৱসাগৰলৈ আহিল ব্ৰাউন আৰু ব্ৰনছন পৰিয়াল। ১৮৪৩ চনৰ ১৫ নৱেম্বৰত কট্টাৰে আৰু শ্ৰীমতী কট্টাৰে জয়পুৰত থকা ছপাশালখন শিৱসাগৰলৈ লৈ আহিল। এই ছপাশালৰ পৰাই ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰকাশ হ'ল "অৰুণোদয় সংবাদপত্ৰ"।

অৰুণোদয়ৰ ৰূপ ঃ অৰুণোদয়ৰ দুটা ৰূপ আছিল। এটা হ'ল সংবাদপত্ৰ হিচাপে আৰু আনটো হ'ল জ্ঞানভাণ্ডাৰ বা



আলোচনী হিচাপে। ড° মহেশ্বৰ নেওগৰ মতে, অৰুণোদইৰ সংবাদপত্ৰ আৰু আলোচনী এই দুটা ৰূপ আছিল আৰু অন্তত ১৮৫৪ চনলৈকে এই দুইটা ৰূপ চলি আছিল।

বৰ্তমান প্ৰকাশনলৈ মন দিলে লক্ষ্য কৰা যায় যে ১৮৪৬ চনৰ জানুৱাৰীৰ পৰা ১৮৫০ ডিচেম্বৰলৈ কাকতখনিৰ নাম, "অৰুণোদই সংবাদপত্ৰ" আৰু ১৮৫১ চনত জানুৱাৰীৰ পৰা মাত্ৰ 'অৰুণোদয়' চলিছিল যদিও পৃষ্ঠাবোৰৰ ওপৰত সকলোতে অৰুণোদয় বুলিয়েই আছিল। কিন্তু প্ৰথম সংখ্যাৰ শেষত যেনেকৈ ইংৰাজীত The Orunudoi A monthly paper, devoted to religion science and general Intelligence বুলি দিয়া হৈছে ১৮৫১ চনৰ জানুৱাৰীৰ পিছতো তেনে বৰ্ণনা মাজে সময়ে ওলাইছিল যদি Paper নুবুলি Magazin বোলা হৈছিল।

অৰুণোদইৰ জীৱন কাল ঃ অৰুণোদয়ৰ জীৱন কাল সম্পৰ্কে মত আছিল বিভিন্ন। ড° সতেন্দ্ৰ নাথ শৰ্মাৰ মতে ১৮৮২ চনলৈকে। ১৮৮২ চনত ছপাশালটো আছাম কোম্পানীক বিক্ৰী কৰি দিয়াৰ বাবেই সেই চনলৈকে অৰুণোদয়ৰ প্ৰকাশ হোৱা বুলি ধৰি লোৱা হৈছিল। পাছে, অৰুণোদয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত শ্ৰীমতী এছ.আৰ. ৱাৰ্ডে তেওঁৰ এ গ্লিম্পছ অৱ আছাম শীৰ্ষক গ্ৰন্থৰ ১৬ পৃষ্ঠাত দিয়া তথ্যকে শুদ্ধ বুলি মানি ল'ব পাৰি। তেওঁ লিখিছে যে, অৰুণোদইৰ প্ৰকাশ ১৮৮০ চনত বন্ধ হয় আৰু ১৮৮২ চনত ছপাশাললৈ আছাম কোম্পানীক বিক্ৰী কৰি দিয়ে। ড° মহেশ্বৰ নেওগৰ মতে ১৮৮৩ চনত শিৱসাগৰৰ মিছন প্ৰেছৰ যন্ত্ৰ দুটাৰ এটা ই ডব্লিউ ক্লাৰ্কে নগা পৰ্বতৰ মলুডলৈ লৈ যায় আৰু আনটো, বছৰটোৰ শেষ ফালে নাজিৰাৰ আসাম কোম্পানীক বেচি দিয়া হয়। কোনো কোনোৱে তাকেই অৰুণোদইৰ শেষ তাৰিখ বুলি ধৰিব খুজিলেও শ্ৰীমতী ছুছান আৰ্ ৱাৰ্ডে A Glimps of Assam (১৮৮৪) ত (১৮৮০) ডিচেম্বৰত পত্ৰিকাখন বন্ধ হয় বুলি উক্তি কৰিছে।

সম্পাদকসকল ঃ অৰুণোদয়ৰ সম্পাদকসকলৰ নাম তালিকা সম্পূৰ্ণভাৱে পাবলৈ নাই আৰু শুদ্ধভাৱে যুগুত কৰাটোও কঠিন। প্ৰথম কথা, আজিকালি যেনেকৈ সংবাদ পত্ৰৰ সম্পাদক আৰু মুদ্ৰকৰ নাম প্ৰকাশ কৰাটো আইনগতভাৱে বাধ্যতামূলক, তেতিয়া তেনে বাধ্যতামূলক কথা নাছিল। দ্বিতীয়তে, অৰুণোদয়ৰ আটাইবোৰ সংখ্যা পাবলৈ নাই। ১৮৪৬-১৮৫৪ চনত সম্পাদক আছিল ড° নাথান ব্ৰাউন। ১৮৫৫-৫৬ লৈ প্লটন হাও ডেনফোৰ্থ - ৫৭ চনলৈ ডেনফোৰ্ম আৰু এম হোৱাটিং।

ঘাই উদ্দেশ্য আছিল ঃ অৰুণোদয়ৰ ঘাই উদ্দেশ্য আছিল খৃষ্টানধৰ্ম প্ৰচাৰ কৰা। ইয়াত খৃষ্টান ধৰ্মৰ গুণ-গান, উপকাৰিতা আৰু শ্ৰেষ্ঠতাৰ বিষয়ে বিশেষ প্ৰবন্ধ। ধৰ্মমূলক উপাখ্যান, কাহিনী আদি নিয়মীয়াকৈ প্ৰকাশ কৰা হৈছিল। তদুপৰি ইংৰাজলোক আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ প্ৰশংসা আছিল অৰুণোদইৰ এটা ঘাই বৈশিষ্ট্য। অৱশ্যে খৃষ্টান ধৰ্মৰ উপৰিও হিন্দু ধৰ্মৰ বিষয়েও আলোচনা কৰা হৈছিল।

অৰুণোদয়ত প্ৰকাশিত বা-বাতৰি ঃ অৰুণোদয়ত সেই সময়ত বিজ্ঞানৰ ভালেমান প্ৰৱন্ধ প্ৰকাশ পাইছিল, বিজ্ঞানৰ শেহতীয়া আৱিষ্কাৰৰ বাতৰি পৰিৱেশন কৰা হৈছিল। ভৌগোলিক, বিৱৰণ, বিভিন্ন জাতি-উপজাতি (জনজাতিৰ) বিৱৰণ; বুৰঞ্জীৰ বতৰা, নতুন কিতাপৰ চিনাকি; বিভিন্ন অনুবাদ আদিও প্ৰকাশ পাইছিল। অনুবাদ সাহিত্যৰ ক্ষেত্ৰত অৰুণোদয় আছিল বাটকটীয়া। অ'ল্ড ষ্টেটমেন্ট আৰু নিউষ্টেটমেন্টকে ধৰি খৃষ্টানৰ ধৰ্মপুথিৰপৰা বিভিন্ন কাহিনীৰ মুকলি অনুবাদেৰে অৰুণোদয় ভৰপূৰ। জন বানিয়ানৰ ধৰ্মীয় উপন্যাস। পিল গ্ৰিমছ প্ৰগ্ৰেছ'ৰ অনুবাদ 'জাতিকৰ যাত্ৰা' খণ্ড খণ্ডকৈ প্ৰকাশ কৰা হৈছিল। খৃষ্টান ধৰ্মৰ প্ৰাৰ্থনা গীত ইংৰাজীৰপৰা অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰা হৈছিল, 'তীৰ্থৰ বিৱৰণ' বাংলা ভাষাৰপৰা অনুবাদ কৰা বুলি উল্লেখ আছে। অসমীয়া ভাষাত ভ্ৰমণ কাহিনী প্ৰকাশৰ ক্ষেত্ৰতো 'অৰুণোদই' আছিল বাটকটীয়া। দেশে স্বাধীনতা পোৱাৰ পিচত বিদেশ ভ্ৰমণলৈ যোৱা কেইবাজনো অসমীয়া সাহিত্যিক সাংবাদিকে তেওঁলোকৰ ভ্ৰমণ অভিজ্ঞতা বিদেশৰপৰাই চিঠিৰ আকাৰে অসমীয়া বাতৰি কাকতলৈ পঠোৱা আৰু সেইবোৰ কিছুমান গ্ৰন্থাকাৰে প্ৰকাশ হোৱাৰ উল্লেখ অনাৱশ্যক। অসমীয়া সাহিত্যত এনেবিধ ৰচনাৰ বাটকটীয়াও আছিল অৰুণোদয়।

# মানিক বন্দ্যোপাধ্যায়ৰ উপন্যাস



## পুতলা নাচৰ ইতিকথা এটি বিশ্লেষণ

✍ স্মৃতিৰেখা চেতিয়া সন্দিকৈ
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

*বিংশ শতিকাৰ ত্ৰিশৰ দশকটো বঙলা সাহিত্যৰ বাবে বিশেষ সময়। প্ৰথম মহাসমৰৰ ফলত হোৱা মূল্যবোধৰ পৰিবৰ্তনে সাহিত্যৰ ক্ষেত্ৰতো পৰিবৰ্তন আনিলে। 'কল্লোল' পত্ৰিকাই এই পৰিবৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিলে। এই সময়ত যিকেইজন ঔপন্যাসিকে বঙলা উপন্যাসৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিছিল তাৰ ভিতৰত মানিক বন্দোপাধ্যায়ৰ নাম (১৯০৮-৫৬) উল্লেখযোগ্য। মানিক বন্দোপাধ্যায়ৰ উপন্যাসত পোৱা যায় সামাজিক আৰু ৰাজনৈতিক চেতনাৰ শিল্পসন্মত অভিব্যক্তি। শ্ৰেণী সংগ্ৰাম, মানুহৰ মনৰ অভ্যন্তৰৰ কামনা, বাসনা, ব্যক্ত সংকট, ভণ্ডামি, কুটিলতা নৰ-নাৰীৰ সম্পৰ্কৰ ৰহস্য আদিয়ে অতি বলিষ্ঠভাৱে তেওঁৰ উপন্যাসত আত্মপ্ৰকাশ কৰিছে।*



'পুতুল নাচেৰ ইতিকথা' (১৯৩৬) বন্দোপাধ্যায়ৰ এখন অতি সুখপাঠ্য উপন্যাস। উপন্যাসখনৰ পটভূমি পশ্চিম বংগৰ এখনি সৰু আৰু অখ্যাত গাঁও গাঁওদিয়াৰ বিচিত্ৰ গ্ৰাম্য জীৱন। গ্ৰাম্য জীৱনৰ সৰলতা, বিচিত্ৰতা, একঘেঁয়ামীৰ মাজতে থকা একতা আৰু মানুহৰ চাৰিত্ৰিক বিশিষ্টতা উপন্যাসখনৰ মূল পটভূমি। উপন্যাসখনৰ বিষয়বস্তুৰূপেও বাচি





লোৱা হৈছে গাঁওদিয়াৰ গ্ৰাম্যজীৱন গ্ৰাম্যজীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, ৰুচি-অভিৰুচি অতি চিত্ৰবৎ ৰূপত ইয়াত অংকণ কৰা হৈছে।

উপন্যাসখনৰ কাহিনী গ্ৰন্থন হৈছে শশী ডাক্তৰ আৰু তেওঁৰ চৌপাশৰ মানুহবোৰক লৈ। মূল কাহিনী কাশী আৰু তাৰ পিতৃৰ সংঘাতক কেন্দ্ৰ কৰিয়ে সংৰচিত হৈছে। কাহিনীটোক পৰিপুষ্ট কৰিছে নন্দলাল-বিন্দু, যাদৱ পণ্ডিত-পাগলাদিদি, যামিনী কবিৰাজ সেনদিদি, কুমুদ আৰু মতি, আৰু কুসুম আৰু পৰাণৰ উপকাহিনীয়ে।

সম্পত্তি কিনা বেচা কৰা আৰু সুত লৈ ধন ধাৰে দিয়া দালালী মহাজন গোপাল দাসৰ একমাত্ৰ ল'ৰা শশী। গোপাল হ'ল অন্যৰ দুখ-দুৰ্দশাৰ কথা চিন্তা নকৰি স্বাৰ্থ পূৰণ কৰাত ব্যস্ত থকা মানুহ। প্ৰয়োজনত সি মানুহবো কিনা বেচা কৰে। বৃদ্ধ মানুহৰ পৰা ধন লৈ গাভৰু কইনা গোটাই দিয়া, চলে-বলে-কৌশলে নিজৰ কন্যাক ধনী মহাজনলৈ বিয়া দিয়া কামত গোপাল পাকৈত। এনে বাপেকৰ ঘৰুৱা পৰিবেশত ডাঙৰ হোৱা শশীয়ে যেতিয়া কলিকতালৈ পঢ়িবলৈ গ'ল তেতিয়া তাৰ পৰিবেশত এখন বহল পৃথিৱী চাবলৈ দৃষ্টি পালে। সেয়ে ডাক্তৰি পঢ়ি অহাৰ পাছত গাঁৱৰ জীৱনৰ লগত যেতিয়া নিবিচৰাকৈয়ে সাঙুৰ খাই পৰিল তেতিয়া তাৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। বাপেকৰ সৈতে সম্পূৰ্ণ বিপৰীত মনৰ শশীৰ প্ৰতিক্ষেত্ৰতে বাপেকৰ সৈতে শীতল আৰু বাহ্যিক দুয়োধৰণৰ সংঘাত হ'বলৈ ধৰিলে। এনেবোৰ কাৰণতে সি সদায় গাঁৱৰ পৰা আঁতৰি কলিকতা বা দূৰলৈ গুচি যোৱাৰ কথা ভাৱে। কিন্তু প্ৰতিবাৰেই অজ্ঞাত শক্তিয়ে তাক বিভিন্ন কাৰণত গাঁওখনত বান্ধি ৰাখে। পাছলৈ এনে হ'লগৈ যে গাঁওখন এৰি দুদিনমান বাহিৰত থাকিলেও তাৰ ৰোগীবোৰলৈ মনত পৰি উভটি আহিবলৈ বাধ্য হয়। তাৰ গাঁৱৰ এই একঘেয়ামী জীৱনলৈ অকণমান বৈচিত্ৰ্য আনে পৰাণৰ পত্নী কুসুমে। এবাৰ যেতিয়া গাঁৱৰ পৰা যামগৈ বুলি ল'লে তেতিয়া যাদৱ পণ্ডিতে মৃত্যুৰ সময়ত নিজৰ সঞ্চয়ৰ সমস্ত ধন দি শশীক হস্পিতেল পতাৰ দায়িত্ব দি গ'ল। সেই দায়িত্ব পালন কৰি যেতিয়া পুনৰ গাঁও এৰি যাবলৈ ওলাল তেতিয়া পিতৃয়ে ঘৰ এৰি গুচি গ'ল। এনেদৰে শশীৰ অনিচ্ছাস্বত্বেও ওৰে জীৱন গাঁওদিয়াৰ মানুহৰ মাজত চিৰদিনলৈ থাকি গ'ল।

উপন্যাসখনত সৰু-বৰ বহুতো চৰিত্ৰৰ সমাবেশ ঘটিছে। ইয়াৰে প্ৰধান চৰিত্ৰবোৰ হ'ল শশী পৰাণ, গোপাল, যাদৱ পণ্ডিত, যামিনী কবিৰাজ, নন্দলাল, কুমুদ আদি। প্ৰধান নাৰী চৰিত্ৰবোৰ হৈছে কুসুম, মতি, সেনদিদি আদি। গৌণ চৰিত্ৰবোৰ হৈছে বিমলবাবু, মোক্ষদা, পাগলাদিদি, বাসুদেৱ, কুন্দ, জয়া, বনবিহাৰী আদি। সৰু-বৰ মিলাই ২৫ টা মান চৰিত্ৰই উপন্যাসখনত আত্মপ্ৰকাশ কৰিছে। হ'লেও বিকশিত চৰিত্ৰৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। বাকী চৰিত্ৰবোৰ মানৱজীৱনৰ বিশেষ একোটা দিশৰ প্ৰতিনিধি।

শশী উপন্যাসখনৰ প্ৰধান চৰিত্ৰ। কিন্তু শশী চৰিত্ৰৰ বিকাশ হৈছে কেৱল গ্ৰাম্য জীৱনৰ বিচিত্ৰ চৰিত্ৰবিলাকৰ বিশিষ্ট দিশবিলাকৰ সাক্ষীৰূপে। মানুহ মাত্ৰেই প্ৰত্যেকেই বেলেগ বেলেগ বৈশিষ্ট্যৰ অধিকাৰী। গাঁৱৰ জীৱনত সকলোৱে সমিল-মিলেৰে বসবাস কৰিও নিজৰ ভিতৰত পুঁহি ৰাখে একো একোজন বিচিত্ৰ মানুহ। শশী চৰিত্ৰৰ যোগে সেই দিশবোৰেই পোহৰলৈ আহিছে।

শশী উপন্যাসখনত একেৰাহে পুত্ৰ, ভাতৃ, ওচৰ-চুবুৰীয়া, ডাক্তৰ, শিক্ষিত ব্যক্তি হিচাপে কুসংস্কাৰ মুক্ত দায়িত্বশীল ব্যক্তিৰ ৰূপত আত্মপ্ৰকাশ কৰিছে। গাঁৱৰ ল'ৰা শশীয়ে চহৰলৈ পঢ়িবলৈ গৈ পৃথিৱীখনক বহলকৈ চাবলৈ শিকিলে। লোভী, স্বাৰ্থপৰ, সুদখোৰ মহাজন দেউতাকৰ তত্ত্বাৱধানত ডাঙৰ হোৱা শশীয়ে পৃথিৱীখন দেখিবলৈ পালে নতুনকৈ। সেয়ে যেতিয়া গাঁৱলৈ আহিল নিজৰ ঘৰত, গাঁৱলীয়া জীৱনৰ একঘেয়ামীৰ মাজত শশীৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম ঘটিল। এফালে গাঁও এৰি যোৱাৰ স্বপ্ন, আনফালে গাঁওখনৰ মানুহৰ প্ৰতি থকা দায়িত্ববোধ এই দুই বিপৰীতমুখী বৈশিষ্ট্যই শশী চৰিত্ৰক বৈচিত্ৰপূৰ্ণ কৰি তুলিছে।

পুত্ৰ হিচাপে শশীৰ উপন্যাসখনত দেউতাকৰ লগত সম্পৰ্ক যথেষ্ট জটিল। চকুৰ সন্মুখতে দেউতাকে কৰা ভুলবোৰ দেখি ভিতৰি ভিতৰি তাৰ খং উঠে যদিও প্ৰকাশ্যে দেউতাকক প্ৰতিবাদ কৰিব নোৱাৰে। কিন্তু সম্বন্ধটো প্ৰায়ে বৰষুণৰ আগৰ গোমা বতৰৰ দৰেই হয় দুয়োৰে মাজত। হ'লেও সি এজন শিক্ষিত পুত্ৰৰ অভিভাৱকত্বৰে দেউতাকক বুজাবলৈ যত্ন কৰে।

দেউতাকলৈ থকা খঙৰ বাবে দেউতাকক যথেষ্ট ৰুষ্ট ব্যৱহাৰ কৰিলেও দেউতাকৰ প্ৰতি তাৰ মৰমো নথকা নহয়। সেয়ে দেউতাকে কাশীলৈ যাবলৈ ওলোৱাত সি ঘৰ এৰি যোৱাৰ দিন পিছুৱাই দেউতাকক যাবলৈ দিছে।

শশী ৰোগীৰ প্ৰতি যেনেকৈ দায়বদ্ধ তেনেকৈ বহুক্ষেত্ৰত স্বাৰ্থপৰ। উদাহৰণস্বৰূপে যামিনী কবিৰাজ আৰু দেউতাকৰ বাধা স্বত্বেও শশীয়ে দিনে-নিশাই বসন্তত আক্ৰান্ত সেনদিদিৰ চিকিৎসা কৰিছে। আকৌ কেতিয়াবা বিচৰা মাননি নিদিলে

ৰোগীক আৰু ৰোগীৰ সম্পৰ্কীয়ক কটুকথা শুনাইছে।

চহৰৰ মুক্ত পৰিবেশৰ পৰা গাঁৱলৈ বসবাস কৰিবলৈ অহা শশীয়ে কুসংস্কাৰৰ পৰা গাঁওখনক উদ্ধাৰ কৰিবলৈ যত্ন কৰে। যুগ যুগ ধৰি নিজস্ব ধৰণেৰে চলি অহা গাঁৱখনক শুধৰাবলৈ শশী সক্ষম নহয়।

সি ওচৰ চুবুৰীয়াৰ প্ৰতিও কৰ্তব্যশীল। সেয়ে সৰগ পৰি মৃত্যু হোৱা হাৰু ঘোষৰ মৃতদেহটো ঘৰলৈ লৈ আহিছে। সেনদিদিৰ চিকিৎসা কৰিছে।

গাঁৱৰ বাহিৰত এদিন থাকোঁতেও ৰোগীসকলৰ কথা চিন্তা কৰি আছে। ঘৰখনক স্বাস্থ্যৰ প্ৰতি সচেতন কৰিবলৈ যত্ন কৰিছে। পৰস্পৰৰ অসুখত চিন্তিত হৈ পৰিছে।

প্ৰেমৰ ক্ষেত্ৰত শশীৰ কোনো নিৰ্দিষ্ট ধাৰণা নাই। সেয়ে কেতিয়াবা ভাবে মতিৰ কথা আৰু কেতিয়াবা ভাবে কুসুমৰ কথা। কুসুমৰ প্ৰতি থকা আকৰ্ষণৰ কাৰণো শশীৰ জ্ঞাত নহয়। খাদ্যৰ অভাৱত খুদকণটোকে বহুত বুলি ভবাৰ দৰে গ্ৰাম্য নিস্তৰংগ জীৱনৰ মাজত কুসুম যেন এটা ঢৌ, এছাটি মলয়া বা দুখৰ মাজত অকণমাণ হাঁহি।

একেঘেঁয়ামী পূৰ্ণ জীৱনত শশীক অকণমান আমোদ দিয়ে অকণমান বৈচিত্ৰ্য আনি দিয়ে কুসুমে। কুসুমৰ প্ৰতি থকা আকৰ্ষণৰ বাবে পাছত শশীয়ে কুসুমক নিজৰ জীৱনলৈকো আহ্বান জনাইছে। কিন্তু কুসুম মান্তি নোহোৱাত শশীৰ জীৱনলৈ আকৌ অসাৰতা নামি আহিল।

গাঁৱৰ জীৱনৰ প্ৰতি যিমানেই তিক্ত মনোভাৱ নাথাকক কিয় শশী গাঁওখনৰ প্ৰতি অত্যন্ত দায়িত্বশীল। সেয়ে যাদৱ পণ্ডিতে থৈ যোৱা টকাৰে অতি সুচাৰু ৰূপে হস্পিতেলখন গঢ়ি উলিয়াইছে।

মানুহৰ প্ৰতি দয়াশীল মনোভাৱো শশীৰ নথকা নহয়। সেয়ে বাসুদেৱৰ ল'ৰাটো মৰোঁতে, হাৰুঘোষ মৰোঁতে আৰু যাদৱ পণ্ডিতৰ মৃত্যুৰ সময়ত শশীৰ অন্তৰে কান্দি উঠিছে।

শিক্ষিত ব্যক্তি হিচাপে সি সকলো অন্ধবিশ্বাসৰ পৰা মুক্ত। সেয়ে হাৰু ঘোষৰ মৃতদেহটো উদ্ধাৰ কৰি নৈৰ পাৰত মৃতদেহৰ সৈতে বহি থাকিবলৈ কুণ্ঠাবোধ কৰা নাই।

ভাতৃ হিচাপেও শশী দায়িত্বশীল। দেউতাকে কৰা ভুলৰ বাবে বায়েক বিন্দুৰ যি দুৰৱস্থা হৈছে তাৰ পৰা তাইক উদ্ধাৰ কৰিবলৈ যত্ন কৰিছে। বিভিন্ন সময়ত শশী চৰিত্ৰৰ মনটো বিচিত্ৰৰূপত প্ৰকাশিত হৈছে যি বৈচিত্ৰই পিতৃৰ লগত তাৰ সংঘাত অত্যন্ত তীব্ৰ কৰি তুলিছে।

পিতৃ গোপাল স্বাৰ্থপৰ সুদখোৰ, নাৰীব্যৱসায়ী, অথচ পুত্ৰস্নেহত আসক্ত মহাজন শ্ৰেণীৰ মানুহ। আনৰ অন্যায় কৰি নিজৰ মোনা ভৰোৱাটোৱে গোপালৰ স্বাভাৱ। ভৱিষ্যত বা ল'ৰা-ছোৱালীৰ সুখ-দুখৰ কথা চিন্তা কৰাটো তাৰ স্বভাৱ নহয়। সেয়ে ব্যৱসায়ী নন্দলাললৈ চলে-বলে কৌশলে নিজৰ ছোৱালী বিয়া দিছে। এবাৰো ভাবি চোৱা নাই জোৰেৰে দি পঠোৱাৰ বাবে ছোৱালীজনীয়ে পাছত প্ৰাপ্য সন্মান মৰ্যাদা স্বামীৰ ঘৰত পাবনে নাপায়। দেউতাকৰ অসৎ কৰ্মৰ ফল সেয়ে গোটেই জীৱন বিন্দুৱে ভুগিব লগা হৈছে। গাঁৱৰ মানুহক টকা সুদলৈ দি পাছত ঘৰে ঘৰোৱাহে নিজৰ কৰাই গোপালৰ স্বভাৱ। বৃদ্ধ ব্যক্তিৰ পৰা টকা লৈ অসহায় গাভৰু ছোৱালীক বিয়া দিয়াৰ দৰে অপকৰ্মও সি কৰে। অথচ এইক্ষেত্ৰত তাৰ অলপো অনুশোচনা নাই।

সুবিধা পালেই টকা সৰকোৱাই তাৰ নীতি। সেয়ে পুতেকক যাদৱ পণ্ডিতে যেতিয়া হস্পিতেল পতাৰ দায়িত্ব দি থৈ গ'ল তেতিয়া সি পুতেকৰ পৰা সেই দায়িত্ব ল'ব খুজিছে কেৱল টকা সৰকোৱাৰ স্বাৰ্থতেই।

চাৰিত্ৰিক ভাৱেও গোপাল সবল মনৰ ব্যক্তি নহয়। সেনদিদিৰ লগত থকা অবৈধ সম্পৰ্কৰ ফলত সি বুঢ়াবয়সত পিতৃ হৈছে। কিন্তু এই সন্তানেই যেতিয়া তাৰ মৰমৰ পুত্ৰ শশীৰ লগত থকা সুসম্পৰ্কৰ ক্ষেত্ৰত বাধা হৈ থিয় দিলে তেতিয়া গোপাল নিৰুপায় হৈ পৰিল। সোঁৰে-বাঁৱে জীৱন কালত উপাৰ্জন কৰা সম্পত্তিকো নেওচি যেতিয়া শশী বিলাতলৈ ওলাল তেতিয়াহে গোপালৰ থৰকাচুতি হ'ল। ইমান সম্পত্তি তেনে সি কিয় গোটালে। সেয়ে সি বুদ্ধিৰে শশীক ঘৰত থৈ নিজে সেনদিদিৰ ল'ৰাটো লৈ কাশীলৈ যাত্ৰা কৰিলে কোনোদিনে উভতি নহাৰ সংকল্প লৈ। যি দৰে গ'লহেতেঁন মৃত্যুৰ পাছত।

উপন্যাসখনত পিতৃ আৰু পুত্ৰ চৰিত্ৰৰ এই বৈপৰীত্য মন কৰিবলগীয়া। গোপালৰ স্বাৰ্থপৰতাৰ বিপৰীতে শশীৰ আছে উদাৰতা। গোপালৰ সংকীৰ্ণমনৰ বিপৰীতে শশীৰ আছে এটা

> উপন্যাসখনত পিতৃ আৰু পুত্ৰ চৰিত্ৰৰ এই বৈপৰীত্য মন কৰিবলগীয়া। গোপালৰ স্বাৰ্থপৰতাৰ বিপৰীতে শশীৰ আছে উদাৰতা। গোপালৰ সংকীৰ্ণমনৰ বিপৰীতে শশীৰ আছে এটা বহল মন।





বহল মন। শশী আৰু পিতৃ গোপালৰ চৰিত্ৰৰ বৈচিত্ৰময় উপস্থাপন লক্ষ্য কৰিবলগীয়া। প্ৰথম অৱস্থাত যি গোপালে যামিনী কবিৰাজৰ পত্নীক অৰ্থাৎ সেনদিদিক চিকিৎসা কৰিবলৈ মানা কৰিছে, আনহাতে সেই একেজন গোপাল দাসে যামিনী কবিৰাজৰ মৃত্যুৰ পাছত তেওঁৰ পত্নী সেনদিদিৰ প্ৰৌঢ়া বয়সত সন্তান জন্মৰ সময়ত শশীক তেওঁৰ চিকিৎসা কৰিবলৈ কাকুতি কৰিছে। আহাতে শশীয়েও যিজনী সেনদিদিক তেওঁৰ পতি যামিনী কবিৰাজ আৰু পিতৃৰ হকা-বাধা সত্বেও বসন্ত ৰোগৰ কবলৰ পৰা উদ্ধাৰ কৰিলে, সেইজনী সেনদিদিক মৃত্যুৰ সময়ত চিকিৎসা কৰিবলৈ প্ৰথম অৱস্থাত অমান্তি হৈছিল।

বাকী পুৰুষ চৰিত্ৰবোৰৰ ভিতৰত কুমুদ বেপেৰুৱা মনোভাৱৰ গতানুগতিক জীৱন পদ্ধতিৰ বাহিৰত জীৱন ধাৰণ কৰা মানুহ। পৰাণ সহজ সৰল কৃষক চামৰ প্ৰতিনিধি। বাকী পুৰুষ চৰিত্ৰবোৰ গ্ৰাম্য জীৱনৰ বিশেষ একো একোটা দিশৰ প্ৰতিনিধি।

নাৰী চৰিত্ৰবোৰৰ ভিতৰত প্ৰধান হ'ল মতি, কুসুম, মোক্ষদা, বিন্দু, সেনদিদি, পাগলাদিদি আদি। ইয়াৰ প্ৰতিটো চৰিত্ৰই বিচিত্ৰ আৰু সুকীয়া। প্ৰায়বোৰ চৰিত্ৰই টাইপ চৰিত্ৰ আৰু নাৰীৰ বিচিত্ৰ মনৰ প্ৰতিনিধি। প্ৰতিটো চৰিত্ৰই নিজৰ আয়তনৰ একো একোটা বিশিষ্ট দিশ ফুটাই তুলিবলৈ সক্ষম হৈছে। কুসুম চৰিত্ৰটোৱে কাহিনীটোৰ আৰ্ষণীয়তা বৃদ্ধিত যথেষ্ট সহায় কৰিছে।

উপন্যাসখনৰ প্ৰকাশ ভংগীও অতি আকৰ্ষণীয়। তৃতীয় পুৰুষত বৰ্ণিত উপন্যাসখনত চিনাকি পৰিবেশ আৰু চিনাকি মানুহে বিচিত্ৰ পৰিবেশ আৰু বিচিত্ৰ মানুহৰ ৰূপত ধৰা দিছে। পৰিবেশ বৰ্ণনাৰ চাতুৰ্য, সংলাপৰ প্ৰয়োগ, চিত্ৰধৰ্মী পৰিবেশ সৃষ্টি, ঘৰুৱা ভাষাৰ ব্যৱহাৰ উপন্যাসখনৰ প্ৰকাশভংগীৰ অন্যতম বৈশিষ্টতা। উপন্যাসখনৰ ১৩ টা অধ্যায়ৰ মাজেদি ঔপন্যাসিকে ভিন্নজনৰ বিচিত্ৰ চৰিত্ৰ, ঘটনা আৰু গ্ৰাম্যজীৱনৰ বিচিত্ৰ পৰিবেশ শিল্পসন্মত ভাৱে দাঙি ধৰিছে।

উপন্যাসখনত উপস্থাপিত হৈছে গাঁও দিয়াৰ বিচিত্ৰ জীৱন প্ৰৱাহ আৰু তাৰ মাজেদি প্ৰকাশিত হৈছেগ্ৰাম্যজীৱনৰ বিচিত্ৰতা। তেওঁলোকৰ সামাজিক অৱস্থাৰ পৰা ব্যক্তিবিশেষৰ বিভিন্ন চৰিত্ৰলৈকে লেখকৰ পৈণত কাপৰ পৰশত একো-একোখন মনোৰম ছবি উদ্ভাসিত হৈ উঠিছে।

প্ৰথম অধ্যায়তে মানৱ দৰদী শশী ডাক্তৰৰ কাৰ্যকলাপৰ মাজেদি তেওঁৰ জীৱন পৰিক্ৰমা গঢ় লৈ উঠিছে। সেই পৰিক্ৰমাতে উদ্ভাসিত হৈ উঠিছে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ, নিৰক্ষৰ, সহনশীল, সহজ-সৰল, খামখেয়ালীপূৰ্ণ, পৰস্পৰ সহানুভূতিশীল গ্ৰাম্য সমাজখন। ডাক্তৰী বিদ্যাৰ মুখ নেদেখা কবিৰাজী বিদ্যা, সূৰ্যবিদ্যাত অভ্যস্ত গাঁওবাসীৰ বাবে ডাক্তৰী নিয়ম অদ্ভুত বস্তু। সেয়ে কাশীয়ে স্বাস্থ্য সচেতনতা আনিব খুজিও বাৰে বাৰে ব্যৰ্থ হৈছে গাঁৱৰ সমাজত।

সাধাৰণ শ্ৰেণীৰ নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ সুযোগ লৈ মহাজন শ্ৰেণীৰ শোষণ, ওচৰ-চুবুৰীয়াৰ হাঁহি-কান্দোন, সাধাৰণ কথা এটাকো বুবু-বাবা, ৰহণ লগোৱা, কল্পিত আলোচনা, পৰকীয়া প্ৰেম, জীয়াৰী-বোৱাৰীৰ হাঁহি-কান্দোন, সুখ-দুখ, প্ৰেম, নাট-যাত্ৰা আৰু গাঁওবাসীৰ মনোজগত, আনন্দ-উৎসাহ, খেতি-বাতি, জীৱন সংগ্ৰাম আৰু আধ্যাত্মিক বিশ্বাস আদি গাঁৱৰ জীৱনৰ সমগ্ৰ দিশ ইয়াত বিভিন্ন ঘটনাৰ জৰিয়তে অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে।

উপন্যাসখনত গ্ৰাম্যজীৱনৰ বৰ্ণনাৰ লগতে মানৱ মনৰ গোপন গহণত সোমাই থকা মনস্তত্বৰ বিৱৰণসমূহো উল্লেখযোগ্য সফলতা। উপন্যাস মানেই মানৱ জীৱনৰ আন্ধাৰ দিশত পোহৰ পেলোৱাৰ শিল্পকলা। সঠিক মানসিক বিশ্লেষণেহে উপন্যাস এখনৰ চৰিত্ৰবোৰৰ সফল উপস্থাপন সম্ভৱ কৰি তোলে। উদাহৰণস্বৰূপে পুত্ৰবধুৰ প্ৰতি মাতৃৰ যি আজন্ম ক্ৰোধ মোক্ষদাৰ জৰিয়তে প্ৰকাশিত হৈছে। যেনেঃ

"কুসুম গৈছিল ঘাটলৈ, উভতি আহি লাহে
ধীৰে কাপোৰ সলাই গ'ল চাকি জ্বলাবলৈ।
তাই লেহেম গতি বিধি দেখি মোক্ষদাৰ
ধৈৰ্য্যচ্যুতি ঘটিল।

কুসুমৰ হাতৰ পৰা থাপ মাৰি চাকিটো লৈ পাক ঘৰলৈ গ'ল আৰু

চৌকাৰ পৰা জ্বলাই ল'লে। ল'ৰা-ঢপৰা
কৰোঁতে শুকান মজিয়াতে মোক্ষদা পৰিল।
হাতৰ পৰা পৰি চাকিটোও নুমাল। অলপ
সময় ভিতৰতে কোনেও কাৰো মাত নুশুনা
কোহাল আৰম্ভ হ'ল। মোক্ষদাই যিমান পাৰি
টেটুফালি শাও-শপনি দিছে।

আকৌ ননদ আৰু বৌৱেকৰ সম্পৰ্কৰ মনস্তত্বমূলক বৰ্ণনা কুসুম আৰু মতিৰ সম্পৰ্কৰ মাজেদি প্ৰকাশিত হৈছে। মুঠতে এনেধৰণৰ মনস্তত্বমূলক অসংখ্য মনোজ্ঞ বৰ্ণনাই উপন্যাসখন সজীৱ কৰি ৰাখিছে।

চৰিত্ৰ উপস্থাপন, গ্ৰাম্য জীৱনৰ সামাজিক পৰিবেশ, প্ৰাকৃতিক পৰিবেশ, যাতায়াত ব্যৱস্থা আদিৰ সুন্দৰ বৰ্ণনাৰে পুতলা নাচৰ ইতিকথা এখন সুখপাঠ্য উপন্যাস।

# হীৰেণ ভট্টাচাৰ্য মানুহজন



✍ লক্ষ্যজিত গগৈ
স্নাতক তৃতীয় বাৰ্ষিক
ৰাজনীতি বিজ্ঞান বিভাগ

অসমীয়া সাহিত্য জগতৰ এটা ধ্ৰুৱতৰা হ'ল সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্য। তেওঁ নিজস্ব কবি প্ৰতিভাৰেই হওক বা হাঁহিমুখীয়া মুখেৰেই হওক অসমৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত সকলো মানুহৰেই হৃদয় জয় কৰিছিল। স্নেহতীৰ্থৰ স্নেহেৰে অসংখ্যজনৰ হৃদয় জিনিবলৈ সক্ষম হোৱা এইজন মহান কবিয়ে ভাল পাইছিল আইৰ সুখৰ ভাষা আৰু নিজস্ব দেশক। মাতৃভূমিক অত্যন্ত ভাল পোৱা হীৰুদাই কবিতাৰ মাধ্যমেৰে সেয়া প্ৰকাশ কৰিছে এনেদৰে –

"মোৰ দেশ মোৰ স্বদেশ, মোৰ প্ৰথম প্ৰেমৰ উন্মেষ
তোৰ সাতসৰি যেন সাতোখন নদী
প্ৰেমৰ কি যে সহানুভূতি।
দেশ বুলিলে আদেশ নালাগে
মোৰ তুমুৰাল তেজত টগবগাই উঠে
এহাজাৰ এটা ৰণুৱা ঘোঁৰা।"

সহস্ৰ শব্দৰ সুনিপুণ কৌশলগত প্ৰয়োগেৰে তেওঁৰ বিশাল কবিতাৰ পথাৰখন চহকী। শব্দৰ স'তে তেওঁ এনেদৰে খেলিছিল যেন চাৰ্কাচৰ বাঘৰ সতে পৰিচালকৰ খেলহে। তেওঁৰ কবিতাৰ এইটো আছিল অন্যতম বিশেষত্ব। চৈয়দ আব্দুল মালিকে আধুনিক কবিতাৰ প্ৰসংগত এটি আলোচনাত কৈছিল —

"যিবোৰ কবিতাই পঢ়োতাক ভবাই তোলে, চিন্তাত গোলমাল লগাই দিয়ে, একো বুজি নোপোৱা যেন লগাই দিয়ে আৰু বুজি পালে এক চৰম আনন্দত জঁপিয়াই দিবৰ মন যোৱা কৰি দিয়ে, সেইবোৰহে কবিতা। উল্লেখযোগ্য যে এই কথাষাৰ হীৰুদাৰ কবিতাত এশ শতাংশই সঁচা প্ৰতিপন্ন হয়।

চুটি-চুটি হীৰুদাৰ কবিতাবোৰে অসমীয়া কবি সমাজৰ লগতে বিশ্বৰ পাঠক সমাজক সহজে আকৰ্ষণ কৰিব পাৰিছিল। তেওঁৰ কবিতাত নতুনত্বৰ সোৱাদ পাঠকে লাভ কৰিব পাৰিছিল। সেয়েহে অসমীয়া সাহিত্য জগতৰ এজন স্বনামধন্য সাহিত্যিক নৱকান্ত বৰুৱাই লিখিছে

"চুটি-চুটি কবিতা লিখে দীঘল দীঘল হীৰেণ ভট্টই
ফিলিগুনিক খৰ্ব কৰাত এক প্ৰকাৰে মণ্ডই,
যমক অণুপ্ৰাসৰ জমক
বুকুত লগায় দি যায় চমক





হঠাৎ কোৱা কথাবোৰৰ অবাক কৰা সত্যই।।"


জীৱন আৰু প্ৰেমৰ উপাদানেৰে নিৰ্মিত হীৰুদাৰ কবিতাই সমাজৰ গঞা পাঠকৰ পৰা গুণী-জ্ঞানী সকলো স্তৰৰ পাঠকৰে মোহবিষ্ট কৰি ৰাখিব পাৰিছিল। প্ৰেমৰ কথা আনক ক'ব নিবিচৰা হীৰুদাই প্ৰেমক 'শব্দ', 'বৰ্ণ' আৰু 'পোহৰৰ' উৎস বুলি নিশ্চিত কৰিছে। জীৱনক নিচেই ওচৰৰ পৰা উপভোগ কৰা হীৰুদাই চুটি জীৱনটোত যিমানখিনি পালে তাতেই সন্তুষ্টি প্ৰকাশ নকৰি জীৱনৰ শেষছোৱা সময়তো কিবা কৰি যাবলৈ চেষ্টা কৰিছিল। জীৱনৰ অন্য এটা নাম প্ৰেম বুলি অভিহিত কৰা হীৰুদাই লিখিছিল --

'প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰাই।'

প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি, বিশ্বাসৰ দৰে নিশব্দে ই যে বিচাৰি ফুৰে শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।

বিশ্বজয়ী এইজনা হীৰুদা প্ৰেমত পৰিছিল দুখ আৰু বেদনাৰ। ব্যৰ্থতাৰ শৰ নিৰ্ভয়ে বুকু পাতি লোৱা হীৰুদা প্ৰেমত পৰিছিল সত্য আৰু সুন্দৰৰ। দুখত হাবু-দুবু খোৱা হীৰুদাৰ হৃদয়ে বিচাৰি ফুৰিছিল শব্দৰ অনুভূতি, ৰ'দমুখী শব্দ, পোহৰমুখী শব্দ আৰু এই শব্দৰ বুকুচাত উঠি আগুৱাইছিল জীৱনৰ বাটত কবিতাক জন্ম দি। যেতিয়াই দুখে হীৰুদাৰ হৃদয়ত উচুপি কান্দিছিল, তেওঁৰ কলমে প্ৰসৱ কৰিছিল পাহি পাহি খৰিকাজাঁই কবিতা

"ভঙা কলিজাত কোনে বিনয়
কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই।
বিষাদক হৃদয় আৰু মন-মগজুত সযত্নে কঢ়িয়াই ফুৰা



হীৰুদাই আকৌ এঠাইত কবিতাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে -

"জলমগ্ন সন্ধ্যাৰ এই গূঢ় আৰোহণত
বাজে মোৰ বিষাদ
বিষাদৰ তেজ মঞ্চহ......"

আইৰ মুখৰ মধুৰতম ভাষাত জীৱনৰ শত সহস্ৰ মৌ-পান কৰি আনন্দিত হোৱা হীৰুদাই কত বাধা-বিঘিনি সহজে অতিক্ৰম কৰিছিল। আইৰ মুখৰ ভাষাত বিচাৰি পাইছিল নিষ্ঠুৰ জীৱনত, কণ্টকময় পথত আগুৱাই যোৱাৰ সাহস। এনে লাগিছিল তেওঁ যেন গোটেই জীৱন জুৰি আইৰ চৰণত তেওঁৰেই জয়গান গাব। বাস্তৱ জীৱনত সেয়া সম্ভৱ নোহোৱা হীৰুদাই সেয়েহে তেওঁৰ কবিতাত লিখিছে --

"নদীৰ দৰে নিৰ্মল
শস্যৰ দৰে সুন্দৰ
মোৰ আইৰ হাত ধৰি
মই গৈ আছো ভৱিষ্যতহীন বৰ্তমানৰ
পৰা অন্য এটা বৰ্তমানলৈ।"

হীৰেণ ভট্টাচাৰ্য্য কেৱল কবিয়েই নাছিল, তেওঁ এজন গীতিকাৰ আৰু অভিনেতাও। তেওঁৰ গীত অসমৰ দুজন বিখ্যাত (খ্যাতনামা) শিল্পী ক্ৰমে জুবিন গাৰ্গ আৰু অনিন্দিতা পালৰ সুৱদী কণ্ঠত প্ৰাণ পাই উঠিছে। ইয়াৰে এটি জনপ্ৰিয় গীত --

"বকুল ফুলৰ দৰে
জোনাকৰ পখী উৰে।"

উক্ত গীতটিত হীৰুদাই অভিনয় কৰিছিল। তাৰ উপৰিও তেখেত বহু প্ৰতিভাশালী চিত্ৰ শিল্পী আছিল।

প্ৰকৃতিৰ পৰশত যৌৱন পাই উঠা হীৰুদাই নিবিড়ভাৱে প্ৰকৃতিৰ মাজত থাকি ভাল পাইছিল। সেয়েহে তেওঁ 'স্নেহতীৰ্থ'ৰ চাৰিওফালে ৰোপণ কৰিছিল শাৰী শাৰী বৃক্ষ আৰু লাভ কৰিছিল অফুৰন্ত যৌৱন আৰু আনন্দ। এসময়ত তেওঁৰ মুখত এটা চাৰমিনা আৰু কহুক-কুহুক কাঁহি ৰুইছিল নানা ধৰণৰ গছ আৰু সেয়েহে তেওঁৰ জীয়াৰী কান্তা ভট্টাচাৰ্যই "হাবিত বাঁহে ওলাই নাহে।" বুলি সুধিলত কৈছিল 'দেউতা' বুলি।

কবি, গীতিকাৰ, চিত্ৰকাৰ, অভিনেতা এইজনা অসমীয়া সাহিত্য জগতৰ অবিস্মৰণীয় ব্যক্তি হীৰেণ ভট্টাচাৰ্য্য। মৃত্যুকো এটা শিল্প হিচাপে গণ্য কৰা হীৰুদাই এই শিল্পকো আঁকোৱালি ল'লে। হাঁহিমুখে শব্দ, কবিতা, সুখ-দুখ, বিষাদৰ জগতখন এৰি থৈ হীৰুদা গুচি গ'ল অন্য এখন জগতলৈ। মাথো দি গ'ল সুগন্ধি পখিলাৰ সুগন্ধি।

বৰ্তমান যুগত পঢ়া-শুনাৰ প্ৰতি হেঁচা অতি বেছি। পঢ়া-শুনাৰ বাহিৰে আন বিষয়ে কষ্ট সহকাৰে শিকিবলৈ বেছিভাগ ল'ৰা-ছোৱালীয়ে বৰ এটা ভাল নাপায়, অভিভাৱকৰ হেঁচাত পৰিহে শিকিবলৈ লয়। ল'ৰা-ছোৱালীয়ে ভাবে যদি গোটেই দিনটো পঢ়া-শুনা আৰু অন্যান্য কথাবোৰ শিকোতেই সময় যায়, তেনেক্ষেত্ৰত আনন্দ আৰু স্ফূৰ্তি কৰাৰ নিজৰ সময় ক'ত?



# সংস্কৃতি আৰু আজিৰ প্ৰজন্ম

সুস্মিতা গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

বৰ্তমান সময়ত দেখা যায়, বেছিভাগ অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনাৰ উপৰিও, সাংস্কৃতিক দিশত কিবা এটা শিকিলে ভাল পায়। এইখিনিতে এটা কথা মই গভীৰভাৱে অনুভৱ কৰো যে ল'ৰা-ছোৱালীক যিকোনো এটা বিষয় শিকিবলৈ দিয়াৰ আগতে অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে কি শিকিবলৈ ইচ্ছা প্ৰকাশ কৰে সেই বিশেষ কথাটো জনাৰ প্ৰয়োজন আৰু লগতে ল'ৰা-ছোৱালীৰ মনৰ কথা জানি লোৱাটো নিতান্তই জৰুৰী। যেতিয়া ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ ইচ্ছা প্ৰকাশ কৰিব তেতিয়া অভিভাৱকৰ দায়িত্ব আহি পৰিব। চাবলৈ গ'লে, শিকিবলগীয়া কোনো বিষয়েই সহজ নহয় যদিহে ল'ৰা-ছোৱালীয়ে সঁচা অৰ্থত বিজ্ঞানসন্মত পদ্ধতিত শিকিবলৈ বিচাৰে। যিকোনো এটা পৰিবেশ্য কলা মনেৰে অনুভৱ কৰি আৰু যান্ত্ৰিকভাৱে শিকা দুটা বেলেগ কথা।

বৰ্তমান যুগত পঢ়া-শুনাৰ প্ৰতি হেঁচা অতি বেছি। পঢ়া-শুনাৰ বাহিৰে আন বিষয়ে কষ্ট সহকাৰে শিকিবলৈ বেছিভাগ ল'ৰা-ছোৱালীয়ে বৰ এটা ভাল নাপায়, অভিভাৱকৰ হেঁচাত পৰিহে শিকিবলৈ লয়। ল'ৰা-ছোৱালীয়ে ভাবে যদি গোটেই দিনটো পঢ়া-শুনা আৰু অন্যান্য কথাবোৰ শিকোতেই সময় যায়, তেনেক্ষেত্ৰত আনন্দ আৰু স্ফূৰ্তি কৰাৰ নিজৰ সময় ক'ত? যিহেতু মইয়ো এজন Student কথাটো মনেৰে যদি ভাবি চালে দেখা পাওঁ, কথাটো একেবাৰে পেলাই দিবলগীয়া নহয়। কিন্তু মোৰ মনেৰে সময় নোপোৱাৰ কথাটো মিছা কথা। ইচ্ছা থাকিলেই সময় উলিয়াই ল'ব পৰা যায়। অৱশ্যে স্কুল, কলেজৰ পৰা আহি দুই, তিনি ঘণ্টা শুই দিয়ে তেনেহ'লে ক'বলৈ একো নাথাকে। কথাতেই কয় যে সময়ৰ টিকনি হেনো আগফালে। ই পাখি লগা কাঁড়ৰ দৰে। সময় অমূল্য ধন- এই কথাষাৰ এনেয়ে কোৱা হোৱা নাই। আমি ঘড়ী পিন্ধো সময়তে কামবোৰ কৰি যাবৰ বাবে, কিন্তু ৯ বজাত কৰিম বোলা কাম যদি ১১-১২ বজাত কৰো তেতিয়া সেই হাতত পিন্ধি থকা



ঘড়ীটোৰ একো মূল্যই নাথাকিব। এইদৰে দিনটোৰ বহু সময় ক'ব নোৱাৰাকৈ পাৰ হৈ যায়গৈ আৰু পিচ পৰি গৈ থাকো। এইখিনিতে এটা কথা ক'ব পাৰি কম্পিউটাৰ সম্ৰাট INFOSYS ৰ মালিক নাৰায়ণ ভূৰ্ত্তিয়ে তেওঁ এটা লিখনিত কৈছিল যে তেওঁ মানুহ হিচাপে আধা ভাৰতীয় আৰু আধা ইংৰাজী। কাৰণ তেওঁ ভাৰতীয় সংস্কাৰক মূল্য দিয়ে আৰু মানুহৰ প্ৰতি মানুহক সন্মান দিয়াটো অতি প্ৰয়োজন বুলি ভাবে। ভাৰতীয়ই পৰিয়ালৰ বান্ধোনক সন্মান দিয়ে। এই কথাবোৰৰ বাবেই তেওঁ কৈছিল যে তেওঁ আধা ভাৰতীয় আৰু আধা ইংৰাজ। ইংৰাজসকলৰ সময়ৰ প্ৰতি যি মূল্যবোধ আৰু কামৰ প্ৰতি যি দায়িত্ব সেইবোৰ সঁচাকৈয়ে শিকিবলগীয়া। স্কুল, কলেজতে পঢ়ি থকা সময়ছোৱাত পঢ়াশুনাৰ ক্ষেত্ৰতেই হওঁক অথবা আন বিষয়তেই হওঁক বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মনলৈ বহু নিগেটিভ ভাব অহাটো স্বাভাৱিক কথা। এই নিগেটিভ ভাববোৰ পজিটিভ কৰিবলৈ বহুতে বহু ধৰণৰ কথা কয় আৰু পৰামৰ্শ দিয়ে। কিন্তু মই ভাবোঁ এইটো ক্ষেত্ৰত নিজক বিশ্লেষণ কৰাটোহে অতি প্ৰয়োজন। মানুহে সাধাৰণতে নিজৰ দোষ নেদেখে। ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়েই এই কথাখিনিৰ দৃষ্টান্ত বুলি ভাবোঁ। কোনো কোনো ক্ষেত্ৰত ল'ৰা-ছোৱালীক কঠোৰ শাসন কৰাৰো প্ৰয়োজন হয়। কাৰণ ল'ৰা-ছোৱালীয়ে বেয়া-ভাল চিনি পায়। কিন্তু পৰিৱেশ পৰিস্থিতি আৰু বন্ধু-বান্ধৱেহে সিহঁতক বিপৰীত ধাৰণাৰে বিপথে ঠেলি নিয়ে। সেইবোৰ কথাৰ বাবেই অভিভাৱকে ভালদৰে বুজি লৈ ল'ৰা-ছোৱালীক মৰম-চেনেহ আৰু শাসনেৰে ডাঙৰ-দীঘল কৰিব লাগে। অভিভাৱকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে দায়িত্ব একেই।

কলা-সংস্কৃতিৰ দিশত স্কুলসমূহৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক অসমৰ বাৰেবৰণীয়া চহকী কলা-সংস্কৃতিৰ লগত ভালদৰে পৰিচয় কৰাই দিব লাগে। সৰুৰে পৰা নিজৰ মাতৃভাষাক লৈ, নিজৰ কলাকৃষ্টিক লৈ, নিজৰ জাতিটোক লৈ গৌৰৱ কৰিবলৈ ল'ৰা-ছোৱালীয়ে যাতে শিকে তাৰ প্ৰতি আমাৰ অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী সকলো সজাগ থাকিব লাগে, নহ'লে ভৱিষ্যতে ল'ৰা-ছোৱালী বিজতৰীয়া হোৱাৰ সম্ভাৱনাও থাকে।

বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলে নিজকে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা অতি প্ৰয়োজন হৈ পৰিছে। যিকোনো বিষয় শিকি থকা সময়ত ছাত্ৰ-ছাত্ৰীৰ মনলৈ বিভিন্ন নিগেটিভ কথাবোৰ আহে। নোৱাৰো, নাজানো, বুজি নাপাও, ভাগৰ লাগে, আমনি লাগে, বৰিং ইত্যাদি কথাবোৰ। ল'ৰা-ছোৱালীৰ মন বিভ্ৰান্ত কৰি তোলে। কিন্তু আমি যদি এনেদৰে ভাবোঁ, 'কিয় নোৱাৰিম' 'নোৱাৰাটো কথা নাই', বাকীবোৰে পাৰিছে যেতিয়া ময়ো চেষ্টা কৰো ময়ো পাৰিম', 'ভাগৰতো লাগিবই', 'কষ্টটো হ'বই', 'কোনোবা সময়ত আমনিও লাগিব পাৰে', শিকিবলৈ আহিছোঁ যেতিয়া শিকিমেই তেতিয়া সকলো বিষয়েই ভাল লাগিব আৰু সহজ হৈ পৰিব। মোৰ অনুভৱ আত্মবিশ্লেষণ, যোগাত্মক চিন্তা আৰু সময়ৰ মূল্য যিসকলে বুজিবলৈ ল'ব, আৰু উপলব্ধি কৰিব, তেওঁলোকে যিকোনো কামতে আগবাঢ়িব পাৰিব।

পৃথিৱীত মানুহে নোৱাৰা কাম একোৱেই নাই, বিষয় এটা শিকিবলৈ আৰু এটা কাম কৰিবলৈ মানুহে চেষ্টা কৰিবই লাগিব। কামটোৰ সুফল আহক বা নাহক চেষ্টা কৰি যাব লাগে। কথাতে কয় চেষ্টাৰ অসাধ্য একোৱেই নাই। ভৱিষ্যতে কি কৰিম সেইটো ধাৰণা কৰাতকৈ বৰ্ত্তমানত যি চলি আছে তাক আগুৱাই নিয়াটোৱে ডাঙৰ কথা।

গতিকে শেষত এটা কথা কওঁ যে —

Time management, Positive thinking, Self analysis.

বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলে নিজকে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা অতি প্ৰয়োজন হৈ পৰিছে। যিকোনো বিষয় শিকি থকা সময়ত ছাত্ৰ-ছাত্ৰীৰ মনলৈ বিভিন্ন নিগেটিভ কথাবোৰ আহে। নোৱাৰো, নাজানো, বুজি নাপাও, ভাগৰ লাগে, আমনি লাগে, বৰিং ইত্যাদি কথাবোৰ। ল'ৰা-ছোৱালীৰ মন বিভ্ৰান্ত কৰি তোলে। কিন্তু আমি যদি এনেদৰে ভাবোঁ, 'কিয় নোৱাৰিম' 'নোৱাৰাটো কথা নাই', বাকীবোৰে পাৰিছে যেতিয়া ময়ো চেষ্টা কৰোঁ ময়ো পাৰিম', 'ভাগৰতো লাগিবই', 'কষ্টটো হ'বই', 'কোনোবা সময়ত আমনিও লাগিব পাৰে', শিকিবলৈ আহিছোঁ যেতিয়া শিকিমেই তেতিয়া সকলো বিষয়েই ভাল লাগিব আৰু সহজ হৈ পৰিব।

# জীৱনৰ সংজ্ঞা

✍ পৰাগ খনিকৰ
স্নাতক তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ
কলা শাখা

জীৱনৰ বিষয়ে বহুতে বিভিন্ন ধৰণৰ মত-অভিমত দাঙি ধৰে। কাৰোবাৰ মতে জীৱনটো অনুপম, কাৰোবাৰ মতে যন্ত্ৰণাদায়ক, আকৌ কোনোৱে ক'ব বিচাৰে যে জীৱনটো ৰহস্যময়। জীৱনটো এটা পিয়াঁজৰ দৰে। বখলিয়াই গৈ থাকিলে পিয়াঁজৰ অস্তিত্ব নথকাৰ দৰে জীৱনটো বিচাৰ কৰিলে একেই অৱস্থা হ'ব।

আজিকালি প্ৰায়েই দেখা যায় যে আৰ্থিক দিশত সবল হোৱাতেই মানুহৰ প্ৰয়াস। আৰ্থিক স্বাচ্ছন্দতাই আমাক সুখ দিব পাৰে নে? নে মানসিক তৃপ্তিৰ মাজত লুকাই আছে প্ৰকৃত সুখ? বৰ্তমান আমি এনে এখন কংক্ৰিট পৃথিৱীত আৱদ্ধ হৈ পৰিছোঁ যে প্ৰেম, বিশ্বাস, সুখ আদি মধুৰ শব্দবিলাকৰ সংজ্ঞা হেৰুৱাই পেলাইছোঁ। যান্ত্ৰিকতাৰ মাজত হেৰাই গৈছে সুকোমল মানৱীয় অনুভূতিবোৰ। কিছুলোকে অকল দুখ-যন্ত্ৰণাৰ মাজতে জীৱনটো কটাবলগীয়া হয়। কেৱল দুখ-যন্ত্ৰণা, ঘাট-প্ৰতিঘাট, মানসিক অশান্তি ইত্যাদি হৈ পৰিছে জীৱনৰ অংগ। দুবেলা-দুমুঠি খাবলৈ নোপোৱা সেই মানুহখিনিয়ে ভাতৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। আকৌ কোনোবাই সমাজত চেলিব্ৰিটিৰ জনপ্ৰিয়তা দেখি নিজৰ জীৱনক লৈ অনুভৱ কৰে পৰম দুখ। মানুহে নিজৰ ভিতৰৰ ক্ষমতা আৰু সম্ভাৱনাক এলাগী কৰি আনৰ জীৱনৰ স্বৰ্ণিল আভাৰ বাহ্যিক ৰূপত ভোল যায় আৰু নিজৰ জীৱনলৈ নিমন্ত্ৰণ কৰি আনে দুখ আৰু হতাশা। প্ৰাত্যহিক জীৱনত আমি যিকোনো মানুহক কেৱল তেওঁৰ পেছা অথবা জীৱিকাৰেই তুলনা কৰোঁ। সেই জীৱিকাৰে তেওঁৰ ওপৰত 'সাধাৰণ' অথবা 'অসাধাৰণ'ৰ মোহৰ লগাও। সেই মোহৰ চায়েই সামাজিক জীৱনত মানুহজনৰ স্থান নিৰ্ণয় কৰোঁ। আমি ধৰিয়েই লওঁ যে তেওঁৰ জীৱিকা যিহেতু লেখত ল'বলগীয়া বিধৰ নহয় তেওঁ 'সাধাৰণ' মানুহ। এইদৰে মানুহৰ শ্ৰেণী নিৰ্ধাৰণ কৰাৰ প্ৰৱণতাৰ বাবেই নিজৰ জীৱিকাৰ লৈ নীচাত্মিকা মনোভাৱত ভোগো জীৱনটো বৃথা হোৱা বুলি আক্ষেপ কৰোঁ। পিছে সেইদৰে কৰাৰ পৰিৱৰ্তে মন সন্তুলিত কৰি ৰাখিব পাৰে। কামৰ বিভাজন নকৰাকৈ আৰু তেতিয়া শেষ বিচাৰত ক'ব পাৰোঁ কামেই কৰে জীৱন অনুপম।

জীৱন বুলি ক'লে কেৱল খাই বৈ জীয়াই থকাটোকে নুবুজায়। মানৰ মনৰ ইচ্ছা আৰু আকাংক্ষাবিলাক সুপথেৰে পৰিচালিত কৰি ইন্দ্ৰিয়সমূহক কাৰ্যক্ষম কৰাই মনৰ অনুভূতিবোৰৰ বিকাশেৰে মানৱীয় গুণ সম্পন্ন হৈ চলাটোহে প্ৰকৃত জীৱন।



# Topic : The life History of BADEN POWELL



✍ Miss Jolly Chutia
Asst. Prof. Dept.Sociology

Baden Powell full name is Robert Stephenson Smyth Baden Powell. He was born in 22nd February 1857 at 6, Stanpole Street, Lancaster gate, London. In the family he was known as stephe or sty. He was the Eight of the children and sixth son. His father's name was Reverend Professor Herbert George Baden Powell, a professor of geometry at oxford and mother was Henrietta Grace Smyth. When he was three years old his father died. He had very hard times but the mutual love his mother he carried through. From his brothers he learned to walk and talk, from his mother to read and write and to say his prayers, from himself to draw. Baden Powell was the first admitted to a Dame School in Kensington. From there he went to Rose Hill, a Pre paratory school at Tun Bridge Wells and finally in 1870 he entered the charter House school in, London as a Gownboy Foundationer on a scholarship. In these days it was a common tradition in England that any student who was admitted on scholarship had to do some sort of sevice to the senior students free of cost and without any remuneration. So Baden Powell took giving bathing towels to his seniors and they gave him his name "Bathing Towel". This was two years before the school moved from London to Godalming, so the new boy experienced first the busy life of the city. Baden Powell always spoke in admiration of his skill and dealing with the

boys. At Godalming Baden Powell found many opportunities for exploring the countryside and for acquiring more of the elements of Scouting while on camping and boating holidays with his brothers, this gave him a sound training in out-door life and resourcefulness.

Baden Powell was an all rounder but not an outstanding sportsman. Though he was not good in mathematics, French and Greek he was an enthusiastic Actor, Singer and a good goal-keeper. He was a learner of how to do things. His mother was friendly with many of the great artists and writers of the day. All his life Baden Powell had kept a shilling given to him which later proved to be of great advantage to him as an artist, soldier and Scout.

At the age of 19 years in 1876 he was selected and offered a direct commissioner of Sub Liuctenant which was station at Lucknow in India. He visited Jubbalpore for the first time as a chief scout of the world on 6th February 1921 for the Rally. Like this he went through many camps of scouts and at last he settled down to complete scouting for boys in 1908 in England. And it spread outside the British Isles, united states of America, Canada and Chile in South America started scouting. Like that it spread to the whole world. He published many books for the Scout which it helped a lot. At last he died on 1941.



In India too in 1921 the Boys Scout started by Baden Powell and headed by Dr. Annie Besant. Dr. Annie Besant was appointed as the Hon. Commissioner for the whole of India. Step by step it worked a lot and National Training Centre was opened is Pachmarchi in Madhya Pradesh both for boys scout and girls Guide. Beden Powell's sister Miss Agnes Baden Powell started the guide for the girls. At 1910 the first guide for girls started. Even she wrote many books like his brother Baden Powell. She worked as a guide Commissioner and finally the chief guide of the world till her death on June 26th 1977. Baden Powell had regarded the girl guide branch more important than the boys, as the girls were the mothers of the coming generation.

According to Baden Powell there are some important points which everyone must remember in our daily life.

1. Leadership through personal touch is the key note.
2. The character of the nation depends on the individual character of its members.
3. Look at the bright side of thing's instead of the gloomy one.
4. Difficulties are the salt of life.
5. It is something to be good, but it is better to do good.
6. The real way to get happiness is by giving our happiness to other people.
7. Remember you are you. You have your own life to live and if you want to be successful, if you want to be happy, it is you who have to gain it for yourself.
8. The daily good turn is a thing to be taken seriously and you should not be satisfied to go to bed until you have done it.



# Some beliefs and restrictions of Sonowal Kachari People

✍ Dr. Promanita Bora
Anthropology Dept.

***In every society there exist certain beliefs which are followed by the people to ensure overall well'-being such beliefs and superstitions may develop from practical experiences and it is believed that any violations may affect the health and happiness of the people. The Sonowal Kachari, who are one of the most ancient scheduled tribes of Assam also have certain beliefs, which are closely related to their religious system and become apparent in their day to day life. The religion of Sonowal \kachari is Hinduism. Thus majority of their beliefs are associated with this religion and religious system. Certain common beliefs are enumerated below which are collected during field investigation among the Sonowal Kacharis of Dibrugarh District.***

1. They never spit on cow-dung, because it is believed that if they do so, the person would suffer from neck pain . As a remedy. They are to offer one pair of betel-nut and leaf and a few coins as an offering in the name of God of cow-shed (gohali)
2. During mid-day and night, they never go into jungle. It is believed that the gods of jungle take rest during this period. If they are disturbed its effects may be seen on human health.
3. If a sick person cannot be cured, even after providing all medical treatments, then it is believed that the disease is due to evil spirit, deo, etc. To appease these unknown powers or free one self from their effect, they wear tabij (amulet), use Jara oil (enchanted oil) and holy thread obtained from the folk medicine men.
4. A pregnant woman should be cautious in her movements and is not allowed to walk by the side of

a burial ground or burning ghat and not allowed to touch any cooked food sent by a family where death had occurred recently. It is believed that such acts my cause spontaneous abortion.

5. A pregnant woman should not move during mid-night or noon. It is believed that evil spirits are more powerful during this period and may harm her.
6. They carefully keep the navel cord of any body delivered prematurely. If the baby is drowned in water in future, then the cord is dipped into a cup of water which a belief that the child may regain life if he drinks that water.
7. They keep the navel cord of each child in a specially made cocoon. It is believed that the water extracted from the cord is useful when a child suffers from diseases like dysentery, fever etc.
8. They have a belief that ancestral spirits are benevolent spirits and protect the family. If a person fails to offer that particular cock or hen, which he committed to offer in mritakak piya (ancestor workshop) the ancestral spirit may be displeased. As a result, misfortune may befall the family.
9. During illness or fever, if a medicine man prescribes tabij or enchanted oil, then it is not to be touched by the parents of the sick person as, it may then lose its power.
10. When big crow cries loudly, it is believed that there will be rain with thunder or some misfortune may occur. If small crow cries on the roof of the house, then it is believed that quests may visit the house.
11. If some articles fall from the hand of senior most lady of the house, then it is believed that unexpected guest may arrive.

All such beliefs are linked with health and welfare of their people. They believe that every thing that happens has a cause. The cause may be natural or human event or an environmental condition. The cause – effect relationship, which early men observed in the environment, might have helped in the development of such beliefs and practices along with these beliefs they also obey some abstraction for their wellbeing it is believed that these restrictions are not observed, either the individual violating the rule is affected or the whole family may face the wrath of misfortune. Some of those restrictions are mentioned below.


1. The never take on amulet or enchanted oil from the astrologers on Thursday.
2. They never cut bamboo on Tuesday and Saturday, as these days are considered as bad days.
3. They do not perform any ritual or ceremony in the month of sawan (august – September) They believe the month to be a male month.
4. The do not eat red cock at home because red cock is offered in deopuja and mritakak puja (ancestor worship)
5. There is also prohibition on eating red duck at home as it is offered in Jalkhai Puja.
6. They normally do not eat white duck because it is offered in ai puja.

*[This writings is a part of my field study conducted in the year 2002]*



# Why People Get Angry ??


✍Papori Handique
Deparment of Education



***Anger is a part of our daily life. All of us get angry from time to time. It is an emotional statement that everyone exercise in his day to days life beginning from the child hood. After all anger is as much a part of our emotional makeup as love, hope, anxiety, sadness and fear. Anger if controlled can be expressed in a proper way and can serve as a useful purpose. Anger can be productive if we use it to boost up someone's determination to overcome certain obstacle or problems. But it has also a dark side. Some experience anger more quickey, more frequently and more intersely than others. When provoked they may lash out with verbal or physical attacks. This uncontrolable anger is dangerous because it brings problems not only to themselves but also to everyone around them***

The causes of anger are complex. Even the scientists are of the opinion that anger cannot be understood properly. However there is general agreement among mental health professionals that all of us react to certain anger triggers. An anger trigger can be described as those things which frustrates or annoys someone. These triggers often result from injustice or unfairness. Anger triggers are vary from person to person. They differ from age and gender and even from one culture to another. Moreover reaction to these triggers also vary. Some people seldom get angry and quickly get over an affront, while others are easily provoked and may hold on to anger for longer period.

There are also a number of other reasons why anger may appear to people. Some of them may be highlighted as -



calm down and relax. We should again try to avoid saying the first word that comes to our mind. If we feel ourself getting overly excited and feel that we are in danger of losing control of our emotions, on that time we should remember our God and try to leave that place as quickly as possible. If we remain failure in leaving that place then we should try to change the topic with a smile in our face. Because smile is the only unpayable things which makes this world a beautiful one to survive.

**Learn to Relax**

A calm heart is the way of controlling anger. Let us learn some simple relaxation methods which help to reduce our anger. The following techniques seems to be effective in controlling stress related anger :

: Breathing deeply, which is one of the best and fastest way of reduce the intensity of anger.

: While breathing deeply repeating the phrases like - "Relax", 'take it easy' etc.

: Getting regular exercise and eating a healthful diet can keep aside our anxity and anger.

: We should do something that we like to do, such as reading, listening to music, watching t.v., chatting or gossiping with friends etc.

**Adjust Expectations**

People with very high expectation tend to have greater problems with anger. Because when someone or something doesnot measure up to their high standard, become disppointed and anger quickly follow. To combat this perfectionist mentality, it is good to keep in mind that there is not a righteous man in this world. So, we should not expect much from ourselves or from others. Expectation should be such that can be adjusted easily.

As human being, it is natural to get angry from time to time. But how one express anger is a matter of choice. But controlling anger we can express our feelings in a positive way. A way that works for the benefit of everyone

- Anger may cause because of disrespect. Everyone expect some kind of respect. When they are not getting that they become angry.

: Anger can again be resulted from insult they are getting from the people around them.

: Because of the misunderstanding people get angry.

: Another one cause of anger is that when things going beyond of our wishes and expectation.

: Sometime traffic jam also results in anger because when we are waiting in traffic and we are getting late for some important peice of work, we become the victim of anxiety. This anxiety sometimes lead towards angryness.

But it is very essential to keeping anger under control. Because most of the time anger creates harmful and shameful situation which we never expect. The anger should be keep alone. It should not be allowed to come into focus. Lets consider three ways that we can use to get our anger is control.

**Reduce anger's intensity**

To reduce anger first of all we should try to








# FINANCE ACT, 2012 & SALARIED CLASS

✍Prasanta Banerjee
Deptt. of Commerce

A salaried taxpayer means a person whose salary constitute more than 50 percent of the total income. There are both positive and negative impact on the salaried class of certain amendments in the Income Tax Act, 1961 brought in by the Finance Act, 2012. The following tax slab, which is a bit beneficial to salaried class, has been introduced both for men and women, other than Resident senior citizen and Resident super senior citizen :-

| | | |
|---|---|---|
| Net Income upto | Rs. 2,00,000 | Nil |
| | Rs. 2,00,001 - Rs.5,00,000 | 10% |
| | Rs. 5,00,001-Rs.10,00,000 | 20% |
| | Above Rs. 10,00,000 | 30% |

In addition, Education cess to be levied as per last year. Substantial reduction in tax liability of lower and medium class salaried persons is one of the major tax relief granted by the government and thereby increased a handsome amount in their take-home salaries.




**Advance Tax :** An amendment has been made to Sec.209 with effect from 01-04-2012 to provide that where a person has



received any income without deduction or collection of tax, he/she shall be liable to pay advance tax in respect of such income.

**Life Insurance Policy - Sec 80C & Sec.10(10D)** : Generally, the salaried class are interested in life insurance policy. An amendment has been brought in Sec.10(10D) and in Sec.80C to provide that the benefits under these sections would not be available if the premium payable exceeds 10% of the actual capital sum assured. The amended provisions will be applicable only in respect of policies issued on or after 01-04-2012.

**Infrastructure Bonds :** No further extension of Sec.80CCF :- Deduction upto Rs.20,000 will no longer be available with effect from the financial year 2012-13 on account of subscription to notified long-term infrastructure bonds as per the amended provision.

**Preventive Health check-up :** Section 80D has been amended to include any payment, not exceeding Rs.5,000, made on account of preventive health check-up of self, spouse, parents or dependent children as eligible for deduction within the overall limits prescribed. Moreover, cash expenditure is also allowed for the purpose.

**Cash Donation restricted to Rs. 10,000 :** An amendment has been brought in Sec.80G with effect from the financial year 2012-13 to provide that any donation made in cash shall be eligible for deduction only upto a maximum of Rs.10,000 only.

**Deduction for Savings Bank Interest :** A new Sec.80TTA has been introduced with effect from the financial year 2012-13 to provide that a deduction upto Rs.10,000 in aggregate on interest earned on savings bank account.





# APPLICATIONS OF NANOTECHNOLOGY


✍Bikram Chetry
B. Sc. 2nd year
Deptt. of Botany

### Medicine

The health care industry is predicted to receive the first significant benefits of nanotechnology. The driving force behind this prediction is that biological structures are within the size scale that researchers are now able to manipulate and control.

Investigators are looking to nanotechnology to develop highly sensitive disease detectors, drug delivery systems that only target the disease and not the surrounding healthy issue, and nanoscale building blocks that help repair skin, cartilage, and/or bone.

The U.S. National nanotechnology initiative has identified the detection, diagnosis and teatment of disease as "grand challenges" for nanotechnology.




### Detection and Diagnosis

Some diseases do not exhibit recognizable symptoms until they are well advanced. Often the earlier the disease is detected the better the benefits of treatment.

One of the goals of researchers working at the nanoscale is to develop tools that will enable doctors to detect life threatening diseases before they overwhelm the body. For example, doctors would like to be able to diagnose breast cancer when the tumor mass is 100-1000 cells. Right now with techniques like mammography, a tumor mass needs to be more than a million cells before an accurate clinical

diagnosis can be made.

Sensors based upon nanoscale materials have the potential to be millions of times more sensitive than their macro scale counterparts. They could also be designed to detect hundreds or even thousands of diseases at the same time.




**Regeneration**

Unlike other cells in the body, once cells in the central nervous system (spinal cord or brain cells) are mature, they cannot reproduce themselves like other cells can.

If these cells are damaged through accident or disease, patients must learn to live with the impact.

Nanotechnology may provide some promise. Sam stupp and collegues at the Feinberg school of Medicine at north weatern are using nanotechnology to engineer a gel that spurs the growth of nerve cells. The gel fills the space between existing cells and encourages new cells to grow. While still in the experimental stage, this



process could eventually be used to re-grow lost or damaged spinal cord or brain cells.

Researchers are also investigating the use of nanotechnology to keep the body from rejecting artificial parts, and to stimulate the body to regrow bone and other types of tissue.

**Treatment**

Disease is caused largely by damage and destruction at the molecular and cellular level. Unfortunately, many current treatments cause damage to healthy tissue as well as diseased tissue.

Controlled and targeted drug delivery represents on of the frontier areas of science. The field of nanotechnology could provide the roadmap.

Research are investigating nanoparticles as drug carriers. These nanoscale drug carriers could be coated with nano-sensors, which could recognize diseased tissues and attach to them, releasing a drug exactly where needed. Nanoparticles could also be used to enter damaged cells and release enzymes that tell the cells to auto-destruct, or they could release enzymes to try to repair the cell and return it to normal functioning.

Researchers around the world are working to unlock the potential of nanotechnology as it relates to the field of medicine.





## মাতৃভূমি

— প্ৰেম প্ৰসাদ শৰ্মা
কলা শাখা (প্ৰথম ষান্মাসিক)

অসম মাতৃ অসম মাতৃ
কিয় আজি তোৰ এনে বিলাই,
চিৰ সেউজীয়া মনোৰম দৃশ্য
আজি তোৰ আৰু নাই।

কোনে হৰণ কৰিলে
কোন সেই কুলাঙ্গাৰ
ধৰিবলৈও নাই
সাহসী অসমীয়া।

যিফালে চকু ফুৰাওঁ
সেই ফালে শুনো,
চিএৰ-বাখৰ আৰু হাহাঁকাৰ
কিয় আজি তোৰ এনে বিলাই।

মাতৃৰ বুকুত জাকে জাকে
বিদেশীৰ টিঘিল-ঘিলনী।
মাৰিছে কুঠাৰৰ ঘাপ
মাতৃৰ কোমল বুকুত।

দেশ ৰক্ষা কৰিবলৈ
আজি নাই বীৰ লাচিত
আৰু কুশল কোঁৱৰ
সেয়ে তোৰ এনুৱা বিলাই।



জাগি উঠা জাগি উঠা
প্ৰতিজন বীৰ অসমীয়া
মাতৃভূমিৰ হকে থিয় দিয়া
ককাঁলত বান্ধি টঙালি।

নহ'লে কি হ'ব জানো?
আমি সকলোৰেই
জাহ যাম মাতৃৰ শপত
তেতিয়াহে আমি মুক্তি পাম।


# এটা বিদ্ৰোহ হ'ব

— কুলদীপ ফুকন
দন্ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ
প্ৰাক্তন ডিব্ৰুৱান (২০০৯-২০১২)

আকৌ এটা বিদ্ৰোহ হ'ব
এই বিদ্ৰোহত কাৰো মৃত্যু নহ'ব...
মৃত্যু হ'ব কলংকিত চৰিত্ৰৰ....
উটুৱাই নিব বিষাদ আৰু বেদনাবোৰ...
নিগৰি ওলাব অত পৰে সাঁচি ৰখা ক্ষোভ...

এটা বিদ্ৰোহ হ'ব
এই বিদ্ৰোহত নাথাকিব কোনো গুৰি ধৰোঁতা...
বিদ্ৰোহকাৰী প্ৰতিজনেই হ'ব একো
একোজন গুৰিয়াল...
নাথাকিব কোনো মাৰণাস্ত্ৰ অথবা গেৰিলা যুদ্ধ...
থাকিব হাজাৰজনৰ মৌনতাৰ চিঞৰ...
মৌনতাৰে সৃষ্টি হ'ব শব্দ প্ৰদুষণৰ...
প্ৰদুষণৰ প্ৰাবল্যত খহি পৰিব কলাধনৰ
সুউচ্চ অট্টালিকা...
জয় পৰি শুকাই যাব দুখীয়াৰ তেজ শুহা
শিপাবোৰ...
নেত্ৰ বিস্ফোৰণ ঘটিব চকু মুদা কুলিৰ...

এটা বিদ্ৰোহ হ'ব
এই বিদ্ৰোহত কোনো বিদ্ৰোহকাৰী
নাহে ৰাজপথত....
প্ৰয়োজন নহ'ব বেৰিকেডৰ, লাঠী চাৰ্জ
অথবা জৰুৰীকালীন ঔষধৰ
ম্যাদ উকলি যোৱা এম্বুলেন্সবোৰৰ....



ৰণ-দুন্দুভি বাজিব কিন্তু মৌনতাৰ...

এটা বিদ্ৰোহ হ'ব
এই বিদ্ৰোহ কোনো উদ্দেশ্যধৰ্মী নহ'ব...
কোনোৱে ইয়াক নামকৰণ কৰিব নোৱাৰিব
ফৰাচী বিদ্ৰোহ, কৃষক বিদ্ৰোহ কিম্বা ইজিপ্তৰ
গণ অভ্যুত্থানৰ বিদ্ৰোহ...
কিন্তু এই বিদ্ৰোহৰো এটা নাম থাকিব
মানুহৰ হৃদয়ত, কিন্তু কোনোৱে নজনাকৈ....

আকৌ এটা বিদ্ৰোহ হ'ব
এই বিদ্ৰোহত নাথাকিব কোনো জাতিভেদ...
থাকিব একতা একোটি মাত্ৰ চোলা...
শৰীৰৰ ছালৰ স'তে সী দিয়া হ'ব এই
চোলাটি.......

এই বিদ্ৰোহৰ অন্তত মোৰ আই বসুমতী
আকৌ এবাৰ শুচি হ'ব
আকৌ এটা বিদ্ৰোহ কিন্তু হ'ব।





# অনৈতিক চুক্তি

— প্ৰিয়া দিহিঙ্গীয়া
স্নাতক তৃতীয় ষান্মাসিক
ৰসায়ন বিভাগ

এটি বিনম্ৰ ৰাতিৰ অজুহাতত
আঁতৰি গ'ল হেজাৰ-বিজাৰ জোনাক
তুমি জোনাক হেৰুৱালা
আৰু মই তোমাক
বিৰাট অদ্ভুত
পিছদিনা পদপথত পহৰাদাৰী কৰা
কুকুৰবোৰৰ ভোক-ভোকনিত
জোনাক গলা দৃশ্যবোৰ সঁচাই অদ্ভুত
মই জানো, বুজি পাওঁ তুমি যে মৰ্মাহত
তুমি যে অচিন ব্যাধিগ্ৰস্ত সৌৰৱণিৰ প্ৰেমিক
তুমি নষ্টালজিৰ নামত কান্দিব পাৰা
আৰে ভাই কান্দা না
তোমাৰ চকুপানী শিল হ'ব,
মই তুমি হ'ম
জোনাকবোৰ তুমি লৈ যাবা।
চৰ্ত, মোৰ মৃত্যু.....।



# নোৱাৰো ক'বলৈ মই

— সৌৰভ ৰাজকোঁৱৰ
স্নাতক তৃতীয় ষান্মাসিক
বাণিজ্য শাখা


নোৱাৰো ক'বলৈ মই মোৰ
সেই উন্মাদ সোঁৱাদৰ কথা,
তাৰ ভিতৰত সোমাই আছে
বহুত ৰহস্যৰে ভৰা মৌ-মিঠা হাঁহি।
সেই হাঁহি যেন তোমাৰ দুটি ওঁঠত
উজ্বলি উঠিছে মোৰ ম্ৰিয়মান হৃদয়খনি,
বুকুৰ ধপধপনি হৃদয়ৰ খলকনিয়ে
মোৰ মন বান্ধি ৰাখিব নোৱাৰে,
ফলত তোমাৰ প্ৰতিচ্ছবি মোৰ
চকুত ভাঁহি পৰিছে।।
এই জগতত থকা হালধীয়া চৰাইজনী
কিমান যে ধুনীয়া ৰূপহী,
সেই হালধীয়া চৰাইজনীয়ে
মোক বেয়াকৈ আঘাত সানিছে।
আঘাত সনাৰ বাবেতো ক'ব পৰা নাই মই
প্ৰকাশ কৰিম কাৰ আগত?
হালধীয়া চৰাইজনী শোভা পাব
মোৰ মন যেন মুক্ত হয়।
ফলত নোৱাৰো ক'বলৈ মই
হৃদয়ৰ উন্মাদৰ কথা,
থমকি ৰৈছোঁ বাৰে বাৰে
তথাপিতো নোৱাৰো ক'বলৈ মই
নোৱাৰো ক'বলৈ মই।।



# [illegible]

(অনুগ্ৰহ কৰি দাপোণত চাই পঢ়িব)

[illegible]



## সপোনৰ বাটেৰে বাট বুলোতে

—মিলন জ্যোতি চাংমাই
স্নাতক প্ৰথম বৰ্ষ
গণিত বিভাগ

যাওঁ বুলিয়েতো যাব নোৱাৰি,
তথাপি গৈ আছো বাট বুলি
অচিন বাটেৰে চিনাকি ঘাটলৈ
দীঘলীয়া বাটেৰে সোণালী সপোনৰ স'তে।

বাস্তৱৰ স'তে পৰিচয় নাই
হয়তো এদিন ভাগৰি পৰিম
টোপনিয়ে সাৱটি ধৰিব
তেতিয়াই শেষ হ'ব সোণোৱালী সপোন...

যেতিয়া টোপনি ভাগিব
সোণোৱালী সপোনৰ সোণোৱালী বাটৰ
ৰামধেনুৰ সাতোৰঙী পোহৰৰ জ্যোতিয়ে
ভুমুকি মাৰিব
নীলিম আকাশ, ক'লা মেঘৰ মাজত...।
সেই সপোনৰ সোণোৱালী বাতিৰ পৰিধি ভাঙি
লৈ আহিব
দিঠকৰ মাজেৰে
এজাক সোণোৱালী সপোন
সপোনৰ বাটেৰে বাট বুলোতে.....।




## তোমাৰ বাবে এই কবিতা

— মজেশ মুণ্ডা
স্নাতক তৃতীয় বৰ্ষ
বাণিজ্য শাখা

তোমাৰ বাবে এই কবিতা,
মই কবি নহয়, তথাপিতো
তোমাৰ বাবে লিখিছোঁ এই কবিতা।
তুমি হয়তো, মোক ভাল নোপোৱা
তথাপিও নোপোৱাৰ বেদনাত দুখ নকৰো
মই জানো তুমি আজি মোক ভাল নোপোৱা,
কিন্তু, এদিন উপলব্ধি কৰি উচুপিবা
যে, মই তোমাৰ আৰু তুমি.........
মই কবি নহয়, তথাপিতো
লিখিছোঁ তোমাৰ বাবে এই কবিতা।

তোমাৰ অবিহনে জীয়াই থাকিব নোৱাৰো,
কিন্তু তোমাৰ বাবে মই,
জীয়াই থাকিবলৈ বাধ্য,
আৰু তোমাৰ নীলা দুচকুৱে,
জীয়াই থাকিবলৈ বাধ্য কৰাইছে,
মই চাব বিচাৰো তোমাৰ উপলব্ধিক,
সেই দিনটো, যিদিনা তোমাৰ
চকুৰে বৈ আহিব উপলব্ধিৰ চকুলো।
আৰু সেই বাধ্যতাই, হাতত কলম তুলি দিছে,
লিখিবলৈ তোমাৰ বাবে এই কবিতা।

অশ্ৰুভৰা এই কথাবোৰ হয়তো,
তুমি বুজি নোপোৱা, আৰু
বুজিবলৈও চেষ্টা নকৰা
কিন্তু মই বুজাবলৈ নাযাওঁ
আৰু কোনেনো বুজিব কোনোবা পৰৰ
হৃদয়ৰ বেদনা,
সেই বেদনাতে লিখিছোঁ
তোমাৰ বাবে
এই কবিতা।।



## জীৱন

—অৰুণিমা কোঁৱৰ
স্নাতক প্ৰথম ষান্মাসিক
কলা শাখা

জীৱন, জীৱন বৰ অনুপম,
যাৰ থাকে, মাথোঁ কাল
আহে আৰু যায়—
সকলো মায়াকে নেওচি কালে মাথোঁ সংহাৰে,
আছেনে পৃথিৱীত এনে কোনো মানৱ
য'ত সত্য প্ৰতিষ্ঠা কৰি
জীৱনলৈ কঢ়িয়াই আনে সুখ সম্প্ৰীতি।
দুষ্কৃতিৰ গুলি-বাৰুদৰ সন্মুখত যদি
সমৰ্পিত হয় মানৱ জীৱন!!!
কি দৰে আছানো তুমি অ' মোৰ ধৰিত্ৰী আই?
তোমাৰ বুকুও হেজাৰ নিৰ্দোষীৰ আৰ্তনাদ
সহিছানো কেনেকৈ?
আইৰ বুকুৰ এই যন্ত্ৰণা
নোৱাৰোনে আমি দূৰ কৰিবলৈ,
হে বিশ্ববাসী হোৱা জাগৃত
দিয়া প্ৰেমৰ একাংশ তুমি তোমাৰ ধৰিত্ৰীক
তেতিয়াহে পাবা তোমাৰ প্ৰকৃত স্বৰ্গীয় সুখ
এই জীৱন হৈ পৰিব তোমাৰ বাবে বৰ অনুপম।

## শৰতৰ আগমন

— কাশ্মীৰা চাংমাই
স্নাতক তৃতীয় ষান্মাসিক
বিজ্ঞান শাখা



বসুন্ধৰাৰ বুকুলৈ
শৰতৰ আগমন,
পুষ্পিত সুবাসে
জগাই তুলিছে সকলোৰে মন
সুবাস মধুৰ স্নিগ্ধতাত
ধৰিত্ৰীয়ে পালে পুনৰাই প্ৰাণ,
প্ৰতিটো ৰজনীয়ে মুখৰিত কৰিলে
প্ৰতিটো স্থান
শৰতৰ মধুৰ সুবাস লাগি
মনবোৰ উঠে আনন্দত উৰি,
এজাক বলি অহা মলয়া উতলা কৰি,
শৰতৰ পৰশত প্ৰকৃতি খনি
সুতিব্ৰবাত উঠিছে উজলি।।

## ধন্য তোমাৰ

— কাশ্মীৰী চাংমাই

হে মাতৃভূমি
তোমাক মোৰ বাৰম্বাৰ প্ৰণাম
ধন্য আজি মই তোমাৰ কোলাত
জন্ম লভি ধন্য আজি মই
তোমাৰ কোলাত উমলি।।
চিৰজীৱন হৈ ৰ'ম মই
তোমাৰ ধ্বনি তুমিয়েই দিলা মোক
জীৱনত আনন্দৰ ৰহণ সানি।
হে মাতৃ
কৰিছোঁ প্ৰতিজ্ঞা আজি
তোমাৰ মান ৰাখিম বুলি
ল'ম হাঁহি হাঁহি
মৃত্যুকো সাৱটি।
হিংসা আঁতৰাবলৈ
কৰিম চেষ্টা,
দেশত শান্তিৰ
কৰিম প্ৰতিজ্ঞা।।



## জ্ঞানৰ মন্দিৰ

— আমিনা বেগম
স্নাতক প্ৰথম বৰ্ষ

মনত পৰেনে তোমাৰ
সেইদিনাৰ কথা
যিদিনা মই প্ৰথম আহিছিলো
ডিব্ৰু মহাবিদ্যালয়লৈ
একাঁজলি জ্ঞানৰ পোহৰ ল'বলৈ
দুচকুত বহুত সপোন লৈ।
আহিছিলো মই জ্ঞানৰ মন্দিৰলৈ
ইয়াতেই জ্ঞানৰ পোহৰ ল'বলৈ,
যাওঁ যে নিতৌ আগুৱাই
হে মোৰ জ্ঞানৰ মন্দিৰ
দোৱাওঁ মূৰ তোমাৰ চৰণত
দিয়া যেন আশিস শিৰত।

## মৰমৰ মাতৃ

— আমিনা বেগম
স্নাতক প্ৰথম বৰ্ষ

তেওঁৰেই হ'ল মোৰ মাতৃ
যাৰ কোলাতেই জনম ল'লো,
তেওঁ অকণমান দুখ পালেই
মই বিৰহত মৰো।
তেওঁৰ বাবে দেখোঁ মই
এই ধুনীয়া পৃথিৱী,
কি যে ভাল লাগে সেউজীয়া
গছ-লতা বননি।
তেওঁৰ পৰাই শিকিলো মই
নিজৰ এই মাতৃভাষা,
কি যে ৰসাল এই ভাষা
যাৰ নাম অসমীয়া।
তেওঁৰ পৰাই পালো মই
সংসাৰৰ অপাৰ মৰম,
নাপাওঁ মই যাৰ বাবে
অকণো দুখৰ গম।

# শাওনৰ শুকুলা ঘোঁৰা

— মহানন্দ দত্ত
স্নাতক দ্বিতীয় বৰ্ষ,
প্ৰাণীবিজ্ঞান বিভাগ

শাওনৰ শুকুলা ঘোঁৰাত উঠি
তুমিওচোন গ'লাগৈ,
যাওঁতে জানো কৈছিলা মোক তুমি যাওঁগৈ বুলি।
কিমান যে হেপাঁহ আছিল
তোমাৰ সৈতে খেলাৰ,
তোমাৰ সৈতে হঁহাৰ,
কিন্তু কিয় যাওঁতে তুমি
যোৱা বুলি এষাৰি কথাকে
কৈ নগ'লা।

শাওনৰ শুকুলা ঘোঁৰাত উঠি
তুমি যোৱাৰ পাছত জানা
আহিল সেই অঁহীয়া বতাহজাকে
তুমি যোৱাগৈৰ কথা কৈ
বৰকৈ আমনি কৰিছিল
তুমি যোৱাগৈৰ কথা কৈ
তেতিয়া আয়ে কৈছিল
"হেৰুৱা বস্তু বিচাৰি মানুহে
দুখ কৰিব নাপায়"
আইয়ে তেনেকৈ ক'লেনো কি হ'ব
ফেঁচাৰ মাত শুনিবলৈ যিমানেই অশুৱনি হওক কিয়?
ফেঁচাৰ মাততেই চোন ৰাতি পুৱায়।



# শংকৰদেৱ তুমি এতিয়া ক'ত

— আমিনা বেগম
স্নাতক প্ৰথম বৰ্ষ

হে জ্ঞান বীৰ
এতিয়া ক'ত তুমি?
কিয় এৰি গ'লা এই ৰম্যপুৰী।
বৰ্ণ ৰূপেৰে
তুমি যি চানেকী গঢ়িলা
সেই চানেকী ভৱিষ্যতৰ
সেই চানেকীৰ আৰ্হি
আজিও জীয়াই আছে,
অসমীয়াৰ সুকোমল বুকুত।
আমি পাহৰি যোৱা নাই
নেপাহৰো, তোমাৰ সেই স্যমন্তক মণি,
আৰু নাপাহৰো
তোমাৰ ভুৰুকাৰ হাতী
আমাৰ সদায় থাকিব মনত।
হে জ্ঞান বীৰ
অতীত ৰোমন্থন কিম্বা বৰ্তমান
নহয় ইতি ভৱিষ্যতৰ,
যুগে যুগে ফুলিব,
কতনো কলি
কদাপি মৰহি নাযায়।





# অস্থিৰ কিয় জনতা

— প্ৰিয়ংকা দেউৰী
স্নাতক দ্বিতীয় বাৰ্ষিক
বাণিজ্য শাখা

আজি অগনি জ্বলিছে দেহৰ ভিতৰতে
আজি চেতনা জাগিছে নগৰে-চহৰে,
অস্থিৰ কিয় জনতা
অস্থিৰ কিয় একতা।।
কৃত্ৰিম জীৱন কিয় লাগে
প্ৰতীক জীৱন কিয় লাগে
কিয় আহে ৰাজপথে বিক্ষোভকাৰী
কিয় আহে বিদ্ৰোহৰ কণ্ঠধ্বনি
বিচাৰি জীৱনৰ সংস্থান,
বিচাৰি সাম্যতা।।
প্ৰপীড়িত লোকবোৰ দেশৰে শ্ৰমিক
বঞ্চিত লোকবোৰ দেশৰে নাগৰিক,
ৰাখিব লাগিব সকলোৰে মিলিজুলি
প্ৰেম-প্ৰীতিৰ স্বাধীনতা
আৰু ৰাখিব লাগিব একতা।।
হে' ক্ষোভিত জনতা
আগবাঢ়ি আঁহা, আগবাঢ়ি আঁহা
দূৰ কৰা শেষ কৰা
দুষ্কৃতিবোৰ দেশৰপৰা
আনিব লাগিব সকলোৰে মিলিজুলি
সুস্থিৰ মানসিকতা।।

# বৰষা


— ৰিণ্টু গগৈ
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ

আহা, বৰষা
তোমাৰ আগমনলৈ বাট চাই আছোঁ
তোমাৰ বাবেই বৈ আছে
ছিৰাল ফাঁট দিয়া পথাৰখন
আৰু সেউজীয়া পৃথিৱীৰ প্ৰতিটো প্ৰাণী।
তুমি ধুৱাই নিয়া ধুলিময় পৃথিৱীৰ
গছ-লতা লতিকাবোৰ
তুমি আহাঁ, আহাঁ বৰষা
আমাৰ পথাৰৰ বোকা মাটিৰ কেঁচা-গোন্ধ
পুনৰ বাবেই যে বৈ আছে ক'ত
অজস্ৰ তোমাৰ প্ৰেমিক কৃষকসকল।
তোমাৰ জানো বেয়া লগা নাই
সেই নিথৰুৱা প্ৰেমিকসকললৈ
আঁহা, আঁহা বৰষা
তোমাৰ বাবেই গাঁৱে-গাঁৱে
তোমাৰ সখী ভেকুলীৰ বিয়া পাতিছে।
নাহা নেকি সখীৰ বিয়া খাবলৈ?
বৰষা, তুমি আঁহা
তোমালৈ বৈ আছে জহা, বৰা, শালি
আদি না না শইচবোৰ
তোমাৰ পৰশতেই সাৰ পাই উঠিব
সুন্দৰ সেউজীয়া পথাৰখন আৰু
হাঁহি উঠিব তোমাৰ প্ৰেমিক কৃষকসকল
আঁহা, আঁহা বৰষা
তোমাৰ আগমনলৈ বাট চাই আছোঁ।

# মনে বিচাৰে মোৰ

— বলদেৱ কালিন্দী
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

মনে বিচাৰে মোৰ তোমাৰ স'তে
মৰমৰ দুটি কথা পাতিব,
মনে বিচাৰে মোৰ তোমাৰ স'তে
প্ৰেমৰ পাতনি মেলিব।
তুমি মোৰ স'তে
লগ দিবা নে?
সুখ-দুখৰ কথা সোঁৱৰাবলৈ
যি আমি দুয়ো পাতিছিলো,
সেই নিজান ঠাইৰ
নিজান পদূলিত।
তোমাৰ ৰঙা চকুলো
মোক হাত বাউলি মাতে,
তোমাৰ শুকান ওঁঠ দুটি
কি বা কব খোজে, মই
ধৰিবকে নোৱাৰো।
সঁচাকৈ...
সময়ৰ খোজত আজি আমি
উজুটি খাই
ইমান দূৰ পৰিলোহি
যি পল পলকে
সকলোবোৰ হেৰাই গ'ল।
তথাপিও......
আজি কিয় জানো,
মনে বিচাৰে মোৰ তোমাৰ স'তে
মৰমৰ দুটি কথা পাতিব,
মনে বিচাৰে মোৰ তোমাৰ স'তে
প্ৰেমৰ পাতনি মেলিব।



# বতাহ

— ইলিভা পূৰ্ত্তি
দ্বাদশ শ্ৰেণী
কলা শাখা

তোমাৰ কোনো স্থিতি নাই
নাই কোনো ঠিকনা
আপোন কৰি লোৱা
সকলোকে
সুবিধা পালেই উৰুৱাই
লৈ যোৱা
তোমাৰ চিনাকী কোনো
অঞ্চললৈ
বাৰে বাৰে স্পৰ্শ কৰি যোৱা
আমাৰ শৰীৰটোক
তোমাৰ এটা স্পৰ্শত
বুকুত হেজাৰ বিজাৰ সুমথিৰাৰ অভিমান
তুমি যে,
মোৰপৰা মোক লৈ যোৱা
ফাগুনৰ এচাটি মতলীয়া বতাহ হৈ।






# স্বাৰ্থপৰ

— কাৰ্তিক শইকীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
কলা শাখা

নাই নাই নাই মানুহৰ
দৰে স্বাৰ্থপৰ নাই
নাভাবে প্ৰকৃতিৰ কথা
নিজৰ স্বাৰ্থৰ বাবে সকলো
কৰে মানুহে হেছে
এই জগতৰ কলংক
নাভাৱে যদি মানুহে
এই জগতৰ কথা
ভাবিবনো কোনে?
মানুহ হৈ পৰে যদি স্বাৰ্থপৰ
সময় শূন্য হয় বৰ এই জগত।



# স্মৃতি

— ৰাখী বকলীয়াল
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

মনত আছেনে বাৰু তোমাৰ
সেই দিনটো
অকলশৰে নিৰ্জনতাৰ মাজত বহি
উচুপিছিলা
মৰমৰ মাতৃৰ আবেগত......
ক্ষমা কৰিবা মোক
তোমাক সোঁৱৰাই দিছিলোঁ
পাৰ হৈ যোৱা অতীতৰ কথা
দোহাৰিছোঁ পুনৰ......
ক্ষমা কৰিব পাৰা যদি
দুখ নকৰিবা
জীৱনটো এনেকুৱাই
আজি আছে কাইলৈ নাই
জীৱনটো আনন্দৰ মাজেৰে
আগুৱাই লৈ যোৱা
তুমি হাঁহি হাঁহি
মৰমৰ মাতৃ
শ্ৰদ্ধা জনোৱা
অতীতৰ স্মৃতিবোৰক লৈ তুমি
গৌৰৱ কৰা।

## माँ

— प्रीति बार्मा
बि.ए. ३बर्ष
एडूकेचन डिपार्टमेण्ट

कथा माँ ऐसी होती है?
हाँ माँ ऐसी ही होती हैं।
जैसे आसमान में उगता सूरज।
जैसे बागो में खिलता फूल।
जैसे नदीयों में लहराता पानी।
क्या माँ ऐसी होती है?
हाँ, माँ ऐसी ही होती है।
जैसे बरसात कि गिरती बूंदे।
जैसे पहाड़ो मे बहती हँवाये।
जैसे सागर के समान ममता।
क्या माँ ऐसी होती है?
हाँ, माँ ऐसी ही होती है।

## প্ৰণতি

— সংগীতা দিহিঙ্গীয়া
স্নাতক তৃতীয় বৰ্ষ
জীৱবিজ্ঞান বিভাগ

তুমিয়েই জীৱনৰ অনাদি অনন্ত
তুমিয়েই প্ৰাণৰ পুতলা
তোমাৰ সৌৰভত প্ৰকৃতিৰ ৰূপে
কৰে মোৰ চিত উতলা।
কোৱাচোন তুমিয়েই নিজে আহি
কি ৰূপত মুখৰিত হৈ
তোমাৰ মৰমতে বিচাৰি পাওঁ
যৌৱন উটি যোৱা ওভটনি নৈ।
তোমাৰ জেউতিত ম্লান জোনাক
প্লাৱিত এই আকাশ।
ম্ৰিয়মান হয় ৰবিৰ কিৰণ
যেতিয়া উদ্ভৱ তোমাৰ বিকাশ।
সঁচাকৈ কোৱাচোন তুমি কোন
হয় নেকি কোনো অপেশ্বৰী?
তোমাৰ হাঁহিৰ পলকত উটি
জীৱন ডিঙাখনি দিলো এৰি।
অপাৰ সমুদ্ৰত পৰি জীৱনৰ ডিঙাখনি
তলবল কৰে চাকনৈয়াত পৰি,
পালবোৰ ফাটিল মোৰ টৌত লাগি
চাৰিওফালে আন্ধাৰে ধৰিছে আৱৰি।
আন্ধাৰত পথক্লান্ত উদভ্ৰান্ত কিশোৰ
তোমাৰ চৰণত কৰোঁ শত মিনতি
পাল ফাটিল মোৰ সুৰৰ পৰিল ওৰ
দিয়া কৰুণা দৃষ্টি জনাওঁ প্ৰণতি।



## পৰে নে মনত?

— কিৰণ গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)
অসমীয়া বিভাগ

পুৱতি কোমল ৰ'দৰ জিলিঙনিৰ মাজেৰে
তুমি সদায় আহিছিলা
মোৰ এতিয়াও মনত আছে
আছে জানো মনত?
মই এদিন নাহিলেই যে তোমাৰো ভাল নালাগিছিল
ডালিম দাঁতেৰে খিল খিলকৈ হাঁহি
যে মোৰ ফালে এবাৰ হলেও চাইছিলা
আছে জানো মনত
লগৰ স'তে কথা পতা ছলেৰে
মোকে যে কথাবোৰ কৈছিলা।
মোৰ আজিও মনত আছে সেই
দমকল পাৰৰ কথা
পানী খোৱা ছলেৰে আহি
দুয়ো দুয়োকে চাই থৰ হোৱা কথা
মোৰ আজিও মনত আছে।
সেই বগা কাগজত কোমল কোমল ভাষাৰে
তুমি মোক কোৱা অন্তৰৰ কথা
সঁচাই সেই কথা মনত পৰিলেই আজিও
মোৰ বুকুখন বৰ ধপ-ধপায়
পুৱতি কোমল ৰ'দালি হৈ আজি
বুকুত অযুত আশাৰ বালিঘৰ সাজি
তুমি যে কৈছিলা যাওঁ বুলি
পৰে নে মনত আজি?



## শৈশৱৰ অনুভূতি

— কিৰণ গগৈ

শৈশৱৰ দিনবোৰ নজনাকৈয়ে পাৰ হৈ গ'ল
কিমান যে ভাল লাগিছিল সেই দিনবোৰ
লুকা-ভাকু, মাৰ্বল আদি খেলা
আজিও মনত পৰে সেই দিনবোৰৰ কথা
মন যায় আকৌ সেই দিনবোৰলৈ উভতি যাবলৈ
কিন্তু
কেতিয়ানো সেই দিনবোৰ পাৰ কৰি
যৌৱনৰ দুৱাৰদলিত খোজ পেলালে
গমকে নাপালো
মৃদু মধুৰ বতাহ জাক বলিলেই
আজিকালি মোৰ কিবা এটা হয়
মিঠা-মিঠা গীত শুনিলেই মোৰ
বুকুখন কঁপি উঠে।
কিন্তু কিয়?
অবুজ মনক মই কেতিয়াবা অকলশৰে
দুপৰ ৰাতি লগ পালে সোধো
এয়া কি?
মোৰ মনে একো নকয়
মাথোঁ এটি মিঠা হাঁহি মাৰি মোৰ
পৰা ফালৰি কাটে
ল্যাহে লাহে মই বুজি পালো
এয়া মোৰ এটি মিঠা অবুজ সপোনৰ আবেগ
আবেগ যেতিয়াই পাহি মেলে
মোৰ জীৱনৰ সপোনবোৰেও
পুৱতি কোমল ৰ'দালি হৈ
জিলিকি উঠে।

## প্ৰেয়সী

— বিপুল ভূঞা
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

তুমি মোৰ হৃদয়ৰ
মণিকোঠাৰ একমাত্ৰ প্ৰেয়সী,
তুমি মোৰ জীৱনৰ
সু-মধুৰ আলোক ভৰা বন্তি।
আছোঁ বৈ তোমালৈ
থাকিম সদায়,
তুমিয়েই মোৰ আশাভৰা
হৃদয়ৰ মৰম লগা মাধুৰী।
দূৰে-দূৰে থাকিলেও
নাযায় মোৰ মৰম,
কেতিয়াও কমি তোমালৈ।
ধুমুহা বতাহ জাকে নিব
পাৰে হয়তো সকলো ভাঙি,
নোৱাৰে কিন্তু নিবলৈ তোমাৰে
মোৰে প্ৰেম কাঢ়ি।





## হেৰুৱা স্মৃতি

— ভাগ্যশ্ৰী গোস্বামী
স্নাতক তৃতীয় বৰ্ষ (কলাশাখা)

হেৰুৱা স্মৃতিবোৰ অতীত হৈ গ'ল
বন্ধ দুৱাৰ আৰু নোখোলা হ'ল,
অতীত কেতিয়াও বৰ্তমান হ'ব নোৱাৰে
হেৰুৱা স্মৃতিবোৰ কিয় দিঠক হ'ব নোৱাৰে?
সপোনৰ বালিঘৰ এটা ক্ষণিকৰ বাবে
চূৰমাৰ হ'ল,
অশ্ৰুৰ লোটকবোৰ নিগৰি, নিগৰি
বাট নেদেখা হ'ল,
থান্ বান্ হৈ পৰিছিল সপোনবোৰ
আশাবোৰ ঢৌ খেলি খেলি বিলুপ্ত হৈ পৰিছিল
নিলগত,
পুৱা চেঁচা বতাহ জাকে যেন দি যায়
সেই স্মৃতিৰে সাঁচ।
প্ৰকৃতিৰ জোন বেলি তৰাবোৰে আকাশত
হাঁহে গতানুগতিকাৰে
শীতৰ বুকুত কুঁৱলীৰ ৰূপত ওলমি থাকে
সেই হেৰুৱা দিনৰ স্মৃতি,
মিঠা সোঁৱৰণ স্মৃতিৰ পাতে পাতে।।





## নিয়ঁৰ

— বিশ্বজিত বুঢ়াগোহাঁই
স্নাতক তৃতীয় বৰ্ষ
ৰসায়ন বিভাগ

পুৱতি নিশাৰ এন্ধাৰফালি,
চিক-মিক পোহৰৰ সূৰ্যৰ ৰেঙনিত,
প্ৰতিনিধিত্বপ্ৰাপ্ত পানীৰ ক্ষুদ্ৰ ধূলিকণাই,
স্পৰ্শকৰে সেউজীয়া প্ৰকৃতিৰ কোমল দেহ।
গছ-বন, ফুল, পাহি, কোঁহ আদিত।
বিজ্ঞানৰ Bio-chemistry reaction হৈ,
সজীৱ হৈ উঠে সেউজীয়া প্ৰকৃতিয়ে জীৱনযুদ্ধৰ বাবে।।
ক্ৰমাত সাৰ পাই উঠে,
পশু-পক্ষী, চৰাই-চিৰিকতি, বহু ৰঙৰ পখিলা,
মৌ-মাখি ইত্যাদি ইত্যাদিয়ে।
ৰং-বিৰঙৰ ফুলনিভৰা বিলাকত,
ইহঁতৰ গুৰলীয়া মাত, চিঞঁৰ, গুণ-গুণনি,
আৰু ৰঙীণ আকাশেদি জাকি মাৰি যোৱা চৰাইৰ মাতে,
এজাক সুকোমল বতাহৰ তালে-তালে,
প্ৰকৃতিৰ লগত তাল মিলাই উঠে।
যেন এক সপোন দিঠকৰ মায়াসনা অনুভৱ।।

এটোপাল উজ্জ্বলতাৰে পৰিপূৰ্ণ নিৰ্মল নিয়ৰ
শৈশৱ আৰু যৌৱনৰে,
এক অপৰিপূৰ্ণ ক্ষণিক জীৱন।
প্ৰতিসৰিত কৰে প্ৰকৃতিক নিজৰ মাজত,
সেউজীয়া ঘাঁহনিডৰা, তেজাল গোলাপ পাঁহি,
বগা ফুলপাহি, শুকান গছডালি ইত্যাদি ইত্যাদিক।
যেন টোপালটোৱে চাৰিওদিশে সময়ৰ সাপেক্ষে,
প্ৰকৃতিৰ নিয়মক প্ৰতিফলিত কৰে গাণিতিকভাৱে।।
পোহৰৰ কোমল কিৰণত প্ৰকৃতিৰ লগত,
জলমলাই উঠে ক্ষণিকৰ বাবে,
যেন এক ক্ষণিক ৰূপৰ শৰাই।
অপৰূপ সৌন্দৰ্য্য, শান্তি, স্বৰ্গীয় সুগন্ধি ইত্যাদি ইত্যাদি।
এক জীৱনতৃষ্ণাৰ চুম্বকীয় মিঠা আৱেগৰ,
অতি আকৰ্ষণীয় মধুৰতম মুহূৰ্ত।
এক অজান দ্বীপৰ প্ৰকৃতিৰ নিৰ্মল নিয়ঁৰ।।



## অপেক্ষা

—জোনমণি সোনোৱাল
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা

আশাৰ বন্তি গছি তেল শলিতাৰে জ্বলাই
জীৱন ডিঙা তৰি দিলো সংসাৰ সাগৰত
পৰ্বতসম ঢৌৱে আদবাটত সকলো হৰিলে
দুখ আৰু হতাশাই দেখা দিলে মানস পটত।

বঠাবিহীন নৌকা, উদ্দেশ্যবিহীন জীৱন
যাত্ৰা মোৰ অলৌকিক সাগৰলৈ
জীপাল মৰুদ্যানে সোঁৱৰাই দিয়া মোক
দৃঢ়তাৰে আগুৱাই যাবলৈ সৃজনীৰ আধাৰত।
শোষণ, শাসন নিষ্পেষণতাই আনি দিয়ে
অন্ধকাৰ ক্লান্তি অৱসাদ জীৱন যুঁজত
পদে পদে আগবাঢ়ি আগলৈ-পিছলৈ
চাই উজুটি খাওঁ মই কাঁইটীয়া বাটত।

সৰ্বহাৰা আজি মই দিশহাৰা পথিক
জাঁজী সদৃশ মাজ সাগৰৰ
কলৈ যাওঁ কি কৰো মই
মাথোঁ অপেক্ষাত কৰিছোঁ সময় ক্ষয়।

## জ্ঞান

— জয়ন্ত শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ
উদ্ভিদ বিজ্ঞান

হে জ্ঞান, আহা জাগা, আগুৱাই নিয়া,
জগতক জ্ঞানৰ পোহৰেৰে।
তোমাৰ জ্ঞানৰ মধুৰতাই যেন কৰি দিয়া,
সকলোৰে হৃদয় জয়।
জগাই তোলা মানুহক প্ৰাণে প্ৰাণে,
জগতৰ সততাৰ পথত।
ধ্বংস কৰা হিংসা সন্ত্ৰাসৰ জুইক,
সংসাৰক জ্ঞানেৰে পুলকিত কৰি।
তুমি আহা, জাগা, এৰি দিয়া, তোমাৰ সেই,
নিস্তব্ধ, নিৰৱতাক।
তোমাৰ সেই নিৰৱতাই যেন হেৰুৱাই পেলাইছে,
সেই গুণমুগ্ধ মানৱতাক।
তোমাৰ জ্ঞানৰ আলোকে পোহৰাই তোলা,
সেই দৃষ্টিহীন, বিধ্বংসী সমাজক
যিয়ে আগুৱাই লৈ যাওক,
এক সুস্থ, সুন্দৰ শক্তিশালী সমাজৰ পথত।





## হে প্ৰকৃতি জগত

— অভিজিৎ দাস
স্নাতক প্ৰথম বাৰ্ষিক

হে মোৰ মৰমৰ প্ৰকৃতি জগত,
গছ বন কাটি উদং কৰিলে তোমাৰ বুকু।
কোনে কৰিলে তোমাৰ এনে দশা।।
কিয় তুমি দিনে দিনে হ'লা নিঃকিন
আমি সকলোৱে লগ হৈ খালো শপত।
নকৰো গছ বনৰ বধ।
আকৌ তুমি ঘূৰি আঁহা পূৰ্বৰ ৰূপত,
সকলো লগ হৈ খালো শপত।
নকৰো প্ৰকৃতি তোমাক বধ।
নকৰো তোমাক বধ।
হে মোৰ মৰমৰ প্ৰকৃতি জগত।
ঘূৰি আহা তুমি।
দিয়াহি আমাক তোমাৰ প্ৰেমৰ ছাঁ
হে প্ৰকৃতি জগত,
হে প্ৰকৃতি জগত।

## হৃদয়ত মাথোঁ তুমিয়ে

— জুৰি সোনোৱাল
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ



হঠাৎ কজলা ডাৱৰে
বিষাদ বৰষুণ পেলাই
তোমাক ধুৱাই লৈ যাব নেকি?
নিবিচাৰো মই তেনে এটি ক্ষণ
মমৰ শিখাৰে নিজে জ্বলি পুৰি...
আনক পোহৰ বিলাবলৈ।
বিচাৰো প্ৰতিটো ক্ষণ
তুমি কাষত থকা।
বিচাৰো অবুজ ভাষাৰে ভৰা
তোমাৰ হৃদয়।
বুকুৰ তেজেৰে আঁকা এটা প্ৰতিচ্ছবি
য'ত তুমি মাথোঁ।
বিচাৰো তোমাৰ আৰু মোৰ যত্নত
এখন ধুনীয়া ফুলনি
সেই ফুলনিত সাজিবলে বিচাৰো
এখন সুন্দৰ পৃথিৱী
য'ত কেৱল তুমি আৰু মই।

# অভিশপ্ত জি. এছ. ৰোড

— মুনশিখা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ, প্ৰথম ষান্মাসিক, অসমীয়া



আজি শুই পৰিল গছ-গছনি,
থমকি ৰ'ল বতাহ।
মইনা চৰাইটিও যেন লাজত তলমুৱা।
কেৱল ব্যস্ত জি. এছ. ৰোডৰ জনতা।
মাজে মাজে মাতাল যুৱকৰ অশ্লীল ইংগিত।
অসহ্যৰ কবলত জি. এছ. ৰোডৰ চঞ্চল যুৱতী
যেন খিলখিলাই থকা গোলাপৰ পাহি
খহিব ধৰিল এটি এটি কৰি।
নিথৰুৱা হৈ পৰিল গোলাপৰ কলিটি
হয়, সভ্য সমাজৰ মুখা খুলিলে আজি
জি. এছ. ৰোডৰ ডেকাই।
উত্তপ্ত তেজৰ স্ৰোতে যেন যুৱকৰ শৰীৰত।
সোমোৱা নাই যুৱকৰ কাণত
লজ্জা বৰণৰ শেষ হাবিয়াসৰত
অসহায় যুৱতীৰ আৰ্তনাদ।
বহুদিনীয়া আশা পূৰণত ব্যস্ত যুৱক।
চিঃ আজিৰ ডেকা, লাজত পেলালা অসমীক
মাতৃ স্বৰূপ অসমীৰ শেষৰ বস্ত্ৰখনো আঁজুৰি নিলা,
বাটৰ বাটৰুৱাও বাটৰ আহাৰ???
ইমানেই ভোকাতুৰ নে???
ক'ৰ পৰা পালে ইমান স্বাধীনতা???
কিয় পাহৰিলে আমাৰ ডেকাই নাৰীৰ অস্তিত্ব-মৰ্যাদা,
নাৰীৰ আপুৰুগীয়া সম্পদ হয় 'লাজ', আঁজুৰি নিনিব
বৰং অশুৱনী হৈ পৰিব আপোনাৰেই অসমী,
ব্যক্তিগত হেঁপাহ পূৰণ কৰিবলৈ গৈ
কলংকিত নকৰিব অসমক লগতে অসমৰ জীয়ৰী
ভুলনো কিহত সেই যুৱতীৰ।
এয়াই যে তেওঁ নাৰী আৰু আপুনি পুৰুষ???
ৱাহ..., বীৰত্বৰ ভাণ্ডাৰ। তাকো কেৱল নাৰীৰ ওপৰত
আৰু নাৰী, নাৰী কি তেওঁলোকৰ হাতৰ পুতলা?
ভুল ভাবিছে জি.এছ. ৰোডৰ ভদ্ৰ দাদা। ভুল ভাবিছে
এগৰাকী নাৰী কেতিয়াও অকলশৰীয়া, দুৰ্ভগীয়া আৰু
আপোনাৰ দৰে হৃদয়হীন নহয়।
আপুনি হয়তো নিজক লৈ গৌৰৱান্বিত
কিয়নো আপুনি কাৰোবাৰ উলংগ শৰীৰ দৰ্শনাৰ্থী
পিছে সেয়ানো কোন?
আপোনাৰে অসমৰ কাৰোবাৰ জীয়ৰী,
কাৰোবাৰ ভগ্নী নহয় জানো?
তেনেহ'লে কোন অপমানিত আপোনাৰ কৰ্মত?
আপুনিও নহয় জানো?
সোধৰাওক নিজক। চিনিবলৈ চেষ্টা কৰক নাৰীক আৰু অসমক
নিজেই অপমানিত নকৰিব অসমক।
সেয়া আপোনাৰ বীৰত্ব নহয়।
মুৰ্খামীৰ পৰিচয় সমগ্ৰ নাৰীজাতিৰ আগত।



# এক নতুন আশাৰ সন্ধানত

— বিনী ভৰালী
স্নাতক দ্বিতীয় বৰ্ষ
শিক্ষাতত্ত্ব বিভাগ



জীয়াই আছোঁ
জীয়াই আছোঁ আমি সকলো
সমাজত বাস কৰা
উচ্চ-নীচ সকলো
কিন্তু কিহৰ কাৰণে?
একেখন বিশ্বতে
একেখন সমাজতে
আমি জীয়াই আছো
কিয়নো সকলোৰে মনত আছে
এবুকু আশা
অন্তৰৰ বহুত গোপন হাবিয়াস
পুৱাৰ প্ৰভাতী সূৰুযৰ
বেলিটিয়ে যিদৰে
সকলোকে সম্ভাষণ জনাই
ঠিক সেইদৰে সমাজত বসবাস কৰা
সকলোৰে
সকলোৰে অন্তৰৰ ভিতৰত আছোঁ বহু আশা
সেই আশাবোৰ অনাগত প্ৰত্যেকটো দিনৰে
সৈতে লুকা-ভাকু খেলে
কাৰোবাৰ আশা সফল হয়
আৰু বহুতৰে আশাবোৰ
আশা হৈয়ে ৰৈ যায়
পূৰ্ণ হোৱা আশাবোৰে
বিগত দিনৰ স্মৃতি
আৰু অনাগত প্ৰতিটো দিনলৈ
কঢ়িয়াই আনে অসংখ্য আনন্দ
কিন্তু ...
অপূৰ্ণ আশাবোৰে
কঢ়িয়াই আনে মানৱ জীৱনলৈ দুখৰ বতৰা
যি দুখে মানুহক ব্যৰ্থ কৰি তোলে
কিন্তু ইয়াৰ বাবে দোষী কোন?
সেই বাবেই মই দেখিছোঁ
এক নতুন স্বপ্ন
যি স্বপ্নই অনাগত প্ৰতিটো দিনতে প্ৰতিটো ক্ষণতে
সকলোৰে বাবে কঢ়িয়াই আনক
বহুতো নৱ আশাৰ ৰেঙনি
সেই ৰেঙনিবোৰ যেন ৰেঙনি হওঁক
মই অপেক্ষা কৰি আছোঁ
সেই অনাগত দিনলৈ
এক নতুন আশাৰ সন্ধানত।

## বানপানী

— জিনুমণি বৰা
স্নাতক তৃতীয় ষান্মাসিক
বাণিজ্য শাখা

মই এক বিস্তৃৰ্ণ বৰণ হৈ ক্ৰমশঃ নিৰস্ত্ৰ কৰিছোঁ আন্দোলিত
জীৱন যাত্ৰা;
মই নিৰ্জনতাত বাস কৰি জনতাক শব্দ দিব পাৰো।
মোৰ কলৰৱৰ প্ৰতিধ্বনিত ৰংবোৰ সেউজীয়া হয়,
ধৰিত্ৰীৰ কৰ্ষণ চিঞৰত মই যৌৱনমতী হওঁ।
অজ্ঞাত আকুলতাৰে স্পৰ্শ কৰোঁ বৰণ বিভ্ৰান্ত ধাতুক।
জীপাল কৰোঁ ছন্ন পৰি থকা পথাৰ এখনক গাৰ উমেৰে।

মোৰ জীৱনৰ পৃষ্ঠা দেখি মানৱী ভয়াতুৰ হৈ পৰে,
কৃষকৰ দুচকুৰে যুঁজ দিয়ে জীৱন আৰু যন্ত্ৰণাৰ লগত।
মোৰ এনে সীমাহীন আয়োজনক কতজনে শাও দিয়ে বৰ্ষাৰ
চকুলো বুলি।

আশ্ৰয়হীনতাত সবৰ হৈ আত্মজাহৰ চেষ্টা চলায়।
এধানীৰ মুখেৰে নিৰ্গত হয় 'মা ভোক লাগিছে,
ক'ত আকাংক্ষা, ক'ত কামনা লৈ ৰাওনা হওঁ বহুজনৰ
হৃদয় জুৰ পেলাবলৈ..........
কিন্তু নোৱাৰো হাজাৰজনে চিঞৰে---
"হে বানপানী জীৱনৰ স'তে চুক্তিৰ
টেবুলত নবহিবা।"



## গোলাপ

— কল্যাণ বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

কি যে মৰম লগা সেই ফুলৰ কলিটি
যাৰ পৰশত কাননখনি হৈ পৰিছে
প্ৰেম আৰু সৌন্দৰ্যৰ খনি
যাৰ নাম গোলাপ
তেনে এজুপি গোলাপক
কাৰনো মন নাযায় এবাৰ
চুই চাবলৈ আৰু একেবাৰে
নিজৰ কৰিবলৈ
মোৰ মন গ'ল তেনে এজুপি
প্ৰেম ৰসে ভৰা গোলাপ
ফুলজুপিক এবাৰ
হাতেৰে চুই চাবলৈ
কিন্তু ভয় লাগে মোৰ
যদি সেই গোলাপ ফুল
পাহি মোৰ কঠুৱা
হাতৰ পৰশত সৰি পৰে?
প্ৰেমাগিনীস্বৰূপা
সেই গোলাপ পাহিয়ে
মোক দূৰৈৰপৰা
হাত বাউল দি মাতিলে
আৰু মই নিজকে নিজে
বাধা দিব নোৱাৰি সেই ফুলপাহিলৈ
মোৰ দুয়োখনি হাত মেলি দিলো।
কিন্তু! কিন্তু এয়া কি? কি এয়া
মোৰ দেখোন হাতত গোটেই তেজ
তেজ আৰু তেজ
মই ভাবিবই পৰা নাছিলো যে
সেই গোলাপ পাহিৰ
গোটেই দেহটোতে কাঁইট
কাঁইট মাথো কাঁইট।








## প্ৰেম.........কৰাতকৈ নকৰাই ভাল

— ধনটি কোঁৱৰ
স্নাতক তৃতীয় ষান্মাসিক
বাণিজ্য শাখা

ক'ব নোৱাৰাকৈয়ে কি যে হৈ গ'ল
গমকে নাপালো,
কেতিয়া তাই আহি হৃদয়ৰ কোণত
গোপনে থিতাপি ল'লে
ক'ব নোৱাৰাকৈয়ে আহিল আৰু গ'ল
মনত বুজাব নোৱাৰা অশান্তিৰ ঢৌ তুলি,
খুলি ৰখা বুকুৰ আলমাৰিত
তাই আহি নিজৰ কাপোৰ ৰাখি গ'ল।
কিয় জানো হৃদয়ত বান্ধি থৈ গ'ল
সোণালী সূতাৰে বন্ধা এধাৰ মালা,
চুই দিলেই জানোচা জয় পৰি যোৱা।
হৃদয়ৰ কাঁচৰ পিয়লা।
এই ক্ষন্তেকীয়া প্ৰেমৰ মোহে
সাঁচি থোৱা বালিঘৰটোও ভাঙি নিলে,
নাই ভোক........নাই টোপনি
আছে মাথো শংকা।
সেয়ে কেতিয়াবা উপলব্ধি হয়।
নোপোৱাই ভাল আছিল হয়তু
যদিও পাইও হেৰুৱাব লগা হয়
জীৱনৰ ৰঙীন সপোনবোৰ।
সেয়ে কৰাতকৈ নকৰাই ভাল
প্ৰেমৰ বন্দনা।



## মাতৃ


— প্ৰিয়া ৰাজখোৱা
স্নাতক তৃতীয় বৰ্ষ

মাতৃ, তুমি সাঁচাকৈয়ে কল্পনাময়ী,
বেলিৰ পোহৰৰ সমান,
ৰঙীন তোমাৰ মুখখনি,
হৃদয় তোমাৰ মমতাময়ী।

পৃথিৱীৰ মায়া-মোহত পৰি,
হঠাৎ যদি থমকি ৰওঁ,
বিচাৰো তোমাক কাষত,
ৰৈ আছা কাষতে তুমি।

ধন্য হ'লো আজি,
তোমাৰ দ্বাৰা জীৱন পাই,
পৰিচয় কৰাই দিলা,
তুমি মোৰ মাতৃ বুলি।

জীৱনৰ শেষ মুহূৰ্তলৈকে,
প্ৰতিটো সময় প্ৰতিটো দিনতে,
অৰ্পণ কৰিলো তোমাৰ চৰণত,
মোৰ এই নশ্বৰ দেহ।



## অনুভৱ

বহুবাৰ একেষাৰ কথাকে সোঁৱৰাই
কিমান আৰু থাকিম।
তুমি জানো এবাৰ হ'লেও বুজিবলৈ
চেষ্টা কৰিছা?
কেনেকৈ চাই পাৰ কৰিছোঁ মোৰ
বিষাদময় দিনবোৰ।
যেতিয়া কাৰোবাৰ মনত যদি
তীব্ৰভাৱে কিহবাই প্ৰতিক্ৰিয়া কৰে
মনত বহু হতাশা আহে।
এয়াতো তুমিও জানা যে
মোৰ দুৰ্বলতা ক'ত।
হয়তো মই আৰু থাকিব নোৱাৰিম
যেতিয়া মোৰ সকলো হেৰাব।
সেইদিনাই মোৰ অস্তিত্ব নাইকিয়া হ'ব।
কেৱল তোমাক লৈয়েই মই মোৰ
অনুভৱক জীয়াই ৰাখিছোঁ।
এদিন সেয়াও হেৰাব
তুমি এনেকৈ দূৰে দূৰে ৰ'লে।

## সপোন

— নয়নমণি দিহিঙ্গীয়া
স্নাতক তৃতীয় ষান্মাসিক
ৰসায়ন বিভাগ

মোৰ কত যে
সপোন আছিল,
সৰুৰেপৰা ডাঙৰলৈকে মোৰ সপোন
সপোন হৈয়ে থাকিল।
জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত পাৰ হৈ
পূৰ্ণ কৰিব বিচাৰিছিলোঁ,
মোৰ সপোনক,
মোৰ হৃদয়ৰ আঁৰত লৈ।
জীৱনৰ মোহ-মায়াত পৰি
দিশভ্ৰষ্ট হ'লো
ভাল বেয়া একোকে
ধৰিব নোৱাৰিলোঁ।
এদিন দুদিন কৰি পাৰ হ'ল
গোটেই বছৰ
জীৱনৰ প্ৰতিটো সুখ
হ'বলৈ ধৰিলে আঁতৰ।
তথাপিও মোৰ সপোন
সপোনে হৈ থাকিল।





DIBRU COLLEGE CENTRAL LIBRARY ESTD.-1963 DIBRUGARH

## স্মৃতিৰ দলিচাত তুমি


— অঞ্জু বাইলুং
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

আন্ধাৰ ভালপোৱা এখন হৃদয়
নোপোৱাৰ বেদনাৰ এখন হিয়া
কোনেও গম নোপোৱাকৈ ঢাকি ৰখা চকুলো
তুমিতো জানা কিহৰ বাবে এই বেদনা।।
এখোজ দুখোজ কৰি আগুৱাই যাওঁ মই
গতিবিহীন জীৱন পথত
নাই কোনো শেষ বিন্দু মোৰ গতিপথৰ
আগুৱাই গৈ আছোঁ মাথোঁ বেদনা সিক্ত অশ্ৰু লৈ।।
আন্ধাৰৰ মাজতো তুমি আহি জীপাল কৰি দিছিলা
মোৰ কল্পনা আৰু সপোনবোৰ
তোমাৰ বাবেই পাইছিলো মই
জীৱনৰ প্ৰতিটো মাদকতা।
পোহৰাই পেলাইছিলা তুমি প্ৰতিটো সন্ধিয়া
সুখৰ মালাধাৰি গাঁথি দিছিলা মোৰ মনত
প্ৰতিশ্ৰুতিবদ্ধ হৈছিলোঁ দুয়ো
চিৰ জীৱন এক লগ হৈ থকাৰ।।
তথাপি ভবা নাছিলো.....!
হঠাতে অহা কাল ধুমুহাই যে
তোমাক মোৰপৰা বহু আঁতৰলৈ লৈ যাব
য'ৰ পৰা তুমি আৰু কেতিয়াও ঘূৰি আহিব নোৱাৰা
মোৰ সুখৰ সকলো কল্পনা ৰাজ্য ভাঙি গ'ল
সুখৰ জোনাকৰপৰা আঁতৰি আজি
থাকি গ'ল মাথোঁ
স্মৃতি জৰ্জৰিত আন্ধাৰ ভালপোৱা এখনি হৃদয়
য'ত আছে মাথোঁ
তোমাৰ এৰি যোৱা ভালপোৱা...........।।

## নিঃশব্দ আঘাত

— জুৰি সোনোৱাল
স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা, অসমীয়া বিভাগ

ক'ত গ'ল অতীতৰ সেই
সুন্দৰ সুবাস,
পাম জানো আকৌ ঘূৰাই
নাই সেইটো কল্পনা কৰা উচিত নহয়।
কাৰণ মই জানো
অতীত সদায় অতীত
সি কেতিয়াও ঘূৰি নাহে
মোৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰি
আলসুৱা পৰশবোৰ
মোৰ জীৱনৰপৰা
বহু দূৰলৈ গুচি গ'ল
এয়া হয়তো জীৱনত
কোনো দিনে ঘূৰি নাহে
মোৰ জীৱনৰ প্ৰেমৰ
সেই সোণালী সুবাস
এয়াই নেকি নিষ্ঠুৰ জীৱনৰ
অব্যক্ত বেদনাৰে পৰিপূৰ্ণ
ৰিক্ত হৃদয়ৰ
নিঃশব্দ আঘাত।



DIBRU COLLEGE CENTRAL
ESTD-1963



# জীৱনৰ লেখা চিত্ৰ

— গুনিন বৰগোহাঁই
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সাগৰৰ ঢৌ জানো কেতিয়াবা দেখিছা
নাই দেখা যদি চাবাচোন
ইমান ভয় লাগে
জীৱনক জানো কেতিয়াবা দেখিছা
হয়তো নাই দেখা
ইয়াক কেৱল উপলব্ধিহে কৰিছো।
জীৱনক লৈতো আমাৰ অভিজ্ঞতা নাই।
সাগৰৰ ঢৌৰ তৰংগবোৰৰ দৰে
ইয়াৰ কেৱল লেখা চিত্ৰ হে আঁকিছো।
কেতিয়াবাচোন বহু ওপৰলৈ উঠে
কেতিয়াবা ধুমুহাৰ দৰে খহি পৰে।
ফাগুনৰ পছোৱাই শিমলু তুলাবোৰ উৰুৱাৰ দৰে
কিছুমান চিন্তা ভাৱনাই জীৱনক উৰুৱাই নিয়ে।
কোনোবা দূৰ দিগন্তৰ সিপাৰলৈ
নীড়মুখী চৰাই জাকে
সাতৰঙৰ কাৰেঙ সাজিবলৈ।
সাগৰৰ ঢৌৱে বালিৰ ঘৰ ভঙাৰ দৰে
নোপোৱা হেৰুৱাৰ বেদনাই কাৰেঙ ভাঙি নিয়ে
তেতিয়া বাৰু কেনে লাগে?
হয়তো পিতৃ-মাতৃহীন শিক্ষাৰ
ভিক্ষাৰ পাত্ৰ লৈ ৰাজপথত....
ভিক্ষা মগাৰ নিচিনা।
নহ'লেতো প্ৰেমত সৰ্বাস্বান্ত হৈ
দিহিঙত জাঁপ দিব খোজা
ব্যৰ্থ প্ৰেমিকৰ দৰে।
হয়তু তুমি সেয়া উপলব্ধি কৰিব নোৱাৰিবা
বেদনা সকলোৰে জীৱনলৈ আহে
জীৱনক ভাল পাবলৈ শিকিবাচোন



বেদনাবোৰক প্ৰত্যাহ্বান জনাই
জীৱনক আনন্দবোৰক জীৱনৰ
লগত গাঁথি দিবা
তোমাৰ জীৱনৰ অনুভূতিবোৰ
আন কাৰোবাৰ বাবে
প্ৰেৰণাৰ উৎস হ'ব।







# বন্ধুৰ ওচৰত মোৰ অনুৰোধ

— পৰমানন্দ বৰগোহাঁই
স্নাতক প্ৰথম বৰ্ষ
উদ্ভিদ বিদ্যা বিভাগ

মহাপুৰুষসকলেই কৈ গৈছে
জীৱন যুদ্ধত জয়ী হ'বলৈ কষ্ট কৰিব লাগে।
বন্ধুৰ নিচিনা জ্ঞানী হ'বলৈ কঠোৰ সাধনা
কৰিব লাগিব.........
ছাত্ৰানাং অধ্যয়নং তপঃ
আমাৰ ছাত্ৰ জীৱনৰ অধ্যয়নেই প্ৰধান
কৰ্তব্য বুলি ধৰ্মগ্ৰন্থইও সোঁৱৰাই দিয়ে।
জ্যেষ্ঠজনক সন্মান কৰা, ভক্তিভাৱেৰে চোৱা
আৰু জ্ঞানৰ সাধনাত একাগ্ৰ
চিত্তে ব্ৰতী হোৱা, দেখিবা
জীৱনৰ আচল সাৰ্থকতা তাতেই
লুকাই আছে।
অহিংসাৰ বাণীলৈ মহাত্মাৰ দৰে হোৱা,
সত্যৰ বাণীলৈ যুধিষ্ঠিৰৰ দৰে হোৱা,
একলব্যৰ দৰে গুৰুভক্তি অটুট ৰখা।
মহা মহা মনিষীৰ জীৱনৰ চানেকিৰে
জীৱন গঢ়িবলৈ সদায়েই চেষ্টা
অব্যাহত ৰাখা
এয়ে মোৰ বন্ধুৰ ওচৰত কাতৰ
অনুৰোধ

# তোমাৰ বিষাদত

তুমি মোক কেতিয়াও নুবুজিবা
বিষাদৰ বন্যা নমাই নিতৌ
আহে যায় নিস্তেজ পুৰা আৰু গধূলিবোৰ
পুৰাৰ উকা চোতালত
আজিও কলকলাই থকা
এযোৰ শালিকা দেখা নেপাওঁ।
নমিতা, কেতিয়াবা মই অতীতবোৰলৈ ঘূৰি চাওঁ
য'ত আছিল আমাৰ প্ৰতিযোগিতামূলক
মনোভাৱৰ মৰমৰ হাই-কাজিয়াবোৰ
মনত পৰেনে বাৰু কেতিয়াবা তোমাৰ।
তোমাক নেদেখা বহু বছৰেই হ'ল
সেই জাৰৰ দিনৰ শিমলু, পলাশবোৰ
ফুলোঁতেই তোমাক দেখা
তুমি বাৰু এতিয়া কেনে আছা?
তুমি ঘৰত থাকিলে ফুটুকীয়া
ফ্ৰ'ক চোলাটো এৰি এতিয়া বাৰু
কি পিন্ধা?
তুমি দেখিবলৈ কেনেকুৱা হ'লা অ'
আগৰ মৰম লগাজনীয়েই হৈ
আছাতো!
তুমি মোৰ ওচৰত অভিমান কৰিছিলা,
আৰু সেইবাবেইতো আজি
তোমাৰ পৰা মই বহু দূৰত।
শুনা নমিতা, অভিমানৰ কেতিয়াও জয় নহয়
মই জানো মোৰ জীৱনটো তিক্ততাৰেই ভৰপূৰ.........
য'ত দুখ, হতাশা আৰু পৰাজয়ৰেই
দপদপনি।
তুমি সুখী হোৱা য'তেই থাকা.......
জীৱনৰ আউল লগা সময়ৰ সুৰুঙা
উলিয়াই এদিন গৈ তোমাক
চাই আহিম
তুমি নো এতিয়া কিমানজনী হ'লা!
মোৰ ওচৰত এটা চকলেটৰ
লগত ঠেহ পতা জনীয়েই নে???



## সন্ত্ৰাসবাদ

— ৰিণী দিহিঙীয়া
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

আজি সকলোতে সন্ত্ৰাস
কিয় বিয়পে এই বিষাদ বিষ
ইয়াৰ কাৰণ মানুহ
নে বাৰু?
আচৰিত, মানুহ হৈ পৰিছে
মানুহৰ বাবে বিষাক্ত
হে ৰাম.....
সন্ত্ৰাসবাদী সকলে
সেই কণমানী চকুলৈ
চাইয়োনো কিদৰে সন্ত্ৰাস
কৰে, আচৰিত!

কিয় তেওঁলোকে
বাচি ল'লে
এই সন্ত্ৰাসৰ জীৱন
কি ইয়াত সকলো
পোৱা যায় নেকি
যি নেকি এই বাস্তৱ
জীৱনৰ সুখত পোৱা নাযায়।

মই আচৰিত হৈছোঁ...
তেওঁলোকে মানুহৰ
বাবে নে নিজ
জাতিৰ উদ্ধাৰৰ বাবেনে
নে সন্ত্ৰাসৰ বাবে
সন্ত্ৰাস কৰিছে?
পৃথিৱীত এনেকুৱা
কি ভাষা যি ভাষাই
তেওঁলোকক সন্ত্ৰাসবিহীন
কৰিবলৈ সক্ষম হ'ব।

আৰু এটা কথা
যি কণমাণি
মাত নুফুটা
শিশু এটাৰ
অংগীভংগীৰ ভাষাকো
সিহঁতে বুজি নাপালে
সংকোচ নকৰিলে
সেই কণমাণি শিশুটিক
বধ কৰিবলৈ
হে সন্ত্ৰাসবাদী....
তোমালোকে সন্ত্ৰাস
ত্যাগ দিয়া
নহ'লে তোমালোকেই
এই সন্ত্ৰাসৰ
মিছা জুইত
জলি শেষ হ'বা
এৰা সন্ত্ৰাস
ত্যাগ দিয়া
এই সন্ত্ৰাসক
ত্যাগ দিয়া.....





## আশা-প্ৰত্যাশাৰ দোমোজাত

— ৰূপম গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক
কলা শাখা

মোৰ মনৰ মাজত সঞ্চিত
হৈ আছে এক অবুজ বেদনা
যি বেদনা পাই হেৰুৱা বা
নোপোৱাৰ বাবে সৃষ্ট নহয়।
এই বেদনা মোৰ সৃষ্টি হৈছে
অনিশ্চিত ভৱিষ্যাতংকৰ পৰা।
মই বহুত আশা আৰু নিৰাশালৈ
আহিছো এই মহাবিদ্যালয়লৈ
তথাপি ইয়াত মোৰ আশাই বেছি
ফলপ্ৰসু হ'ব এয়াই মোৰ আশা।
এই মহাবিদ্যালয়ৰ আচাৰ্যসকলে
আমাক সপোন ৰচিবলৈ শিকাইছে।
দিঠকত সপোন ৰচি ৰচি
সেই সপোনৰ জখলা বগাই
স্বপ্ন ৰাজ্যত অস্তিত্ব নেহেৰুৱাই
শিকাইছে নিজকে গঢ় দিবলৈ।
নিজকে সুন্দৰকৈ গঢ়ি আমাক
পূৰ্ণিমাৰ জোন হৈ উজ্জ্বলি থাকি,
আন্ধাৰে আবৰা আমাৰ জীৱন
পৃথিৱীত বিকীৰণ কৰিছে পোহৰ।
হে' আলোকমুখী পথিক
আপোনালোকে ভাগৰি নপৰিব।
আহক একেলগে খোজ দি
হওঁ ভৱিষ্যতৰ বিষয়ে জ্ঞাত।
থাকোঁ আমি বহুজন
গতিকে চিন্তা নিষ্প্ৰয়োজন।
কুণ্ঠাবোধ নকৰিব কেতিয়াও
আগবাঢ়িবলৈ সন্ধানত প্ৰকৃত পথৰ।
আহক সমতা বজাই ৰাখি
খোজ দিওঁ জীৱনৰ প্ৰকৃত পথত।

## নিষিদ্ধ সময়

— সত্যজিত গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

সৰাপাতৰ দৰে
মনবোৰ মৰহি গ'ল
কেনেকৈ যে মানুহবোৰ
ইমান সলনি হ'ল
মানুহৰ হিয়াত জ্বলিছে
হিংসাৰ অগনি
নিবিচাৰে কিছুমানে
স্বদেশৰ উন্নতি।
চৌদিশে মাথোঁ
তেজ আৰু তেজ
মানুহৰ জীৱনৰ
আনন্দ হৈছে শেষ,
পখিলাৰ পিছে পিছে
দৌৰাৰ বয়সতে
নিষ্ঠুৰ মৃত্যুক সাৱটে
কণমানিহঁতে।
কপাল উকা কৰি
মচি নিয়ে ৰঙা বেলি
হৃদয়হীন মানৱৰ হাতত
মহিলাও হয় নৃশংসতাৰ বলি!
একোটি মাত্ৰ পুত্ৰৰ মৃত্যুত
মাতৃজনী হ'ল তেনেই বাউলী
সৰ্বস্ব হেৰুৱাই বহুতো বৰ্ণালীয়ে
মৃত্যুক ল'লে আঁকোৱালি।
কি দোষ এই নিৰীহ মানৱৰ
কিয় পায় এনে শাস্তি
কাৰোবাৰ বাবে মানৱ জীৱনৰ
মূল্য একো নাই কিজানি।
নিৰীহক মাৰি পায় আনন্দ
কিয় নাভাবে, নিজেও এদিন
হৈ যাব বিধ্বস্ত।

## স্মৃতি

— লীলা ছেত্ৰী
স্নাতক তৃতীয় যান্মাসিক
অসমীয়া বিভাগ

মধুৰ আছিল মোৰ
সেই দিনবোৰ
য'ত প্ৰস্ফুটিত হৈছিল
পুৰা দুবৰিৰ দলিচাত সৰিপৰা
শেৱালিৰ ফুলবোৰ।

শৰতৰ মৃদু বতাহজাকে
কঢ়িয়াই আনিছিল
স্নিগ্ধ ফুলৰ আমোল মোল সুবাস
নীৰব নিশাৰ নীৰৱতাৰ মাজেৰে
বৈ আহিছিল
জোনাকৰ আভাস
শৰতৰ সন্ধিয়াৰ
মুক্ত আকাশৰ
উন্মুক্ত পৃথিৱীৰ বুকুত,
মই ৰচা
শৈশৱৰ সপোন শয্যা
নোৱাৰো পাহৰিব
সেই দিনবোৰ
যাক লৈ ৰচিছিলোঁ, অসংখ্য সপোন আৰু
কিছুমান পোৱা নোপোৱা আশা।

## জীয়াই থকাৰ আন এটা নাম

— নিৰ্মালী বৰা
স্নাতক ৩য় বৰ্ষ

চকুপানীবোৰ সদায় কিমান টুকিম?
কেতিয়াও শেষ নহয়।
অসমীয়া হিন্দী চিনেমাৰ গানবোৰ
ধাৰলৈ আৰু কিমান গুণগুণাম ?
কেতিয়ানো হ'ব এটি নিজৰ গান?

কলেজৰ ক্লাছৰুমত বহি থাকোঁতে ভাবো
আইৰ বুকুৰ সপোনবোৰ যদি
ভাঙি চুৰ-মাৰ হৈ যায়,
পাৰিম জানো সেইবোৰ যোৰা দিব?

ভাইটিহঁতৰ ভঙা পুতলাবোৰ
আঠা লগাই আৰু কিমান জোৰা দিম
আইৰ চাদৰৰ ফুটাইদি আকাশলৈ
আৰু কিমান চাম?
কিমান দেখুৱাম মোৰ মৰম আইক
মোৰ মূল্যহীন সপোনবোৰ?

তাৰ পাছত আকৌ ভাবোঁ,
এয়াইতো নহওক কিয়
তথাপি যে তোমাকেই ভালপাওঁ,
'কি যে অনুপম মোৰ এই জীৱন।।









## তুমি মোৰ জীৱনৰ লগৰী

— দ্বীপজ্যোতি চেতিয়া
স্নাতক প্ৰথম বৰ্ষ
কলাশাখা

তুমি মোৰ জীৱন লগৰী
বহু দিনৰ চিনাকী,
পালোঁ মই তোমাক বিচাৰি
নাপাহৰো গোটেই জীৱন জুৰি।
দুখৰ মাজতো মই
তোমাক বিচাৰি পাওঁ
মোৰ হৃদয়ৰ মাজত
কিয় নাজানো
তুমি মোক নিদিয়া
অকণো সঁহাৰি
তুমি মোৰ জীৱন লগৰী
বহুতো যুগৰে আমাৰ চিনাকী
তোমাৰ ওঁঠৰ মিচিকিয়া হাঁহিয়ে
চুই যায় মোৰ কোমল হৃদয়খনি।
বেদনাৰ বুকুত মোৰ তুমিয়েই আছাহি
জীয়াই আছোঁ তোমাৰেই আশাত
বিচাৰো তোমাৰ সঁহাৰি
তুমি মোৰ জীৱন লগৰী।
প্ৰীতিৰ এনাজৰী চিঙি
তুমি নাযাবা মোক পাহৰি,
তুমি মোক কিয় কৰা আমনি
তোমাৰপৰা পালো মাত্ৰ চকুলো দুধাৰি
তুমি মোৰ জীৱন লগৰী
তুমি মোৰ সঁচাই জীৱন লগৰী।

## অনুভৱ

— কল্যাণ কুমাৰ দাস
স্নাতক প্ৰথম বৰ্ষ

তুমি চকুত চকু থ'লে
হাতত হাত থ'লে
পাৰ হৈ যায় ধুমুহাৰ পিছত বৈ যোৱা
এজাক চেঁচা বতাহ
তুমি অনুভৱক বাস্তৱ ৰূপ দিয়া
গজালি মেলিব পৰাকৈ
শাওনৰ উদং বুকুত।
তুমি অনুভৱক
আঁকোৱালি ল'লে
মৌন হ'ব শাওনৰ উদং বুকু
সেয়ে তুমি মোৰ ইমান-আপোন।

## মোক উৰি থাকিবলৈ দিয়া

— অঞ্জু বাইলুং



আজি এক অজান আশংকাত কঁপিছে মন
নিজক হেৰুৱাই পেলোৱাৰ ভয়ত
উৰি ফুৰা মুক্ত বিহংগ যে আজি
লাহে লাহে মৃত হৈছে,
মই চিঞৰিছোঁ, নিনিবা মোক
মোৰ শান্তিবোৰ কাঢ়ি নিনিবা
শান্তিৰ চৰাইজনী উৰি থাকিবলৈ দিয়া মুক্ত মনে
নিজে বিচৰা ধৰণেৰে।
মই কান্দিছোঁ, কি হৈ গ'ল
দুখৰ ছায়া যে নুগুচা হ'ল
মোক দেখি হাঁহিছে সুখবোৰে
নিৰ্জনতাইও উচুপিছে মোৰ কান্দোন শুনি,
মই মাথোঁ কান্দিছোঁ আৰু চিঞৰিছোঁ
মোক উৰি থাকিবলৈ দিয়া
মোক উৰি থাকিবলৈ দিয়া.........

০০০০

## হ'বানে বাৰু মোৰ জীৱনৰ লগৰী

— ৰিকুমনী দিহিঙীয়া
স্নাতক প্ৰথম বাৰ্ষিক
কলা শাখা

মই বিচাৰোঁ, এখন নদী হ'বলৈ
যাৰ পানীত প্ৰেমৰ সোঁত বোৱাই নিবলৈ।
মই বিচাৰোঁ, ফুলনিৰ ফুল হ'বলৈ
যাৰ মধুৰ সুবাস, তোমাক বিলাই যাবলৈ।
মই যদি বিচাৰোঁ, এজোপা বৃক্ষ হ'বলৈ
পক্ষী হৈ আহিবানে বাৰু তাত জিৰাবলৈ?
মই যদি বিচাৰোঁ নদী হ'বলৈ তুমি হ'বানে পাৰ?
তুমি যদি কলি হোৱা মই হ'ব বিচাৰোঁ পাঁহি।
তুমি মোৰ প্ৰাণ
মই তোমাৰ ছাঁয়া।
জনাবানে মোৰ এই
প্ৰস্তাৱৰ সহাঁৰি।
হ'বানে বাৰু মোৰ
জীৱনৰ লগৰী।





## কবিতা মোৰ অব্যক্ত বেদনা

— ৰাজলক্ষী গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

কবিতা
মোৰ বাবে তুমি
অব্যক্ত বেদনা
পিছল বাটত গজি উঠা
শীৰ্ণ শেলুৰৈৰ হেন্দোলনি
নতুবা
ৰজনীগন্ধাৰ সুগন্ধিত
মতলীয়া জোনাকী পৰুৱা
দহোটা শৈশৱৰ গৰকি
তোমাৰ সতে চিনাকি হৈছিলোঁ
এটি বুজা নুবুজা শিহৰণ সাৰতি
তোমাৰ যাদুকৰী হাতৰ পৰশত
জিলিকিছিলি মোৰ অস্ফুট ভাৱনা
কেতিয়াবা নীলিময় তৰালিৰ
ৰুণজুন ধ্বনিৰ সমীৰণৰ উল্লাস
কেতিয়াবা বিষণ্ণতা আৱৰি
নামি অহা নিশাৰ জোনটি
তুমি হৈছিলা
নিৰৱ দুচকুৰ মাজত
জ্বলি থকা শব্দৰ কথা
চিপচিপকৈ পৃথিৱীৰ বুকু
উপচাই নেপেলোৱা বৰষুণক
মিলনৰ এটি বেলা
সাঙুৰি সোঁৱৰাই দিওঁতে
মোৰ উজাগৰী চকুত
থিয় দিছিলা
এটি সুবাসিত প্ৰেৰণা আঁকি
এতিয়াও যে
বিয়লিৰ নিসঙ্গতাক বুজি
তুমি মোৰ সন্মুখতে উচুপিচা।।

## তুমি অহাৰ আশাৰে

— ৰাজলক্ষী গগৈ


আজি জোনাক নিশব্দ
কাৰ বাবে আছোঁ ৰৈ
জোনাকেও সোধে
তুমি অহাৰ কথা,
তোমাৰ জানো সময় হ'ব
আমাৰ ফালে অহাৰ
তথাপিও বাট চাওঁ
তুমি আহিবা বুলি
জোনাকক কওঁ তুমি
আহিবা বুলি।
মোৰ ভালপোৱাই
তোমাক হয়তো
সেই ভালপোৱা
দিব নোৱাৰিলে
যাৰ বাবে তুমি
গোটেই জীৱন ৰৈছিলা,
আজি আকৌ সোঁৱৰাও
তোমাৰ প্ৰতি থকা ভালপোৱাক
জানো, এতিয়া যে
সেই ভালপোৱাৰ কোনো মূল্য নাই।
তথাপিও আছো ৰৈ
জোনাকৰ পদূলিত
কেতিয়া আহিবা তুমি
মোৰ কাষলৈ.........



## আমাৰ মহাবিদ্যালয়

— ক্ষীৰোদ শইকীয়া
স্নাতক প্ৰথম ষাম্মাষিক

ডিব্ৰু মহাবিদ্যালয়
নিচেই দূৰত আমাৰ মহাবিদ্যালয়খনি।
আন্ধাৰ ঠেলি পোহৰলৈ আহিলোঁ।
ডিব্ৰু মহাবিদ্যালয় বুলি
শুনা ভনী অমৃত বৰষা;
গুৰুদেৱৰ বাণী।
আছে জ্ঞানামৃত বৃক্ষৰ গুটি;
মনত ৰাখিবা সোণমণি।।
জ্ঞানেই আমাৰ শিলৰ খুটি;
কিতাপেই গুৰুৰ বাণী।।




## তোমাৰ বাবে

— ইমৰান আহমেদ
স্নাতক তৃতীয় ষাম্মাষিক,
কলা শাখা

গোলাপ পাহিৰ দৰে সুন্দৰ তুমি,
বেলি ফুলৰ দৰে উজ্জ্বল তুমি।
সাগৰৰ দৰে বিশাল মনৰ তুমি
হিমালয় পৰ্বতৰ দৰে উচ্চ সপোন তোমাৰ।
তোমাক পোৱাৰ আশা বহুতৰ মনত জাগে।
মোৰ দৰে নিঠৰুৱা এটিৰো এই সপোন জানো।
তোমাৰ সৰলতাত মই হ'লো মগ্ন।
তোমাৰ আন্তৰিকতাত মোৰ জাগি উঠে প্ৰেমৰ লগ্ন।
তোমাক পোৱা মোৰ জীৱনৰ এটি সপোন,
তোমাক লৈ লিখা এই কবিতাটি,
হ'ব পাৰে বহুতৰ বুকুৰ আপোন।





## শীতৰ সেমেকা ৰাতি

— মামু গগৈ
স্নাতক প্ৰথম ষাম্মাষিক, কলা শাখা

শীতৰ সেমেকা ৰাতি
হাতত তুলি লোৱা কলমটি,
উগুলে-থুগুল মোৰ মনটি
আহিলে মাঘৰ বিহুটি।
চিৰা খুন্দিম নে সান্দহ খুন্দিম আৰু খুন্দিম পিঠা,
তুঁহ জুইত আলু চেৰা দিম।
মৃতকৰ কাৰণে পূজিম
এগছি চাকি আৰু দেওৰস এটুপি।
শীতৰ সেমেকা ৰাতি
ৰখিম নে মেজিৰ ভেলা ঘৰটি
সকলোৰে মিলি-জুলি
পুৰিমনে পিঠা-পনা তেল দি?
ধৰিমনে সেৱা ৰাইজৰ আগত
আশীৰ্বাদ বিচাৰি।



## তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ এতিয়া মাথোঁ সপোন

— জ্যোতি পাটৰ
স্নাতক দ্বিতীয় বৰ্ষ
কলা শাখা, অসমীয়া বিভাগ

এজাক বৰষুণত তিতি
তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ
এতিয়া মাথোঁ সপোন।
আচলতে তুমি কি বিচাৰা
অকণমান ছাঁ নে ৰঙীণ ছাতি
হঠাৎ কিয় এৰি গ'লা
জীৱন শূন্য কৰি মোৰ
হিয়াৰ য'ত সেউজীয়াবোৰ
দুভৰিত গছকি
সপোনবোৰ মৃত্যু কৰি
সপোন অবিহনে জানো
জীৱনৰ সাৰ্থকতা আছে।
তোমাৰ প্ৰেমত অন্ধ হোৱাৰ বাবেই
বিষাদ আহে সঘনে
নিয়ঁৰৰ দৰে সৰি পৰে চকুপানী
প্ৰাণ পখাঁলি ধুই নিয়েনে বাৰু বিষাদবোৰ
কাঁইটৰ দৰে বিন্ধে মাথোঁ তোমাৰ স্মৃতিবোৰ।
এতিয়া আৰু মোৰ বুকুত
আলফুলে দিয়া প্ৰেমৰ প্ৰতিশ্ৰুতিবোৰ
ভিৰ নকৰে বৈ যাব কাষৰ নৈয়েদি
ভাল পোৱা হৃদয়ৰ প্ৰতিশ্ৰুতিবোৰ
প্ৰাপ্তি ঘটে জীৱনৰপৰা মহাজীৱনলৈ।

## প্ৰেম বা ভালপোৱা

— ৰক্তিম ৰঞ্জন বৰকটকী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

হৃদয়ত যেন কিবা
বিশেষ অনুভূতি
কিয় যে মুখত নজনাকৈয়ে
আহে মিচিকিয়া এই মধুৰ হাঁহি
কেতিয়া আহে বাৰু এই অনুভূতি?
বাৰে বাৰেতো নাহে
এই মিচিকিয়া মধুৰ হাঁহি।
কিন্তু যেতিয়াই আহে
মনলে এই অবুজ শিহৰণ,
হৃদয়ে যেন আকাশ
চুব খোজে বাৰে বাৰে
উৰিব খোজে মুকলি আকাশত
এয়া জানো প্ৰেম,
এয়া জানো ভালপোৱা
যি জীৱনৰ অন্তিম কাললৈ
সুন্দৰভাৱে সঞ্চিত হৈ থাকে,
হৃদয়ৰ এটি কোণত।

## সৰল শ্ৰদ্ধা আৰু প্ৰেম

— মহানন্দ দত্ত
স্নাতক দ্বিতীয় বৰ্ষ
প্ৰাণীবিজ্ঞান বিভাগ

তোমাৰ জানো মোৰ কথা মনত পৰিব?
যিদিনা তোমাৰ হৃদয়ৰ অংশীদাৰ
মোৰ সলনি হয়তো!
আন কোনোবা হ'ব। তেতিয়া,
তোমাৰ জানো মনত পৰিব,
তুমি মই দুয়ো চিনাকী হোৱাৰ কথা।
তোমাক লৈ ৰচা এই যে......
ভুৱা সপোনবোৰ, কেতিয়াবা জানো,
বাস্তৱত পৰিণত হ'ব?
যেতিয়া তুমি আনৰ হ'বা, মোৰ বাবে
এখন্তেক ভাবিবলৈ সময় হ'ব জানোঙ্গ
নিশ্চয় নহ'ব!
সেই সময়ত তোমাৰ হৃদয়ত
বাজিব নতুন জীৱনৰ সুৰ, আৰম্ভ হ'ব
জীৱনৰ নতুন মেলা,
মোৰ জীৱনলৈ এৰি থৈ যাবা
একালৰ এক দুখৰ খেলা।
জানা......!
ধন, সোণ, অট্টালিকা, ঐশ্বৰ্য্য-সম্পত্তি
হ'লেও কিন্তু মানুহ সুখী হ'ব নোৱাৰে,
মানুহক লাগে সৰল শ্ৰদ্ধা আৰু প্ৰেম।।





## বহাগত প্ৰকৃতিৰ ৰূপ

— পাৰ্থপ্ৰতিম কোঁৱৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আজি বহাগীয়ে যেনেকৈ নতুন ৰূপত
ফুটি উঠিছে।
ঠিক একেদৰে আন আন গছ-লতাবোৰে
আনন্দতে নতুন নতুন কুঁহিপাত আৰু
ফুল ফুলিছে।

আজি সঁচাকৈ শিমলু, পলাশ, চন্দন
সকলোবোৰে পুৰণিক যেন সলাই।
ন-ন ফুল পাতেৰে ৰাঙলী কৰি
পেলাইছে।
সঁচাকৈ কামিনী কাঞ্চন, চম্পা আৰু
নাগেশ্বৰে এই পৃথিৱীত সুগন্ধ বিয়পাই
দিছে।

আজি সন্ধিয়া আকাশৰ মেঘবোৰ চন্দ্ৰ
তাপৰ দৰে ওলমি আছে।
আকৌ প্ৰকৃতিত থকা সেউজীয়া ঘাঁহনিয়ে
সুন্দৰকৈ পাৰি পাৰি ৰাখিছে।
চৰাইবোৰেও আয়তীৰ সাজেৰে
প্ৰকৃতিক শুৱনি কৰি ৰাখিছে।

## প্ৰেমৰ কবিতা

— ইমৰান আহমেদ
স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা

প্ৰেম কৰাৰ কোনো সীমা নাই
প্ৰেম কৰিও তুমি ক'ব পৰা নাই
নকৰিও কৰিব লগা হয় প্ৰেম
পাইও হেৰুৱাব লগা হয় প্ৰেম।
মানুহ মাত্ৰেই ভুল,
প্ৰেম মাত্ৰেই মনটো ব্যাকুল।
মোৰ মনৰ মাজত তুমি কোন
তুমি হ'লা মোৰ মনৰ মাজৰ এক
অলেখ সপোন।।

# মোৰ প্ৰেম

— পূৰবী শইকীয়া
স্নাতক প্ৰথম ষান্মাসিক
কলা শাখা

মই প্ৰেমত পৰিছিলো নিজান দুপৰীয়াটোৰ সৈতে
গৰখীয়াৰ সুহুৰি এটা হৈ।
ককাইদেউৰ বুকুৰ এৰাবাৰীত
আমোলমোল সুবাসেৰে ফুলিছিল মাধৱীলতা।
শূন্যতা দেখি ফুৰা নিজান দুপৰীয়াটো
মোৰ কলিজাৰৈ আলফুলে সোমাই আহিছিল।
দুপৰীয়া দুপৰীয়া গোন্ধাই থকা
মোৰ কলিজাৰ কুঠৰীত ৰবীন চৰাইটোৱে সুহুৰিয়াইছিল
পকা থেকেৰা এটা সৰি পৰিছিল
ককাইদেউৰ বুকুৰ চোতালত।
চুতীয়া শালিকীজনীয়ে ৰিঙিয়াইছিল
লগৰীয়াহঁতক
ভাগ কৰি খহিছিল মোৰ কলিজাৰ চোতালত
এদিন দুপৰীয়াটো ৰঙা হ'ল
তেজৰঙী ঠোঁটৰ কাউৰীজনী মোৰ চোলাটোত পৰিল
কাঞ্চনমতী ধানৰ কেঁচা পাতৰ মাজেৰে আগুৱাই গ'ল।

# প্ৰেয়সী

— বিপুল মুৰ্মু
স্নাতক তৃতীয় ষান্মাসিক
ৰসায়ন বিভাগ

ফুলৰ মাজত ধুনীয়া পৰী
এজনী তুমি
মন যায় ৰ' লাগি চাই থাকিবলৈ।

কোনেনো সৃজিলে, কোনেনো পঠালে
স্বৰ্গৰপৰা এই ধৰণীত তোমাক
মোৰ প্ৰেয়সীৰ ৰূপত।

মন যায় পূজিবলৈ সেই স্ৰষ্টাজনক
যিয়ে বৰষালে তোমাক এই মৰতত
মোৰ প্ৰিয় কলিজা স্বৰূপত।



তোমাতে আৰম্ভ মোৰ পুৱা-গধূলি
তুমি সেই মোৰ জীৱন লগৰী
তোমাতে বিছাৰি পাওঁ মই জীৱনৰ সকলো সুখ-দুখ।
কিমান দয়ালু, কিমান উদাৰ মৌনতা
কিমান মৰমীয়াল তুমি
পমি যাব বিচাৰো চিৰকাল তোমাৰ প্ৰেমত।

আশা কৰো মৰমৰ এই সুঁতি
বৈ থাকে চিৰদিন
এক সীমাহীন বোৱতী নদীৰ সোঁত হৈ।
এক বোৱতী নদীৰ সোঁত হৈ।।.....



# বীণাপাণি

তল সাগৰৰ বিশাল পানীত
পৰিলো মই উজুটি
বাস কৰা বীণাপাণি তুমি
মোক গ্ৰহণ কৰিবানে?

সাতুৰিব নাজানো এই পাতাল সদৃশ
জলৰাশিৰ মাজত
ককবকাব ধৰিছে মোৰ জীৱন।

কেৱল তোমাক দেখিয়েই
আশাৰ ৰেঙনি মেলিছে
এই জলজল পটপট মোৰ মন।




বুজিছানে তুমি? এই ভূ-তল জলৰ মাজতো
মোৰ এই হৃদয়ক জুয়ে পুৰাদি পুৰিছে
তোমাৰ সেই চকুৰ চাৱনি।

লাজৰ আঁৰত লুকাই
মোৰ মনৰ কথা ক'ব দেখোন
ডুব যাব মোৰ জীৱন এখন।

## Long Live The Teachers

– **Chiranjiv Sagar**
B.Sc. 1st Semester

When I was just about to take my birth
Down from the heaven on this beautiful earth
Something always striked me in my heart
I was so scared for coming alone here
There was something which I now also fear
That who would be there, for my welfare,



and then when I woke up, I saw a lady
called my sweet mom,
After that I saw my dad
Yes, I was his son.
Here in this world I got to meet every body
Since then I'm never alone
Whenever I am confused now
My mom always hold my hand
and I feel warm and safe in this unknown land
Really I'm so lucky to be a part of this sweet band.

Next when I stepped out of my home
Someone was always holding my hand but he's not an unknown,
That person guides me the way to travel on
At first I was worrying about my future
But the same person is still helping me to building my career
That person is none other than my teacher

Now I am so happy here
and of course I never fear
Since there's brightness and brightness everywhere
I would like to stay forever in this brightened shade
of love and glory, which we altogether have made
Let us all promise we shall never let these sweet memories fade.

*Dedicated To All My Loving Teachers*



## THE INDIAN CRICKET TEAM

**Prem Kumar Sonar**




When Sachin takes a run,
watch the match for fun,
When Yuvraj hits a six,
The Pakistan team are in fix!
When Sehwag hits a four,
Akhtar can do no more!
When Ganguly is out to bat,
The fielders are already set.
When Pathan is going to bowl,
Wickets are sure to fall.
When R.P. Sing takes a wicket
Naved forget whats cricket
When Malik tries his luck,
He's out for a duck!
When the ball is in air,
Afridi shouts, "It's not fair"
When Sreesanth runs to take a catch,
Pakistanis are sure to loose the match.
When the ball goes swinging,
India is sure to be winging.

## BELIVE IN YOURSELF


**Naina Dihingia**
2nd Year, Chemistry Deptt.

Believe in what makes you feel best and what
makes you happy.
Believe in the dreams you've always wanted to
come true,
and give them every chance to fly high
The ultimate meaning of
life is not known,
But for the man who
believe in themselves
and their dreams,
life is a very pricious gift
in which anything is possible
and life is what the man makes for himself.

বিজ্ঞানভিত্তিক গল্প

# স্নেকলেৰ আৰু দেৱাঙ্গী

✍ ড° জ্যোতিমা ফুকন
প্ৰাণী বিজ্ঞান বিভাগ



'মেম'।

'মে-মে.....

লিখাৰপৰা মুৰটো দাঙোতেই মই পৰীক্ষা কৰি থকা প্ৰেক্‌টিকেল বহীখনৰ ওপৰেৰে কিবা এটা জঁপিয়াই পকা মজিয়াত পৰিল। ভৰিৰ ঠিক ওচৰতে পৰা অলফ স্নেকটো দেখি মই শিহৰিত হৈ আতংকত চিঞৰি উঠিলো। মোৰ চিঞৰৰ মাত্ৰাত ল'ৰাটোৱে সেমেনা-সেমেনি কৰি মূৰটো খজুৱাই ক'লে – 'চৰি মেম। মই সাপটোৰ নামটো কি জানিব বিচাৰিছিলো।

– 'মই সাপৰ স্পেচিয়েলিষ্ট নহওঁ।' – অলপ চাগৈ ৰূঢ় হৈয়ে মোৰ মাতটো ওলাইছিল। তাৰপিছত নিৰাপদ দূৰত্বলৈ আহি সুৰ সলাই তাৰফালে চাই ক'লো।

'চোৱা দেৱ। তুমি যধে-মধে এই সাপধৰা কামবোৰ নকৰিবা। মই জানো তোমাৰ এই চাবেক্টটোত ইণ্টাৰেষ্ট আছে। কিন্তু তুমি ভালদৰে টাৰিয়াং চাৰৰ ওচৰতে সাপধৰা ট্ৰেইনিংটো লৈ লোৱা।'

– 'ও ঠিকেই। সাপৰ কোনো বিশ্বাস নাই।' মনোৰঞ্জনে মোৰ কথাত সঁহাৰি জনালে। দেৱই তেতিয়াই সাপটো মূৰৰ অলপ তললৈ টেপা মাৰি ধৰি মই লিখি থকা টেবুলখনৰ সন্মুখত ৰখা কাঁচৰ বিকাৰটোত সুমুৱাই লেবৰেটৰীৰ সংলগ্ন সিহঁতে বহা ৰূমটোলৈ লৈ গ'ল। সাপটো কুচি-মুচি তলিত পৰি ৰ'ল।

'ইয়াৰ অলপ বেছি হৈছে। ইটো মৰিবই, মোকো মাৰিব মেম। ই য'তে ত'তে সাপ ধৰিবলৈ যায়।' নাৰ্চাৰীৰ ল'ৰা এটাই ক্লাচৰূমত ক্লাচ টিচাৰক লগোৱাদি বিশ্বজিতক ক'লে। দুয়োটা বৰ বন্ধু। একেখন চাইকেলতে দুয়োটাই ডাবল কৰিহে কলেজলৈ আহে। কাপ-প্লেট!

মৰমলগা বিশ্বজিতে কথা ক'লে তাক নিৰ্দোষ সৰু ল'ৰা এটাৰ দৰে লাগে।

'আৰু যদি সি সাপ ধৰিবলৈ যায় মোক কবা। দিম মই তাক মজা।' কোনে কাৰ কথা শুনে। দেৱ দেৱই।

'মেম মই আপোনাৰ আণ্ডাৰত সাপৰ ওপৰত প্ৰজেক্ট কৰিম।'

'সাপৰ ওপৰত! নাই নাই। তুমি অন্য এটা বিষয় বাচি লোৱা মই কৰাই দিম।'

'নাই মই সাপৰ ওপৰতেই কাম কৰিম। মোৰ ইণ্টাৰেষ্ট আছে। কথা কওঁতে সি বাওঁহাতখন অগাপিচা কৰি থাকে।

'ঠিক আছে। তোমাৰ ইচ্ছা আছে যদি তুমি বৰা চাৰৰ লগত কাম কৰা। মই হ'লে নোৱাৰিম।' কিয় জানো সৰ্পিল জাতীয় বস্তু দেখিলেই মই শিয়ঁৰি উঠোঁ। সি হয়তো মোৰ কথাত তৃপ্তি পালে।

'নাই মেম। মই আপোনাৰ লগতেই........।'

'নাই নাই মোক নকবা।'





এইখন কলেজত প্ৰথম চাকৰিত জইন কৰোঁতেই তৃতীয় বৰ্ষৰ দেৱ-বিশ্ব, প্ৰসেনজিত, ৰঞ্জিত, সংগীতা, পিংকি, ভৈৰৱী, চয়নিকা, বিউতিহঁতৰ লগত একাত্ম হৈ পৰিছিলোঁ। সিহঁতৰ সৰু সৰু সুবিধা-অসুবিধা আনকি সিহঁতৰ মাজৰ ধেমালীবিলাকো মোক নতুন পাই মোৰ লগত ভাগ-বাটৰুৱা কৰিছিল। সিহঁতৰ আব্দাৰবিলাকৰ মাজত ময়ো কলেজল'নত লাহে লাহে পুৰণি হৈ আহিলো। দেৱ বোলা ল'ৰাটো মই অকলশৰে বহি থাকিলে আহি ওচৰত ঠিয় হয়হি।

'মেম কথা এটা ক'বলৈ আছিলে।

'কোৱা'।

–'মেম কালি নেট চাওঁতে স্নেকভেনমৰ মেডিচিনৰ ওপৰত এটা ইণ্টাৰেষ্টিং ট্ৰপিক পঢ়িলোঁ।

'মেম। আফ্ৰিকান এটা ভাইপাৰ আছে তাৰপৰা ভেনম একষ্টেক কৰি মেনিলা ৰোগীৰ বাবে ইনজেকচন বনাইছে।'

'মেম তহঁতৰ ফেৰ'মন বাহিৰ কৰি.....। তাৰ এটা কথাই ভাল যে তাৰ এটা অধ্যয়নগ্ৰাহী মন আছে।' কিছু চঞ্চল কথা কওঁতে অলপ লাগি ধৰা দেৱৰ কথাবোৰ মই বৰ 'এনজয়' কৰোঁ।

'আজি দেৱপ্ৰসাদক দেখা নাই যে।' স্বেতাক সুধিবলৈহে পালো ডিপাৰ্টমেণ্টৰ সন্মুখত এখন নেন' আহি ৰ'লহি। নেন'খনৰপৰা খৰধৰকৈ নামি কাগজৰ কাৰ্টুন এটা লৈ উপস্থিত দেৱ।

'মেম। আজি এটা ৰেয়াৰ সাপ লৈ আহিছোঁ।

এই সাপটো মেম নাইকিয়া হৈ গৈছে। নন পইজনাচ! আপুনি ভয় নাখাব।' সি মোক দেখি কিছু উত্তেজিত হৈ চিঞৰি উঠিল। প্ৰাণীবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ময়ো উদ্বিগ্ন হৈ কাৰ্টুনটো খোলালৈ বাট চালো। বাকচটোৰ তলিত প্ৰায় ৩ ফুট সাপ এটা মেৰ খাই পৰি আছে। গোটা পাইপ এডালৰ দৰে মূৰৰপৰা নেজলৈকে প্ৰায়ে ৮ ছেঃমিঃ ডায়েমিটাৰৰ সাপটো ৰঙচুৱা পাতল সেউজীয়া আৰু উজ্জ্বল হালধীয়া ৰঙৰ। ছালখন টান লেডাৰৰ দৰে।

'অৰনামেণ্টটেল সাপ! মুখৰ ভিতৰতে উৎপল দেউৰীয়ে ক'লে।

'ক'ত পালা।'

'মেম। জকাই ফৰেষ্টৰ ওচৰৰ শুকান নলা এটাত ফাঁচিডালৰ টুকুৰা এটা লাগি জোট-পোট খাই পৰি আছিল।

তেতিয়াহে ভালকৈ চাই দেখিলো সঁচাকৈ তাৰ গাটোৰ মাজঅংশতে দুটামান জালৰ গুটিৰ সৈতে টুকুৰা এটা আঁত খাই লাগি আছে। তেতিয়ালৈকে সাপটো নিশ্চল হৈ পৰি আছিল। হয়তো সি ভাগৰুৱা হৈ পৰিছে। ইতিমধ্যে কলেজৰ গোট খাই যোৱা ছাত্ৰ-ছাত্ৰীবিলাকৰ কোৰ্হালত সি আত্মৰক্ষাৰ বাবে দুৰ্বলভাৱে মূৰটো ফেঁটীসাপৰ হুদটোৰ দৰে দাঙিলে। টিক-টিককৈ ৰঙা দুফালযেন ক্ষীণকায় জিভাখন ভয় খুৱাবলৈ মেলি ধৰিলে বাহিৰফালে।

'সৌৱা তোমালোকৰ চাৰ আহিছে।' হাতত কিতাপৰ দম এটা লৈ বৰা চাৰক জুমটোৰ ফালে অহা দেখি ক'লো। বৰা চাৰৰ সাপটোৰ ওপৰত চকু পৰাত মূৰটোৰ তলত সহজভাৱে ধৰি দাঙি ধৰিলে। নেগুৰডাল দেৱই নিজৰ হাতত মেৰিয়াই ল'লে। মোৰ ম'বাইলৰ কেমেৰা সক্ৰিয় হৈ উঠিল।

'এইটো বৰ ৰেয়াৰ সাপ। ইস ইয়াৰ গাত ঘাঁ লাগি গ'ল। চাওঁ আনাচোন কেঁচি এখন।' বৰাছাৰে জালৰ টুকুৰাটোলৈ মন কৰি ইসইসাই উঠিল। বৰাচাৰে দেৱ আৰু উপজিতৰ সহযোগত লাহে লাহে জালৰ টুকুৰাটো কাটি দিলে। কপাহৰ টুকুৰা এটা এলকহলত জুবুৰিয়াই তাৰ ঘাঁ টুকুৰাত লগাই দিলে।

'ইচ্‌ ই ৰক্ষা পৰিল।' বৰাচাৰে কৈ উঠিল।

তাৰপিচত বৰাচাৰে সাপটোৰ মূৰৰ বাকলিবিলাক আৰু গাৰ বাকলিবোৰ দেখাই সাপটোক চিনাক্ত কেনেকৈ কৰিব পাৰি তাৰ ডেমনষ্ট্ৰেচন দিবলৈ লাগিল।

তেখেতৰ সাপৰ বিষয়ে যথেষ্ট অধ্যয়ন আছে।

'সাপটো জকাই ফৰেষ্ট ডিপাৰ্টমেণ্টতে দি দিয়া ভাল হ'ব নেকি। তাত হয়তো তাৰ লগৰখিনি থাকিব।' দেৱক নিৰ্দেশ দিয়াদি দিলো। পিছত গম পালো সি সাপটো মেলি নিদিলে। তাৰ অন্য বহুতো ধৰা সাপৰ লগত ৰাখি থ'লে। স্নেকফাৰ্ম। দেৱফাৰ্ম।

'নাই মে-ম। মই দুদিনমান সিহঁতৰ আচৰণ অধ্যয়ন কৰি এৰি দিম নহয়। কি খায় ভাল পায় চাই আছো।'

মোৰ মৃদু ধমকিত সি খোলাখুলিকৈ কৈ উঠিল। মচুৰা সাপবোৰ সি ধৰি ধৰি নিগনিৰ উপদ্ৰৱ থকা ঠাইবিলাকত এৰি দিয়েগৈ। সাপ দেখিলেই বিচাৰহীনভাৱে মাৰি পেলোৱা বাবে বহুতো উপকাৰী সাপো বৰ্তমান নাইকিয়া হোৱাৰ পথত। অদ্ভুত নিচা ল'ৰাটোৰ সাপৰ ওপৰত। মই কিন্তু ভিতৰি ভিতৰি আতংকিত হৈ থাকো। কিয় তাৰ এই নিচা। সাপৰ ক্ৰুৰতা আছে। মানুহো সাপৰদৰে ক্ৰুৰ হ'ব পাৰে।

'ইয়াত ফেঁটীসাপতকৈ বিষাক্ত সাপ এডাল আছে। আপুনি সাৱধান হ'ব। চাকৰিত জইন কৰাৰ পিছতে মোৰ শুভাকাংশী এজনে সতৰ্ক কৰিছিল। বাৰু এই কথা পিছলৈ থ'লো। আমি

আকৌ দেৱপ্ৰসাদক লগ ধৰোঁ। তৃতীয়বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হিচাবে দেৱ-বিশ্বহঁতক পঢ়োৱাৰ মাজতে অলপ ব্যতিক্ৰমী দেৱক নিৰীক্ষণ কৰি থাকিলো। সুবিধা পালেই সি তাৰ নতুন নতুন একটিভিটিবিলাক জনাবলৈ মোৰ কাষ চাপে।

পিছফালে হাত লুকুৱাই মোৰ ওচৰত থিয় হ'লেই মোৰ জনা হৈ গৈছে যে সি কিবা এটা লুকুৱাই ৰাখিছে।

'চাওঁ হাতত কি'।

'নাই মেম। এইটো।'

ডিঙিৰ অংশত এক বিশেষ কায়দাৰে ধৰি হাতখন ৰচি মেৰুৱাদি মেৰিৱাই সি সাপ আনি আনি মোক দেখুৱায়।

'ৰাস্তাত গাড়ীৰে চেপিলে ইয়াক। অলপ ট্ৰিটমেণ্ট কৰিব লাগিব।' কৈ সি তৎমূহুৰ্ততে হাতখন আগলৈ আনি টেবুলৰ ওপৰত কাৰ্শলা সাপটো মেলি দিলে। সাপটো নিশ্চল হৈ পৰি আছে। নেগুৰডালত চুই দিয়াত সি সামান্য লৰচৰ কৰি উঠিল। সঁচাকৈ দুদিনমান সি ডাঙৰ বিকাৰ এটাৰ ভিতৰত কপাহৰ মাজত সাপটো ৰাখি যত্নলৈ জীয়াই তুলিলে। ওচৰৰ হাবিখনত মেলাৰ আগতে সি সাপটো এবাৰ দেখুৱাই নিলে। তাৰ বন্যপ্ৰাণীৰ প্ৰতি চেনেহ দেখি মই অভিভূত হৈ পৰিলেও মই কেতিয়াও তাক উৎসাহজনক কথা নকওঁ। 'সাপৰ লগত বৰকৈ খেলা নকৰিবি, মৰিবি।' -- মনোৰঞ্জনৰ সতৰ্কবাণী সদায়ে থাকে। তাৰ পি.চি.টোত বিভিন্ন ভংগীত কেৱল সাপৰেই ফটো। তাৰে কিছুমান বিৰল প্ৰজাতিৰ। অলপ ভয়াতুৰ ধৰণৰ শ্বেতা পিংকি-চয়নিকাহঁতে তাৰপৰা দূৰত্ব বচাই চলে। তাৰ হাতত থকা পুতলা সাপটোৰে সিহঁতক কিমানযে ভয় খুৱাইছে।

'এইটো একেবাৰে সাপ বনি গৈছে। যা এইটো।'

সিহঁতৰ কথাবোৰে মোক আমোদ দিয়ে যদিও প্ৰায়ে মই নেদেখা ভাওজুৰি থাকো।

'মেম। আপুনি যে সিদিনা আমাক পঠাইছিল জিন ক্লনিংৰ ওপৰত। মই এটা প্ৰচিডিঅ'ৰ ঠিক কৰিছিলো। চাওকচোন। তাৰ পি.চি.টোত ক্লিক কৰি এটা ফাইল খুলি সি মোক দেখুৱালে।

'আকৌ সাপ।' মই অলপ বিৰক্ত হৈ ক'লো।

'হয় মেম। সাপৰ জিন ক্লনিং। মই যেন এইবাৰ চকুমুদি দিম। হে ভগৱান। এই ল'ৰাটোক কি কৰা যায়।

কম্পিউটাৰৰ স্ক্ৰিনত তাৰ প্ৰচিডিঅ'ৰটো দেখা গ'ল। সিদিনা ধৰা বিৰল প্ৰজাতিৰ সাপটোৰ ফ'ট তাত ট্ৰেন্সফাৰ কৰিছে।

'মেম। মই চিওৰ যে এই সাপটোৰ এক বাণিজ্যিক ভেলু আছে। তাৰ ছালখন চাওকচোন। বেগ-জোতা, চেন্দেল বনাব পাৰি।' কাৰচৰডাল এইবাৰ তললৈ নামিল। 'এনে ৰেয়াৰ সাপবিলাকৰ আমি ক্লনিং কৰিব পাৰোঁ বা ইনকিউবেটৰত কণী ৰাখি পোৱালী উলিয়াব পাৰো।'

কৈ কৈ ক্ষীপ্ৰতাৰে পাৱাৰ পইণ্টত ৰেডি কৰা তাৰ প্ৰজেক্টটো মোক দেখাই গ'ল। তাৰ কথাত যুক্তি নথকা নহয়। এটা দাতাসাপৰ দেহৰপৰা সি কিছুমান দেহাকোষলৈ কোষকেন্দ্ৰটো একেজাতৰ আন এটা স্ত্ৰী সাপৰ জননকোষত স্থাপন কৰা দেখুৱাইছে। তাৰ আগতে স্ত্ৰীসাপৰ জননকোষটোৰপৰা কোষকেন্দ্ৰটো আঁতৰাই পেলাইছে। বৈদ্যুতিক তৰংগৰ সহায়ত দাতাৰ দেহকোষ আৰু জননকোষৰ সংযোজন হৈ এটা নতুন সবল কোষ উৎপত্তি হৈছে। এই নতুন কোষটোৱে সম্পূৰ্ণ সম্ভাৱনাৰে নতুন এটা কোষ উৎপন্ন কৰিবলৈ আৰম্ভ কৰিছে। এক নতুন সৃষ্টিৰ তাড়না।

'মেম এতিয়া আমাক লাগিব চাৰ'গেট মাদাৰ স্নেক।

'তাৰপিচত।'

'মেম। আফটাৰ ফাইভ অৰ ছিক্স মান-ঠ গেষ্টটেচন ....

'দেৱাঙ্গী উইল বৰ্ণ।

'মেম দেৱাঙ্গী!

'ইয়েচ দেৱাঙ্গী'!!

'ৱাওঁ। দেৱাঙ্গী। নন পইজনাচ ম'ৰ দেৱাঙ্গী উইল কাম আউট ফ্ৰম মাই লেব। ৱাওঁ। আনন্দত সি চিঞৰি উঠিল।

'তাৰ লেডাৰৰ পৰা জোতা, চেন্দেল, বেগ .....। সংগীতা, চয়নিকা অৰ্দাৰ দে এতিয়াই।' তাৰ স্বভাৱগত চঞ্চলতাৰে পিছফালে মূৰ কৰি আটাহ পাৰিলে।

'মেম। আপুনি কি ভাবি আছে। কালিলৈ থেচিচখন চাবমিট কৰিম। আপুনি এবাৰ চুই দিয়ক না।'

এখন সুন্দৰ বাইন্দিঙৰ থেচিচৰ ওপৰত জিলিকি আছিল শব্দকেইটা -- 'জিন ক্ল'নিং অন নন পইজনাচ স্নেক, দেৱাঙ্গী।'


(২০১২ৰ শেষান্ত বৰ্ষৰ প্ৰাণীবিজ্ঞানৰ সকলো ছাত্ৰ-ছাত্ৰীৰ হাতত -- মেম।)





# এটি ৰঙীণ আবেলি

✍ ভৈৰৱী সোনোৱাল
স্নাতক তৃতীয় বৰ্ষ,
প্ৰাণী বিজ্ঞান বিভাগ



পাহি কাইলৈ তোক চাবলৈ মানুহ আহিব।

শুবলৈ বুলি বিছনাত উঠাৰ লগে লগে মাকৰ কথাষাৰ শুনি তাই চক্ খাই উঠিল। এয়া তাই কি শুনিলে? বিছনাত পৰি ৰ'ল যদিও তাইৰ টোপনি হ'লে নাহিল। উভতি গ'ল তাইৰ মনটো পাঁচ বছৰমান আগলৈ।

হায়াৰ ছেকেণ্ডাৰী পাছ কৰি উঠি পাহি ডিব্ৰুগড়ৰ ডিব্ৰু কলেজত নাম লগায়। হোষ্টেলত থাকি পঢ়িবলৈ লয় তাই। তেতিয়াই চিনাকি হয় তাই ৰুমমেট কুঁহিৰ ককায়েক পলাশৰ সৈতে। ঘৰ যোৰহাটত। নতুনকৈ সেইবছৰ চাকৰিত সোমাইছিল, ইঞ্জিনিয়াৰ তেওঁ। কুঁহিক লগ কৰিবলৈ আহোঁতে কুঁহিয়ে পাহিক ককায়েকৰ লগত চিনাকী কৰি দিছিল। কুঁহিৰ দেউতাক ফৰেষ্ট অফিচাৰ। এদিন হঠাতে গম পালে যে কুঁহিৰ দেউতাক আৰু পাহিৰ দেউতাক বাল্য কালৰ বন্ধু। ল'ৰা-ছোৱালীহঁতৰ যোগেদি দুই বন্ধু পুনৰ আগৰ দৰে পৰস্পৰৰ ঘৰলৈ আহ-যাহ চলিবলৈ ধৰিলে।

ভনীয়েকক লগ কৰিবলৈ আহোঁতে পলাশে প্ৰত্যেকবাৰে পাহিক লগ পায়। লাহে লাহে পাহিয়ে পলাশৰ প্ৰতি দুৰ্বলতা অনুভৱ কৰিবলৈ ধৰিলে। পলাশে কি ভাবিছিল, সেয়া অৱশ্যে পাহিয়ে জনা নাছিল। কিন্তু ভনীয়েক নাথাকিলেও পলাশে প্ৰায়ে পাহিক লগ কৰি গৈছিল। ককায়েক ঘন ঘনকৈ অহা দেখি আৰু মাজে তাই নথকা অৱস্থাতে ককায়েকে পাহিক লগ কৰি যোৱাৰ কথা জানি কুঁহিয়ে মাজে মাজে তাইক জোকাইছিল।

ঃ পাহি, দাদাই বাৰু তোক লগ ধৰিব আহেনে মোক? তহঁতৰ মাজত কি যোগাযোগ চলিছে? তই মোৰ নবৌ হ'লে মোৰ ভালেই হ'ব। এই বুলি কৈ কুঁহিয়ে খিলখিলাই হাঁহে। কৃত্ৰিম খং দেখুৱাই পাহিয়ে তাইক মাৰিবলৈ খেদি যায়। কিন্তু ভিতৰি ভিতৰি তাই পুলকিত হৈ উঠে। পাহি আৰু পলাশ দুয়ো দুয়োকে ভাল পায় যদিও কোনেও প্ৰকাশ কৰা নাই। অপ্ৰকাশ্যভাৱেই চলি থাকে সিহঁতৰ প্ৰেম সময়ৰ সোঁতৰ লগে লগে।

বিএছ.চি ফাইনেল পৰীক্ষা দি উঠি কুঁহি আৰু পাহি নিজ নিজ ঘৰলৈ যাবলৈ সাজু হয়। যোৱাৰ আগতে কুঁহিয়ে পাহিক কয় - 'পাহি' তহঁতে প্ৰকাশ কৰা নাই যদিও মই ভালকৈয়ে জানোঁ যে দাদা আৰু তই পৰস্পৰে পৰস্পৰক ভাল পাৱ। এই এৰা-এৰিৰ পিছত পুনৰ চাগে আমি লগ হম নবৌ-ননদ হিচাপেহে। মই চিৰিয়াছ্লি কৈছোঁ পাহি।"


পাহিয়ে একো নকলে। দুই বান্ধৱীয়ে দুখ মনেৰে পৰস্পৰৰপৰা বিদায় লৈ ফোনৰ যোগেদি খা-খবৰ লোৱাৰ প্ৰতিশ্ৰুতি দি যায়গৈ।

ৰিজাল্ট দিয়াৰ পিছত পাহিহঁতৰ ঘৰলৈ পলাশ আহিছিল। কিন্তু সি তেতিয়াও তাইক একো নক'লে। সি তাৰ মনৰ কথা তাইক ক'ব খুজিও ক'ব নোৱাৰে। তাইৰ ওচৰ পালেই তাৰ কণ্ঠ ৰুদ্ধ হৈ যায়। তাইও যে পলাশৰ ওচৰত মূৰ তুলি কথা ক'বই নোৱাৰে। এইদৰে সিহঁতৰ প্ৰেম অপ্ৰকাশ্য হৈয়েই ৰয়।

পাহি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰে। ৰিজাল্ট সিমান ভাল নোহোৱাৰ বাবে কুঁহিয়ে তাত চিট নাপালে, বেলেগত পঢ়িলে। এদিনাখন বিশ্ববিদ্যালয়ৰপৰা আহি পাহিয়ে ফোনটো তাইৰ টেবুলতে থৈ মুখ হাত ধুবলৈ গল। তাই মুখ হাত ধুই আহি ফোনটো চাই দেখে কুঁহিয়ে তাইক এটা মেছেজ দিছে। কিন্তু মেছেজৰ ভিতৰৰ কথাখিনিয়ে তাইক কিছু দুখ দিলে। তাই লগে লগে কুঁহিলৈ ফোন কৰিলে।

ঃ হেল্লো কুঁহি তই এইবোৰ কি লিখিছ মই বুজি পোৱা নাই। তেতিয়া কুঁহিয়ে কলে পলাশ চাকৰিৰ সংক্ৰান্তত হঠাতে বাহিৰলৈ যাব লগা হ'ল। অৱশ্যে মাজে মাজে ফোন কৰিম বুলি কৈ গৈছে। দুবছৰ পিছতহে উভতিব। আমাক ভালকৈ পঢ়িবলৈ কৈ গৈছে। লৰা লৰি হোৱাৰ বাবে কুঁহিকে তাইলৈ খবৰটো দিবলৈ ক'লে। পাহিৰ আৰু শুনি থাকিবলৈ ধৈৰ্য্য নহ'ল কুঁহিৰ কথাবোৰ। তাই কুঁহিক ক'লে এতিয়া মই ফোনটো ৰাখোঁ, তোৰ লগত মই পাছত কথা পাতিম বুলিকৈ ফোনৰ সংযোগ বিচ্ছিন্ন কৰি দিলে পাহিয়ে।

কিন্তু পলাশ বাহিৰলৈ যোৱাৰ পাছত পাহিলৈ মাত্ৰ এদিনহে ফোন কৰিছিল। পাহিৰ বৰ চিন্তা লাগিছিল। মাজতে কুঁহি পাহিহঁতৰ ঘৰত এৰাতি থকাকৈ আহি গ'ল। তাই পাহিক ক'লে "তই চিন্তা নকৰিবি পাহি। দাদাই তোক কেতিয়াও পাহৰিব নোৱাৰে। হয়তো কামৰ হেঁচাত সি ফোন কৰিবলৈও সময় পোৱা নাই ছাগে। ইয়াৰপৰা ফোন লগালেও নালাগে। ঘৰলৈওতো দাদাই যোৱাৰ পাছত মাথো দুদিন ফোন কৰিছে।"





কুঁহিয়ে কোৱা কথাখিনিয়ে তাইৰ দুঃচিন্তা মাজে মাজে কমায় যদিও আকৌ একোবাৰভাৱে 'পলাশৰ জীৱনলৈ আন কোনোবা বেলেগ ছোৱালীৰ আগমন ঘটা নাইতো?' এই দৰে নানা শংকাৰ মাজেৰে তাই দিনবোৰ পাৰ কৰি আহিছে। কিন্তু আজি মাকৰ কথাষাৰে তাইৰ চিন্তা বঢ়াইহে তুলিলে।

স্নাতকোত্তৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা শেষ হ'বৰ এসপ্তাহ হৈ গৈছে। বিয়াৰ বাবে তাইৰ উপযুক্ত বয়স হৈছে। তাইৰ তলত আৰু দুজনী ভনীয়েক আছেই। এতিয়া তাই কি কৰিব? পলাশৰ বাহিৰে আনৰ কথা তাই ভাবিবই নোৱাৰে। কিন্তু মাক-দেউতাককো তাই একো ক'ব নোৱাৰে। পলাশেতো কেতিয়াও কোৱা নাছিল তাইক 'ভাল পাওঁ' বুলি 'তোমাক মই বিয়া কৰিম' বুলি। তাৰ জীৱনত যদি আন কোনোবা ছোৱালী আছে। উঃ, তাই আৰু ভাবিব নোৱাৰে। হে ভগৱান। যি হয় হ'ব আৰু বুলি ভাৱি তাই মাক-দেউতাকৰ ইচ্ছাক সন্মান জনোৱাটোকেই ঠিক কৰিলে। শেষ নিশাৰ ফালে তাইৰ অলপ টোপনি আহিল।

ৰাতিপুৱা মাকৰ মাততহে তাই সাৰ পালে। যান্ত্ৰিকতাৰে তাই কামবোৰ কৰি গ'ল। হঠাত তাই মগজুৰে কাম নকৰা হোৱা যেন পায়। উঃ ভগৱান। কি যে হ'ব। যথা সময়ত তাইক চাবলৈ মানুহ আহি পালেহি। চাহৰ ট্ৰেখন লৈ তাই ড্ৰয়িং ৰুমত সোমাই চক্ খাই উঠিল। কথমপিহে চাহৰ ট্ৰেখন হাতৰপৰা নপৰাকৈ থাকিল। এয়া তাই কাক দেখিছে? সপোন নে কি? এৰা, ঠিকেইতো। তাইৰ সন্মুখত দেখোন পলাশ আৰু কুঁহি।

তাইৰ অৱস্থা কুঁহিয়ে বুজিব পাৰিছে। তাইক আচৰিত কৰি তুলিবৰ বাবেই কুঁহিয়ে আগতীয়াকৈ একো জনাব নুখুজিলে। লগতে আটাইকে বাধা দিলে আচল কথা তাইৰ আগত ক'বলৈ। কুঁহি বহাৰপৰা উঠি তাইৰ ওচৰলৈ গৈ তাইৰ কান্ধত ধৰি হাঁহি মাৰি ক'লে - 'পাহি' হোষ্টেলীয়া জীৱনৰ শেষৰ দিনটোত তোক মই কি কৈছিলোঁ, মনত আছে নিশ্চয়? পাহিয়ে মূৰ দুপিয়ায়।

ঃ চাওঁ, মোৰ চাহকাপ দেচোন। বাহিৰলৈ যাওঁ মই। তহঁতে কথা পাত। কুঁহি গ'ল বাহিৰলৈ। পাহিৰ হাতৰপৰা চাহৰ ট্ৰেখন তায়ে টেবুলত থৈ গ'ল। পাহি একে ঠাইতেই তলমুৱা হৈ থিয় দি থাকিলে। বহাৰপৰা উঠি পলাশে তাইৰ কাষলৈ গৈ মাত লগালে - 'পাহি'।

তাই আৰু ৰ'ব নোৱাৰিলে। অন্তৰ ভেদি অহা কান্দোনক তাই বাধা দিব নোৱাৰিলে। পলাশৰ চকু দুটাও চলচলীয়া হৈ পৰিলে। থোকা থুকি মাতেৰে সি ক'লে -

ঃ তুমি কিয় এনেকৈ কান্দিছা পাহি? এইবাৰ মই তোমাক একেবাৰে নিজৰ কৰি লৈ যাবলৈ আহিছো নহয়। তোমাক এনেকৈ দূৰত থৈ মই আৰু ক'লৈকো নাযাওঁ।

পলাশৰ এই কথা শুনি পাহিয়ে কান্দোন বন্ধ কৰি ওপৰলৈ মূৰ তুলি এক দৃষ্টিৰে তাৰ চকুলৈ চাই সোধে—

ঃ আপুনি সঁচাকৈ এই কথা কৈছে, সঁচাকৈ আপুনি মোক ভাল পায়?


ঃঅ' ....... পাহি। (পিছ মুহূৰ্ততে সন্দেহেৰে) কিন্তু তোমাৰ জীৱনলৈ আন কোনোবা আহিল নেকি?

ঃ এই কথাষাৰ মই আপোনাকহে সুধিব খুজিছিলোঁ। আপুনি হঠাতে তেনেকৈ গুছি গ'ল। এদিনহে তাৰপৰা ফোন কৰিছিল যদিও তাৰ পাছত আৰু কোনো খবৰ নাই। কেনে দুঃচিন্তাৰ মাজেৰে মই দিন কটাইছোঁ, আপুনি বুজিব নোৱাৰিব। আপুনি যদি মোক ভাল পাইছিলেই, তেন্তে কিয় ইমানদিনে মোক কোৱা নাছিল?

ঃ তোমাৰ অৱস্থা বুজিব পাৰিছোঁ মই। কাৰণে মোৰো সেই একে অৱস্থাই আছিল। ইফালে কামৰ হেঁচাত ফোন কৰিবলৈয়ো সময় নাছিল আৰু যেতিয়া সময় উলিয়াই ফোন কৰোঁ, ফোনও নালাগে। সকলো শংকা কাটি কৰি থৈ মই যদিহে তোমাক মোৰ ভালপোৱাৰ কথা আগতেই জনাই দিলোঁহেতেন তেন্তে মোৰ তেনে দুৰৱস্থা নহ'লহেঁতেন। বাৰু এতিয়া সেইবোৰ বাদ দিয়া - আমাৰ মিলনত এতিয়া আৰু কোনো বাধা নাই। এই দীৰ্ঘ দিনৰ বিৰহে আমাৰ প্ৰেম আৰু বেছি গভীৰ কৰি তুলিলে নহয়নে?

ব্যাকুল চিত্তে কিছু সময় দুয়ো দুয়োৰে চকুলৈ চাই থাকিল। সেই সময়ত আবেলিৰ আকাশখন হৈ উঠিছিল সম্পূৰ্ণ উজ্জ্বল। বেলিটো হৈ উঠিছিল ৰঙচুৱা আৰু খিড়িকীখনৰ কাষত থকা গছডালত এহাল কপৌ চৰায়ে সিহঁতৰ মৰমৰ গীতটি আৰম্ভ কৰিছিল।

ভাতৰ কাঁহি সন্মুখত লৈ সি সদায় মাকে কোৱা কথাষাৰ মনত পেলাই। যিদিনা সি উচ্চ শিক্ষা ল'বৰ বাবে ঘৰৰ পৰা ডিব্ৰুগড়লৈ বুলি ওলাই আহিছিল। সেইদিনা মাকে তাক বৰকৈ কৈছিল "আৰু গাঁওলৈ ওভতি আহিম বুলি নাভাবিবি। চহৰতে পঢ়ি-শুনি নিজাকৈ কিবা এটা কৰিবি। তেহে মানুহ হবি, আমাৰ নাম ৰ'ব। মাকে কোৱা এই কথাকেইষাৰে তাক আজি-কালি বৰকৈ আমনি কৰে; যিকোনো সময়তে নিজৰ ওপৰতে ধিক্কাৰ জন্মে। স্নাতক মহলাৰ দুটা বছৰ ইতিমধ্যে সি সমাপ্তি কৰিছে। এয়া তৃতীয় বৰ্ষৰ কথা। দুটা বছৰত তাৰ মুঠ নম্বৰৰ ৪০ শতাংশও বেছি নহয়। অসমীয়া বিষয়ত মেজৰ। কি কৰিব, কি নকৰিব তাক লৈ এতিয়া তপনৰ মূৰটো অনবৰতে গৰম হৈ থাকে। কেতিয়াবা আকৌ হাঁহি-ধেমালিৰে বেছ্ স্ফুৰ্টিৱান মানুহৰ দৰে লাগে। মাকে কোৱা কথাবোৰকে শিৰোগত কৰি সি ইতিমধ্যে কেইবাটাও চাকৰিৰ বাবে আবেদন পত্ৰ দাখিল কৰিছে। কিন্তু কামত হ'লে অহা নাই। ডিব্ৰুগড়ত ভাড়া ঘৰ এটা কৰি থকাৰ কাৰণে চাউলৰ পৰা আৰম্ভ কৰি প্ৰায় সকলোধৰণৰ খোৱা বস্তু ঘৰৰ পৰাই দি পঠায়। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে মাকে তাক লৈ বৰ আশা কৰে। পিছে পিছে দুটা ভায়েক। ডাঙৰটো ভায়েক স্নাতক তৃতীয় যান্মাষিকৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ আৰু সৰু ভায়েক উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ। সিহঁতক লৈ মাক বৰ বেছি চিন্তিত নহয়; কাৰণ, অসমীয়াত এষাৰ কথা আছে যে - "আগৰ গৰু যেনি যায়, পাছৰ গৰুও সেই ফালেই যায়।" গতিকে মাকে আশা কৰাৰ মতে নিজকে প্ৰতিষ্ঠিত কৰাটো তপনৰ একমাত্ৰ উদ্দেশ্য।



# অশৃংখল


সত্যজিত গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ


প্ৰতিযোগিতামুখী সমাজব্যৱস্থাত সি নিজকে কেনেদৰে আগবঢ়াই নিব, তাকে চিন্তা কৰি এদিন সি ব্ৰহ্মপুত্ৰৰ পাৰত বহি পৰিল। ফেনে-ফুটুকাৰে ওফন্দি থকা গৰ্ভৱতী ব্ৰহ্মপুত্ৰই এফালৰ পৰা সকলো মষিমুৰ কৰি আনিছে। ক'ত গছ-গছনি, ঝাউবন জীৱ-জন্তুকে আদি কৰি বহুতো এই বিশাল ব্ৰহ্মপুত্ৰই উটুৱাই আহিছে। সেইবোৰ চাই থাকোঁতে সন্ধিয়াই হ'ল, সি ঘৰলৈ বুলি ওভতিল। এনেদৰেই দিনবোৰ অতিবাহিত হ'বলৈ ধৰিছে। কলেজত পঢ়োৱাবোৰ আৰু ঘৰত কৰিবলৈ দিয়া কামবোৰে এতিয়া তপনক কোনো ধৰণৰ প্ৰভাৱ পেলাব পৰা নাই। কাৰণ সি এতিয়া এটা সপোন লৈ ঘূৰি ফুৰিছে। যিটো সপোন হয়তো দিঠকত পৰিণত হ'লে তাৰ মাক-দেউতাক আৰু ঘৰখনৰ নাম সমাজত জিলিকে লগতে দুটা ভায়েকে উচ্চ শিক্ষা ল'বলৈ সুবিধা পায়।



কলেজত তাৰ এগৰাকী পূজনীয় গুৰু আছে। সিগৰাকী গুৰুৱে তাৰ প্ৰতিটো খবৰ ৰাখে, যথা সময়ত সৰ্বতো প্ৰকাৰে সহায় কৰে অধ্যয়নৰ ক্ষেত্ৰত। এইজনা শিক্ষা গুৰুৰ সান্নিধ্যলৈ আহি সি জীয়াই থকাৰ প্ৰেৰণা পালে। সহস্ৰজন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সি পঢ়াত বৰ ভাল নহয়, সেয়েহে প্ৰায় প্ৰতিটো বিষয়ৰ শ্ৰেণীতে সি শিক্ষাগুৰুসকলৰ পৰা কথা শুনিবলগীয়া হয়। কিন্তু সকলো শিক্ষাগুৰুৱে নাজানে যে সি কেনেদৰে আহি শিক্ষা গ্ৰহণ কৰিব লগা হৈছে। এই কথা মাত্ৰ পূজনীয় শিক্ষাগুৰুজনাৰ বাহিৰে অন্য কোনোৱে নাজানে। কলেজত তাক বন্ধু-বান্ধৱীবোৰে বৰ ভাল নাপায়। কাৰণ সি কিছুমান নকৰিবলগীয়া কাম কৰে আৰু নক'বলগীয়া কথা কয়। সেইটো তাৰ স্বভাৱত পৰিণত হৈছে। বন্ধু-বান্ধৱীবোৰে যে তাক নামাতে, তাক লৈ সি মূৰ নঘমায়। কাৰণ বন্ধু-বান্ধৱীবোৰে কোৱাৰ দৰে সি নিজকে পাগল বুলি কবলৈও কুণ্ঠাবোধ নকৰে। ইতিমধ্যে সি যিবোৰ কাম কৰিছে সেইবোৰ কাম তাৰ বন্ধু-বান্ধৱীবোৰৰ পৰা আশা কৰা দুৰৈৰ কথা। যদিও সি নিজকে পাগল বুলি নাভাৱে তথাপি আন বন্ধু-বান্ধৱীবোৰতকৈ সি অলপ অগতানুগতিক।

হেল্ল' ..........।

হেল্ল' ..........।

কোনে কৈছে?

সিফালৰ পৰা কোনো প্ৰত্যুত্তৰ নাহিল। সি জানিবলৈও ইচ্ছা নকৰিলে। অলপ সময়ৰ পাছত সেই একেটা নম্বৰৰ পৰা এটা এছ এম এছ আহিল। এচ এম এছ টো আছিল এনেধৰণৰ "তুমি কোন হয়?" লগে লগে তপনেও ৰিপ্লাই জনালে। এনেকৈয়ে এটা অচিনাকী নম্বৰৰ স'তে তাৰ চিনাকী হ'ল। বহুদিন এনেদৰেই ম'বাইলত কথা-বতৰা পাতি থাকোতে হঠাৎ এদিন সি বৈ যাব লগা হ'ল। কাৰণ সিফালৰ পৰা এটা প্ৰশ্ন আহিল যে "তুমি মোক ভাল পোৱানে? মই তোমাক ভাল পাবলৈ লৈছো?" এনে অভাৱনীয় কথা এটা সি কেতিয়াও আশা কৰা নাছিল। দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন। এনেকৈয়ে পাৰ হ'বলৈ ধৰিলে। সিহঁতৰ মাজত পূৰ্বৰ দৰেই কথা-বতৰা চলি যাবলৈ ধৰিলে। যদিও সিফালৰ পৰা অহা প্ৰশ্নই তপনক এক প্ৰকাৰে সন্মতি জনাবলৈকো বাধ্য কৰিছিল। সময়ত সেয়া হৈ উঠিল। এদিনো নেদেখা ছোৱালী এজনীক এনেকৈয়ে সন্মতি দিয়াটো উচিত হয় নে নহয় সি ভাবিবলৈকে সময় নোপোৱাৰ দৰে হ'ল। দুয়োৰে মাজত এক বিৰাট প্ৰেমে খোপনি পুতিলে। মাজে মাজে তাই তপনক নাপালে নিজকে শেষ কৰি দিয়াৰো বাৰ্তা এছ এম এছৰ যোগেদি তালৈ প্ৰেৰণ কৰে। এদিন হঠাৎ তাই তপনক লগ কৰিবলৈ বুলি সিদ্ধান্ত ল'লে আৰু কলেজলৈ অহাৰ চল কৰি তাই ডিব্ৰুগড়লৈ বুলি গাড়ী ধৰিলে। তাই যিহেতু ডিব্ৰুগড় চিনি নাপায়, সেয়েহে গাড়ীত বহাৰ লগে লগে ফোন কৰি চালকৰ স'তে কথাও পতাই দিলে। তপনে তেতিয়া চালকজনক উদ্দেশ্য কৰি ক'লে যে ছোৱালীজনীক আস্থানতে নমাই দিব। মই আগতেই গৈ ৰৈ থাকিমগৈ। কথা ম'তে কাম হ'ল। তপনে বহু আগৰে পৰা আস্থানত তাইৰ বাবে অপেক্ষা কৰি আছিল। সময়ত তাই আহি পালেহি। গাড়ীখনৰ পৰা ইতিমধ্যে দুজনী ছোৱালী নামিল। সি কোনজনী চিনিব নোৱাৰিলে। এজনীয়ে চালকক ভাড়া দিয়াত ব্যস্ত আৰু আনজনীয়ে ফোনটো উলিয়াই কাৰোবলৈ ফোন কৰাত ব্যস্ত। তাৰ বুজিবলৈ বাকী নাথাকিল। ওচৰলৈ গৈ মাত দিলে, ছোৱালীজনীয়ে I am Sorry বুলি হাঁহি এটা মাৰি গুচি গ'ল। তাৰ মুখখন ৰঙা পৰি গ'ল আৰু ফোনটো বাজি উঠিল, তপনে আনজনী ছোৱালীক চালে, তাই ইতিমধ্যে চালকক পইচা দি ফোন কৰাত ব্যস্ত। সি এইবাৰ ৰিচিভ নকৰাকৈয়ে তাইৰ ওচৰলৈ গৈ পাহী বুলি মাত দিলে। তেতিয়া তাইও ঘূৰি চালে আৰু খন্তেকৰ কাৰণে দুয়ো থৰ হৈ ৰ'ল। প্ৰথম সাক্ষাততে যেন দুয়োটাই বিচাৰি পাইছে হাজাৰ বছৰৰ হেৰুৱা মৰম। তাৰপাছত দুয়োজনে হোটেলত কিবা-কিবি খালে। পাহীয়ে তপনক কলে "মই আজিৰ পৰা ঘৰলৈ ওভতি নাযাওঁ।" তেতিয়া তাৰ মূৰত সৰগখন পৰাৰ দৰে হ'ল। সি কথাবোৰ তৰ্কিবই নোৱাৰিলে। বহুত বুজাইও সি বিফল হ'ল। এই দৰে দিনটো পাৰ হ'বলৈ ধৰিছে। অৱশেষত তাক লৈ সি বন্ধু এজনৰ ঘৰতে নিশাটো কটোৱাৰ সিদ্ধান্ত ল'লে।

তাইৰ ঘৰৰ পৰা ফোন কৰিছে মাকে, কাৰণ পুৱাতে কলেজলৈ বুলি ওলাই অহা একমাত্ৰ জীয়েক পাহী আজি ইমান সন্ধিয়ালৈকে ক'লৈ গ'ল। তাই ফোন নুঠালে। ৰাতি বহু সময়লৈকে ফোন বাজি থাকিল। শেষত বন্ধ কৰি দিলে।

তপনৰ জীৱনত এনে এটা অঘটন ঘটিব বুলি সপোনতো ভবা নাছিল। এতিয়া তাৰ জীৱনটো আন্ধাৰ। এফালে মাকে কোৱা কথাবোৰ, আনফালে তাৰ জীৱনৰ অচিনাকী প্ৰেম। দুয়োটাৰে মাজত পৰি সি ককবকাবলৈ ধৰিলে তাইক এতিয়া সি কি খুৱাব, কি পিন্ধাব। সকলোবোৰ কথাই তাৰ মূৰটো খুলি খুলি খাবলৈ ধৰিলে। অৱশেষত তপনে তাইক ক'লে - তুমি যদি মোক ইমানেই ভাল পোৱা, তেনেহলে মোৰ ভালপোৱাৰ উপহাৰ হিচাপে তুমি তোমাৰ জীৱনটো শেষ কৰিব পাৰিবানে? তাই সন্মতি জনালে। লগে লগে .........।।। তপনে মাকৰ কথা ৰাখিব নোৱাৰিলে আৰু কোনোদিনেই নোৱাৰে।

# নৈঃশব্দত হৃদয়ৰ উচুপনি

বিপ্লৱী গগৈ
স্নাতক তৃতীয় বৰ্ষ

*কৃষ্ণপক্ষৰ সূচীভেদ্য অন্ধকাৰে ঢাকি ধৰিছে সমগ্ৰ ধৰা। কেউফালে নিজম-নিটাল পৰিৱেশ। মাজে মাজে নিশাৰ এই নিস্তব্ধতা ভাঙি অদূৰৰ পৰা ভাঁহি আহিছে কুকুৰৰ ভুকভুকনি। হাঁড়কপোৱা চেঁচা বতাহ এজাকে চুই গ'ল তেওঁক। বেলকনিটোৰ কাষৰ ব্লিজিংহাৰ্ট জোপাৰ কাষতে কিমানপৰ তেওঁ বহি আছিল ঠিক ধৰিব নোৱাৰিলে। আন্ধাৰৰ মাজেৰেই সন্মুখলৈ চাই পঠালে তাই। ঘন কুঁৱলীৰ আৱৰণ এটাই এন্ধাৰ বোৰক যেন অস্পষ্ট কৰি তুলিছে। ভিতৰলৈ সোমাই গৈ মম জ্বলাই লবলৈকো আজি তেওঁৰ মন যোৱা নাই। কিবা এক উদাস ভাবে বুকুখন যেন গধুৰ কৰি তুলিছে। আন্ধাৰৰ সতে আজি তেওঁৰ বিনিময় কৰিবলৈ ইচ্ছা হ'ল অন্তৰৰ ব্যথা।*



কিয় থাকা এনেকৈ?

প্ৰায়েই তেওঁ সন্মুখীন হ'ব লগা হয় এই প্ৰশ্নটোৰ। তেওঁৰ চৌপাশে আগুৰি থকা কৌতূহলী চকুবোৰৰ পৰা উফৰি অহা গতানুগতিক প্ৰশ্ন এয়া। উত্তৰ দিয়াৰ প্ৰয়োজনবোধ নকৰাকৈয়ে তেওঁ এৰাই চলে সেই প্ৰশ্নৰ। কোনো নিৰ্দিষ্ট এক সংজ্ঞাৰ ধাৰণাৰে কাৰোবাক এই প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁ প্ৰস্তুত নহয়। অথচ সুদীৰ্ঘ দিনৰ পাছত আজি পোন প্ৰথম বাৰলৈ এই প্ৰশ্নৰ এটা পোনপটীয়া উত্তৰ বিচাৰি আজি তেওঁ মুখামুখি হৈছে এন্ধাৰৰ। কেতিয়াও ভাবিব খোজা নাছিল তেওঁ। অথবা মুঠেও এই প্ৰত্যাহবান গ্ৰহণ কৰিব পৰাকৈ মানসিকভাৱে প্ৰস্তুত নাছিল। বহুবাৰ ভাৱিছিল তেওঁ, এই উত্তৰ দিয়াৰ সময় ইতিমধ্যেই উকলি গৈছে। বাৰে বাৰে পলায়ন কৰিব খুজিও ব্যৰ্থ হৈ পৰিছে আজি তেওঁ। এন্ধাৰৰ আৱৰণে ক্ৰমাৎ ধূসৰ কৰি অনা দুচকুৰ আগত জান-নাজানকৈ ভাঁহি উঠিছে এখন মুখ। পুনৰ এজাক শীতল বতাহে পৰশি গ'ল তেওঁক।

কেনে আছা তুমি?

উচপ খাই উঠিল তেওঁ। ইমান চিনাকি এই কণ্ঠস্বৰ। ক'ত, ক'ত সেই কণ্ঠস্বৰৰ উৎস। অকলে অকলেই হাঁহি উঠিল তেওঁ। তেওঁৰ এই অন্যমনস্ক স্বভাৱটোৱে চুবুৰীয়াৰ দৃষ্টিত আজি কালি কিছু হ'লেও পৃথক কৰি তুলিছে তেওঁৰ সত্বাক। আজিকালি তেওঁৰ নিজকেই কেতিয়াবা অচিনাকী যেন লাগে। বৰষুণ এজাক আহিব কিজানি। কৃষ্ণকায় আকাশৰ কলীয়া মেঘৰ সতে এন্ধাৰে যেন মিতিৰালি পাতিছে আজি। হওক তেওঁ, আজি বহুদিন অপেক্ষাৰ অন্তত আকাংক্ষিত এই প্ৰাপ্তিক্ষণ উপস্থিত হৈছেহি সংগোপনে। নাম নজনা শোক এটাই বুকুখন যেন চেপি -খুন্দি আনিব খুজিছে। ভিতৰলৈ সোমাই আহিল তেওঁ।

মুষলধাৰে সৰি পৰিছে বৰষুণজাক। শোৱনি কোঠাৰ খিৰিকীখন লাহেকৈ খুলি দিলে তেওঁ। বৰষুণৰ সতে ভিজা মাটিৰ সুবাস এটা নাকত লাগিলহি তেওঁৰ। কিমান দিন হ'ল বাৰু, এনেকুৱা এজাক বৰষুণত জুৰুলি-জুপুৰি হৈ নিতিতা। ডোঙা বান্ধি থকা পানীত কাগজৰ নাও সাজি খেল নেখেলা। আস ..... মাকৰ আচলত ধৰি ঘূৰি ফুৰা সেই শৈশৱ। ঘূৰি অহা হ'লে এবাৰ। প্ৰাপ্তিৰ ঐশ্বৰ্যৰে ভৰুণ হ'ব পাৰি নেকি এবাৰ? দুচকু সজল হৈ উঠিছে তেওঁৰ। বৰষুণৰ আচাৰকণি দুটামান ওফৰি পৰিলহি তেওঁৰ মুখ-মণ্ডলত। হিমশীতল শিহৰণ এটি যেন বাগৰি গ'ল তেওঁৰ দেহৰ পৃষ্ঠভাগেদি। ঠিক বিছ বছৰৰ আগৰ এটি বৰ্ষণমুখৰ নিশা তেওঁ অনুভৱ কৰি উঠা সেই অজান শিহৰণৰ দৰেই। মন্ত্ৰমুগ্ধৰ দৰেই খিৰিকী কাষৰ পৰা আঁতৰি আহিল তেওঁ।

জীৱন মানেই নিৰৱিচ্ছিন্ন সংগ্ৰাম। এই সংগ্ৰামৰ পটভূমিতেই নিতৌ সৃষ্টি হয় নতুন বীজ। অনিশ্চয়তাৰ ৰিব্ ৰিব্ বতাহ, পানীৰ আওঁতাতেই ক্ৰমাৎ অংকুৰণ ঘটে সেই বীজৰ গজালি। আৰু এদিন ........। সম্ভাৱনাৰ প্ৰাচুৰ্যৰে মূৰ তুলি থিয় হয় সেই গজালি সুউচ্চ বৃক্ষৰ পৰিচয়েৰে। দুবাহু প্ৰসাৰিত কৰি নিৰ্লীম আকাশৰ বক্ষত সন্ধানৰত এক প্ৰস্তৰ শিলামূৰ্তি যেন সেই সত্বা। হৃদয়ৰ জোলোঙাত সন্তৰ্পনে সাঁচি ৰখা আদিমতম ভালপোৱাৰ জোনাকেৰে হৈ উঠিব খুজিছিলো ছাগৈ শূণ্যতাত ওলমি থকা এটি জোন। নীলাভ আকাশৰ প্ৰোজ্জ্বল বুকুত জিলিকি থকা এটি তৰাৰ পৰিচয়েৰেই ক্ৰমাৎ আগবঢ়াই নিব খুজিছিলো অৰ্বাচিন সেই যাত্ৰা। কিন্তু ........ মোৰ অজানিতেই, কাৰোবাৰ ভগ্ন হৃদয় জোৰা লগোৱাৰ আকুল কাকুতিৰেই এদিন খহি পৰিল পপীয়া তৰাৰ ঠিকনাৰে। হেৰাই গ'ল চিৰদিনৰ বাবে এখনি চিনাকি আকাশ, এটি চিনাকি তৰা, চিনাকি সেই মেঘ, চিনাকী সেই জোনাক। ওলমি ৰ'ল বলুকাৰ সীমনাত অপৰিচিত ঠিকনাৰ সাক্ষীৰে এখন উকা আকাশ।

জপাই থলে ডায়েৰীখন তেওঁ। খিৰিকীৰে সোমাই অহা বতাহটিয়ে কঁপাই তুলিলে মমৰ শিখা। কোঠাটোৰ এচুকৰ টেবুলখন-চকীখনত উপৱিষ্ট হৈছেহি তেওঁ। মম এডাল জ্বলাই লৈ তেওঁ আনদিনাৰ দৰে আজিও মেলি লৈছে ডায়েৰীখন। চেঁচা আঙুলিৰ মাজত বন্দী কলম আজি স্থবিৰ।

এখন পুৰণি ডায়েৰী। তেওঁৰ স্মৃতিৰ মণিকোঠাত ধৰিব নোৱাৰাকৈ সাঁচি ৰখা এখনি পুৰণি ডায়েৰী। পাৰ হৈ যোৱা অতীতৰ বুকুত নিজকে বিচাৰিব খোজাৰ প্ৰবল হেপাহে প্ৰতিদিনেই তেওঁক টানি আনে নিৰ্দ্দিষ্ট ডায়েৰীখনৰ কাষলৈ। আজিও আছেনে সেই টান, বুকুৰ ভিতৰত? উশাহৰ মতে সমগ্ৰ শৰীৰতে যেন বিয়পি পৰিছে সুতীব্ৰ এক যন্ত্ৰণা। এই যন্ত্ৰণাৰ আৱয়বিক আকৰ্ষণে প্ৰায়েই তেওঁক লৈ যাব খুজিছিল মন গ'লেও উভতি যাব নোৱৰা সেই দিনবোৰলৈ। টপ্‌কৈ সৰি পৰিল চকুলোৰ টোপাল এটা। ডায়েৰীৰ বুকুত পৰা টোপালটোৱে আখৰ দুটামান ধূসৰ কৰি পেলালে। সচকিত হৈ উঠিল তেওঁ। নোৱাৰি- নোৱাৰি আৰু নোৱাৰি, খৰ-গতিৰে লুটিয়াই গ'ল তেওঁ ডায়েৰীৰ পাত। ক'ত ক'ত সেই আকাশ? যি আকাশৰ সুবিশাল নীলাৰ বক্ষত উৰিব খুজিছিল এজনী চৰাই? সেই আকাশৰো ঠিকনা লিপিবদ্ধ হৈ থকা নাই। কিয় কৰিলা এনে? এবাৰলৈও যদি থৈ গ'লা হয় এটি মাথোঁ চিন, তাৰেই চহকী হ'লহেতেন মোৰ জীৱন।

মাজনী, জীৱনৰ চিৰন্তন সত্য বুলি ভবা কথাবোৰে বৰ সংগোপনে ভাঙি যায় হৃদয়। অতীত খুচৰি সকলোৰেই

*জীৱন মানেই নিৰৱিচ্ছিন্ন সংগ্ৰাম। এই সংগ্ৰামৰ পটভূমিতেই নিতৌ সৃষ্টি হয় নতুন বীজ। অনিশ্চয়তাৰ ৰিব্ ৰিব্ বতাহ, পানীৰ আওঁতাতেই ক্ৰমাৎ অংকুৰণ ঘটে সেই বীজৰ গজালি।*

ভালপায়। তথাপিও, অতীত সকলোৰে বাবে ৰোমাঞ্চকৰ হয় জানো? যি অতীত পঢ়িলে ভাৰ বব নোৱাৰা দুখৰ বোজাৰে ওপচি পৰিব জীৱন, সেই অতীত নপঢ়াকৈ থাকিলেও একো ক্ষতি নহয়, মাজনী।

দেউতা।

কৌতূহলী দুচকুৰে তাই চাই ৰৈছিল সেই অশীতিপৰ বৃদ্ধলৈ।

তাইৰ সুগভীৰ চকুহালিত তেওঁৰ ঘোলা দুচকুৰ দৃষ্টি নিবদ্ধ কৰি তেওঁ কৈছিল, তুমি অনিত্য সুখৰ স্বাৰ্থতেই বাৰু জলাঞ্জলি দিব খোজা নেকি বৰ্তমানক?

ঃ কিয় সুধিলে দেউতা?

ঃ নাই এনেয়ে। কেতিয়াবা মোৰ এনে অনুভৱ হয়, তুমি যেন হৃদয়েৰে সুখী হ'ব পৰাকৈ উপযুক্ত নহয়, এই পথ তোমাৰ বাবে।

উচপ খাই উঠিল তাই। এয়া তাই কি শুনিছে?

ঃ কি ক'ব খুজিছে আপুনি, দেউতা?

ঃ মই কব খুজিছোঁ, আজি তুমি য'ত ৰৈ আছা, সেই স্থানত সুখী হ'ব পৰাকৈ যেন তুমি মানসিকভাৱে এতিয়াও প্ৰস্তুত হৈ উঠা নাই।

ভয়লগা নীৰৱতাই গ্ৰাস কৰি পেলায় পৰিৱেশটো। দুই আঁঠুৰ মাজত মুখ গুজি দি বহি ৰ'ল তাই। মগজুৰ ভিতৰলৈ পাকঘূৰণি খাই খাই সোমাই গৈছে যেন আউল লগা এসোপা চিন্তা। সঁচাকৈয়ে সুখী হ'ব পাৰিছেনে তাই? স্বইচ্ছাই বাছি লোৱা এই পথত দুখী হোৱাৰ কাৰণ কি?। হয়তো তাই এতিয়াও হৈ উঠিব পৰা নাই উপযুক্ত হৃদয়েৰে গ্ৰহণ কৰিব পৰাকৈ সকলো প্ৰত্যাহ্বান। কি যুক্তি আছে এনেকৈ সুখী হোৱাৰ অভিনয় কৰাৰ? গুচি আহিব তাই। একমুহূৰ্তও থকাৰ ইচ্ছা নাই তাইৰ আৰু।

মাজনী।

গুৰুগম্ভীৰ সেই কণ্ঠস্বৰে তাইক যেন টোপনিৰ পৰাহে জগাই দিলে। প্ৰশ্নবোধক দৃষ্টিৰে তাই তেওঁলৈ চালে।

ঃ কি ভাৱিছা মাজনী? মোৰ কথাই হয়তো তোমাক দুখ দিছে, তাৰবাবে মই তোমাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। তথাপিও তোমাক এটা কথা কৈ থওঁ, তুমি যি ভাবিছা সেয়া প্ৰকৃততে শুদ্ধ নহয়। এই পৱিত্ৰ পথৰ পৰা নিজকে আঁতৰাই নানিবা। ভুল সময়ত লোৱা এটা শুদ্ধ সিদ্ধান্তকো সময়ে এটা সময়ত ভুল প্ৰমাণিত কৰে।

নিথৰ হৈ বহি ৰল তাই। কথাবোৰ আকৌ এবাৰ ভাৱিবৰ মন প'ল তাইৰ। এই সিদ্ধান্ত সঁচাকৈয়ে ভুল নেকি? নিঃস্বাৰ্থ আন্তৰিকতাবিহীন এখন হৃদয় লৈ কিদৰে একাত্ম হ'ব পাৰিব তাই, সেই মুখবোৰৰ সতে, নিষ্পাপ হাঁহিবোৰৰ সতে। বিশ্বাসঘাতকতা কৰা নহবনে সিহঁতক? বুকুখন মোচৰ খাই উঠিল তাইৰ। চৌপাশে বেৰি থকা ভয়ংকৰ শূণ্যতাবোৰৰ পৰা উপশম বিচাৰিয়েই এদিন তাই বাছি লৈছিল এই পথ। ক্ৰমশঃ হেৰাই যাবলৈ ধৰা উন্মাদনা এটাই যেন খুটি পুতি বহিব ধৰিছিল তাইৰ নিৰস হৃদয়খনত।

লুণীয়া স্বাদ এটা বিয়পি পৰিছে মুখৰ ভিতৰত। খুউব সন্তৰ্পনে বাগৰি অহা চকুপানীৰ টোপালবোৰে দুগাল তিয়াই বৈ গৈ বুকুৰ নামনিলৈ। এনেকৈ আৰু কিমান দিন? জোনাকৰ সতে আজন্ম ভাব বিনিময় কৰিব বিচৰা তাইৰ যে প্ৰকৃত ঠিকনা আন্ধাৰ, এইকথা জনাৰ পাছত কিদৰে হাঁহিব তাই?

সুনীল আকাশৰ সীমনাত ওলমি ৰোৱা জোনটোলৈ একেথৰে চায় ৰয় তাই। সুবিশাল আকাশৰ বুকুত আজিকালি তাই বিচাৰি পাইছে তেনেই চিনাকি যেন এখনি মুখ। অকলশৰে জিলিকিৰোৱা তৰাটিয়ে বহু নোকোৱা কথাৰ সম্ভেদ দি গ'ল যেন তাইক। যেতিয়াই খুউব অকলশৰীয়া যেন অনুভৱ হয়, তেতিয়াই তাইৰ দৃষ্টি প্ৰসাৰিত হয় চিনাকি সেই তৰাটিৰ সন্ধানত আকাশৰ চিনাকি সেই ঠাইডোখৰলৈ।

৩০ টা বসন্ত অতিক্ৰমি জীৱনক কিছু অগতানুগতিক ভাৱেই যাপন কৰিব খুজিছে তাই। তাইৰ চাল-চলন, জীৱন নিৰ্বাহিৰ মানদণ্ডৰ ওপৰত অনবৰতে যেন চৌদিশৰ কৌতুহলী চকুবোৰে সন্ধান কৰে যেন এক নতুনত্বৰ। তথাপি তাইৰ ভ্ৰূক্ষেপ নাই।

ঃ এনেকৈয়ে পাৰ কৰিবা নে?


স্বপ্নীলে সিদিনা হঠাতেই সুধি পেলাইছিল তাইক। লেজাৰৰ সময়কণতে স্কুলৰ সন্মুখৰ মুকলি পাৰ্কযেন লগা ধুনীয়া ঠাইডোখৰত বহি বহি প্ৰায়েই কথা পাতে তাই আৰু স্বপ্নীলে। সিদিনাও বহিছিল সিহঁত।

ঃ মানে?

কৌতুহলী দৃষ্টিৰে তাই চাই পঠালে, স্বপ্ননীলৰ সুগভীৰ চকুহাললৈ।

ঃ মানে আৰু কি? দিনবোৰৰ কথা কৈছো। নতুনত্ববিহীন দিনবোৰৰ উদযাপন তেনেই স্বাদহীন হৈ পৰিছে নহয়নে?





ঃ আমি বিচাৰি ফুৰা নতুনত্ববোৰেইতো গতানুগতিক কৰি তোলে জীৱন। অথচ অগতানুগতিকতাকলৈয়ে আৰম্ভ মোৰ জীৱন আৰু এনেকৈয়ে এদিন পৰিসমাপ্তি ঘটাব বিচাৰোঁ। আটাইতকৈ ডাঙৰ কথা কি জানা, খুউব সফলভাৱে পৰিসমাপ্তি ঘটাব খোজো এই জীৱনৰ, কাৰো ওচৰত পৰাজিত নোহোৱাকৈ।

পৰাজিত। এৰা, মাকৰ দৰেই অপৰাজিতা হৈ ৰব খোজে তাই। মনৰ মাজত মূৰ্ত হৈ উঠে শুভ্ৰ পোছাক পৰিহিত এটি শান্ত, সৌম্য শুভ্ৰ দেহ। মুখাৱয়বত যেন ওপচি পৰিছে শুক্ল পক্ষৰ মুঠি মুঠি নিভাঁজ জোনাক। চকুহাল মুদি দিলে তাই।

মা.. মা..

খুউব সৰলতাৰে তেওঁ ব্ৰতী হৈছিল এই পৱিত্ৰ সেৱাত। কেতিয়াও তেওঁৰ দুচকুত দেখা নাছিলো ক্ৰোধ, ঘৃণা, অথবা পুতৌ। কিবা এক অদৃশ্য শক্তিয়ে তেওঁক সৰ্ব-সাধাৰণ দৃষ্টিত কৰি তুলিছিল অসাধাৰণ।

পলক নেপেলোৱাকৈ শুনি গৈছিল তাই কথাবোৰ।


তেনেই সৰল আছিল নেকি তেওঁৰ জীৱন? হঠাতেই সুধি পেলালে তাই।

গামোচাৰ আগেৰে চশমাৰ গ্লাছ মচি মচি তেওঁ উত্তৰ দিয়ে। হয়তো নাছিল, তথাপি তেওঁ জানিছিল জটিলতাক সৰল কৰিব জনা সেই সমীকৰণ। হয়তোবা জীৱনৰ শেষ সময়ছোৱাত এনেদৰেই এদিন মুকলি হ'লহেতেন এক অলিখিত অধ্যায়।

বৃদ্ধৰ ৰহস্যময় কথাবোৰৰ আওঁতাত যেন হেৰাই যাব তাই। উৎকণ্ঠিত কণ্ঠেৰে তাই কৈ উঠে, জনাব পাৰিনে সেই ইতিহাস?

মূৰ দুপিয়ালে তেওঁ। নিশ্চয়। তোমাক আজি ক'ব খোজা সেই ইতিহাস মাথো মোৰ। তোমাক ক'বলৈ লোৱাৰ কাৰণ এয়াই, তুমি মানসিকভাৱে যেন প্ৰস্তুত হৈ উঠিব পাৰা, আহিব লগা দিনবোৰৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ।

আকাশক ভাল পাইছিল তেওঁ। তেওঁক আপোন কৰিব খোজাজনৰ হৃদয়তো সন্ধান কৰিছিল এখন আকাশৰ। আকাশৰ সুবিশাল নীলাৰ মাজত উটি-ভাঁহি-ফুৰা তেওঁ যেন এটি চঞ্চল পখিলা। খুউব সহজভাৱেই কাষ চাপি গৈছিলোঁ তেওঁৰ। কিন্তু তেওঁ। ভয় কৰিছিল, বিচাৰিব খোজা নাছিল মোৰ মাজত এখনি আকাশ। তেওঁক জোৰ কৰা নাছিলোঁ মই। মোৰ অজ্ঞাতেই তেৱোঁ হয়তো খুউব লাহে লাহে অনুভৱ কৰি উঠিছিল ভাল লগাৰ এক তীব্ৰতা। নিজে নজনাকৈয়ে তেওঁ বিচাৰিব খুজিছিল এখনি সুবিশাল আকাশ। দিনবোৰ ক্ৰমাগত গতিৰে পাৰ হৈ গৈ থাকিল। আৰু আমি? খুউব সহজভাৱেই বান্ধ খাই পৰিছিলোঁ অদৃশ্য হৃদয় বন্ধনত। কিন্তু আমাৰ বাবে সহজ নাছিল মিলনৰ পথ। তথাকথিত সমাজ ব্যৱস্থাই স্বীকৃতি দিব নোখোজা বাটেৰেই যেন আগবাঢ়িছিলো আমি। সমাজ এখন লাগে, লাগে মানুহ হিচাপে জীয়াই থাকিবলৈ, কিন্তু সেই সমাজেই যেতিয়া হৃদয়ৰ অনুভূতিকো তুচ্ছ কৰি প্ৰচলিত নিয়মৰ দোহাই দি বিচ্ছিন্ন কৰিব খোজে, তেতিয়া বাৰু পৰিণতি কি কি হ'ব পাৰে ভাবাচোন এবাৰ। আচলতে কি জানা, সভ্যতাৰ শিখৰত আৰোহণ কৰা বুলি সমাজৰ মিছা অহংকাৰে এনে এচাম বিবেকহীন মানুহৰ সৃষ্টি কৰিছে যাৰ ফলত বিশ্বায়নৰ খোজত খোজ মিলাই গৈও আজিৰ সমাজৰ ধ্যান-ধাৰণা অনেকগুণ পুৰণি। আজিৰ সমাজে তোমাক আগুৱাই যাবলৈ সাহস নিদিয়ে, কিন্তু পিছুৱাই যাবলৈ উদগনি দিয়ে, বিধৱা মহিলাক ডাইনী সজাই নৃশংসভাৱে হত্যা কৰিবলৈ ৰায় দিয়ে। এয়া আজিৰ সমাজ। সঁচাকৈয়ে, আমিও যেন প্ৰবল সাহসী হৈ উঠিছিলোঁ সেই সময়ত। সিদ্ধান্ত ইতিমধ্যে লৈ পেলাইছিলোঁ। কিন্তু ...... সকলোবোৰ ওলট-পালট কৰি তেওঁ এদিন গুচি গৈছিল। তেওঁ গুচি গৈছিল পৱিত্ৰ প্ৰেমেৰে এখন নিঃস্বাৰ্থ পৃথিৱী গঢ়িবলৈ প্ৰাপ্তিৰ



গৌৰৱেৰে গৰ্বিতা হোৱাৰ ক্ষণতে তেওঁ গুচি গৈছিল মই টুকি নোপোৱা দূৰত্বলৈ। আৰু মই...? সভ্য সমাজৰ এজন নিঃকিন নীৰৱ বাসিন্দা হৈ মানি ললোঁ এই চিৰন্তন সত্য। তাৰ বাহিৰে মোৰ কৰিবলগাও একো নাছিল। এদিন খুউব অনাকাংশিতভাৱেই ভৰপূৰ। প্ৰকৃত প্ৰেমৰ অনন্য স্বীকৃতিৰে তেওঁ বাচি লৈছিল অজান পথ। সেই পথৰ বিষয়ে মই আজিও অজ্ঞাত। তথাপি, মোৰ কোনো দুখ নাই আজি, আত্মিক বন্ধনতকৈ আন কিবা ডাঙৰ হ'ব পাৰে জানো? প্ৰতিপলে তেওঁৰ অস্তিত্ব মোৰ হৃদয়ত বিৰাজমান। এই অস্তিত্বৰেই মই সন্ধান কৰি যাওঁ জীৱনৰ প্ৰকৃত অৰ্থ।

তন্ময় হৈ শুনি ৰৈছিল তাই। কথাখিনি শেষ কৰিয়েই ধীৰে ধীৰে আঁতৰি যোৱা তেওঁলৈ অবাক দুচকুৰে চাই ৰৈছিল তাই। এটি চিৰন্তন সত্য প্ৰকাশৰ পাছত এয়া প্ৰথমবাৰলৈ বিব্ৰতবোধ কৰি উঠিছে তেওঁ। তাইৰ দৰেই তেনেহ'লে তেওঁৰো আছে, এটি মচিব নোৱাৰা দুখৰ অতীত। জীৱনৰ প্ৰথম প্ৰেম হেৰুৱাইও আজি তেওঁ স্থিতপ্ৰজ্ঞ। ভাৱলেশহীন দুচকুৰ দৃষ্টিয়ে প্ৰায়েই সন্ধান কৰি ফুৰে আকাশৰ বলুকাত কিবা নতুনৰ। খুউব আপোন যেন লাগি হঠাতে মানুহজনক। দেউতা বুলি সম্বোধন কৰা মানুহজন যদি সঁচাই তাইৰ দেউতাক হ'লহেতেন। দুচকু সজল হৈ উঠে তাইৰ।

গুৰুম। প্ৰচণ্ড জোৰে মেঘে গৰজি উঠিল। ভীষণ জোৰেৰে উচপ খাই উঠিল তাই। দোভাগ নিশা খিৰিকী মেলি দোপালপিটা বৰষুণ চাই চাই কিমান সময় তন্ময় হৈ আছিল ঠিক ধৰিব নোৱাৰিলে। খিৰিকীখন জপাই দিলে তাই। বৰষুণ তাইৰ প্ৰিয়। কিন্তু মেঘৰ গৰ্জন, বিজুলীৰ চমকনিৰ সতে বৰষুণ তাইৰ ভাল নালাগে। এক অজান ভয়ে যেন থিতাপি ললেহি বুকুৰ মাজত। ধীৰে ধীৰে বিচনালৈ ঘূৰি আহিল তাই। ঘড়ীটোলৈ চাই পঠালে তাই। তিনি বাজি ত্ৰিশ মিনিট। অহ্ ৰাতি পুৱাবলৈ বেছিপৰ নাই। তেনেহ'লে তাইৰো পাৰ হ'ল আজি উজাগৰী ৰাতি। কিছুসময়ৰ পিছতেই তাই ব্যস্ত পৃথিৱীৰ বুকুত কণমানি ক্ৰছডালেৰে তাই হৈ পৰিব কণমানিহঁতৰ এগৰাকী দায়িত্বশীল ছিষ্টাৰ। চকুহাল অসম্ভৱ পুৰিছে তাইৰ। কি কৰা যায়। টেবুলত সজাই থোৱা বাইবেলখন আলফুলে তুলি ললে। তাই বাইবেলখন সাৱটি প্ৰায়েই টোপনি যায় তাই। আজিও বুকুৰ মাজত আলফুলে সাবটি লৈ বিছনালৈ আহিল তাই। অৱশ শৰীৰটো বিচনাখনত এৰি দি বাইবেলৰ পাত লুটিয়ালে। হঠাৎ তাইক আচৰিত কৰি সৰি পৰিল এটি মুখবন্ধ খাম। ক'ৰ পৰা আহিল এই খামটো? অনুসন্ধিৎসু মনেৰে খামটো ফালি ভিতৰৰ কাগজখন উলিয়াই আনিলে তাই।

মাজনী,

তুমি ইমানদিনে নজনা এই চিৰন্তন সত্য, নিজমুখে আজি তোমাৰ সন্মুখত প্ৰকাশ কৰিবলৈ মই অপাৰগ। সকলোৰে অজ্ঞাতে বাচি লোৱা এই পথত তেওঁক একোৱেই দিব নোৱাৰিলো। তথাপিও তেওঁৰ প্ৰাপ্তি মোৰ এই সামান্য উপহাৰ। মাজনী, ভুল নুবুজিবা। তোমাৰ দায়িত্ব তেওঁৰ হাতত দি মই নিশ্চিন্ত। মই জানো, বুকুৰ মৰমেৰে তেওঁ তোমাক আবৰি ৰাখিব গোটেই জীৱন। এবাৰ তেওঁক আকোঁৱালি ল'বা। তোমাৰ হৃদয়ৰ পবিত্ৰতাৰে, তেওঁ যে তোমাৰ প্ৰকৃত পৰিচয়। তেওঁক বিচাৰি তুমি দূৰলৈ যাব নালাগে, তোমাৰ নিচেই কাষতেই যে তেওঁ, পাৰিলে ক্ষমা কৰি দিবা মোক।

ইতি

তোমাৰ মা

সৰ্বশৰীৰতে এটি প্ৰচণ্ড আলোড়ন অনুভৱ কৰি উঠিল তাই। থৰ থৰাই যেন কঁপি উঠিল পৃথিৱী। কি দেখিছে এয়া তাই। দুখ আৰু আনন্দৰ সংমিশ্ৰিত অনুভূতিয়ে তাইক যেন বোবা কৰি পেলাইছে। এখোজ, দুখোজকৈ তাই কোঠাৰ বাহিৰলৈ ওলাই আহিল। পুৱাৰ জলমলীয়া ৰ'দে টোৱাই তুলিছে সমস্ত ধৰা। গোটেইৰাতি বৰষুণত তিতি জুৰুলি-জুপুৰি হোৱা সদ্যস্নাতা ধৰিত্ৰীক যেন মেৰিয়াই ধৰিছেহি হালধীয়া এখনি উমাল চাদৰে। বুকুখন ভৰি উঠিল তাইৰ। সন্মুখলৈ চালে তাই। এক মুহূৰ্ত ৰৈ বন্ধ দুৱাৰখনত টুকুৰিয়ালে তাই। এটা সময়ত দুৱাৰখন খোল খালে। দুৱাৰ শুভ্ৰ সাজেৰে আবৃত সেয়া এক স্থিতপ্ৰজ্ঞ পুৰুষৰ অৱয়ৱ এটি তাইৰ সন্মুখত ৰৈছেহি। দুখ আৰু আনন্দৰ জিলমিল অশ্ৰুৰে ভৰ কৰি তোলা দুচকুৰে তাই তেওঁলৈ চালে। একেই সেই স্থিৰ, নিৰ্বাক, ভাৱলেশহীন এখনি মুখ। গভীৰ আৱেগত থোকাথুকি হৈ পৰিব খোজা অথচ প্ৰত্যয়সনা কণ্ঠেৰে তাই তেওঁৰ দুচকুলৈ চাই উচ্চাৰণ কৰিলে "দেউতা"।





# আইতা আৰু ৰিমি

শ্ৰীসীমা ছেত্ৰী
স্নাতক দ্বিতীয় বৰ্ষ

নদী পাৰৰ এখন গাঁৱত ৰিমি নামৰ এজনী সৰু ছোৱালী আছিল। ৰিমিয়ে সৰুৰপৰাই নিজৰ মা-দেউতাক লগ নাপালে। তাইৰ নিজৰ বুলিবলৈ একমাত্ৰ আইতাক আছিল। ৰিমিৰ মা-দেউতাকে ছোৱালী জন্ম হোৱাৰ কাৰণে ৰিমিক আইতাৰ ওচৰত থৈ দূৰলৈ গুচি গ'ল। আইতাকেও নাজানে এতিয়া ক'ত আছে তাইৰ মা-দেউতাক। আইতাই ৰিমিক বহুত মৰম কৰিছিল। ৰিমিয়ে সদায় আইতাকৰ লগত জংগলত গৈ খৰি বিচাৰিছিল আৰু কেতিয়াবা ভাল ভাল খৰি বিচাৰি তাই পুতলা বনাই বজাৰত বিক্ৰিও কৰিছিল আৰু কিছুমান পুতলা লৈ তাই নিজেও খেলিছিল। আইতাই ৰিমিক বহুত মৰম কৰিছিল আৰু কেতিয়াবা ৰিমিৰ লগত খেলোতে খেলোতে তেওঁ নিজৰ বয়সৰ কথা পাহৰি গৈছিল।




এদিনাখন ৰিমিয়ে পুতলাৰ দৰা-কইনা খেলি আছিল আৰু লগতে আইতা আৰু তাই লগৰীয়াবিলাকো আছিল। দৰা-কইনাৰ বিয়া হোৱাৰ দৰাই কইনাক লৈ যাব বিচৰাত ৰিমিয়ে কইনা দিব নিবিছাৰিছিল কাৰণ কইনাজনী তাইৰ অতি মৰমৰ আছিল। তেতিয়া আইতাই ৰিমিক সমাজৰ কথা কৈছিল - "প্ৰত্যেকজন ছোৱালী মানুহ বিয়া হ'বই লাগিব এইটো সমাজৰ নিয়ম।" কথাটো শুনি ৰিমিয়ে কান্দিলে আৰু ক'লে ময়ো আপোনাক এৰি যাব লাগিব নে আইতা? ইমান সৰু ছোৱালী আৰু তাতো ইমান মৰম, আইতাই ৰিমিৰ চকুত পানী দেখিব নোৱাৰি মিছাতে কৈ পালে - "মই তোক মোক এৰি যাব নিদিও, তই সদায় মোৰ লগত থাকিবি।" আইতাই ক'থাটো ক'লে হয় কিন্তু ৰাতি বিচনাত পৰি ভাবি থাকিলে যে মই তাইক ইমান ডাঙৰ মিছা কথা ক'লো। তাইতো এদিন নহয় এদিন মোক এৰি যাব

লাগিব।

এনেকৈ বহুত দিন পাৰ হোৱাৰ পাছত আইতাই ওচৰৰ গাঁও এখনত চাকৰি কৰিবলৈ যাওঁতে এটা ল'ৰাক দেখিলে; সি বৰ কষ্ট কৰি কাম কৰি আছিল। আইতাই ওচৰতে থকা মানুহজনক সুধিলে ল'ৰাটো কোন? তেওঁ ক'লে যে সৰু থাকোঁতেই তাৰ দেউতাকে তাক ঘৰৰ সকলো দায়িত্ব দি দিলে। সি এতিয়া নদীত মাছ মাৰি নিজৰ পৰিয়ালক চাই আছে। আৰু ল'ৰাটোৰ নাম হ'ল 'ৰহিম'। আইতাই ৰিমিৰ কাৰণে ৰহিমে ভাল হ'ব বুলি ভাবি ৰহিমৰ ঘৰত গৈ ৰহিমৰ মা-দেউতাক কথাটো ক'লে।

ৰহিমৰ মাকে ৰিমিক চালে ইমান ধুনীয়া



আৰু মৰম লগা ছোৱালী চাই তেওঁলোকে ৰিমি আৰু ৰহিমৰ বিয়া পাতিবলৈ সিদ্ধান্ত ল'লে। বিয়াৰ দিনা ৰিমিয়ে ইমানে আনন্দ পাইছে নতুন ৰঙা শাৰী, নতুন খাৰু পিন্ধিব তাই; তাই যেন এই দিনটো জীৱনত কেতিয়াও নাপাহৰে। আইতাই মনত বহুত দুখ পালে "তাইৰ মৰমৰ জীয়েকক লৈ যোৱাৰ কাৰণে।" ৰহিমে সদায় যোৱাৰ দৰে সিদিনাখনো ৰাতি পুৱাই ওলালে মাছ মাৰিবলৈ। ৰহিমে নাওঁত উঠি মাছ ধৰি থাকোঁতে হঠাতে নদীৰ পানী বাঢ়ি যোৱাত নাও আৰু ৰহিম ডুবি গ'ল। ৰাতি হ'ল ৰহিম ঘূৰি নহাত ঘৰত খবৰ পালে যে নদীত ৰহিম ডুবি গ'ল। ৰিমিৰ হাতৰ খাৰুবোৰ ওচৰৰ মানুহবিলাকে ভাঙি দিলে আৰু ৰঙা শাৰীৰ ঠাইত বগা কাপোৰ দিলে পিন্ধিবলৈ।

এই বাতৰিটো শুনি আইতায়ো প্ৰাণ ত্যাগ কৰিলে। তাৰ পাছত ৰহিমৰ মাক-দেউতাকে ৰিমিক ঘৰৰপৰা উলিয়াই দিলে আৰু ক'লে - "তই কুলক্ষণী, তই যলৈ যাবি তাতে কিবা নহয় কিবা বিপদ আহিবই; তই মোৰ ল'ৰাটো খাই পেলালি, ওলাই যা মোৰ ঘৰৰ পৰা, য'তে থাক-থাক।" ৰিমিয়ে কান্দি কান্দি ঘৰৰপৰা ওলাই ভাবিলে আইতায়ো মোক এৰি দিলে। প্ৰথমতে মোক মা-দেউতাই এৰি দিলে আৰু পাছত মোক মোৰ স্বামীয়ে এৰি দিলে আৰু আইতায়ো এৰি গুচি গ'ল, মই এতিয়া ইমান ডাঙৰ সংসাৰত কাৰ লগত থাকিম? মোৰ কি বিয়া এইটো কাৰণেই পাতি দিছিলে নে? কিন্তু আইতায়ে তো কৈছিল তোক মই কেতিয়াও বিয়া নিদিও, সদায় মোৰ লগতে থম আৰু আজি কিয় মোক এৰি গুচি গ'ল। ছোৱালী মানুহ হোৱাটো অপৰাধ নে, তাই বুজি নাপালে কাৰণ তাই ছোৱালী হোৱাৰ কাৰণে তাইৰ মা-দেউতাকে তাইক এৰি গুচি গ'ল। ৰিমিৰো আৰু সংসাৰত থাকিবলৈ মন নগ'ল। তাইৰ নিজৰ ওপৰতে ঘৃণা ভাৱ আহিলে যে তাই কিয় ছোৱালী হ'ল আৰু তাইও নদীত গৈ জঁপিয়াই দিলে।

"যদি ৰহিমৰ মা-দেউতাকে ৰহিম মৰাৰ পাছতো যেন ৰিমিক মৰম কৰি নিজৰ ঘৰৰ ছোৱালী হিচাপে থোৱা হ'লে, তাই কেতিয়াও আত্মহত্যা নকৰিলেহেঁতেন।"







# নীৰৱ হৃদয়ৰ তপত অশ্ৰু

✍ বিনী ভৰালী
স্নাতক দ্বিতীয় বৰ্ষ
শিক্ষাতত্ত্ব বিভাগ

সৌৰভ গাঁৱৰ এটা বৰ দুখীয়া পৰিয়ালৰ ল'ৰা। সৌৰভে প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি Higher Secondary পৰীক্ষাত পৰীক্ষাত 1st Division লৈ ডিগ্ৰীত নাম লগাইছিল ........ গুৱাহাটীৰ বিঃ বৰুৱা কলেজত। আন ল'ৰা-ছোৱালীৰ দৰে কলেজত তাৰ কোনো বন্ধু-বান্ধৱীও নাই। তাৰ বন্ধু মাত্ৰ কিতাপ আৰু স্বনিৰ্ভৰশীলতাৰ বাট মোকলোৱা। সৌৰভ ল'ৰাটো দেখাই-মেলাই ধুনীয়া, স্বাস্থ্য-পাতিও ভাল। কথা-বতৰাতো বৰ ভদ্ৰ আৰু অমায়িক। পঢ়াৰ প্ৰতি অদম্য হেঁপাহ আৰু নিজৰ ঘৰখনৰ স্বচ্ছলতাৰ ব্যৱস্থা কৰিবলৈ সি বহুত কষ্ট কৰিবলগা হৈছে। ৰাতিপুৱা টিউশ্যন আৰু আবেলি ৪ বজাৰ পৰা ৰাতি আঠমান বজালৈ নগৰত থকা 'মটৰ ওৱৰ্কচপত' মেকানিকৰ কাম কৰে। মুঠৰ ওপৰত নিজৰ কেৰিয়াৰ আৰু ঘৰৰ চিন্তাৰ বাহিৰে আন চিন্তা কৰিবলৈ তাৰ আহৰি নাই।

সৌৰভজ্যোতি দত্ত। বিঃ বৰুৱা কলেজৰ এটা চিনাকী নাম। বহুতেই তাক অস্বাভাৱিক চৰিত্ৰৰ বুলি কয়, চক্ৰেটিছ বুলি জোকায়। কিন্তু সৌৰভে জোকালে মেলিলেও শান্তভাৱে হঁহাৰ বাহিৰে আন একো নকয়। সি সদায় নিজক লৈয়েই ব্যস্ত থাকে। কলেজৰ ক্লাছ কেইটা কৰি সি ঘৰলৈ আহি কিবা এটা খাই পুনৰ 'মটৰ ওৱৰ্কছপত' আহি কাম কৰে।

সৌৰভে প্ৰায়ে মন কৰে এজনী ছোৱালীয়ে তাৰফালে ক্লাছত প্ৰায়ে চাই থাকে। কিন্তু সি কোনো গুৰুত্ব নিদিলে। লাহে লাহে "College Week" পালেহি। সি অভিনয়ত খুউব পাৰ্গত আছিল। সি একক অভিনয় আৰু নৃত্য প্ৰতিযোগিতাত নাচিছিল। তালৈ চাই থকা সেই ছোৱালীজনীয়েও নৃত্য কৰিছিল। আশা কৰা মতেই সি প্ৰতিযোগিতাত পাৰদৰ্শিতা লাভ কৰিলে। সি কলেজৰপৰা ঘৰলৈ বুলি আহোঁতেই ছোৱালীজনীয়ে এটা দীঘল খাম তাৰ ফালে আগবঢ়াই দিলে। সি সুধিলে 'এইয়া কি'? তাই মাথো খুলি চাবলৈহে ক'লে। খুলি চাই দেখিলে এখন শুভেচ্ছা পত্ৰ Best Wishes to you.... Yours Nisika। আৰু কাযত বিশেষভাৱে লগোৱা আছিল এটি সৰু গোলাপ কলি আৰু এহাল চৰাই। সেয়াই আৰম্ভণি আছিল।

তাৰ পিছৰপৰাই তাই তাৰ লগত বৰকৈ কথা পাতিবলৈ চেষ্টা কৰিলে। জীৱনৰ কুৰিটা বছৰৰ পিছত এয়াই আছিল তাৰ প্ৰথম ছোৱালীৰ সৈতে এনেদৰে কথা পতা। সিও লাহে লাহে তাইৰ লগত সহজ হ'ব পৰা হ'ল। ছোৱালীজনীৰ পৰিচয় সি গম পালে।

নিশিকা ভৰালী ..... প্ৰখ্যাত ইঞ্জিনীয়াৰ হেমন্ত ভৰালীৰ একমাত্ৰ কন্যা। মাক ঢুকাল। এজন ককায়েক যি হায়দৰাবাদত এম.বি.এ. কৰি আছে। এক সুখী পৰিয়াল। একোৰে অভাৱ নাই নিশিৰ টকা-পইচা, ৰূপ-লাৱণ্য, বিদ্যা .... ভগৱানে একোৰে কৃপনালী নকৰিলে কিন্তু মাকে তাইক তিনিবছৰৰ বয়সতে এৰি থৈ অচিন দেশলৈ গুছি গ'ল। লাহে-লাহে নিশিয়ে তাৰ প্ৰত্যেক কথাতে হস্তক্ষেপ কৰা হ'ল। "তুমি কিয় ইমান গহীন হৈ থাকা, তুমি ইমান উদাসীন কিয়..." ইত্যাদি সুধিবলৈ ধৰিলে। সি আকাশৰ কলা-বগা ডাৱৰবোৰ লৈ চাই কয় "সকলো কিয়ৰ উত্তৰ দিব নোৱাৰিম নিশি। মাজে মাজে তাক সিহঁতৰ ঘৰলৈ যাব লগ ধৰে কিন্তু সি কিবা কামৰ অজুহাত দেখুৱাই তাৰপৰা বিৰত থাকে। সময়ৰ অগ্ৰগতিৰ লগে লগে নিশি তাৰ সৈতে বহুত কাষ চাপি আহিল। কিন্তু সি নিৰ্বিকাৰ। এদিন নিশিয়ে তাৰ ক্লাছ নথকাত জোৰ কৈয়ে তাক পাৰ্কলৈ লৈ গ'ল।

"সৌৰভ, মই তোমাক ভাল পাঁও" - তাৰ হাত এখন নিজৰ দুহাতৰ মাজত লৈ কম্পিত স্বৰেৰে নিশিয়ে কৈছিল। সিহঁত অলপ সময় মৌন হৈ থাকিল। তাৰ পিছত সৌৰভে ক'ব নোৱাৰাকৈয়ে হাঁহি দিছিল। অবাক হৈ হাঁহি-হাঁহি কৰুণ হৈ পৰা তাৰ মুখলৈ চাই ৰৈছিল মাথো নিশি। লাহে লাহে তাৰ হাঁহি কলা ডাৱৰৰ মাজত হেৰাই গৈছিল। সৌৰভে তাইক কৈছিল, "নিশি ভাল পাবলৈ মানুহক মানসিক প্ৰস্তুতি লাগে। মোৰ জানো সেইয়া আছে? দিনটোৰ কিছু সময় 'মটৰ ওৱৰ্কছপত' কাম কৰি কেইটামান টিউশ্যনৰ সহায়ত কোনোমতে চলি থকা এজন যুৱকে জানো কাৰোবাক "ভাল পাই" নিজৰ কৰি লোৱাৰ প্ৰস্তুতি থাকিব পাৰে? অসম্ভৱ। ই কেতিয়াও হ'ব নোৱাৰে.... অন্তত ঃ মই এনে কাম কেতিয়াও কৰিব নোৱাৰো।" "মই সকলো কথাই বুজিছো সৌৰভ। কিন্তু তোমাক বিশেষ ভাৱে লোৱাত মোৰ জানো দোষ হৈছে?" তাৰ কথাত বাধা দি নিশিয়ে ক'লে। অ' হৈছে। কেনেকৈ? আনমনা হৈ যেন নিশিয়ে সুধিলে। "এই কথাও মই তোমাক বুজাই ক'ব লাগিব নেকি? শুনা, তোমাৰ আৰু মোৰ মাজৰ বন্ধুত্ব বিষ্ময় কৰি তুলিবলৈ কৰা চেষ্টাই হৈছে। তোমাৰ প্ৰথম ভুল আৰু দ্বিতীয় ভুল হৈছে মোৰ বৰ্তমান অৱস্থা বুজিও তুমি নুবুজাৰ ভাও ধৰাটো।" নিশি ৰৈ গ'ল। সৌৰভে তাইলৈ মূৰ ঘূৰাই দেখিলে - অতৃপ্ত বেদনা, ব্যৰ্থতা, অপমান, অভিমানৰ পৰিসমাপ্তি বিচাৰি সেমেকা দুচকুত নিৰাশাৰ প্ৰতিচ্ছবি আঁকি চাইছে মেঘেৰে ভৰপূৰ হৈ থকা আকাশখনলৈ। সৌৰভে পুনৰ ক'লে "মোক ভুল নুবুজিবা নিশি। তোমাৰ ভালৰ কাৰণেই আজি মই এইখিনি কথা স্পষ্টকৈ ক'ব লগা হৈছে।" তাইৰ অৱস্থা দেখি সি আৰু কিবা কব খুজিও ৰৈ যায়।

নিশিৰ প্ৰেমাকুল হৃদয়ক তাৰ পৱিত্ৰ বন্ধুত্বসুলভ মৰমেৰে সান্ত্বনা দিব নোৱাৰে। কাৰণ তাই কিবা এটা অভাৱ বৰকৈ বৰকৈ অনুভৱ কৰিছে আৰু লগে লগে এইটোও উপলব্ধি কৰিব পাৰিছে যে তাইৰ সেই অভাৱ পূৰণ কৰিব পৰা ব্যক্তিজন হ'ল সৌৰভ। তাই সৌৰভক নিজৰ জীৱনতকৈ বেছি ভাল পায়। শয়নে-সপোনে ভাবে তাৰ কথাকে; সুন্দৰ মুখাৱয়ৱ, অমায়িক ব্যৱহাৰ, স্পষ্টবাদী ......... সঁচাকৈয়ে অভিভূত হৈ পৰে নিশি।

......... ৰাতিপুৱাই নিশিৰ ককায়েক আহি ওলাবহি বুলি সি কল্পনাও কৰা নাছিল। তাৰ মনত অনেক প্ৰশ্নই দোলা দিবলৈ ধৰিলে। বিছনাখনতে বহিবলৈ দি সুধিলে ....... 'ইমান পুৱাই আহিলে, কওকচোন?' সুধিয়েই তেখেতৰ শেতাপৰা মুখখন তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি সি বোবা হৈ পৰিল। ইমানপৰে টোপনিৰ জাল ভালকৈ নমৰা সৌৰভে নিশিৰ ককায়েকৰ বাৰণাকূল দুচকুৰপৰা বাগৰি অহা চকুলো দেখি পুনৰ সুধিলে "কি হ'ল আপোনাৰ? কিয় কান্দিছে?"

থোকা-থুকি মাতেৰে নিশিৰ ককায়েকে ক'লে "নিশি অসুস্থ হৈ পৰিছে সৌৰভ। তাই কালি ৰাতি হঠাৎ ফেনাইল খাইছিল। এতিয়া নাৰ্চিংহোমত আছে। কি হয় ঠিক নাই। অজ্ঞান অৱস্থাতো তাই তোমাৰ নাম মাতি আছে।" বুলি এখিলা কাগজ তাৰ ফালে আগবঢ়াই দিলে। সি পঢ়ি চালে - 'জীৱনত তুমি সুখী হোৱা সৌৰভ, মই তোমাৰ সুখৰ পথত বাধা দিব নিবিচাৰোঁ। তোমাক বহুত আমনি দিলো .... ক্ষমা কৰি দিবা। মৰমেৰে নিশি।"

সৌৰভৰ চকু সেমেকি গ'ল .... বাৰিষাৰ ঢল যেন নামি আহিল তাৰ দুচকুলৈ। অনুশোচনাৰ তীব্ৰ জুইয়ে তাক যেন নিঃশেষ কৰি দিব খুজিলে। এজনী ছোৱালীৰ মৰমক নেওচা দিয়াৰ পৰিণতিৰ ভয়াবহ প্ৰতিচ্ছবিখনে তাক বিব্ৰত কৰি তুলিলে। হুকহুকাই সি কান্দিবলৈ ধৰিলে "মোক ক্ষমা কৰি দিবা নিশি, মই নাৰী ....... মই কাপুৰুষ।।

নিশিৰ ককায়েকে তাক হাতত ধৰি এটা কথাও নকৈ গাড়ী লৈ আহিল আৰু নাৰ্চিং হোমলৈ বুলি গাড়ী চলাই দিলে।





*আজি বতৰ ডাৱৰীয়া। বেনুধৰ পথাৰৰপৰা নাঙললৈ ঘৰলৈ উভতি আহিছে। অমৰে ঘৰৰ বাহিৰৰ বাৰান্দাত বহি কিতাপ পঢ়ি আছে। অমৰ হ'ল মাক-বাপেকৰ একমাত্ৰ সন্তান। অমৰৰ পঢ়া শুনাত বৰকৈ ৰাপ আছিল। সিহঁতৰ আৰ্থিক অৱস্থাতো বৰ শোচনীয়। তাৰ দেউতাক এজন খেতিয়ক। আজি দহ বছৰমান ধৰি সিহতৰ খেতিৰ উৎপাদন হ্ৰাস পাইছে। বৰ্তমান চৰকাৰে যদিও জল-সিঞ্চনৰ ব্যৱস্থা কৰিছে সিহতে ল'ব পৰা নাই। সি মাক-দেউতাকক প্ৰায়েই কয় "মই ভালকৈ পঢ়িম ডাঙৰ মানুহ হম।" লাহে লাহে দিন বাগৰি গ'ল আৰু অমৰ দশম শ্ৰেণী পালৈগৈ আৰু লগে লগে তাৰ পঢ়াৰ বোজাটো বাঢ়ি গ'ল। তাৰ কোনো টিউচন নাই। ঘৰত কেতিয়াবা শিক্ষক-শিক্ষয়িত্ৰী সকলে চাই দিয়েহি, এনেদৰে কষ্ট কৰি অমৰে মেট্ৰিক পৰীক্ষা দিলে।*

# স্বপ্ন ভংগৰ বেদনা

গুনীন বুঢ়াগোহাঁই
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল, অমৰ পৰীক্ষগত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল আৰু ৫ বিষয়ত লেটাৰ পালে। সিহঁতৰ ঘৰ গাঁৱৰ মানুহে ভিৰ হৈ পৰিল। এনে আনন্দৰ মাজতে পৰীক্ষাৰ ফলাফল লৈ ঘূৰি আহোঁতে এক্সিডেন্ট হৈ দেউতাকৰ মৃত্যু হ'ল। দেউতাকৰ মৃত্যু হোৱাৰ পাচত সিঁহতৰ ঘৰৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। অমৰক এতিয়া কলেজত নাম ভৰ্তি কৰিবলৈ মাকৰ টকা দিবলৈ সামৰ্থ নাই। "মাকে তাক কৈছে - এতিয়া তই তোৰ দায়িত্ব নিজেই ল'ব লাগিব।" ভাগ্যক বিচাৰিবলৈ তই বাহিৰলৈ যা। আশীৰ্বাদ কৰিছোঁ তই সফল হৈ মোক চাবলৈ আহিবি। এইখন গাঁৱত সোমাই থাকিলে তোৰ জীৱনটো ধ্বংস হৈ যাব। কিন্তু মা 'মই তোমাক ইয়াত অকলে থৈ যাম কেনেকৈ।' মই কিবা এটা কৰি চলি থাকিম, তই চহৰলৈ যা। মাকৰ কথা মতে সি চহৰলৈ ওলাই আহিল। আৰু ঘূৰি ফূৰোঁতে ব্যৱসায়ী এজনক লগ পালে। তেওঁ তাক তেওঁৰ ঘৰলৈ লৈ গ'ল তেওঁক ব্যৱসায়ত সহায় কৰিবলৈ। একো বেয়া নহয়, বাটে পথে ঘূৰি ফুৰাত কৈ বহুত ভাল, দুই তিনিটা মানুহৰ লগত মিলা মিছা কৰিব পাৰিব। ব্যৱসায়ীজনৰ লগত নানা অচিন দেশ বিদেশত বস্তু বেচা কিনা কৰিবলৈ ধৰিলে। দিনৰ পাচত দিন ধৰি দেশ বিদেশ ঘূৰি ফুৰা নিচাত পৰিণত হ'ল অমৰৰ। গাঁৱৰ কথা, বুঢ়ী মাকৰ কথা লাহে লাহে পাহৰিবলৈ ধৰিলে।

অমৰৰ অধ্যৱসায় যেনেকুৱা আছিল তেনেকুৱা সততাও

আছিল। এই গুণৰ ভিতৰত তেওঁ ব্যৱসায়ীজনৰ প্ৰিয় পাত্ৰ হৈ পৰিল। ব্যৱসায়ীজনৰ নিজৰ কোনো সন্তান নাছিল আৰু সেই বাবে অমৰে সেই ঠাই লাভ কৰিলে। ব্যৱসায়ী জনৰ উত্তৰাধিকাৰ হ'ল অমৰ আৰু তেওঁৰ সম্পত্তি সকলো অমৰৰ নামত কৰি দিলে। ব্যৱসায়ীজন লাহে লাহে বুঢ়া হৈ আহিল আৰু অমৰে সেই ব্যৱসায় নিজৰ হাততলৈ আনি সেই ব্যৱসায়টো আৰু ডাঙৰ কৰি তুলিলে।



এদিন এনেকৈ ঘূৰি ফুৰোঁতে সি তেওঁৰ নিজৰ জন্মভূমিত ভৰি দিলে। অমৰ অহা কথাটো গোটেই গাঁওখনত বিয়পিবলৈ ধৰিলে। আৰু এই আনন্দময় বাতৰি কথা মাকৰ কাণতো পৰিল। নয়নৰ মণি, এক মাত্ৰ সন্তানক চাবলৈ তেওঁ সেইখিনি ঠাই পালেগৈ। মাকক দেখি যেন লাজত মূৰটো কটা গ'ল অমৰৰ। তাৰ দেশ ব্যাপী নাম, যশ আৰু মাক এনেকুৱা দৰিদ্ৰ অৱস্থাত আছে বুলি জানিলে মানুহে কি ক'ব? চোকা বুদ্ধিৰে অমৰে ক'লে "কি কৈছা মোৰ মা? মোৰতো মা নাই।" এনেকুৱা লেতেৰা কাপোৰ পিন্ধা মানুহজনী মোৰ মা হ'ব পাৰে নেকি?

এদিন এনেকৈ ঘূৰি ফুৰোঁতে সি তেওঁৰ নিজৰ জন্মভূমিত ভৰি দিলে। অমৰ অহা কথাটো গোটেই গাঁওখনত বিয়পিবলৈ ধৰিলে। আৰু এই আনন্দময় বাতৰি কথা মাকৰ কাণতো পৰিল। নয়নৰ মণি, এক মাত্ৰ সন্তানক চাবলৈ তেওঁ সেইখিনি ঠাই পালেগৈ।

খং আৰু অহংকাৰত চিঞৰি উঠিল অমৰ। মাকে সকলো কথা শুনিলে তথাপিও অমৰক এবাৰ চোৱাৰ লোভ সামৰিব নোৱাৰিলে আৰু অমৰক কলে তই এনেকুৱা কৰ্কশ কথা নকবি? "অমৰ শুন, তই মোৰ ফালে এবাৰ চা, মই তোক কোৱা নাছিলো, তই বুদ্ধিমান, সঁচাকৈ এদিন কৃতী হ'বি। মনত নাই সেই ল'ৰালিৰ কথা?"


মনত নাই মই যে তোক কৈছিলোঁ তোৰ ভাগ্য উলটি যাব, তই ধনী হবি আৰু মোক চাবলৈ আহিবি নিজ গাঁৱলৈ সেই কাৰণে তই আহিছ নহয় নে?

ধনী অমৰে সকলোৰে সন্মুখতে মাকৰ কথাবোৰ ইমান অপ্ৰস্তুত বোধ কৰিলে যে খঙত কণা হৈ মাকক বৰ জোৰকৈ গঁতা মাৰি সি সেই ঠাইৰপৰা গুচি গ'ল। লাজ আৰু অপমানত মাকে কান্দি উঠিল। চিঞৰি চিঞৰি ক'লে ঐ, মই তোৰ নিজৰ মা। স্বৰ্গ, সূৰ্য আৰু আই ধৰিত্ৰীক সাক্ষী কৰি মাকে পুতেকক লৈ কৰা স্বপ্ন নিমিষতে ভাঙি চূৰমাৰ হৈ গ'ল। ভগবানে জানে মোৰ এই কথা সঁচানে মিছা। মাকে





# মৰিশালিৰ নিস্তব্ধতা



শ্ৰীমুনশিখা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ, প্ৰথম ষান্মাসিক,
অসমীয়া বিভাগ

সুদীপ্ত নামটো শুনাৰ লগে লগে উচ্‌প খাই উঠিল প্ৰণামী। মনত পৰিল পাৰ হৈ যোৱা সেই দিনবোৰলৈ। কেনেকৈ যে পাৰ কৰিলে তাই সেইকেইটা দিন....। ভাবিলেই গাৰ নোম শিয়ৰি উঠে প্ৰণুৰ (প্ৰণামী)।

ব'হাগ আহি পালেহিয়েই চাগে। দূৰৈত কুলিৰ মাতো ৰিণিকি ৰিণিকি শুনিবলৈ পোৱা গৈছে, উস্ অসহ্য। কাণ দুখন দুহাতেৰে হেঁচা মাৰি ধৰি নিজৰ মাজতে কৈ উঠিল। প্ৰতিটো ব'হাগ যেন তাইৰ বাবেই আহে, তেনেদৰেই উতলা হৈ পৰিছিল পাৰ হৈ যোৱা বসন্তবোৰত প্ৰণু। আৰু এয়া, এয়া কি? এইবাৰ দেখোন কুলিৰ মাতো অসহ্য হৈ পৰিছে তাইৰ বাবে? হয়, এইজনী কুলিয়ে প্ৰণুৰ জীৱনলৈ যন্ত্ৰণাহে কঢ়িয়াই আনে।

মাক-দেউতাকক সৰুতেই হেৰুৱা প্ৰণুৰ একমাত্ৰ সাৰথি আছিল তাইৰ ককায়েক প্ৰীতম। সেয়াও ব'হাগৰ বতৰৰ কথা। ২০০৩ চনৰ ১৪ এপ্ৰিলত মাক-দেউতাকে প্ৰণু আৰু প্ৰীতক (প্ৰীতম) অকলশৰীয়া কৰি এৰি গৈছিল। দুৰ্ঘটনাজনিত মৃত্যু। আৰু তেতিয়াৰপৰাই সিহঁত নিথৰুৱা। বিশেষকৈ প্ৰণু। তেতিয়াৰপৰা এতিয়ালৈকে প্ৰণুৰ ভিজা চকু ভিজাতেই ৰ'ল। হয়তো নুশুকাবই কোনোদিন।

প্ৰণুৰ মাক-দেউতাকৰ মৃত্যুৰ আগমুহূৰ্তত সম্বন্ধীয় খুড়াক এজনে মানৱতাৰ খাতিৰত নে সম্পত্তিৰ লোভত সিহঁতৰ মাক-দেউতাকক আশ্বাস দি কৈছিল "সিহঁতহালৰ দায়িত্ব আমি ল'ম। আমি থাকোঁতে সিহঁত কেতিয়াও অকলশৰীয়া নহয়।" হয়,

খুড়াক-খুড়ীয়েকে সিহঁতৰ দেউতাকক কথা দিয়ামতে দায়িত্ব ঠিকেই পালন কৰিছে। কোনোদিন প্ৰণু বা প্ৰীতে পঢ়া-শুনাৰ ক্ষেত্ৰত অভাৱ অনুভৱ কৰিবলৈ পোৱা নাই। কেৱল মাতৃত্ব আৰু পিতৃত্বৰ বুকুৰ ভয় সিহঁতৰ বুকুৰে ল'বলৈ পোৱা নাই। সেয়াই সিহঁতৰ আটাইতকৈ ডাঙৰ অভাৱ। মৰমৰ ভিক্ষাৰী সিহঁত। 'মা' শব্দটো যেন সিহঁতৰ ওঁঠৰ পৰা বহুখিনি দূৰৈত। যদিও প্ৰণুতকৈ প্ৰীত তিনিবছৰৰ ডাঙৰ তথাপিও ছোৱালী হিচাপে খুব কম সময়তে তাই প্ৰীততকৈ বহুখিনি কথাই বুজি পোৱা হ'ল। কোনোধৰণৰ তেজৰ সম্পৰ্ক নাই সিহঁতৰ মাজত খুড়াকহঁতৰ। কেৱল দুয়োঘৰ একেবাৰেই ওচৰা-ওচৰি। বিশেষকৈ প্ৰণুহঁতৰ দেউতাকৰ ককাই-ভাই বুলিবলৈ কোনো নাছিল। প্ৰণুৰ দেউতাকেই একমাত্ৰ। আৰু সেই বাবেই দেউতাকে মৃত্যুৰ সময়ত খুড়াকৰ হাতত গতালে বুলিয়েই আজিৰ যুগত কোনো সম্পৰ্ক নথকা স্বত্বেও খুড়াকে সেই দায়িত্ব মূৰ পাতি ল'লে। আচৰিত কথা? প্ৰণুৱে লাহে লাহে বুজি উঠিলে তাতো কিবা এটা স্বাৰ্থ নিশ্চয় থাকিব পাৰে। খুব কম দিনৰ ভিতৰতে তাই বুজি উঠা কথাটোৱে বাস্তৱত ৰূপ দিলে। তাতে আকৌ ভয়ংকৰভাৱে। প্ৰণুৰ দেউতাকৰ চাকৰি-বাকৰি নাছিল যদিও অজস্ৰ সম্পত্তি অৰ্থাৎ মাটি-বাৰী ৰাখি থৈ গ'ল সিহঁত হালৰ বাবে। লোভী খুড়াকৰ চকু আছিল সেই সম্পত্তিৰ ওপৰত। আনহাতে খুড়ীয়েকেও প্ৰণুৰ ওপৰত নিজৰ স্বাধীনচিতীয়া ৰাজত্ব পূৰণ কৰিব বিচাৰিছিল। সেই সময়ত প্ৰণু সপ্তম শ্ৰেণীত পঢ়ি আছিল। প্ৰীত আৰু খুড়াকৰ ডাঙৰ ল'ৰা সুদীপ্তই সেইবছৰতে মেট্ৰিক পৰীক্ষা দিব। ল'ৰা বুলি প্ৰীতে অলপ হাত সাৰিছিল গালি - গালাজবোৰৰ পৰা কিন্তু প্ৰণুৱে নিৰৱে সহ্য কৰিছিল সকলোবোৰ ককৰ্থনা।

সময়বোৰ লাহে লাহে বাগৰি গৈ আছিল মেট্ৰিক পৰীক্ষালৈ আৰু বেছি দিন নাই। সুদীপ্ত আৰু প্ৰীত দুয়োৰে পঢ়া-শুনা ঠিকেই চলিছে। পৰীক্ষাৰ আগদিনাখন দুয়ো নামঘৰত গৈ ভগৱানৰ আশিষ বিচাৰি সেৱা কৰি আহিল। সিহঁতৰ ৰাতি এঘাৰ মান বজালৈকে পঢ়ি শুই থাকিল।

ৰাতিপুৱা ছয়মান বজাত এটা অতি কঠুৱা মাত শুনিবলৈ পোৱা গ'ল।...... 'অই, এই সময়ত ইমান পঢ়া দেখুৱাব নালাগে, আমাৰ সুদীপ্তই গা ধুইছেগৈ তইও ধুই লগে যা।' বাচন মাজি থকাৰপৰাই কথাষাৰ শুনিবলৈ পালে প্ৰণুৱে। খুড়ীয়েকে নিশ্চয় কথাষাৰ ককায়েকক কৈছে। তাকেই অলপ মৰমেৰে ক'লেই হয়। প্ৰণুৰ কলিজাটো যেন কোনোবাই মুচৰি নিলে তেনে লাগিল। বাচন ধুই হোৱাৰ লগে লগেই তাই প্ৰীতৰ ওচৰ পালেহি। ইংৰাজীৰ কিতাপখনৰ ওপৰত টোপাল টোপাল চকুপানী পৰি থকাৰ চিন পোৱা গ'ল, তথাপি সি তাৰ যেন একোৱেই হোৱা নাই তেনেধৰণৰ আচৰণ কৰি তাইৰ আগত সহজ হ'বলৈয়ে ক'লে ...... "ভন্টী, কিবা বিচাৰিছ নে কি? কটাৰী লাগে ছাগে? সৌখন দেখা নাই কাণি? টেবুলৰ ওপৰতে আছে।"

"হ'ব দে দাদা। তই মোৰ আগত আৰু চকুপানী লুকুৱাব নালাগে। সকলোপৰা পাইছোঁ তোক। হাজাৰটা বৰষুণৰ টোপালৰ মাজতো তোৰ এটোপাল চকুপানী চিনি উলিয়াব পাৰিম মই। ভালকৈ পৰীক্ষা দিবি দেই। এইবোৰ আজে-বাজে কথা ভাবি নাথাকিবি। থোকাথুকি মাতেৰে যেনে-তেনে কথাকেইষাৰ কৈ শেষ কৰিলে। তাই যেন মাকৰ দায়িত্ব হে পালন কৰিছে। এইবাৰ আৰু প্ৰীতৰ দুচকুৱে যেন পাৰহে ভাঙি দিলে ৰৈ থাকিব নোৱাৰিলে, তাইৰো দুচকুত বাৰিষাৰ বান ।

প্ৰীতঃ প্ৰণু অই।

প্ৰণু ঃ কি?

প্ৰীত ঃ মা যে আমাৰ মাজত নাই আজি বৰকৈ অনুভৱ কৰিছোঁ অ'। জীৱনৰ প্ৰথমটো পৰীক্ষা দিবলৈ ওলাইছো। অই প্ৰণু বিৰাট ভয় লাগিছে অ'।

প্ৰণয়ে কিবা এষাৰ কোৱাৰ আগতেই আকৌ এটা কঠোৰ মাত শুনিবলৈ পোৱা গ'ল। ..... 'অই, ভিতৰত কি কৰি আছ। সোনকালে আহ।"

প্ৰণুৱে পিন্ধি থকা ফ্ৰকটোৰেই চকুপানীখিনি মচি নিজৰ কামত লাগিলগৈ।

মেট্ৰিক পৰীক্ষা দুয়োৰে ভালদৰেই পাৰ হৈ গ'ল। তেনেতে এদিনাখন সুদীপ্তৰ মাকৰ ওচৰত ভীষণ আপত্তি শুনিবলৈ পোৱা গ'ল যে সকলো লগৰ ল'ৰা-ছোৱালী এইকেইদিন ব্ৰহ্মপুত্ৰৰ পাৰত ফুৰিবলৈ গৈছে। গতিকে তাৰ আৰু প্ৰীতৰ তালৈ যাবলৈ বৰকৈ মন গৈছে। প্ৰীতৰ কিন্তু ফুৰা-চকাত বৰ এটা চখ নাই তথাপিও খুড়াক-খুড়ীয়েকে সন্মতি দিয়াৰ বাবে দুয়োটা যাবলৈ ওলাল। প্ৰণুক প্ৰীতে সৰু ছোৱালীৰ দৰে ফুচুলাই থৈ গ'ল - তোলৈ কিবা মানে চকলেট এটা লৈ আহিম দেই। চিন্তা নকৰিবি।

ব'হাগৰে এটা ৰাঙলী পুৱাৰ কথা। দ্বিতীয়বাৰৰ বাবে শিয়ৰি উঠিল প্ৰণু। বাটলৈ চাই চাই ভাগৰি পৰিছে তাই। সন্ধিয়াও নামি আহিছে। এতিয়ালৈকে ইহঁত দুটা পোৱাহিয়ে নাই। তেনেতে লৰি-ঢাপৰি সোমাই আহিল সুদীপ্তহঁতৰ লগৰে বিকাশ। মুখত তাৰ বিন্দু বিন্দু ঘাম। ফোঁপাইছেও বৰকৈ সি, প্ৰণুৰো আজিছোন বুকুখন বৰকৈ ঢপঢপাইছে। সেই সময়তে বিকাশৰ মুখেৰে যি কেইষাৰ কথা ওলাল তাৰ প্ৰথমষাৰ কথা শুনিয়ে ঠাইতে ঢলি পৰিল প্ৰণু।

সকলোৰে মুখে মুখে এইকেইদিন এষাৰেই কথা "প্ৰীতমৰ পানীত পৰি মৃত্যু ঘটিছে। কিন্তু সেইষাৰ কথাশুনি আনে সহ্য কৰিব পাৰিছে যদিও প্ৰণু অসহ্যকৰ হৈ পৰিছে। কাৰণ সেয়া দুৰ্ঘটনাজনিত মৃত্যু নহয় পৰিকল্পিত হত্যাকাণ্ড হে। একেলগতে যোৱা এজন সুস্থভাৱেই ঘূৰি আহিলে আৰু আনজন ........??? নাই, তাই এই কথা কেতিয়াও বিশ্বাস নকৰে।

সুদীপ্তক পুলিচে আটক কৰিলে। ঘৰখন একেবাৰে নিজম পৰি গ'ল। তাই সেইখন ঘৰৰ সদস্য নহয় যেন আলহীহে তেনেদৰে থাকিবলৈ ল'লে। হাঁহি, স্ফূৰ্তীও নাইকিয়া হ'ল। কাৰ স'তে হাঁহিব? তাইৰ এতিয়াতো কোনো নাই। মুহূৰ্ততে ভাঙি গ'ল পূৰ্বতে ভাঙি থোৱা হৃদয়ত জোৰা লগোৱা কিছুমান নতুন সপোন। হায় নিয়তি, আৰু কিমান সহিম।

তিনিটা বসন্ত পাৰ হৈ গ'ল। হাঁহিবলৈ পাহৰিলে প্ৰণুৱে। বুকুত এখনি দুখৰ সাগৰলৈয়ে একাদশ শ্ৰেণীত ভৰি দিলেহি তাই। পঢ়া-শুনা একেবাৰে হোৱা নাই। মাজে মাজে তাইৰ লগৰে ওচৰৰ জাহ্নৱী আহি দুই-এষাৰ কথা তাইক সান্ত্বনা দিয়েহি। এইয়াই প্ৰণুৰ জীৱন। একো বাকী নৰল তাইৰ বাবে। কেৱল তাইহে আছে। শূন্য পিয়লা।

ভাবিলেই আচৰিত লাগে এনেদৰেই যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল এখন অবুজ হৃদয়। লগতে ভাঙি থান-বান কৰি থৈ গ'ল আন এখন কণমানি হৃদয়।

হঠাতে নঙলা খোলাৰ শব্দত উচপ খাই উঠিল প্ৰণু। তাইৰ ভাবত যতি পৰিল। ডায়েৰীখন জপাই থৈ বাহিৰলৈ ওলাই আহিল। কিন্তু, কিন্তু এইয়া তাই কি দেখিছে। তাইৰ সন্মুখত এইয়া তাইৰ ককায়েকৰ হত্যাকাৰী সুদীপ্ত। সুদীপ্ত দুৰৱা। মূৰটো যেন ক্ৰমে উত্তপ্ত হৈ আহিছেপ্ৰণুৰ। দাঁতকেইটাও আজি বৰকৈ ঘঁহনি খাইছে। কিন্তু পিছ মুহূৰ্ততে তাই নিজক সংযত কৰি ল'লে আৰু নিজৰ মাজতে কৈ উঠিল "মই এনেকুৱা কৰিলে কেনেকৈ হ'ব। পৰিয়ালটোৰ চাৰিজন ব্যক্তিৰ কেৱল মইহে সৌশৰীৰে জীয়াই আছোঁ। মই জীয়াই থাকিব লাগিব। একো কৰিব নোৱাৰিলেও অন্তত সুদীপ্তকটো শিক্ষা এটা দিব লাগিব। খহি পৰা চূৰ্ণীখন এহাতেৰে ওপৰলৈ তুলি লৈ লাহে লাহে ভিতৰলৈ সোমাই গ'ল প্ৰণু।

আকৌ আগৰ দৰেই সহজ হ'ব খুজিছে প্ৰণু সিহঁতৰ মাজত। সুদীপ্তৰ লগতো দুই-এষাৰ কথা পাতিছে তাই। কিন্তু সুদীপ্ত নিজেই সহজ হ'ব পৰা নাই তাইৰ ওচৰত।

আজি দেওবাৰ। কলেজ বন্ধ। তাতে আজি প্ৰণুৰ জন্মদিনো। কোনোধৰণৰ আয়োজন নাই যদিও ঘৰৰ পৰিয়ালটো আৰু জাহ্নৱীক মাতি ভাত এসাজ খাব লাগিব বুলি কৈ খুড়ীয়েকে ৰন্ধা-বঢ়াত লাগিলকৈ। প্ৰণুৱে ৰান্ধনি শালত গৈ গম পালে আজি তাইৰ প্ৰিয় খাদ্য কেইবিধমানকে ৰান্ধিছে খুড়ীয়েকে। তাই এইবোৰত খৰছ কৰিব নালাগে বুলি কৈছিল যদিও খুড়ীয়েকৰ কথা ৰাখিব বিচাৰি ঘৰৰপৰাই চিঞৰি জাহ্নৱীক মাতি দিলে।

সকলোৱে একেলগে ৰাতিৰ সাঁজ খাই শুই থাকিল। এঘাৰ মান বজালৈকে জাহ্নৱী প্ৰণুৰ লগতে থাকিল। বাৰ মান বাজিছে, জাহ্নৱীয়ে লাহে লাহে গম পাইছে প্ৰণু যেন শুব পৰা নাই। বিচনাতে খচমচাই আছে। বাৰেপতি বাগৰ সলাইছে। কথাটো সহজ ভাবে লৈ জাহ্নৱীয়ে চিলমিলকৈ টোপনি গৈছিলহে তেনেতে বিছনাত প্ৰণুৰ হাতৰ ঠেকেচনি এটা পাই উচপ খাই উঠিল আৰু তৎক্ষণাত উঠি গৈ খেপিয়াই লাইটৰ চুইচটো অন্ কৰি দিলে। আৰু এইয়া তাইৰ দুচকুৱেই দেখিছেনে বাৰু? প্ৰণুৰ মুখেৰে অহৰহ ওলাই থকা বগা ফেন। ফেনৰ মাজত বিন্দু বিন্দু তেজৰ ৰেঙনি। প্ৰণুৰ হাতখনে যেন কিবা এটা দেখুৱাবহে বিচাৰিছে। আৰু অলপ সময়ৰ পাছতে প্ৰণুৱে গাৰুৰ তলৰপৰা ডায়েৰীখন আনি জাহ্নৱীৰ হাতত গুজি দিলে। জাহ্নৱীয়ে ভয়, আতংক মিশ্ৰিত কণ্ঠেৰে জোৰেৰে চিঞৰি দিলে। হয়তো যিমান ডাঙৰকৈ ওলাব বুলি ভাবিছিল মাততো তাতকৈ অধিক ডাঙৰকৈহে ওলাল কিজানি। সুদীপ্ত আৰু সিহঁতৰ মাক-দেউতাকৰ লগতে ওচৰ চুবুৰীয়াৰ দুই-এজন মানুহো আহি গোট খালেহি। সুদীপ্ত আৰু তাৰ মাকে সকলোৰে আঁতৰ হৈ দূৰৰপৰাই চাই আছে প্ৰণুক। হয়তো মুখত ভয়ৰ চাপ জোৰ কৰি পেলাব বিচাৰিছে। কিন্তু চেষ্টা ব্যৰ্থ হৈছে। আনে নাজানিলেও জাহ্নৱীৰ চকুৱে সেয়া ধৰা পেলাইছে। খুড়াকে তৎক্ষণাত প্ৰণুক ওচৰৰে হস্পিতাললৈ লৈ গ'ল। ওচৰৰ দুই এজন মানুহো লগত গ'ল। হস্পিতালৰ এটি কোঠাৰ পৰা ৰিণি ৰিণি ভাঁহি আহিল প্ৰণুৰ মৰণকাতৰ চিঞৰ। কেইমিনিট মানৰ পাছত ডাক্তৰে আহি ক'লেহি Sorry আমি তেওঁক বচাব নোৱাৰিম। তেওঁৰ হাতত সময় বহুত কম। তেওঁ কাঁৰোবাক বিচাৰিছে। হয়তো কিবা ক'ব খুজিছে।" কথা কেইষাৰ কৈয়ে ডাক্তৰজন আঁতৰি গ'ল। খুড়াক প্ৰণুৰ ওচৰলৈ গ'ল। "তেওঁৰ হাতত সময় বহুত কম" কথাষাৰে জাহ্নৱীৰ মনত বহুবাৰ খুন্দা মাৰি গ'ল। তাৰমানে প্ৰণুৱেও এইবাৰ আমাক এৰিবলৈ সিদ্ধান্ত



ল'লে। জাহ্নৱীয়ে এইবাৰ সকলোলৈকে চকু ফুৰাই চালে। সকলোৱে উৎকণ্ঠাৰে হয়তো খুড়াকে, আহি কি কয় সেই সময়লৈকেহে যেন বাট চাই আছে। তেনেতে জাহ্নৱীয়ে তাইৰ কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলে। পাছলৈ ঘূৰি চাই ........ খুড়া। প্ৰণু ভালে আছেটো ? তাই তোমাক বিচাৰিছে জাহ্নৱী।

জাহ্নৱীয়ে এইবাৰ পলম নকৰি প্ৰণুৰ ওচৰ পালেগৈ। উস, কি বীভৎস ৰূপ ধাৰণ কৰিছে প্ৰণুৱে। চকু কোটৰত সোমাই পৰিছে। বিশৃংখল চুলি। সেইমুহূৰ্ততো মুখেৰে শুদ্ধ বগা ফেন ওলায়েই আছে। তাই জাহ্নৱীৰ হাত এখন নিজৰ হাত দুখনৰ মাজত ভৰাই জোৰেৰে হেচা মাৰি ধৰিলে। চকুৱেও কিবা ক'ব খুজিছে তাইৰ। এটি কাতৰ চাৱনি। সেই চাৱনিতেই যেন সোমাই আছে তাইৰ সকলো আশা-আকাংক্ষা। সেয়া যেন তাই জাহ্নৱীকহে পূৰণ কৰিবলৈ দিছে। জাহ্নৱীলৈ চাই থকা সেই কাতৰ চাৱনিৰেই প্ৰণুৱে গোটেই জীৱনটোৰ বাবে শান্তিৰে মৃত্যুৰ শীতল কোলাত শুই পৰিল। নিয়তিৰ কাল ধুমুহাই প্ৰণুক লৈ গ'ল এখন অচিন দেশলৈ। তাইৰ হাত দুখন খহি পৰিল জাহ্নৱীৰ হাতৰপৰা আৰু কোনোদিনে এইখন হাতৰ পৰশ নাপায় জাহ্নৱীয়ে। ....... বৰ সোনকালে এৰি গ'লি অ' প্ৰণু। বৰ সোনকালে। জীৱনৰ মধুৰ মুহূৰ্তবোৰৰ একোৱেই উপভোগ কৰিবলৈ নাপালি, ভালেই হ'ল। তই যি ঠাইলৈ গ'লি, তাত তই সকলো পাবি, ইয়াত এৰিবলগীয়াৰ ভিতৰত মোকহে এৰি গ'লি। তোৰ ইচ্ছা পূৰণ কৰিবলৈ চেষ্টা কৰিম। নাজানো কিমান দূৰ সফল হওঁ।

খিৰিকীৰ ফাঁকেৰে বাহিৰলৈ চালো। প্ৰণুৰ মৃত্যুৰ দুদিন হৈছে। পুলিচৰ অহা-যোৱা চলিয়েই আছে সিহঁতৰ ঘৰলৈ। আজি প্ৰণুৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। জাহ্নৱীবো এইকেইদিন মূৰটো বৰকৈ বিষাবলৈ ধৰিছে। তাৰ মাজতো তাইৰ এটাই চিন্তা কি কাৰণত প্ৰণুৰ মৃত্যু হ'ব পাৰে। দিনৰ বাৰ বাজি গৈছে। ডায়েৰীখনকে লুটিয়াই বাগৰাই পঢ়ি আছে জাহ্নৱীয়ে। মাকে চাহ একাপ দি গ'লহি তাইৰ কাষত। মাকৰ মুখতো চিন্তাৰ ৰেখা। তেনেতে গাড়ী দুখন ৰখালেহি প্ৰণুহঁতৰ ঘৰৰ মুখত। কেইবাজনো পুলিচ নামি আহিল গাড়ীৰপৰা। দুজনমানে প্ৰণুৰ নিথৰ দেহটো আলুৰ বস্তাৰ দৰে ব্যৱহাৰ কৰি নমালে গাড়ীৰ পৰা। তেওঁলোকৰ বাবে সাধাৰণ কথা, কিন্তু জাহ্নৱীয়ে এই দৃশ্য চাব নোৱাৰিলে। খিৰিকীৰ পৰ্দাখন মেলি দি আঁৰ হৈ পুলিচ কেইজনে খুড়াক-খুড়ীয়েকক কোৱা কথাবোৰ শুনিবলৈ চেষ্টা কৰিলে। আৰু, এইয়া তাই যি শুনিবলৈ পালে নিজৰ কাণ দুখনকে যেন তাই বিশ্বাস কৰিব পৰা নাই তেনে অৱস্থা হ'ল জাহ্নৱীৰ! ভৰিৰ তলৰ মাটিবোৰ যেন হেৰাই গৈছে। তেনেধৰণৰ অনুভৱ হ'ল। ওপৰৰপৰা তললৈ সৰ্বশৰীৰ কঁপি উঠিল। মানুহৰ প্ৰতিও মানুহ ইমান নিষ্ঠুৰ হ'ব পাৰেনে? মৃদু কঁপনি এটা তাইৰ সৰ্বশৰীৰৰ মাজেদি পাৰ হৈ গ'ল। তাই কথাষাৰ প্ৰতি মুহূৰ্ততে হৃদয়ংগম কৰিবলৈয়ে প্ৰণুৰ ডায়েৰীৰ শেষৰ ফালে কঁপা কঁপা হাতেৰে লিখি দিলে ..... "প্ৰণুৰ খাদ্যত বিষক্ৰিয়া ঘটিছে" কঁপি থকা হাত লাগি চাহৰ কাপটো বাগৰি পৰিল। ইচ্, ইচ্ ডায়েৰীৰ শেষৰ পাঠখিলাই তিয়াই পেলালে। হ'ব, জাহ্নৱীয়ে সেই কথাষাৰ মনত লিখি থলেই হ'ব।

পৃথিৱীৰপৰা এটা পৰিয়াল একেবাৰে নিখোজ হৈ পৰিল। কাৰ খবৰ কোনে ৰাখে। সকলো নিজৰ মাজত ব্যস্ত।

ব'হাগৰে বতৰ। কুলিটিয়ে প্ৰণুহঁতৰ বাৰীৰে গছ এজোপাত পৰি কুকিল কণ্ঠেৰে বিনোৱা জাহ্নৱীয়ে শুনিবলৈ পালে। নতুনকৈ দুটি ফুলৰ কলি ওলাইছিল। ফুলিবলৈ নেপাওঁতেই মৰহি গ'ল। তাৰ বীজ সিচি থৈ গ'ল জাহ্নৱীৰ বুকুত। কেৱল জাহ্নৱীয়ে অনুভৱ কৰিলে হৃদয়ৰ নিভৃততম কোণৰপৰা পৃথিৱীৰপৰা এটা পৰিয়াল একেবাৰে নিঃশেষ হৈ গ'ল।

কেৱল জাহ্নৱীয়ে ........।





# প্ৰেম প্ৰতীক্ষাৰ অন্তত

দিপিকা বৰগোহাঁই
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

টং টং কৈ ঘড়ীটোত ১২ বজাৰ সংকেত হ'ল। তথাপিও জোনালী টোপনি অহা নাই। তাইৰ লগত বায়েক আৰু ভনীয়েক কেতিয়াবাই টোপনি গ'ল। কিন্তু তাইৰ চকুত টোপনি লেখমানো অহা নাই। বৰং তাইৰ চকুত চকুলোহে বব ধৰিলে।

জোনালীয়ে একে গাঁৱৰ তন্ময় নামৰ ল'ৰা এটাক ভাল পাইছিল। সিহঁতৰ প্ৰেম ক্ৰমে গভীৰ হৈ আহিল। এদিন দুদিন কৰি তাইৰ ভাল পোৱা প্ৰায় এবছৰ যাবই হ'ল। তন্ময় আৰু জোনালীৰ ভাল পোৱা কথা লগৰবোৰৰ বাহিৰে আন কোনেও নেজানিছিল। লাহে লাহে সিহঁতৰ ভাল পোৱা কথা এদিন ঘৰত গম পালে। তন্ময়ৰ মাক-দেউতাক নাছিল। তাৰ ককায়েক আৰু বৌয়েকে আনৰ আগত কয় বোলে - তাইক আমাৰ ঘৰৰ বোৱাৰী কৰি নানো। ইফালে জোনালী মাক-দেউতাকে কয়, আমিও আমাৰ ছোৱালী সিহঁতৰ ঘৰলৈ নিদিওঁ। এনেকৈয়ে দুয়োখন ঘৰত মাজত সৃষ্টি হৈছিল। জোনালীয়ে সিহঁতৰ মাজতে কাজিয়া দেখিহে তাইৰ মনত অনুভৱ হৈছিল, প্ৰেম ভাল পোৱা মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। যিমানে দুয়োখন ঘৰৰ মাজত হুলস্থুল হৈছিল। সিমানে বেছি তন্ময় আৰু জোনালীয়ে লুকাই চুৰ কৰি লগ কৰিব ধৰিলে।

হঠাৎ তন্ময়ে এদিন আৰ্মিত চাকৰিৰ বাবে ইন্টাৰভিউ দিবলৈ গ'ল। সি ইন্টাৰভিউ পাছ কৰিলে। ঠিক পাঁচ মাহৰ পিচত কলিং লেটাৰ আহিল। তন্ময়ে মেঘালয়ত ট্ৰেনিং ল'বলৈ গ'ল। সেই বছৰতে জোনালীয়ে উচ্চতম মাধ্যমিক দ্বিতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষা দিব। তন্ময়ে মেঘালয়লৈ যোৱা পাছত দুয়োটাই ফোনত কথা পাতিছিল। জোনালীৰ নিজৰ ম'বাইল নাছিল। তাইক কয় তন্ময়ে আনৰ ম'বাইল পালে মোক দুটা মিচকল দিবা বুলি। কেতিয়াবা তন্ময়ক আনৰ ম'বাইল পালে জোনালীয়ে মিচকল দিছিল। তেনেকৈয়ে দুয়োটাই কথা পাতিছিল। সেই সময়তে জোনালীৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল, তাই 1st Division পালে। কলেজত তাই Admission ল'লে। মাকে তাইক 1st Division পোৱাৰ কাৰণে ম'বাইল এটাও দিলে। তাই ম'বাইল পোৱাৰ পিছত তন্ময়ক ফোন কৰিছিল। তন্ময় সেই সময়ত ব্যস্ত আছিল। তাইক ১০ মিনিট পাছত তন্ময়ে ফোন কৰিলে। তাইক কি কৰিছা আৰু ভাত খালা নাই বুলি কৈ ফোন থৈ দিলে। তাই ক'বই নেপালে এইটো যে মোৰ নম্বৰ মই ম'বাইল ল'লোঁ বুলি। জোনালীয়ে ভাবিছিল কিবা কামত ব্যস্ত আছে চাগে, পিছদিনা তাই আকৌ ফোন কৰিলে তেতিয়াও ব্যস্ত পালে। তাই ব্যস্ত পাই ফোন টো কাটি দিলে। বৈ আছে তাই তন্ময়ে ফোন কৰিব বুলি। সেইদিনা তন্ময়ে ফোন নকৰিলে। দুদিন মানৰ পাছত তাই আকৌ তন্ময় লৈ ফোন কৰিছিল। সেইদিনা তন্ময়ে ফোন নুঠাই কাটিহে দিলে। এদিন তন্ময় লগৰ এটাই ফোন কৰি ক'লে, তন্ময়ে ডিব্ৰুগড়ৰ ছোৱালী এজনী ভাল পায়। তাই হয়তো কান্দি কান্দি নিজকে শেষ কৰি দিছিল। কাৰণ তাই তন্ময়ক বহুত বহুত ভাল পাইছিল। কথাষাৰ শুনা পাছত জোনালীয়ে এদিন কলেজ যায়। দুদিন নেযায়। ক'তো মন নবহা হ'ল। ম'বাইলটো লৈকে তাই চাই থাকিল।

হঠাৎ এদিন জোনালীৰ ম'বাইলত তন্ময়ৰ ফোন আহিল। তাই অবাক ফোনত টো ৰিছিভ কৰিব পৰা নাই। ইফালৰ পৰা ভাঁহি আহিল ঃ আকৌ বাজিল, বাজি থকা কাৰণে ফোনটো তাই ৰিছিভ কৰিলে। কিন্তু কথা পাতিব পৰা নাই। ইফালৰ পৰা ভাঁহি আহিল ঃ


হেল্লো, হেল্লো, হেল্লো, হেল্লো,

তুমি মোক কিয় ফোন কৰিছা? এবাৰ মনত আঘাত দি শেষ নহ'ল। আকৌ দিব আহিছা নেকি? প্ৰথমে তুমি মোৰ কথাটো শুনাচোন। জোনালী মোৰ ভুল হৈছিল। Sorry Sorry। মই তোমাক কিমান কিমান ভাল পাইছিলোঁ। তথাপিও তুমি মোৰ মনৰ কথা নুবুজিলা। তুমি মোক অৱজ্ঞা কৰি আনৰ কাষলৈ গুচি গ'লা। শুনা জোনালী তুমি অন্তত মোক কথাখিনি ক'বলৈ দিয়া। এতিয়া তোমাৰ কথা শুনিবলৈ মোৰ কিবা বাকী আছে নেকি? তুমি শুনাচোন, আচলতে তাইৰ কথাত ভোল গৈ মই তোমাৰ কথা পাহৰি গৈছিলোঁ। কিন্তু তাই এতিয়া মোৰ ওচৰত নাই, আন এজনৰ লগত তাই বিয়া হৈ গ'ল। মই এতিয়া হে বুজি পাইছোঁ ভাল পোৱা কি বস্তু? তোমাৰ মনত দুখ দিয়াৰ বাবে এতিয়াহে মই অনুতাপ কৰিছোঁ। মই বৰ অকলশৰীয়া হৈ পৰিছোঁ জোনালী।

Sorry জোনালী .......... Sorry জোনালী।

# যন্ত্ৰণা

✍ লীলা ছেত্ৰী



শীতকাল। এটি নিৰিবিলি পুৱা। সুৰুযে পুৱ আকাশত ভুমুকি মাৰিছে। নিজৰাই খিৰিকীখন খুলি এখোজ দুখোজকৈ সেই অভিমুখে আগবাঢ়িল। তাইক আজি প্ৰিন্সলৈ খুব মনত পৰিছে। তাই দু-চকুৰে চকুপানী বৰষিব ধৰিছে। কান্দি কান্দি তাই মজিয়াত বহি পৰিল। নিজৰা তাইৰ প্ৰেমৰ স্মৃতি ৰোমন্থনত হেৰাই গৈছিল।

প্ৰিন্স আৰু নিজৰা দুয়ো একেখন কলেজতে স্নাতক তৃতীয় বৰ্ষত পঢ়িছিল। নিজৰা অতি সামান্য পৰিয়ালৰ ছোৱালী। দেউতাক এখন প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক আছিল। ধন-জন, মান-সন্মান আদি সকলো দিশৰপৰাই তাই প্ৰিন্সৰ পৰিয়ালতকৈ নিম্ন স্থানত আছিল। সেইবাবে তাই কেতিয়াবা প্ৰিন্সৰ লগত থকাতো কুণ্ঠাবোধ কৰিছিল আৰু লগৰ সমনীয়াৰ লগত সমানে চলিব নোৱাৰাত লাজ পাইছিল। তাই ভাৱিবলৈ বাধ্য হৈছিল সংসাৰত যেন টকা পইচাই সকলো।

কিন্তু নিজৰাৰ এই সকলো ধাৰণা ভুল বুলি সহাঁৰি দি জীৱনৰ বাটত পোহৰৰ ৰেঙণি বিলাই দিছিল প্ৰিন্সে। তাইক নিজকে প্ৰতিষ্ঠা কৰিবলৈ শিকাইছিল প্ৰিন্সে। তদুপৰি কাৰোবাক ভাল পাবলৈ প্ৰেৰণা দিছিল প্ৰিন্সে। নিজৰায়ো লাহে লাহে জীৱনৰ মূল্য অনুভৱ কৰিবলৈ শিকিছিল।

নিজৰাই প্ৰিন্সক ক'ব নোৱাকৈয়ে ভাল পাবলৈ ধৰিলে কিন্তু তাই এই কথা কাৰো আগত ব্যক্ত কৰিব নোৱাৰে। কাৰণ প্ৰিন্স এজন ধনী ঘৰৰ একমাত্ৰ ল'ৰা। মাক-দেউতাকে তাক খুব মৰম চেনেহে ডাঙৰ কৰিছে। দেউতাক ডাঃ প্ৰশান্ত ফুকন আৰু মাক ডাঃ ৰুণুমা ফুকন। তেওঁলোকে প্ৰিন্সক টকা-পইচা, বয়-বস্তু আদি কোনো এটা দিশৰপৰাই অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই।





তদুপৰি নিজৰাই প্ৰিন্সৰ আন কোনোবা প্ৰেমিকা আছে নেকি সেয়াও গম নাপায়।


কিন্তু এদিন প্ৰিন্সে নিজেই নিজৰাক প্ৰেমৰ প্ৰস্তাৱ দিলে। নিজৰায়ো তাৰ প্ৰেমৰ প্ৰস্তাৱক সমৰ্থন কৰিলে। সেই দিনাখনৰ পৰাই প্ৰিন্স আৰু নিজৰা দুয়ো দুয়োৰে একেবাৰে কাষত থাকিবলৈ ধৰিলে। দুয়ো দুয়োকে খুব ভাল পায়। এজনে আনজনক আদৰ মৰম কৰে। এই দৰে প্ৰিন্স আৰু নিজৰাৰ প্ৰেম কাহিনী সুন্দৰকৈ চলিবলৈ ধৰিলে।

নিজৰাৰ এইদৰে কেইমাহমান পাৰ হৈ যোৱাৰ পিছত এদিন হঠাতে নিজৰা ঘৰতে মূৰ ঘূৰাই ঢলি পৰিল। মাক দেউতাকে হস্পিতাললৈ নিয়াত গম পোৱা গ'ল যে তাই কেইমাহমান ধৰি 'ব্লাড কেন্সাৰ'ত ভূগি আছিল। এই কথাষাৰ নিজৰাৰপৰা লুকুৱাই ৰখা হৈছিল। কিন্তু এদিন নিজৰাই গম পালে যে তাই ব্লাড কেন্সাৰ হৈছে, তাইৰ ওপৰত যেন আকাশীস্বৰগ ভাগি পৰিল। সেই দিনাখনৰপৰাই তাইৰ প্ৰিন্সৰ লগত মিলন অসম্ভৱ আৰু তাইয়ে এই মনোমোহা সুন্দৰ পৃথিৱীখনৰ কেইদিনমানৰহে অতিথি সেই কথাষাৰ ভাৱিবলৈ বাধ্য হ'ল।

নিজৰাই তাইৰ বেমাৰৰ কথা প্ৰিন্সক জনাব আৰু তাৰ হৃদয়ত আন কাৰোবাক ঠাই দিবলৈ তাক মান্তি কৰাব এই মানসেৰে তাই প্ৰিন্সক এদিন সন্ধিয়া লগ ধৰিলে। কিন্তু তাই দেখিছোঁ যে কেইদিনমানৰ ভিতৰতে প্ৰিন্সৰ গতিধাৰাৰ সলনি হ'বলৈ ধৰিছে। তাই গম পালে যে প্ৰিন্সৰ জীৱনত 'স্নেহা' নামৰ ছোৱালীজনীৰ প্ৰৱেশে প্ৰিন্সক নিজৰাৰপৰা আঁতৰাই ৰাখিছে। তথাপিও তাই বুকুত শিল থৈয়ে প্ৰিন্সক তাইৰ মনতে ভাবি অহা কথাবোৰ কোৱাত প্ৰিন্সৰ উত্তৰত আহিল - মই কথাষাৰ গম পায়েই স্নেহাক মোৰ জীৱনত আকোঁৱালি ল'লোঁ। তোমাক প্ৰথমতে জীয়াই থাকিবৰ বাবে কাৰোবাৰ প্ৰেৰণাৰ প্ৰয়োজন আছিল সেয়েহে মই তোমাক লগত প্ৰেমৰ অভিনয় কৰিছিলোঁ। I am So Sorry, Please এই সকলোবোৰ কথা পাহৰি যোৱা আৰু নিজকে বেমাৰৰ সৈতে যুঁজিবলৈ সাজো কৰা। নিজৰা মই আহোঁ হাঁ।


নিজৰাই একোকে ক'ব নোৱাৰিলে। তাই প্ৰিন্স যোৱাৰ ফালে একেথৰে চায়েই থাকিল। তাই ভাৱিছিল যে প্ৰিন্সে কেতিয়াও তাইক এনে অৱস্থাত এৰি নাযায়, ভাবিছিল যে প্ৰিন্সে তাইক আগৰ দৰে জীয়াই থকাৰ সহাঁৰি দিব। কিন্তু এইটো তাইৰ ভুল আছিল। তাইৰ আশা নিৰাশাত পৰিণত হ'ল। প্ৰিন্সে তাইক ইমান সহজে পাহৰিবলৈ কলে, যিটো একেবাৰে সম্ভৱ নহয়।

নিজৰা.... বাহিৰৰপৰা কোনোৱাই মাতিছে। তাই উচপ খাই উঠিল। গম পালে যে তাইৰ লগৰ কোনোবা আহিছে। প্ৰিন্স তাইৰ জীৱনৰপৰা একেবাৰে আঁতৰি গ'ল। এতিয়া প্ৰিন্স স্নেহাৰ লগত বহুত সুখত আছে। নিজৰাৰ ত্যাগৰ বাবেই হয়তো প্ৰিন্সৰ জীৱনত সুখৰ আগমন হ'ল। কিন্তু নিজৰা আজিও জীয়াই আছে মাথো প্ৰিন্সে দিয়া এবুকু স্মৃতি, বেদনা আৰু প্ৰিন্সৰ প্ৰতি থকা তাইৰ মৰম-স্নেহ, আদৰ আদিক লৈ।



*এদিন নিজৰাই গম পালে যে তাই ব্লাড কেন্সাৰ হৈছে, তাইৰ ওপৰত যেন আকাশীস্বৰগ ভাগি পৰিল। সেই দিনাখনৰপৰাই তাইৰ প্ৰিন্সৰ লগত মিলন অসম্ভৱ আৰু তাইয়ে এই মনোমোহা সুন্দৰ পৃথিৱীখনৰ কেইদিনমানৰহে অতিথি সেই কথাষাৰ ভাৱিবলৈ বাধ্য হ'ল।*

## ৰস ৰচনা



# কি ! ঘৰ সাজিব ... সাৱধান

**ড° বিজু মৰাণ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মানুহে কথাতে কয় বোলে— 'ঘৰ সাজিলে মানুহৰ চুলি পকে'। ঘৰ সাজি থকা সময়ত এনেয়ে চুলি পকিলেও মানুহে ঘৰ সজাৰ বাবেই চুলি পকিছে বুলি কৈ টেঙা গৌৰৱ কৰে। মোৰ নিজা অভিজ্ঞতাৰপৰা আপোনাক কাণে কাণে কওঁ 'ঘৰ সজাৰ বাবে চুলি পকিলেতো ভালেই কথা, সৰি নগ'লেহে ৰক্ষা'। মানুহে তৃতীয়টো মৌলিক প্ৰয়োজন বাসস্থান একোটাৰ বাসনা বুজি পোৱা দিনাৰেপৰা পুহি ৰাখে—নিজাকৈ এখন ঘৰ কৰিম বুলি। কোনো কোনো সময়ত নানা অসুবিধাৰ বাবে এই প্ৰয়োজনটো পূৰোৱা নহয়গৈ। অস্থায়ী ব্যৱস্থাৰেই জীৱন অতিবাহিত কৰি দিয়ে। আজি এই মুহূৰ্তত এই লোকসকলকে মই সুখী বুলি অভিহিত কৰিব খুজিছোঁ। কাৰণটো বুজাই দিবলৈ আপোনাৰপৰা খন্তেক সময় লম।

আপোনাৰ দৈনন্দিন জীৱনৰ কৰ্মৰাজিৰ মাজত ঘৰ সাজিবলৈ সময় নোপোৱাৰ অজুহাতত আপুনি কোনো এজন ঠিকাদাৰৰ লগত সপোনৰ ঘৰখন সাজিবলৈ কথা পাতক। দেখিব প্ৰাথমিক বিপৰ্যয় আপোনাৰ দুৱাৰদলিত। ঠিকাদাৰ নহয় যেন সাইলাখ কোনো এজন এম.এল.এ অথবা সাংসদ। আপুনি আপোনাৰ ব্যস্ততাৰ বাবে সকাহ বিচাৰি যি ঠিকাদাৰৰ লগতেই কথা নাপাতক কিয়, মূৰকত দেখিব মহাপুৰুষজনাৰ ব্যস্ততা আপোনাতকৈ এখোপ চৰা। আৰম্ভণিৰ দিন কেইটামান ঠিকেই থাকিব। আপুনি ভাবিব যেন পৃথিৱীৰ আটাইতকৈ ভদ্ৰলোকজনকেই আপোনাৰ সপোনৰ ঘৰটো সাজিবলৈ দিছে। আপোনাৰ সপোনে লুকা-ভাকু খেলিব। পিছে নতুন জোতাই কাটিবলৈ আৰম্ভ কৰে দুদিন পাছৰপৰাহে। আপোনাৰ বাবে ভদ্ৰ ঠিকাদাৰজনক দুদিনমানৰ পাছত মোবাইলৰ নেটৱৰ্কেও বিচাৰি নাপায়। নিতৌ কাম চাব লাগে যদিও ভেৰোণীয়া মিস্ত্ৰিক কাম কৰিবলৈ মোবাইলত পৰামৰ্শ দি নিজে অন্তৰ্ধান হ'ব। ৰ'ব, আপুনি উচপ্ খাই উঠিছে নেকি? ধৈৰ্য ধৰক, ঘৰ সজা মানুহৰ বাবে ধৈৰ্য ধৰা আৰু নিয়মিত ধন যোগান ধৰাৰ বাহিৰে বেলেগ সকাম নাই। সোমবাৰৰপৰা অন্তৰ্ধান হৈ থকা আপোনাৰ ঠিকাদাৰজন ঠিক শুকুৰবাৰে আপোনাৰ আগত আবিৰ্ভাৱ হ'ব। প্ৰথমবাৰৰ বাবে তাৰ কাৰণ জানিবলৈ আপুনি এদিন বাট চাব লাগিব। পিচদিনা শনিবাৰ অৰ্থাৎ সাপ্তাহিক ধন লোৱাৰ দিন। যেই আপোনাৰপৰা ধন ল'লে, মিস্ত্ৰিলৈ দুই-এষাৰ বিযালী মন্ত্ৰ ফু মাৰি আপোনাৰ ঠিকাদাৰ পুনৰ অন্তৰ্ধান। মাজে সময়ে আপোনাৰ এনে অনুভৱ হ'বলৈ ধৰিব যেন ঠিকাদাৰজন দূৰৈত থাকিলেহে আপোনাৰ ঘৰটো সুন্দৰ হ'ব ; আৰু আপুনি যদি মানসিকভাৱে সবল হয় তেতিয়া নিজেও ঠিকাদাৰী কাম কৰিব পাৰিম বুলি মনত প্ৰত্যয় জন্মিব।

প্ৰভুজনাই ঘৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী এনেধৰণে কিনিবলৈ বাধ্য কৰিব যেন আপোনাৰ ঘৰত এখন বিলাসী বিয়াহে অনুষ্ঠিত হ'ব। যিটো সামগ্ৰী নহ'লেও চলে অথচ তেৰাসৱৰ কামৰ বাবে সুবিধাজনক সেয়া আপুনি আনি দিবই লাগিব। যুক্তিস্বৰূপে আপোনাক ক'ব আপোনাৰ ঘৰটো মজবুত কৰাৰ বাবেহে সামগ্ৰীবিধ প্ৰয়োজন হৈছে।

যেতিয়াই আপোনাৰ ঘৰ লাহে লাহে ওপৰলৈ উঠিব আপোনাৰ চিন্তা আৰু মানসিক চাপো উৰ্দ্ধগামী হৈ আহিব। মিস্ত্ৰিয়ে নিতৌ নতুন নতুন সামগ্ৰী বিচাৰি আপোনাক ব্যতিব্যস্ত কৰি থাকিব। আকৌ সচৰাচৰ প্ৰদৰ্শন কৰা আন এটা লীলা হৈছে প্ৰয়োজনীয় সামগ্ৰীখিনি একেবাৰতে নকয়, কয় ইন্সটলমেন্টত। আপুনি বজাৰৰপৰা আহি পায় মানে আকৌ যাবলৈ হয়েই। সেই সময়ত আপোনাৰ কাম বজাৰলৈ তাঁত-বাতি কৰি প্ৰভুজনাক সন্তুষ্ট কৰা মাত্ৰ। গতিকে অযথা অকণো বিলম্ব নকৰিব।



ডিব্ৰুস্মাণ

শিল, বালি কত যে নষ্ট কৰিব তাৰ সীমা-সংখ্যা নাই। তললৈ সৰি পৰা গজাল এটা বুটলি ব্যৱহাৰ কৰাটো সপোনৰো অগোচৰ। গজালৰ আগটো কেনেবাগৈ যদি বেঁকা হ'ল তেতিয়াতো কথাই নাই। অসহ্য হৈ আপুনি কিবা ক'লে সিঁহতে আপুনি নেদেখাকৈ ভোৰভোৰাব। ইজনে সিজনে কথা পাতিব — 'বৰ চুচুৰা মালিক। মৰিলে কি শিল, বালি লগত লৈ যাব?' সিহঁতে কাম কৰি থকা অৱস্থাত ভুলতো ঘনাই পাক নামাৰিব। সিঁহতে বেয়া পাব। কাৰণ বিড়ি, চিগাৰেট, ভাং সিহঁতৰ নিত্য সহচৰ। মুখত চিনাকী, শুৱলা আৰু বলবান শব্দকেইটামান অনবৰত লাগিয়েই থাকে, সিহঁতৰ মতে কথাৰ জোৰটো হেনো তাতেই থাকে। সহ্যৰ সীমা অতিক্ৰম কৰি আপুনি কেনেবাকৈ গ'লে অপমানিত হৈ উভটি আহিবলগীয়া হ'ব পাৰে। সিঁহতৰ প্ৰত্যেকৰে হাতত একো একোটা বিশেষ বৈশিষ্ট্যযুক্ত মোবাইল। কাৰোবাৰ মোবাইলত এখন আৰু কাৰোবাৰ মোবাইলত দুখনলৈকে চিমকাৰ্ড ভৰোৱাৰ ঠাই। কাৰোবাৰসৈতে মোবাইলত কথা পতাটো তেওঁলোকৰ বাবে খুব প্ৰধান কথা নহয়, দেশ-দেশান্তৰৰ ভিন্ন সুৰীয়া গীত শুনাটোহে তেওঁলোকৰ ঘাই উদ্দেশ্য। তাৰ ভিতৰত পশ্চিম অসমৰ দীঘলসুৰীয়া গীতৰ কদৰ বেছি। বাংলা গীত হ'লে 'ভালো বাসা' কেন্দ্ৰিক গীতৰ চাহিদা তুংগত। আনহাতে, বিহুগীত হ'লে 'বাতি ভৰাই ...'ৰ তো কথাই নাই। এই সময়ছোৱাত আপোনাৰ কাণৰ ফুটা দুটা নিয়মীয়াকৈ পৰিস্কাৰ কৰি ৰখা প্ৰয়োজন যাতে তেৰাসৱৰ গীত-কথা আদিবোৰ একাণে সোমাই আনখন কাণেৰে ওলাই যায়। সেই মালিতাখিনি দুই কাণৰ মাজত থিতাপি ল'বলৈ পালে আপুনি যে পৃথিৱীত বেছি দিন থিতাপি ল'বলৈ নাপায় সেয়া খাতাং। মোবাইলত মহাভাৰতৰপৰা আৰম্ভ কৰি ভিন্ন সোৱাদৰ চলচ্চিত্ৰও চায়। সেই আটাইখিনি চাবলৈ আপুনি মোবাইল চাৰ্জ কৰাৰ সুবিধা প্ৰদান কৰিব লাগিব। এখেত লোকৰ মোবাইলৰ অন্যতম প্ৰধান বৈশিষ্ট্য এয়ে যে দিনটোৰ ২৪ ঘন্টাই চাৰ্জ দি থাকিলেও সি চাৰ্জ লৈয়েই থাকিব যতি নপৰাকৈ, পাৰিলে অনন্ত কাললৈ।

অ'ৰ'ব। আপোনালোকক গৃহ-নিৰ্মাণ নাটৰ আন এটা প্ৰধান চৰিত্ৰৰ কথা ক'বলৈকে আছে। সেয়া মডাৰ্ণ আচামিজত 'চাপ্লায়াৰ'। ঘৰ সজাৰ বাবদ যিবিলাক সামগ্ৰী প্ৰয়োজন হ'ব সেই সামগ্ৰী যোগান ধৰিবলৈ আপোনাক এইবিধ প্ৰাণীৰ আৱশ্যক হ'ব। আপুনি যদি বজাৰৰপৰা পোনপটীয়াকৈ সামগ্ৰী কিনো বুলি ভাবিব আপোনাক স্বয়ং দেখা দি অথবা মোবাইলত ক'ব — আপোনালোকেই যদি আমাক কিবা অকণ কৰি চলিবলৈ নিদিয়ে আমি লোকেল মানুহবোৰ কেনেকৈ চলিম? (আপোনাক কাণে কাণে দৰকাৰী কথা এটা কৈ থওঁ 'আজিকালি মাছ আৰু কুকুৰাৰ উপৰি মানুহো লোকেল আৰু ব্ৰইলাৰ থাকে)। তাৰ পাছত আচল নাটৰ অংকত আপোনাৰ প্ৰৱেশ। অৱশ্যে আপুনি পঞ্চেন্দ্ৰিয় সজাগ কৰি থিত দি থাকিলেই হ'ল। ৰঙৰ প্ৰলেপ তেওঁলোকেই বিধে বিধে আপোনাক সানি থাকিব। যোগানকাৰীসকলে সময় অনুযায়ী আপোনাক বস্তু-বাহানি দি আপোনাৰ ধন নি থাকিব। আপুনি ভুলতো আন যোগানকাৰীৰ লগত দামৰ তুলনা নকৰিব। আপুনি অপদস্থ হ'ব পাৰে। তেখেতৰ মতে, আপুনি এক নম্বৰ বস্তু পোৱাৰ লগতে আনতকৈ অতিকমেও দুইৰপৰা পাঁচশ টকা কমত পাইছে, আপোনাৰেই সৌভাগ্য। আৰু এটা দৰকাৰী কথা, যোগানকাৰীসকলৰ সৰহ সংখ্যকৰে অতিকমেও পাঁচগৰাকী মাক আৰু পাঁচজন দেউতাক থাকে। অংকটো খেলিমেলি লাগিছে নেকি বাৰু? অলপমান আঁৰ ভাঙি দিওঁ ৰ'ব — আচলতে প্ৰাকৃতিকভাৱে এজন দেউতাক আৰু এগৰাকী মাতৃয়েই থাকে, বাকীসকল কাল্পনিক আৰু সুযোগত ব্যৱহাৰ কৰিব পৰা একো একোপাতপাশুপাত অস্ত্ৰ। যেতিয়াই কোনো যোগানকাৰীয়ে আপোনাৰপৰা ধন লৈ কোনো সামগ্ৰী সময়মতে যোগান ধৰিব পৰা নাই তেতিয়াই তেওঁলোকে এই অস্ত্ৰ ব্যৱহাৰ কৰে। অৰ্থাৎ এজন দেউতাক বা এগৰাকী মাকক মাৰি পেলায় আৰু কয়— 'কালি মোৰ দেউতা বা মা ঢুকাল'। আপুনি বজ্ৰ কঠোৰ মনৰ লোক হ'লেও কোনখন মুখেৰে ক'ব— 'মোৰ বস্তু সোনকালে দিয়া' বুলি। তাৰেই সুবিধা গ্ৰহণ কৰে এই মহাপুৰুষসকলে। আকৌ কেতিয়াবা সংকটকালত ক'ব মোৰ অমুক ঢুকাল, তমুক ঢুকাল, টকা কেইটামান আগতীয়াকৈ দিয়ক। সেয়ে আপোনালৈ মোৰ সশ্ৰদ্ধ পৰামৰ্শ— যাৰ পিতৃ-মাতৃৰ ইতিমধ্যেই বিয়োগ ঘটিছে তেনে যোগানকাৰীক অগ্ৰাধিকাৰ দিলে আপোনালৈ সজ। আপোনাৰ সপোনৰ ঘৰটোৰ সামগ্ৰী যোগান ধৰিবলৈ আহি যদি কোনোবাই পিতৃ-মাতৃক হেৰুৱাবলগীয়া হয় তাতকৈ বেদনাদায়ক আৰু কি হ'ব পাৰে? আৰু এটা কথা— যিকোনো সামগ্ৰীৰ উৎপাদনকাৰী মালিকতকৈও তেওঁলোকে সেই সামগ্ৰী আপোনাক কম দামত দিব পাৰে। মেজিকটো কি জানে? হাজাৰৰ ঠাইত আঠশ। কিমধিক্‌মিতি।

**টোকা ঃ** *লেখাটোত সকলো ব্যক্তিকে একে বুলি ক'ব খোজা হোৱা নাই। ব্যক্তিগত জীৱনত পোৱা জ্বালা-যন্ত্ৰণাই এই লেখাটোৰ আধাৰ। কোনো ব্যক্তিয়ে কেনেবাকৈ মনত বেজাৰ পালে মই ক্ষমাপ্ৰাৰ্থী হ'ম।*

# বেদনাৰ বিশাল সাগৰৰ মাজত দেৱজিৎ

প্ৰদ্বীপ জ্যোতি চেতিয়া
স্নাতক প্ৰথম বৰ্ষ, কলা শাখা

পুৱা ঘড়ীত ৬ বজাৰ লগে লগে দেৱজিতৰ ম'বাইল ফোনটো বাজি উঠিল। সি চক্-মক্ খাই সাৰ পাই উঠি দেখিলে তাৰ বন্ধু দিগন্তই ফোন কৰিছে। সি লগে লগে ফোনটো ৰিচিভ কৰিলে।

'হেল্লো'...।

এই কলেজ যাবি নাই আজি? দিগন্তই সুধিলে।

আজি নাযাও বুলি ভাবিছো। তই যাবি নাই?

মই যাব লাগিব পৰিস্মিতাই মোক আজি মাতি পঠাইছে।

তইনো কিয় নাযাবি? ওলাবি হা, Please তই নগ'লে মোৰ ভাল নালাগিব, তাতে আজি আকৌ কলেজৰ প্ৰথম দিন। দিগন্তই ক'লে।

বাৰু বাৰু তই আহিবি মই ওলাই থাকিম। দেৱজিতে দিগন্তক ক'লে।

দেৱজিৎ হৈছে এটা গাঁৱলীয়া সাধাৰণ পৰিয়ালৰ ল'ৰা। তাৰ দেউতাক এজন খেতিয়ক। ঘৰৰ ল'ৰা বুলিবলৈ সিয়েই, তাৰ বাহিৰে তাৰ একমাত্ৰ ভনীয়েক ৰিম্পী আৰু মাক-দেউতাক আছে। দেৱজিৎ পঢ়াৰ প্ৰতি তাৰ বৰ আগ্ৰহী। সি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থানত উত্তীৰ্ণ হৈছিল। বৰ্তমান H.S. Second Year ত পঢ়িছে।


আনহাতে দিগন্ত হৈছে ভাল ঘৰৰ ল'ৰা। তাৰ কোনো অভাৱ-অভিযোগ নাই। ঘৰত মাক-দেউতাক সি আৰু তাৰ ভায়েক। সিও দেৱজিতৰ লগতে পঢ়ে। দুয়ো ল'ৰালি কালৰ পৰাই বন্ধু।



বিছনাৰ পৰা ল'ৰা-লৰিকৈ উঠি দেৱজিত ব্ৰাছডাল মুখত লৈ পদূলিৰ মূৰত থকা পুলটোত বহিলগৈ। সি দেখিলে পূৱফালে আকাশত বেলিটো সুন্দৰ ভাৱে ওলাই আহিছে।

তেনে সময়তে তাৰ মনত পৰিল দিগন্তই কোৱা কথা খিনি, দিগন্তই কৈছিল আজি তাক পৰিস্মিতাই মাতি পঠাইছে, পৰিস্মিতা হৈছে দিগন্তৰ প্ৰেমিকা। আজিৰ দিনত সকলোৰে ভাল পোৱা আছেই।

দেৱজিতে Class VI ত পঢ়োতেই পূজা নামৰ ছোৱালী এজনীক ভাল পায়। হয়তো সেই সময়ত সি ভাল পোৱা বা প্ৰেম মানে কি বুজাই নাছিল। তথাপি সি পূজাক দেখাৰ পাছৰ পৰাই পূজাৰ লগত প্ৰেমৰ বন্ধুত্ব গঢ়ি তুলিব বিচাৰিছিল। হয়তো আজিও সি পূজাক পোৱাৰ আশাতেই জীয়াই আছে। তাৰ মাজে মাজে এইটো ভাৱ হয় যে, সি যদি ভাল দৰে পঢ়ি-শুনি নিজৰ উপাৰ্জনৰ বাট এটা মুকলি কৰি ল'ব পাৰে তেতিয়া নিশ্চয় ভাল ছোৱালী এজনী পাব। কিন্তু আচল কথা হ'ল পূজাই ইমানদিন হ'ল দেৱজিতক আজিলৈকে ভাল পাঁও বুলি কৈ নাপালে। তথাপিও সেই দেৱজিতৰ পূজাৰ প্ৰতিহে মন। সেইবোৰ কথা মনত পৰিলে দেৱজিতৰ মনটো দুখ লাগে। সি ভাৱে পূজায়ো যদি এদিন মান তাক মাতি পঠালে হেঁতেন।.... যেতিয়াৰ পৰাই সি পূজাক চিনি পায়, তেতিয়াৰ পৰাই সি পূজাক ভাল পাব বিচাৰে। কিন্তু এই কথা পূজাক ক'বলৈ তাৰ সাহসেই নহয়। কেতিয়াবা সি তাইক বহু সাহস গোটাই এইষাৰ কথা কম বুলি পূজাৰ ওচৰলৈ যায়। সি পূজাৰ কাষলৈ যোৱাৰ লগে লগে তাৰ কি হৈ যায় সি নিজে নাজানে। পূজাৰ কাষ পোৱাৰ লগে লগে তাৰ বুকুখন ঘনাই ধপ-ধপকৈ কঁপিবলৈ ধৰে। সি ক'ব নোৱাৰি ওলটি আহে। তেনেকৈয়ে সি চাৰি বছৰ পাৰ কৰিলে। তথাপি সি এদিনো তাই মুখ খুলি কথাটো ক'ব নোৱাৰিলে।



যেতিয়া দেৱজিৎ Class Xত আছিল। পূজা তেতিয়া Class IXত পঢ়িছিল। এদিন তাৰ কি হ'ল সি নিজেই নাজানে তাৰ মনে আৰু নামানিলে। সি তাইক কথাটো সাহস কৰি কৈ পেলালে। তেতিয়া পূজাই তাক ক'লে যে - "ভাবি চাম বাৰু"। হয়তো তেতিয়া পূজাই বেলেগ ল'ৰা ভাল পাইছিল। তথাপি তাৰ মনটো ভাল লাগিল কাৰণ তাক যে পূজাই কথাষাৰ উত্তৰ দিলে। তাৰ পাছত আৰু তাইৰ পৰা কোনো উত্তৰ পোৱা নাছিল। মাজে মাজে সি তাইক লগ পায়, যদিও কথাষাৰ পুনৰ সুধিবলৈ সাহস নহয়। কিন্তু উত্তৰ নোপোৱাত আকৌ এবাৰ ক'বলৈ বাধ্য হ'ল। সি এবাৰ দুবাৰ নহয়, প্ৰায় সাত-আঠবাৰ ক'বলৈ বাধ্য হ'ল। সি এবাৰ-দুবাৰ নহয়, প্ৰায় সাত-আঠবাৰ মান পূজাক 'ভাল পোৱাৰ' প্ৰস্তাৱ দিলে। কিন্তু পূজাই এবাৰো ভাবি নাচালে। সি যে তাইক কিমান ভাল পায়।

সি মাজে মাজে ভাবিবলৈ ধৰে যে ছোৱালীবোৰ এনেকুৱাই নেকি? 'নহয়, নহয়, ছোৱালীবোৰ তেনেকুৱা নহয়। আচলতে ময়েই পাগল। আৰে মইনো কি বেয়া? মোৰো এখন হৃদয় আছে। মোৰ জানো কাৰোবাক ভাল পাবলৈ মন নাযায়। কোন দিনা পূজাই বুজিব সেয়া নিশ্চয় ভগৱানেহে জানে। এই বছৰ তাই এখন কলেজতে নাম ভৰ্ত্তি কৰিছেহি। আজিলৈকে সি ভবা মতে পূজাক কথা বিলাক খুলি কব পৰা নাই। হয়তো এই কথা কেতিয়াও নোকোৱাকৈয়ে ৰৈ যাব।

দেৱজিতে ব্ৰাচডাল লৈ পদূলিৰ মূৰত বহি থকাৰ সময়তেই দিগন্ত আহি পালেহি। সি ল'ৰা লৰিকৈ ওলাই দুয়ো কলেজলৈ গ'ল।

কলেজ পাই দুয়ো কলেজৰ গেটখনৰ সন্মুখত থকা বকুল গছ-জোপাৰ তলত ৰ'লহি। ইতিমধ্যে কলেজত H.S. 1st Yearৰ ল'ৰা ছোৱালীবোৰে ভৰি পৰিছিল। সকলো ল'ৰা-ছোৱালী বৰ ফুৰ্তিৰে কলেজত প্ৰৱেশ কৰিছে। যিহেতু আজি কলেজৰ প্ৰথম দিন। দিগন্ত আৰু দেৱজিত H.S. 1st Year দুয়ো ৰুমৰ ফালে আগবাঢ়ি গ'ল এনে সময়তে দিগন্তই পূজাক দেখা পালে। পূজাই তেতিয়া ল'ৰা এজনৰ লগত কথা



পাতি আছিল। দিগন্তই দেৱজিতক ক'লে, “ঐ সৌজনী পূজা নহয় জানো? তাই কাৰ লগত কথা পাতি আছে, কোন হয় বে, দুইচাত মান দিওঁগৈ নেকি? দেৱজিত ক'লে নালাগে, নালাগে তাই যাৰ লগত কথা পাতে পাতক। মই নো কোন আৰু। মইটো এটা গাঁৱলীয়া দুখীয়া ল'ৰা। আমাকনো ক'ত পাত্তা দিব। তাই কথা পাতিছে, পাতিব দে। ল'ৰাটো তাইৰ ঘৰৰ কোনোবা হবওটো পাৰে। “তই কৈছ বুলিহে, নহ'লে মই তাক তাৰ জঁকাটোও থৈ নিদিলোহেঁতেন। দিগন্তই ক'লে। ঠিক সেই সময়তে তাৰ ফোনটো বাজি উঠিল। সি পৰিস্থিতাৰ ওচৰলৈ বুলি গ'ল আৰু দেৱজিতে তাৰ অন্য বন্ধু কেইজন মানৰ ওচৰলৈ গ'ল। সি গৈ দেখিলে লগৰ বিলাকে H.S. 1st Yearৰ ল'ৰা ছোৱালী কেইজনমানৰ লগত চা-চিনাকী হোৱাত ব্যস্ত হৈ আছে। সি গৈ সিহঁতৰ ওচৰতে ৰ'ল, চা-চিনাকী হোৱাৰ পাছত ল'ৰা-ছোৱালী কেইজন নিজৰ ৰুমত Class কৰিবলৈ গ'ল। ইতিমধ্যে সিহঁতৰ Teacher আহি পাইছিল। তাৰ পিছত সিহঁতে দেৱজিতৰ লগত কথা পতাত লাগি গ'ল। অলপ সময় সিহঁতৰ লগত কথা-বতৰা পতাৰ পিছত সি দিগন্ত ক'ত আছে বুলি বিচাৰি গ'ল। তাৰ ঠিক কিছুসময়ৰ পিচত দিগন্তই অন্য ফালৰ পৰা আহিল। দিগন্তই লগৰ কেইটাক দেৱজিতক দেখিছিলে নেকি বুলি সুধিলে! সিহঁতে দেৱজিতক দেখুৱাই দিগন্তক ক'লে ‘ঐ আজি কালি দেৱজিত বাৰু কিয় মন মাৰি থাকে? তাৰ কিবা হৈছে নেকি? নে তাৰ মাইকীয়ে তাক এৰি দিলে? দিগন্তই ক'লে “তাৰ কথানো কি কম, তাক দেখিলে মোৰে মন বেয়া লাগি যায়। H.S. 1st Yearৰ যে পূজা, তহঁতেটো আগৰ পৰাই তাইক চিনি পাৱ চাগে। তাই কিয় জানো দেৱজিতক পাত্তা নিদিয়ে। পূজাই দেৱজিতৰ লগত ভাল দৰেই কথা বতৰা পাতে, কিন্তু ভাল পোৱাৰ দৃষ্টিৰেহে নাচায়। আমি তাৰ লগত হৈয়ো একোডাল কৰিব পৰা নাই। তাতে আজি আকৌ পূজাই কোনোবা ল'ৰা এটাৰ লগত কথা পাতি আছিল। মইতো সেই ল'ৰাটোক দুঘোচা মান দিওঁ বুলিয়েই ভাবিছিলো। দেৱজিতেহে ৰখাই দিলে। মই জানো দেৱজিতে পূজাক বহুত ভাল পায়। পূজাই বেলেগৰ লগত কথা পতা দেখিলেও সি একো বেয়া বুলি নাভাবে। সি ভাবে, সি যিমান বেছি তাইক ভাল পায়, সিমান বেছি যেন আন কোনোৱেই তাইক ভাল পাব নোৱাৰে। লগৰ কেইটাৰ মাজৰ পৰা জিণ্টু নামৰ ল'ৰাজনে ক'লে, “তই আগৰ পৰা কিয় কোৱা নাছিলি? পূজাই কথা পাতি থকা সেই ল'ৰাজনক ভাল পায় নেকি? পায় নে নেপায় নাজানো। দিগন্তই ক'লে। জিণ্টুৱে ক'লে কোন হয়নো সেইটো? ব'ল যাঁও সেইটোৰ ওচৰলৈ। বাকী লগৰ কেইজন মানে ক'লে, “থ, থ, সেইবোৰ একো কৰিব নালাগে” তাইৰ কোনোবা Cousion হ'বও পাৰে। আজি প্ৰথম কলেজ আহিছে হে, দুদিন মানৰ পাছত গম পাবি নহয় আৰু ল'ৰাই ছোৱালীৰ লগত, ছোৱালীয়ে ল'ৰাৰ লগত কথা পতা মানেই ভাল পোৱাটো নহয়।

সেই সময়ত দেৱজিতে কলেজৰ একেবাৰে ওপৰলৈ উঠি যোৱা চিৰিখনতে আমন-জিমনকৈ বহি আছিল। ইতিমধ্যে সিহঁতৰো Teacher আহি পাইছিল। দিগন্তই দেৱজিতক চিঞৰি ক'লে ছাৰ সোমালে Class নকৰ নেকি? আহ, ক'। কি হ'ল, তই মন বেয়া কৰিছ নেকি? চিন্তা নকৰিবি Dost আমি তোৰ লগত আছো নহয়। এটা কথা তই জান নে নাই, যে - ঘহোঁতে, ঘহোঁতে শিলো ক্ষয় যায়। দেৱজিৎ আৰু লগৰ কেইটাই দিগন্তৰ কথাত হাঁহিব ধৰিলে। আৰু সিহঁতে Class কৰিবলৈ নিজৰ ৰুমত সোমাল.........।





# তোমাৰ অপেক্ষাত

✍ ধৰিস্মিতা সোনোৱাল
স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা

উজনিৰ ৰেলৰ উকিতে
কথা দি এৰি গ'লাগে হঠাতে
এতিয়া শুনিব নোৱাৰো
ৰেলে উকি মাৰিলে
বুকুৰে তোমাকে বিচাৰে
আজিও ৰৈ আছো বাটতে তোমাৰ স্মৃতি লৈ মনতে.....

ৰাতি পুৱাবে পৰা কান্দি কান্দি ভাগৰি পৰিছে তথাপিও পাহিৰ চকুৰ পানী বৰষুণ পৰা দি পৰিয়েই আছে। কেনেকৈ বুজাব তাইৰ মনক, কেনেকৈ যাব আজি তাই স্কুললৈ হায়াৰ চেকেণ্ডাৰি ৰিজাল্ট চাবলৈ। মনত পৰিছে আজি তাইৰ ৰাজলৈ। আজি ৰাজ জীয়াই থকা হ'লে কিমান যে মনটো ভাল লাগিলহেতেন। ৰাজে তাইক কিমান যে মৰম কৰিছিল তাৰ কোনো সীমা নাছিল। গুৱাহাটীৰ পৰা ৰাজ আহিলেই পাহিৰ মন ক'ত উৰা মাৰিছিল ক'বই নোৱাৰিছিল।



কিন্তু হঠাৎ সূৰ্যটো যেন খহি পৰিল। ক্ষন্তেকতে ৰাজে চিৰ জীৱনৰ কাৰণে আঁতৰি গ'ল। সেইদিনা তাই কান্দিবও নাজানি থৰ হৈ ৰৈ গৈছিল। ৰাজৰ মৃত্যুৱে তাইক বোবা কৰি পেলাইছিল। ঘৰৰ সকলোৱে আৰু লগৰবোৰে তাইক চিঞৰি চিঞৰি কৈছিল, “পাহি, তই কিবা এটা ক। তই কান্দ পাহি, তই কান্দিব লাগিব, তোৰ “ৰাজৰ” মৃত্যু হৈছে। তোৰ ৰাজ আৰু জীয়াই থকা নাই। তাইৰ ঘৰৰ ওচৰৰ লগৰ জনীয়ে তাইৰ গাত ধৰি জোকাৰি জোকাৰি কৈছিল পাহি তোমাৰ চকুপানী কিয় ওলোৱা নাই, তাৰ পাছত পাহিয়ে কান্দিছিল। বহুত কান্দিছিল।

আজিও তাইৰ চকু পানী শেষ হোৱা নাই। ৰাজৰ মৃত্যুৱে তাইক আজিও কন্দুৱাই আছে। আজি তাই বহুত মনত পৰিছে ৰাজলৈ কাৰণ তাইৰ আজিৰ ৰিজাল্টত ফাষ্ট ক্লাচ পাই আৰু লেটাৰো পাইছে। ঘৰখনত কিমান ভাল খবৰ কিন্তু তাই এই খবৰ কিয় ৰাজে ল'ব নাপালে, তাই কেনেকৈ ক'ব এতিয়া ৰাজক, ক'ত লগ পাব আজি তাই। পাহিৰ হৃদয়খনত যেন কোনোবাই শিলেৰে খুন্দিয়াই পেলাইছে তেনে অনুভৱত তাই ক'লে , “RAJ PLEASE CALL ME”।

কেনেকৈ বুজাব তাই নিজৰ মনটোক কাক ক'ব মনৰ কথা

এইবোৰ কথা ভাবিয়েই তাই বহি পৰিল বিচনাত। কিয় ভগৱানে তাইৰ ওচৰৰ পৰা ৰাজক কাঢ়ি লৈ গ'ল? মই কিবা বেয়া কাম কৰিছিলো নেকি? ভগৱান তুমি ইমান মোক বেয়া পালা যেতিয়া মইয়ো তোমাৰ প্ৰতি থকা বিশ্বাস হেৰুৱাই পেলালো। ইমান কষ্ট মোক কিয় দিছা। মোকো লৈ যোৱা ৰাজ তোমাৰ ওচৰলৈ। তুমি মোৰ অবিহনে থাকিব পাৰিছা ৰাজ? তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ আজি ক'ত হেৰাল? তোমাৰ সেই হাঁহি উঠা কথা বিলাক মোৰ বৰ মন গৈছে শুনিবলৈ ৰাজ। তাইৰ দুচকুৰে দুধাৰি অশ্ৰু আকৌ নিগৰি আহিলে। আগতে ৰাজৰ লগত কটোৱা সময়বোৰে তাইক বৰকৈ আমনি কৰিছে।

একেখন গাঁৱৰে ল'ৰা-ছোৱালী ৰাজ আৰু পাহি। ৰাজ পাহিতকৈ দুবছৰ মান ডাঙৰ। পাহি বেছিকৈ ঘৰৰ পৰা ওলাই ঘূৰি ফুৰা ছোৱালী নাছিল। যদিও স্কুলৰ বাবে তাই লগৰবোৰৰ লগত স্কুলৰ প্ৰগ্ৰেমৰ বাবে কিছুমান ঠাইলৈ ওলাই গৈছিল। এনেকৈ লগ পাইছিল তাই ৰাজক। আৰু সেই সময়তে ৰাজেও লগ পাই কথা বতৰা পাতে পাহিৰ লগত। অৱশেষত ৰাজে পাহিক প্ৰেমৰ প্ৰস্তাৱ দিছিল। কিন্তু পাহিয়ে প্ৰেম কি বস্তু বুজাই নাছিল যিহেতু তাই তেতিয়া ক্লাচ টেনত পঢ়িছিল। কিন্তু ৰাজ তেতিয়া হায়াৰ ছেকেণ্ডাৰী ফাইনেল ইয়েৰত আছে। তথাপিতো পাহিয়ে ৰাজৰ প্ৰেমৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। এনেদৰে চলিল সিহঁতৰ ভালপোৱাৰ মৰমৰ দিনবোৰ। পাহি টিউচন গ'লে ৰাজে ৰাস্তাত ৰৈ থাকে লগ কৰিবলৈ সদায় সদায় পুৱাতে আৰু পাহিয়েও বহু লগ পোৱাৰ আশাৰে যায় টিউচনলৈ পুৱাতে। পাহি টিউচনলৈ নাহিলে ৰাজৰ যে কিমান চিন্তা আৰু ৰাজ ৰৈ নাথাকিলে পাহিৰ মনটো বেয়া লাগে। মনেই নবহা হৈ যায় টিউচনত। ঘৰৰ ফুলনি বাৰীৰ পৰা চিঙি নিয়া গোলাপ ফুলৰ কলিটো ৰাজক দিবলৈ ইমান সাহস কৰি নিয়ে তথাপিও যে দিব নোৱাৰে কিমান যে লাজ কৰিছিল তাই ৰাজলৈ কিন্তু লাহে লাহে সেই লাজ কোন নদীৰ গতিৰ সোঁতত গুচি গ'ল গমকে নাপাইছিল।

পাহিৰ মেট্ৰিক পৰীক্ষাৰ ওচৰ চাপিল, টিউচনো নোযোৱা হ'ল আৰু ৰাজৰো ফাইনেল পৰীক্ষা আহি পালে, লগ নোপোৱা হৈছিল। যদিও মাকৰ ফোনৰ পৰা মনে মনে দুয়োটাই কথা পাতিছিল। এই কথাবোৰ সিহঁতৰ দুয়োটাৰ ঘৰত গম পোৱা নাছিল। কিন্তু ঘৰৰ ওচৰৰ মানুহে কথাবোৰ গম পাই পাহিৰ ঘৰত কথা শুনাইছিল আৰু পাহিয়ে ৰাজৰ কাৰণে বহুত কথা মাকৰ পৰা শুনিবলৈ পাইছিল যিটোত তাই বহুত দুখ পাইছিল তথাপিও তাই ৰাজৰ প্ৰতি বেয়া ভাৱ মনত আনিব পৰা নাছিল আৰু এৰিবও যে নোৱাৰে তাই ৰাজক সেইটো মনতে থিৰাং কৰি পেলাইছিল। এনেকৈ পাহি আৰু ৰাজৰ ভালপোৱা কথাবোৰ শুনি সহ্য কৰিব পৰা নাছিল পাহিৰ ঘৰৰ পৰিয়ালে। গতিকে পাহিৰ বাবে দৰা ঠিক কৰিছিল। কিন্তু পাহিয়ে কোনো পধ্যে এই প্ৰস্তাৱত সন্মতি নিদিলে। কাৰণ ল'ৰা এটাক মৰম দিয়া বা ভাল পোৱাটো ভাল কথা নহ'লেও কম বয়সতে অৰ্থাৎ সংসাৰৰ কৰ্ম সংস্থাপনৰ যোগ্য নোহোৱাকৈ বিয়া হোৱাতো আৰু ভয়ংকৰ বেয়া হ'ব পাৰে বুলি পাহিয়ে মনত অনুভৱ কৰিব পাৰিছিল।

এদিন ৰাজ আৰু পাহিয়ে মনৰ কথা পাতিবলৈ ৰেলৰ আলিৰ কাষ পালেগৈ আৰু তাতে দুয়োটাই বহি মনৰ কথা পাতিছিল। তেতিয়া ৰাজে পাহিক কৈছিল -

"পাহি বিয়াৰ পাছতো তুমি মোৰ ওচৰত এনেদৰে থাকিবানে?"

"কি কোৱা তুমি। তোমাৰ ওচৰত নাথাকি আৰু কাৰ ওচৰত থাকিম?"

"মই জানো মোৰ প্ৰতি তোমাৰ ভাল পোৱাৰ অকণমানো কৃত্ৰিমতা নাই। তথাপি মোৰ ভয় হয় তুমি যদি মোক এৰি যোৱা।"

"ৰাজ কি কথা তুমি ক'ব বিচৰা। তোমাৰ বাহিৰে মোৰ জীৱনত আৰু একোৱেই নাই। তুমি কিন্তু মোক কেতিয়াও অকলশৰে নেৰিবা।"

"নাই নেৰো। কিন্তু তাৰ আগতে তুমি এটা প্ৰতিশ্ৰুতি দিয়া।"

"কি?"

"তুমিতো জানা এইবাৰ মই গুৱাহাটীলৈ ইঞ্জিনিয়াৰিং পঢ়িবৰ বাবে গুচি যাম?"

"জানো ৰাজ।"

"তিনি বছৰ ধৰি মই গুৱাহাটীত থাকিব লাগিব। সেই দিনকেইটাত তুমি সদায় ৰেলৰ আলিয়েদি আহিবা।"

"কিয়?"

"জানা পাহি, তুমি আৰু এই ৰেলৰ আলিটো মোৰ জীৱনৰ উশাহ-নিশাহৰ লগত জড়িত হৈ আছা, সেয়ে। এই সন্ধিয়া বেলি আমি ইয়াত লগ পাও এই ৰেলৰ আলিত, তাত মানে গুৱাহাটীত সন্ধিয়া সময়খিনি মোৰ বাবে বৰ অকলশৰীয়া হৈ পৰিব। সেয়ে মই প্ৰতিটো সন্ধিয়াত মোৰ দুচকু মুদি থাকি, মোৰ মনটো ৰেলৰ আলিটো লৈ আহিব তোমাক লগ পবলৈ।

"কি যে কথা কোৱা তুমি।" পাহিয়ে ৰাজৰ কথা শুনি হাঁহি দিলে।

"সঁচা কৈছোঁ তুমি বিশ্বাস কৰা।"

"মই জানো, তুমি য'তে থাকা কুশলে থাকিবা আৰু মই তোমাৰ কাষতে থাকিম।"

"অ' তাৰ মানে মই ইমান দিন গুৱাহাটীত থাকিমগৈ তোমাৰ মনটো বেয়া লগা নাই।" অভিমানৰ সুৰেৰে ৰাজে ক'লে।

"আৰু নকবা।" পাহিৰ দুচকু চলচলীয়া হৈ পৰিল।



"এই আঁকৰী তুমি কান্দিছা। ধেৎ মই ধেমালিহে কৰিছোঁ। বাৰু বাদ দিয়া বহুত দেৰি হ'ল। ব'লা ঘৰলৈ যাও। আকৌ কোনোবাই দেখিলে আমাৰ কি গতি হ'ব।

আজি ২ তাৰিখ। ৰাজ গুৱাহাটীলৈ তিনিবছৰৰ বাবে যাব। পাহিয়ে ৰাতি পুৱাৰে পৰা কান্দি আছে। গধূলি মটৰ চাইকেলৰ মাত শুনি পাহিয়ে গেটখন পাৰ হৈ ৰাজক লগ পালে।

"এই কান্দিছা কিয়" ৰাজে মৰমেৰে সুধিলে, "তোমাৰ যাবৰ হ'লেই নেকি? ৰাজৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ তাই সুধিলে।"

"ৰাতি ৯.৩০ বজাত আছে। সেয়ে এবাৰ তোমাক চাই যাওঁ বুলি আহিলো।"

"তুমি গুৱাহাটীলৈ গৈ পাহৰি নাযাবা কিন্তু ৰাজ।" ৰাজৰ দুবাহুৰ মাজত তাই হুক হুকাই কান্দি দিলে।

"ধেৎ কিয় কান্দিছা। মইতো আহিয়েই থাকিম মাজে সময়ে, একেবাৰে যোৱাগৈতো নাই। প্লিজ নাকান্দিবা। মই যাওঁ এতিয়া।

"যোৱা ফোন কৰিবা"। "ALL THE BEST"

"Thanks, Bye Bye তুমি কিন্তু নাকান্দিবা। নহ'লে মই বৰ কষ্ট পাম।" যোৱাৰ সময়ত ৰাজে চিঞৰি চিঞৰি কৈছিল।

ৰাজ সেইদিনা গুচি গৈছিল গুৱাহাটীলৈ। পাহিয়ে ডিব্ৰুগড়ত থাকি বৰ অকলশৰীয়া অনুভৱ কৰিছিল। এনেকৈ পাৰ হৈ গৈছিল ৰাজ আৰু পাহিৰ বহুমুলীয়া দিনবোৰ আৰু মাজে মাজে আহি ৰাজে পাহিক লগ কৰে আকৌ গুচি যায়। ফোনতো কথা পতা হয় সিহঁতৰ আৰু কিমান যে আশা পাছৰ জীৱনটো একেলগে থাকিবলৈ। কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণাবিধি"। তিনিবছৰ শেষ হ'ল মাথো হাতত দুটা দিন বাকী। ৰাজ ঘৰলৈ একেবাৰে আহিব আৰু পাহিৰ লগত একেলগে ফুৰিব বুলি পাহিয়ে ৰাতি পুৱাৰে পৰা আনন্দত আত্মহাৰা হৈ পৰিছে। হঠাতে ফোন এটা আহিল পাহিলৈ ৰাজৰ লগৰ এজন কৰিছে।

"হেল্লো পাহি নেকি?"

"অ, আপুনি?" পাহিয়ে সুধিলে।

"মই ৰাজৰ ফ্ৰেণ্ড প্ৰীতম"। মানে খবৰ এটা আছিল।

"কোৱা"

"যোৱা কালি সন্ধিয়া ৰাজে হোষ্টেলৰ পৰা ট্ৰেনত উঠি বজাৰৰ ফালে ওলাই গৈছিল। তেতিয়া ৰেলৰ পৰা হঠাতে পৰি গ'ল আৰু বেয়াকৈ আঘাত পাইছে। সি এইখন পৃথিৱীত নাই।"

তাই আৰু বাকীখিনি শুনিব নোৱাৰিলে হাতৰ পৰা ফোনটো সৰি পৰিল। তাইৰ বুকুখন ক্ৰমাৎ কঁপিবলৈ ধৰিলে। উশাহ-নিশাহ যেন তাইৰ বন্ধ হৈ পৰিল। পৃথিৱীখন তাইৰ ভৰিৰ তলৰ পৰা আঁতৰি গ'ল। তাই থৰ হৈ ৰ'ল। ৰাজ, ৰাজ বুলি দুবাৰ মান চিঞৰাৰ পিছত তাই আৰু চিঞৰিব নোৱৰা হ'ল। মাকে তাইৰ গাত ধৰি জোকাৰি দিছিল, তাইৰ লগৰবোৰেও বুজাইছে তাইক আৰু সিহঁতেও কান্দিছে। কিন্তু তাই কান্দিব পৰা নাছিল। বহুত চেষ্টা কৰিছিল তাইক কন্দুৱাবলৈ। অৱশেষত তাইৰ দুচকু পানীৰে উপচি পৰিল। কেৱল চকুপানী। তাইক কোনেও তেতিয়া বাধা দিব পৰা নাছিল। বহুত কান্দিছিল তাই। "তাইক ৰাজে কিয় এৰি গ'ল।" এই কথাষাৰ কৈ তাই চিঞৰি চিঞৰি কান্দিছিল।

কাৰোবাৰ হাতৰ পৰশত তাই উচপ খাই উঠিল। "ৰাজ" তাইৰ মুখৰ পৰা অজানিতে ওলাই আহিল।

"এনেদৰে আৰু কিমান কান্দিবা? আজি বহুদিন হ'ল ৰাজ আমাৰ মাজৰ পৰা আঁতৰি যোৱা তুমি ইমানকৈ কান্দি থাকিলে ৰাজৰ আত্মাই শান্তি নাপাব পাহি। ব'লা ৰাজৰ আত্মাৰ শান্তিৰ বাবে চাকি এগজ জ্বলাবা।" পাহিৰ সৰুৰে পৰা লগৰ ৰিতুৱে মৰমেৰে হাত বুলাই ক'লে।

"ৰিতু, মোৰ আৰু জীয়াই থাকিব ইচ্ছা নাই।"

"তেনেকৈ ক'ব নাপায়। তোমাৰ জীৱনটোক আকৌ এবাৰ ৰঙীণ কৰিবলৈ চেষ্টা কৰা। ৰাজক পাহৰিবলৈ চেষ্টা কৰা"

"কিন্তু ই অসম্ভৱ।"

"অসম্ভৱক সম্ভৱ কৰি তোলা। মা-দেউতাই তোমাৰ বাবে নতুন ৰাজৰ সন্ধান কৰিছে। মা-দেউতাৰ দুয়োৰে তুমি বোজা। ৰাজক পাহৰি নতুন জীৱন আৰম্ভ কৰা।"

ৰিতুৱে তাইক আৰু একো ক'বলৈ সুবিধা নিদিলে, ৰিতুৱেও কান্দি পেলালে আৰু তাইৰ ওচৰৰ পৰা আঁতৰি গ'ল। ৰিতুৱে কোৱা কথাষাৰ তাইৰ কাণত বাৰে বাৰে বাজি উঠিল। মা-দেউতাই নতুন ৰাজৰ দৰে, ৰাজৰ নিচিনা দৰা বিচাৰিছে। নাই নাই তাই ৰাজৰ বাহিৰে আন কাৰো হ'ব নোৱাৰে। তাইৰ আকৌ ধাৰাসাৰে চকুলো বৈ আহিল। তুমি এনে কিয় কৰিলা ৰাজ। মোক লৈ নগলা কিয়? তাই বিচনাৰ পৰা উটি ৰেলৰ আলিৰ কাষত আগতে লগ কৰা ঠাই পালেগৈ। কোনোৱাই সেই পথে ষ্টেচনলৈ গৈছে দূৰ ভ্ৰমণৰ বাবে আকৌ কিছুমানে সন্ধিয়াৰ মুকলি বতাহ লৈছে, আৰু কিছুমানে দূৰণিৰ পৰা আহি সেই ৰেলৰ আলিৰ কাষতে বহি জিৰণী লৈছে। পাহিয়ে সকলোবোৰ মাজত ৰাজক বিচাৰিছে। তাই ৰাজক পাবলৈ বহুত প্ৰয়াস কৰিছে। তাই এটা কথা থিৰাং কৰিছে যে ৰাজৰ দৰে তাইয়ো এই জগতৰ পৰা আতৰি ৰাজ থকা জগতখনলৈ যাব। হয় তাই ৰাজৰ ওচৰলৈ যাব। ৰাজৰ বাহিৰে তাইৰ আৰু আপোন কোনো হ'ব নোৱাৰে। পাহিৰ দুচকুৱেদি ধাৰাসাৰে চকুপানী ববলৈ ধৰিলে। তাই আজি তিনি বছৰৰ আগতে ৰাজৰ লগত বহা সেই চিনাকী ঠাই ডোখৰলৈ ৰ' লাগি চাই ৰ'ল।

# জেলত থকা এটা ল'ৰাৰ কাহিনী

✍ ৰক্তিম ৰঞ্জন বৰকটকী

মই এজন ছাত্ৰ। মই এটা সামান্য ল'ৰা। আজি মোৰ জীৱনত ঘটি যোৱা কিছুমান কথা বৰ্ণনা কৰিম।

মোৰ নাম ত্ৰৈলোক্য বৰুৱা। মোৰ জীৱনত মোৰ বাহিৰে মা, দেউতা, দাদা আৰু ভণ্টি আছে। ঘৰৰ অৱস্থা ঠিক ভাল নহয়। দেউতাই খেতি কৰে আৰু মায়ে মানুহৰ ঘৰত কাম কৰে। মোক বহুত কষ্টৰে ডাঙৰ দীঘল কৰিলে। প্ৰথমে, স্কুলত ভৰি দিলোঁ স্কুলত পঢ়ি, খেল-ধেমালি, গালি-শপনি খাই ১৮ বছৰত ভৰি দিলোঁ। ঘৰৰ অৱস্থাও লাহে লাহে ভাল হৈ আহিল। তেতিয়াই মই হাইস্কুলৰ পৰীক্ষা দিলোঁ। পৰীক্ষাৰ পাছত বহুত ফুৰিলোঁ। তাৰ পাছত আহিল ৰিজাল্টৰ সময় ৰিজাল্ট পালো সিমান ভাল নহ'ল দ্বিতীয় স্থানত পাছ কৰিছো। কলেজৰ বাবে সকলো লাগি আছে। তাৰ পাছত সিদ্ধান্ত ল'লে মোক ঘৰৰ পৰা ৰখাই পঢ়াব। কথা মতেই কাম, কিন্তু মোৰ মন নাছিল। দ্বিতীয়তে, কলেজ জীৱনৰ প্ৰথম খোজ দিছো। কলেজৰ কাষতে ভাড়াঘৰলৈ থাকোঁ। শ্ৰেণী কোঠাত সোমাব লওঁতেই কৰিলেই নহয় ৰেগিং। লাহে লাহে এজন এজনকৈ চিনাকী হ'ল। তাৰ পাছত প্ৰেমত পৰিলো কিন্তু কি হ'ব প্ৰেম বেছিদিন নচলিল। তাৰ পাছত লাহে লাহে দিন পাৰ হ'ল। বেয়া সংগ লগ পাই ময়ো বেয়া হৈ গ'লো। তাৰ পাছত কি হ'ব আৰু মাদক দ্ৰব্য খাবলৈ ধৰিলোঁ। মই কিন্তু বেয়া পথত গৈ আছো সেই কথাটো বুজি পোৱা নাছিলো। সেই সময়তে পৰীক্ষা পালেহি কলেজৰ পৰীক্ষা যে নকল মাৰিয়েই পাছ কৰিলো। দ্বাদশ শ্ৰেণী পোৱাৰ পাছত আকৌ এবাৰ প্ৰেম হ'ল। সেয়া কিন্তু সঁচা প্ৰেম আছিল। তাইৰ কাৰণে সকলো বেয়া বস্তু এৰিলোঁ, বেয়া পথলৈ নাযাও বুলি শপত খালো। দুদিনৰ পাছত ঘৰৰ পৰা খবৰ আহিল যে দেউতা ঢুকাল। মনতো বেজাৰ লাগিল। দহা-কাজ কৰি আকৌ ওভতি আহিলোঁ। তাৰ পাছত আহিল মোৰ বেয়া দিনৰ সময়। যিজনী ছোৱালীক ভাল পাইছিলোঁ তাইক বোলে আন ল'ৰা এটাই ভাল পায়। কিন্তু তাই অকল মোকে ভাল পায়। আন কাকো নহয়। তাৰ পিছত ল'ৰাটোৱে গম পালে যে তাইক আন কোনোবাই ভাল পায়। সেইদিনটোৰ পৰাই সেই ল'ৰাটোৱে মোক বিচাৰি ফুৰিছে যে তাৰ প্ৰেমিকাক কোনে কাঢ়ি নিলে। চাওঁতে চাওঁতে দিনবোৰ পাৰ হ'ল তাই লগত লুকাই লুকাই কথা পাতো। কিন্তু কিমান দিননো লুকাম এদিন গম পালেই নহয়। মোক অৱশ্যে এক চৰহে দিলে আৰু ক'লে তাইৰ লগত কথা নাপাতিবি আৰু লগ নকৰিবি লগ কৰা দেখিলেই মাৰিম। এদিন মই আৰু তাই গধুলি বেলিকা ফুৰিবলৈ গৈছিলো। গৈ থাকোতেই আধা বাটতে দেখিলেই নহয় সি মোক। মোক তাইৰ ওচৰৰ পৰা ধৰিলৈ গৈ খুব মাৰিলে মই কিন্তু একো কৰিব নোৱাৰিলো। কাৰণ তাৰ লগত বহুত ল'ৰা আছিল। মোক আধা মৰা কৰি নলা এটাত পেলাই থৈ গ'ল। ৰাতিটো সেইদৰেই পাৰ কৰিলো।



ৰাতি পুৱা এজন পুলিচে সেই বাটেৰে আহোঁতে মোক দেখিলে মোক মেডিকেলত এডমিট কৰি ভালকে ঘৰত দি দিলে। ঘৰত ক'লে যে ইয়াৰ এক্সিডেন্ট হৈছিল। পুলিচক সঁচা কথা কোৱাৰ বাবে ল'ৰা কেইটাক ধৰি নিলে। খুব কোবালে থানাত। তাৰ পাছত আকৌ কলেজ আহিলোঁ। সকলোৱে লগ পাই সুধিছে কি হ'ল তোৰ, কেনেকে হ'ল, তাইক লগ কৰিব পালো কথা-বতৰা পাতিলোঁ। মোৰ লগৰ বোৱে কৈছিলে যে তাইক এৰি দে কিন্তু মইহে জানো কিয় তাইক এৰিব পৰা নাছিলোঁ। সি থানাৰ পৰা ওলাই আহিল। সিয়ো এদিন কলেজ আহিল। সেইদিনাই আকৌ লগ পালে মোক আৰু তাইক কিন্তু একো নকলে মই ভাবিলো সি বুজি পালে চাগে আমাৰ সঁচা প্ৰেম। এদিন কলেজত সাংস্কৃতিক সন্ধিয়া পাতিছিল সি মদ খাই আহি মোক মাতিলে, মই ভাবিছোঁ মোৰ লগত বন্ধুত্ব কৰিব কিন্তু সেয়া নহ'ল মোক বাহিৰত লৈ গৈ আকৌ মাৰিছে, মোৰ জানো সেই দিনা কি হ'ল কাষতে এডাল ভঙা ৰদৰে মাৰি দিলো। সি লগে লগে মৰি থাকিল। ওচৰে পাজৰে থকা মানুহে দেখিলে মোক লৈ গ'ল পুলিচে। চৈধ্য বছৰ জেলত থাকিবৰ বাবে হুকুম দিলে। এতিয়া মই চৈধ্য বছৰীয়া জেলৰ প্ৰথম বছৰ পাৰ কৰিছোঁ। কোনোৱে মোক চাবও অহা নাই আৰু মোৰ কথা সুধিবও অহা নাই। কি হৈ গ'ল মোৰ জীৱনটো। ঘৰত যে কিমান চিন্তা কৰিছিলে ল'ৰাই পঢ়ি-শুনি ভাল কিবা কৰিব। এজনী ছোৱালীৰ বাবেই গোটেই জীৱনটো ধ্বংস হৈ গ'ল। পিছত তাইয়ো মোৰ খবৰ ন'ললে। এতিয়া জেলতে জীৱন কটাইছো এতিয়া লৈকে ভবা নাই আগলৈ কি কৰিম।





# এটা ঘৃণনীয় সিদ্ধান্তৰ বেদনাদায়ক পৰিণাম

✍ হীৰক জ্যোতি শইকীয়া
স্নাতক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা।

সঁচাকৈ ............

মানুহৰ জীৱনটো এটা গোলাকাৰ চক্ৰৰ দৰে, যিটো দিনে দিনে কেৱল ঘূৰিয়েই থাকে। এই ঘূৰি থকা দিন বিলাকতে যে, মানুহৰ জীৱনত কিমান কি ঘটি যায় আৰু সেইবিলাক কেনেদৰে ঘটি যায়, কেতিয়াবা গমকে পোৱা নাযায়।

হাঁহি ধেমালি, তাৰে মাজত আকৌ কিছুমানৰ দুখেৰে ভৰা কান্দোন, হৃদয় কম্পিত কৰি তোলা জীৱনৰ কিছুমান সঁচা ঘটনা, জনা নজনাকৈ মুখত ফুটি উঠা গানৰ সুৰ, লগৰীয়াৰ হৈতে আড্ডা, পাৰ্টি, স্কুল-কলেজত ছাৰ-বাইদেউ শিক্ষা আৰু ক'ত যে কি ........।

ভাবিলে সঁচাকৈ দিঠকলৈ উভতি অহাৰ ইচ্ছাই নাথাকে। কিন্তু......., কিন্তু অতীতৰ সেই সুখ দুখৰ মধুৰ সময়বিলাক মনত আওঁৰাই থাকোঁতে এটা বৰ বেয়া, যিটো ভাবিলে বা শুনিলে মনত বৰ বেছিঁকৈ খং আৰু দুখৰ লগতে এহাল অতি সহজ-সৰল মাক দেউতাকৰ ওপৰত সহানুভূতিৰ আবিৰ্ভাব হয়........

কিন্তু ........ "সময় যে এটা পাখি লগা কাঁড়ৰ দৰে যিটো এবাৰ পাৰ হ'লে আকৌ ঘূৰি নাহে"। সেয়েহে কেতিয়াবা যিমান চেষ্টা কৰিও; নিজৰ মনটোক সান্ত্বনা দিয়াৰ বাদে আমি মানুহবিলাকে অন্য একো কৰিব নোৱাৰো। এয়াই হয়তো, "মানৱ সমাজৰ সীমাবদ্ধতাসমূহৰ মাজৰে অন্য এটা কাৰণ.....।

মানুহে বহুসময়ত জানিয়েই হওঁক বা অজানিতেই হওঁক জীৱনত সৰুৰপৰা ডাঙৰলৈ বহুতো ভুল কৰে যিবিলাকৰ বাবে কেতিয়াবা নিজৰ লগতে নিজৰ পৰিয়ালৰো বহু অনিষ্ট হোৱাৰ উপৰিও বহুতৰে অন্তৰত এটা দুখৰ সাঁচ বহুৱায়। যিটো সাঁচ সহজতে আঁতৰাব নোৱাৰি.......।

মানুহে বহুসময়ত জানিয়েই হওঁক বা অজানিতেই হওঁক জীৱনত সৰুৰপৰা ডাঙৰলৈ বহুতো ভুল কৰে যিবিলাকৰ বাবে কেতিয়াবা নিজৰ লগতে নিজৰ পৰিয়ালৰো বহু অনিষ্ট হোৱাৰ উপৰিও বহুতৰে অন্তৰত এটা দুখৰ সাঁচ বহুৱায়। যিটো সাঁচ সহজতে আঁতৰাব নোৱাৰি.......।

কেইবছৰমানৰ আগতে আমাৰ বহুতৰে অন্তৰত বহা এটা অতি বেয়া সাঁচৰ কথা আমাৰ ডিব্ৰু মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনী 'ডিব্ৰুয়ানৰ' জৰিয়তে সকলোৰে আগত প্ৰকাশ কৰিবলৈ বিচাৰিছোঁ।

সৰুৰে পৰা চকুৰ আগত দেখি অহা, ফুৰ্তি আৰু আনন্দৰে পৰিপূৰ্ণ এটা পৰিয়াল হঠাতে কেনেকৈ নীৰৱ হৈ ভাগি পৰিল?

সকলোৰে মুখৰ পৰা হাঁহি, ফুৰ্তি সকলোবোৰ নিমিষতে কেনেকৈ হেৰাই গ'ল, তাৰ কাৰণ হ'ল সেই পৰিয়ালটোৰেই বৰ পুত্ৰ..., আৰু তাৰ এটা অতি বেয়া সিদ্ধান্তৰ বাবে। হয় ....... এবছৰৰ আগতে আমাৰ ডিব্ৰু মহাবিদ্যালয়ৰে এজন ছাত্ৰ নামটো প্ৰায়ভাগৰে চিনাকি। কিন্তু সময়ৰ লগতে সকলোৱে এই নামটো পাহৰি গৈছে কাৰণ সি আৰু আমাৰ মাজত নাই। এবছৰৰ আগতে আমাক সকলোকে এৰি অন্য এখন জগতলৈ গুচি গৈছিল চিৰদিনলৈ......।

ল'ৰালিকালৰে পৰা আমি একেলগে খেলা-ধূলা, হাঁহি-ধেমালি, কাজিয়া, কাজিয়াৰ শেষত আকৌ বন্ধুত্ব, একেলগে টিউছন যোৱা এইবিলাকৰ মাজতে ডাঙৰ দীঘল হৈছিলো। কিন্তু কেতিয়াও ভবা নাছিলো যে, হাঁহি-ধেমালীবোৰৰ মাজতে এদিন আত্মহত্যাৰ দৰে ঘৃণনীয়, ভাবিলে খং উঠা আৰু খঙতেই হওঁক বা দুখতেই হওঁক ওচৰত পালে জোৰকৈ কেইটামান চৰ দিবলৈ মন যোৱা ৰাস্তা এটা বাচি ল'ব বুলি।

তাৰ মৃত্যুৰ ঠিক দুদিনৰ আগৰ কথা। সি গুৱাহাটীৰে এখন প্ৰাইভেট ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ যোৱাৰ কথা, সেয়েহে আমাৰ ঘৰৰ সকলোকে এই কথা, সেয়েহে আমাৰ ঘৰৰ সকলোকে এই কথাটো জনাবলৈ আহিছিল আৰু লগত আনিছিল এখন Guide Book, কেইখনমান Question Paper আৰু কেইখনমান আলোচনী..........। আমি সকলোৱে একেলগে বহি ভালেসময় কটাইছিলোঁ। তাৰপাছত তাক বাইকত ঘৰত থৈ আহিছিলোঁ। তাক থৈ অহাৰ আগতে মই তাৰ ভৱিষ্যৎ জীৱনটোৰ হৈ অভিনন্দন জনাইছিলোঁ। সি "ধন্যবাদ" বুলি কৈছিল। এয়াই আছিল তাৰ লগত মোৰ শেষ কথোপকথন। এখন ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ যাবলৈ পোৱাৰ স্বত্বেও কিন্তু, তাৰ মুখত স্পষ্টকৈ হাঁহি বিৰিঙা নাছিল। তাৰ কাৰণ হয়তো তাৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু আটাইতকৈ আপোন তাৰ প্ৰেমিকাজনী। যিজনীক সি আটাইতকৈ বেছি ভাল পাইছিল, আটাইতকৈ বেছি সন্মান আৰু আটাইতকৈ বেছি বিশ্বাস কৰিছিল সেইজনীয়েই এদিন তাৰ অন্তৰৰ সকলোবোৰ থান-বান কৰি দিছিল, তাক প্ৰতাৰণা কৰি। সেইটোৱেই হয়টো সি সহ্য কৰিব নোৱাৰিছিল।

তাৰ জীৱনৰ শেষ দিনটোৰ ঘটনা সি গোটেই দিনটো কলেজত সকলোৰে লগত হাঁহি ধেমালি ফুৰ্তি কৰি আছিল। তাৰ মাজতে সি তাৰ প্ৰেমিকাজনীক লগ কৰি গুৱাহাটীলৈ যোৱাৰ কথা কৈছিল। কিন্তু তাই তাক ভালকৈ উত্তৰ নিদি কৈছিল যে "মই আৰু তোমাক ভাল নাপাওঁ, মোক পাহৰি যোৱা।"........ সেই সময়চোৱাৰ পৰাই তাৰ জীৱনত তাৰ প্ৰেমিকাজনী, গৰমকালত হঠাতে অহা এজাক বৰষুণৰ দৰে আহি অলপ শান্তি দি, আঁতৰি গৈছিল। সি সেইটো একেবাৰেই সহ্য কৰিব নোৱাৰিছিল।

কলেজৰ শেষত সি আমাৰ মাজৰে বন্ধু এজনৰ ঘৰলৈ গৈছিল আৰু এদিনো ভাত খুজি নোখোৱা ল'ৰাটোৱে সেইদিনা ভাত খুজি খাইছিল, আৰু তাৰ বাবে প্ৰত্যেকেই আঁচৰিত হৈছিল। তাত ভাত-পানী খাই সন্ধিয়া হ'বৰ সময়ত আন এজন বন্ধু আৰু ভাইটিৰ সৈতে ঘৰলৈ উভতিল। সিহঁতে তাক আধা বাট আগবঢ়াই থৈ গৈছিলহি। সি ঘৰলৈ গ'ল আৰু গুৱাহাটীলৈ যাবৰ বাবে যা-যোগাৰ কৰিছিল। তাৰ ঘৰত সকলোৱে সেইদিনা একেলগে এসাজ খাইছিল। খোৱাৰ শেষত সি বাহিৰলৈ গৈছিল, এটা ঘৃণনীয় সিদ্ধান্তৰে। সেয়েহে লগত নিছিল এবিধ অতি বিষাক্ত দ্ৰব্য...।

সি এবাৰো একো নভবাকৈ সেই দ্ৰব্যবিধ খাইছিল আৰু নিজৰ ৰুমলৈ আহিছিল। তাৰপিছত প্ৰায় দুইমিনিটৰ পিছতেই এটা কান্দোনৰ স্বৰত "মা ......" বুলি চিঞৰি উঠিছিল। সকলোৱে গৈ দেখিছিল এটা ভয়ানক দৃশ্য। গোটেই শৰীৰ তেজেৰে বাঙলী হৈ, মুখেৰে কেৱল তেজৰ সোঁত বৈ থকা এটা ভয়ানক দৃশ্য। যিহাল পিতৃ-মাতৃয়ে সৰুৰেপৰা তেওঁলোকৰ পুত্ৰৰ যিখন মুখত তাৰ জন্মৰ আৰম্ভণিৰে পৰা হাঁহি, ফুৰ্তিৰ লগতে সকলোবোৰ দেখি আহিছিল। সেইদিনা হঠাতে তেনে এটা দৃশ্য দেখি তেওঁলোকৰ অৱস্থা কাহিল হৈ পৰিছিল। তেজেৰে বাঙলী হৈ থকা অৱস্থাতে তাক হস্পিতাললৈ নিছিল, কিন্তু সি আধা বাটতে শেষ নিশ্বাস ত্যাগ কৰিবলৈ বাধ্য হৈছিল। কেৱল এটা স্বাৰ্থৰে ভৰা আৰু তাৰ সেই ঘৃণনীয় সিদ্ধান্তৰ বাবেই। সেই নিশাটো আছিল এটা অন্ধকাৰ আৰু কিন্‌কিন্ বৰষুণেৰে ভৰা। আমাৰ টোপনি ধৰাত আমি শুইছিলো আৰু তেনেতে আমাৰ খুড়ী এগৰাকীয়ে চিঞৰি চিঞৰি কান্দি কৈছিল যে .... আৰু নাই...।

আমি সকলোৱে আচৰিত হৈ কেৱল কান্দিবলৈ ধৰিছিলোঁ.........। সি কেৱল ক্ষন্তেকীয়া বেদনা লৈ এইখন পৃথিৱীৰপৰা আঁতৰি গ'ল। কিন্তু..... সি, তাৰ সেই সহজ-সৰল পিতৃ-মাতৃৰ অন্তৰত চিৰদিনলৈ বেদনা আৰু কান্দোনৰ এটা চাপ দি গ'ল......। ইয়াৰ বাবে দোষী কেৱল সেই ছোৱালীজনী, সি নিজে আৰু তাৰ সেই ঘৃণনীয় সিদ্ধান্তটো।

প্ৰথম কথা মানুহৰ জীৱন ভগৱানৰ অৱদান। গতিকে জীৱনটো শেষ কৰাৰ অধিকাৰ আমাৰ কাৰোৱেই নাই।

দ্বিতীয় কথা, প্ৰত্যেক প্ৰেমিক-প্ৰেমিকাই এইটো ভবা উচিত যে, মানুহৰ মন, মৰম আৰু বিশ্বাসৰ সৈতে খেলিবলৈ কাৰোৰে অধিকাৰ নাই। তাৰ ওপৰি, আমি যদি কাৰোবাক আটাইতকৈ বেছি ভালপোৱাৰ দাবী উত্থাপন কৰিব পাৰোঁ, তেন্তে বিচ্ছেদৰ পিছত সেইজনৰ পৰা আঁতৰি থাকিব পৰাৰ ক্ষমতাও ৰাখিব পাৰিব লাগে।

তৃতীয় আৰু অন্তিম কথা যে, মানুহ স্বাৰ্থহীন হ'ব লাগে আৰু কেতিয়াবা আনৰ বাবেও জীয়াই থাকিব লাগে। সদায় আত্মহত্যাৰ দৰে ঘৃণনীয় সিদ্ধান্তৰ পৰা আঁতৰি থাকিব লাগে। অন্যথা, নিজৰ লগতে আনৰো বহু ক্ষতি হয়......।






# পোহৰৰ ৰেঙণি

ৰংমনৰ মাক আৰু দেউতাক হাজিৰা কাম কৰা মানুহ। তেওঁলোকে হাজিৰা কাম নকৰিলে দিনটোৰ দুবেলা দুসাঁজ খাবলৈ নেপায়। ঘৰত থকা তিনি বছৰীয়া ৰংমন আৰু ৰংমনৰ এবছৰীয়া ভায়েকক পোহপাল দিব নোৱাৰে। সেইবাবে দুয়োজনেই হাজিৰা কাম কৰে। এদিন দুৰ্ভাগ্যবশত ৰংমনৰ দেউতাকৰ অসুখ হ'ল। ইফালে তেওঁলোকৰ ঘৰো বৰ ভিতৰুৱা অঞ্চলত। সেয়েহে তেওঁক হস্পিতাললৈ নিবলৈও অসুবিধা। ইফালে আকৌ বেছিদিন হোৱাৰ বাবে দেউতাকৰ অৱস্থা বেয়া হোৱাৰ বাবে হাজিৰা কাম কৰিবলৈ যাব নোৱাৰা হৈছে। ৰংমন আৰু ৰংমনৰ ভায়েকক পোহপাল দিব কেনেকৈ? এনেতে তেওঁলোকৰ গাঁৱৰ মুখীয়ালজনে খবৰ পাই সিহঁতৰ ঘৰলৈ আহিল আৰু ক'লে আপুনি এটা কথা শুনিছেনে নাই? আজিকালি চৰকাৰী চিকিৎসালয়বোৰত ফিজ নোলোৱাকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা চৰকাৰে কৰি দিছে। গতিকে আপোনাক মই (দহ টকা) এটা দিছো। অ' দৰব বোৰো কিনিব নেলাগে নহয় চৰকাৰেই যোগান ধৰিছে। সেইবাবে আপুনি সোনকালে তেওঁক হস্পিতাললৈ লৈ যাওঁক। ৰংমনৰ মাকে ৰংমনৰ দেউতাকক হস্পিতাললৈ লৈ গ'ল আৰু ভৰ্ত্তি কৰি দিলে। ইতিমধ্যেই ৰংমনৰ দেউতাকৰ চিকিৎসা আৰম্ভ কৰা হ'ল। কিন্তু দুৰ্ভাগ্য যে ৰংমনৰ দেউতাকৰ সম্পূৰ্ণ ভাল নহ'ব বুলি চিকিৎসক সকলে ক'লে। ৰংমন হঁতৰ জীৱনলৈ যেন অন্ধকাৰ নামি আহিলে। ৰংমনৰ মাকে আৰু এতিয়া কি কৰিব? উপায়হীন হ'ল। ৰংমনৰ দেউতাকে আৰু হাজিৰা কাম কৰিব নোৱাৰে। কাম কৰিবলৈ গ'লে অসুখ আৰু বেছি হৈ যাব পাৰে বুলি চিকিৎসক সকলে ক'লে। ৰংমনৰ মাকেই কামলৈ যায় আৰু ৰংমনৰ দেউতাককে মুখ্য কৰি পুতেক দুটাক যেনে-তেনে পোহপাল দিয়ে। বৰ্তমান ৰংমনৰ বয়স পাঁচ বছৰ। স্কুলত দিয়াৰ বয়স, কিন্তু অৰ্থৰ অভাৱত দিয়ে কেনেকৈ? সেই বছৰ আৰু ৰংমনক স্কুলত দিয়া নহ'ল। তাকেলৈ মাকৰ চিন্তা বাঢ়ি গ'ল। আনফালে দেউতাকৰ অসুখ, কিং কৰ্ত্তব্য - বিমোৰ হৈ পৰিল। এদিন ৰংমনৰ মাকে, গাঁৱৰে হৰেন্দ্ৰৰ ঘৰত কাম কৰিবলৈ গৈছিল লগত ৰংমনো গৈছিল। হৰেন্দ্ৰৰ পুতেকে কিতাপ পঢ়ি আছিল। এনেতে ৰংমনকো এখন কিতাপ চাবলৈ দিছিল সি খুব মনোযোগেৰে কিতাপখন চাইছিল। সেই সময়তে হৰেন্দ্ৰ আহি ৰংমনৰ মাকক সুধিলে ল'ৰাটো স্কুলত নামভৰ্ত্তি কৰালে নাই? অৰ্থৰ অভাৱৰ বাবে নামভৰ্ত্তি কৰা নাই বুলি ক'লে। তেতিয়া হৰেন্দ্ৰই ক'লে যে আজিকালি সৰ্বশিক্ষা অভিযানৰ অধীনৰ সংযোগী শিক্ষা কেন্দ্ৰত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ল'ৰা-ছোৱালীক বিনামূল্যৰ কিতাপ, চোলা-কাপোৰ, স্কুলবেগ আৰু তাত থাকি এবছৰৰ কাৰণে শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিছে। আনকি বিনামূল্যে কিতাপ-পত্ৰ যোগান ধৰে। এতিয়া আকৌ দুপৰীয়া আহাৰৰো যোগান দিয়ে। গতিকে আপুনি ৰংমনক সংযোগী শিক্ষা কেন্দ্ৰত নামভৰ্ত্তি কৰি দিয়ক। তেতিয়া আৰু আপোনাৰ অৰ্থৰে পঢ়াবৰ প্ৰয়োজন নাই। ৰংমনৰ মাকে ৰংমনক সংযোগী শিক্ষা কেন্দ্ৰলৈ গৈ নামভৰ্ত্তি কৰি দিলে আৰু তেওঁলোকৰ অৱস্থাৰ কথা সকলো বিৱৰি ক'লে। সিদিনাৰ পৰা ৰংমনৰ মাকৰ চিন্তা অলপ কমি গ'ল। কিন্তু দেউতাকৰ চিন্তা কমা নাই। এনেকৈ এটা বছৰ পাৰ হ'ল। ৰংমনে ইবোৰ ল'ৰা-ছোৱালী দৰে পঢ়া শুনা কৰিব পৰা হ'ল। সি এতিয়া নিজৰ ঘৰলৈ আহি পঢ়া-শুনা কৰিব পৰা হ'ল। মাকে ৰংমনৰ ভায়েককো এনে সংযোগী স্কলুত নামভৰ্ত্তি কৰাই দিলে। এতিয়া ৰংমন স্কুলৰ প্ৰথম ছাত্ৰ। মাকৰ মনত আনন্দত সীমা নাই। দেউতাক যদিও অসুখীয়া, ল'ৰাৰ সু-ফল দেখি আনন্দিত। ৰংমনৰ মাকে কৈ উঠিল - সৰ্বশিক্ষাই ৰং মনক উজ্জ্বলাই তুলি। এনে সময়তে সিহঁতৰ বেৰৰ জলঙাৰে পোহৰৰ ৰেঙণি জিলিকি উঠিল।



# এটি মধুৰ স্মৃতি

মামণি ডেকা
স্নাতক তৃতীয় বৰ্ষ
(কলা শাখা)




**এই সুন্দৰ পৃথিৱীখনত বসবাস কৰা সকলো মানুহৰে কিছুমান স্মৃতি থাকে। অতীতত পাৰ কৰা সময় বা কিবা ঘটনা আদিয়ে মানুহৰ মনত স্মৃতি হৈ ৰৈ যায়। মানুহ ভেদে মানুহৰ স্মৃতিসমূহো বিভিন্ন ধৰণৰ হয়। মানুহ যেতিয়া এনেয়ে অকলে থাকে তেতিয়াহে অতীতৰ কথাৰ সোঁৱৰণিয়ে মনতো ভৰি পৰে। কিছুমান স্মৃতি এনেকুৱা থাকে যি মনত পৰিলে দুখৰ অনুভৱ হয় দুচকুৰে চকুলো বৈ যায়। কিন্তু তাৰ বিপৰীতে এনে কিছুমান স্মৃতি আছে যিবিলাক মনলৈ আহিলে আপোনা আপুনিকৈ আনন্দৰ লগতে ওঠত হাঁহি নামি আহে এনেকুৱা কিছুমান মধুৰ স্মৃতিয়ে আমাক সুখ, শান্তি, আনন্দৰ অনুভৱ দিয়ে।**

মোৰ ক্ষেত্ৰত কবলৈ গলে সৰুৰে পৰা এতিয়ালৈকে যিমানবিলাক মধুৰ স্মৃতি আছে সকলোবিলাক পঢ়া-শুনা, স্কুল, কলেজ, লগৰ-সমনীয়া, ছাৰ-বাইদেউ আদিৰ লগতে জড়িত। মই বৰ্তমানেও এগৰাকী স্নাতক মহলাৰ তৃতীয় বৰ্ষৰ ছাত্ৰী। এল.পি. স্কুলৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে বহুতো বন্ধু-বান্ধৱীক লগ পালো আৰু বহুতো বন্ধু-বান্ধৱীক হেৰুৱালো। স্কুলৰ এই সময়ছোৱা কেনেকৈ পাৰ হ'ল গমকে নাপালো। বন্ধু-বান্ধৱী আদিৰ লগত পঢ়া-শুনা, খেল-ধেমালি আদিৰ মাজেৰে অতিবাহিত কৰা এই সময়খিনি যেন এটি মধুৰ স্মৃতি হৈ ৰ'ল। এই মধুৰ স্মৃতিসমূহ এতিয়াও যেন মোৰ মানস পটত জল-জল, পট-পট হৈ চকুৰ আগত ভাঁহি আছে। এইসকলোবোৰ স্মৃতিৰ বাহিৰেও আন এটি মধুৰ স্মৃতি আছে। একাদশ শ্ৰেণীত আমাৰ তেজপুৰ ভ্ৰমণৰ স্মৃতি যি প্ৰায়ে মনলৈ আহে।



মোৰ আজিও স্পষ্টকৈ মনত আছে সেইদিনা আছিল ৩০ ছেপ্টেম্বৰ, ২০১১ এই দিনটো মোৰ বাবে এটা স্মৰণীয় দিন। সেইদিনা জীৱনত প্ৰথমবাৰৰ বাবে মা-দেউতা অবিহনে যোৱাৰ সুযোগ পালো। আমি তেজপুৰলৈ যাবৰ বাবে সাজু হলো। ৩০ ছেপ্টেম্বৰ পুৱা ৫ বজাত মই আৰু মোৰ বান্ধৱী সকল। আমাৰ অতি মৰমৰ আৰু শ্ৰদ্ধাৰ বীণা বাইদেউ, মীনা বাইদেউ, জগত ছাৰ, পাৰ্থ প্ৰতিম ছাৰ আমি সকলোৰে আমাৰ বিদ্যালয়ত উপস্থিত হলো। এজনী-দুজনীকৈ আহি আমি সকলোৰে লগহৈ ৬ বজাত তেজপুৰ অভিমুখে ৰাওনা হলোঁ। আমাৰ যাত্ৰা আৰম্ভ হ'ল। বাটত গৈ থাকোঁতে আমি কাজিৰঙা অভয়াৰণ্য, বুঢ়াপাহাৰ আদিৰ মাজেদি পাৰ হৈ গৈছিলোঁ। অভয়াৰণ্যৰ কিছু কিছু বণ্য প্ৰাণী হাতী, বান্দৰ আদি আমাৰ চকুত পৰিছিল। দুপৰীয়া ১২ বজাত আমি বোকাখাতত নামি হোটেল এখনত দুপুৰীয়া আহাৰ খালোঁ। খাই-বৈ আকৌ বাছত উঠিলো। তেজপুৰলৈ গৈ থকা অৱস্থাত এনে লাগিছিল যেন আমি তেজপুৰ নহয় বিদেশহে ভ্ৰমণ কৰিবলৈ গৈছো। এনে এটা পৰিবেশ বাছৰ ভিতৰত সৃষ্টি হৈছিল। আমাৰ মাজৰে কোনোবাই গান গাইছে, কোনোৱা উলাহতে নাচিছে আৰু কোনোবাই হাত চাপৰিৰে পৰিবেশটো উখাল কৰি তুলিছিল। সকলোৰে মনত এটাই হেঁপাহ এটাই আনন্দ আমি ইমানবিলাক বান্ধৱীয়ে একেলগে কৰবালৈ যাবলৈ একেলগে ফুৰিবলৈ পাইছোঁ। সেই কাৰণে আমাৰ মাজত ই এক মূল কাৰণ হৈ পৰিছিল আনন্দৰ। এনে আনন্দ যি মই লিখি বা কৈ বুজাব নোৱাৰিম। ঠিক ৩ মান বজাত আমি তেজপুৰৰ অগ্নিগড় আহি পালোঁ। তেজপুৰৰ অগ্নিগড়ৰ ভিতৰৰ পৰিবেশ আছিল শান্তি আৰু সৌন্দৰ্যৰে পৰিপূৰ্ণ। অগ্নিগড়ত বহুতো সুন্দৰ ফুলৰ গছ আৰু চিত্ৰ আছে। এনে ঠাই নাই যত ফুলগছ এজোপা নাই। পাহাৰৰ এডোখৰ ঠাইত ওপৰৰ পৰা তললৈ শাৰী শাৰীকৈ থকা ফুলৰ গছবিলাক দেখি ভাল লাগিছিল। তাৰ লগতে কিছুমান ঐতিহাসিক চিত্ৰ তাত শিলত লিপিবদ্ধ কৰি ৰাখিছে। উষা আৰু অনিৰুদ্ধৰ বিবাহ আৰু সেই বিবাহৰ পৰিণতি হৰি-হৰৰ যুদ্ধ আদিৰ দৰে কিছুমান চিত্ৰ আজিও লিপিবদ্ধ হৈ আছে। এইবাৰ আমি অগ্নিগড়ৰ পৰা আহি "চিত্ৰলেখা উদ্যান" পালোগৈ। চিত্ৰলেখা উদ্যানখনো মনোমোহা। আমি সকলোবিলাক ছাত্ৰীয়ে উদ্যানখনত সঁচৰতি হৈ নিজ ইচ্ছাৰে ফুৰি-বহি, ধেমালি কৰি সকলো চাই-চিতি ফটো তুলি বাছত উঠিলোঁ। চিত্ৰলেখা উদ্যানখনত ঐতিহাসিক যুগৰ বস্তু বিশেষ দেখিবলৈ পোৱা নাযায়। তাত বৰ্তমানৰ কিছুমান আমোদজনক বস্তুহে আছে। তাৰ পিছত আমি সন্ধিয়াৰ ৬ বজাত মহাভৈৰৰ মন্দিৰত সোমালোঁ। মহাভৈৰৰ মন্দিৰত চাকি-ধূপ দি পূজা-প্ৰাৰ্থনা কৰি আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। এইবাৰ আহি আমি এখন ৰিজৰ্টত সোমালোঁ। ৰিজৰ্টখন বেচ সুন্দৰ আৰু শান্তিপূৰ্ণ আছিল। আমি সকলোৰে কাপোৰ-কানি সলাই, হাত-ভৰি ধুই (বাহিৰৰ) চোতালখনত থকা জিৰণি চ'ৰাটোতে বহি পৰিলোঁ, সকলোৰে কথা-বাৰ্তা, আলাপ-আলোচনাত ব্যস্ত হৈ পৰিলোঁ। তাৰ মাজতে আকৌ কিছুমান ছাত্ৰীয়ে ম'বাইল কাণত লৈ জোনাক নিশাত খোজকাঢ়ি কথা পতাত





ব্যস্ত। এনেতে ৰাতিৰ ৯ মান বজাত আমাক ৰাতিৰ আহাৰ খাবলৈ মাতিলে। ৰিজৰ্টখনৰ ৰান্ধনীয়ে ইমানে তৃপ্তি কৰি নিৰামিষ আহাৰ ৰান্ধিছিল যে মোৰ আজিও সেই সোৱাদ মনত আছে। আহাৰ খাই-বৈ আমি ২০ মিনিট মান কথা বাৰ্তা পতাৰ পিছত বিচনাত শুই পৰিলোঁ। পিছদিনা ৰাতিপুৱা আমি সকলোৱে ৬ বজাত উঠিলো উঠি হাত-মুখ ধুই কাপোৰ-কানি পিন্ধি কাজিৰঙা অভয়াৰণ্য চাবলৈ ওলালোঁ। কাজিৰঙাত থকা হাতী, গঁড়, নল, গাহৰি আদিৰ বাহিৰে বাকী বন্য প্ৰাণীসমূহে আমাক দেখিচোন লাজতে লুকাল। কাজিৰঙাৰ পৰা আমি ৯ মান বজাত ৰিজৰ্ট পালো। তাত আহি আমি সকলোৱে ল'ৰা-লৰিকৈ গা-পা ধুই, কাপোৰ কানি পিন্ধি ব্ৰেকফাষ্ট কৰি বেলেগ এখন ৰিজৰ্ট চাবলৈ ওলালো। সেইখন ধনশিৰী ৰিজৰ্ট। ৰিজৰ্টখন আমাৰ ৰিজৰ্টখনৰ অলপ দূৰৈত আছিল। ধনশিৰী ৰিজৰ্টখন সুন্দৰ আছিল। তাত আমি ২ ঘণ্টা মানহে বহিলোঁ। আমি ৰিজৰ্টখনৰ চাৰিওকাষে ঘূৰি-পকি চালোঁ তাতে মই আধুনিক প্ৰযুক্তি বিদ্যাৰ সূৰ্যৰ ৰশ্মিৰ সহায়ত গৰম পানী কৰা (চ'লাৰ মেচিন) কেইটা ওচৰৰ পৰা চাইছিলো। পুনৰ আমি থকা ৰিজৰ্টখনলৈ ঘূৰি আহিলোঁ। ৰিজৰ্টখনত অলপসময় থাকি নিজৰ বস্তু বাহানি লৈ আহি বাছত উঠিলোঁ। এইবাৰ বাছখন একেবাৰে তলাতল ঘৰত আহি ৰ'ল। তলাতলঘৰত আমি সকলোৱে ইজনীৰ হাতত, সিজনীয়ে ধৰা-ধৰি কৰি আগবাঢ়িলোঁ। আগত ছাৰ তেওঁৰ কথাৰ মতেহে আমি পিছৰবোৰে আগবাঢ়ো। কাৰণ তলাতল ঘৰৰ কোঠালীবোৰৰ কিছুমান মেৰপাক আছে এটা কোঠাতে কেইবাটাও বাট লগতে কোনো বিলাক কোঠাত ঘোৰ অন্ধকাৰ যাতে আমি থাকি বা বিছিন্ন হৈ নাযাও তাৰ কাৰণে পাৰ্থপ্ৰতিম ছাৰে বিশেষ মন দিছিল।






আমি বাছৰ ভিতৰৰে পৰা ৰংঘৰ চাই তাৰ আনন্দ ললো। বাছৰ খিৰিকিৰ পৰাই ফটো তুলিলো। ঘৰ অভিমুখে আহোঁতে আমি এপদ দুপদ বস্তুও স্মৃতি স্বৰূপে কিনিছিলো। যেনে - কাঠৰ গঁড়, বগলী, বিভিন্ন প্ৰজাতিৰ চৰাই আদি নিজৰ ইচ্ছামতে যাৰ যি ভাল লাগে কিনিছিল। লগতে বোকাঘাটৰ পেৰা। আমি সকলোৱে জানো বোকাখাটৰ পেৰা বিখ্যাত। বাছখন বোকাখাট হৈয়ে আহিছে যেতিয়া পেৰাক নো কোনে বাদদি আহিব পাৰে। আমি সকলোৱে ঘৰলৈ বুলি পেৰা কিনিছিলো। ঘৰ অভিমুখে অহা যাত্ৰাৰ অন্তিম সময়ছোৱাও আমি আনন্দ উলাহৰ মাজেৰে সকলো ছাৰ-বাইদেউ আমি ছাত্ৰীসকল সকলোৱে একে লগে গীত জুৰি, নাচি-বাগি, হাঁহি আমি আমাৰ তেজপুৰ যাত্ৰাৰ সামৰণি মাৰিলোঁ। সন্ধিয়া হওঁ হওঁ অৱস্থাতে মই আহি ঘৰ পালোঁ।





পুৱাৰ আকাশখনত যেতিয়া ৰঙাকৈ বেলিটিয়ে পোহৰ বিলাই ওলাই আহে আৰু চৰাইবোৰে কিৰিলি পাৰি যেতিয়া বাঁহৰপৰা ওলাই যায় ডেউকা মেলি তেতিয়া আকাশখন আৰু মনোমোহা হৈ পৰে। এইবোৰ দৃশ্য উপভোগ কৰি পুৱা পথাৰলৈ।
ফুৰিবলৈ অহাটো তাইৰ নিয়মিত কাম হৈ পৰিল। গাঁৱৰ ঘৰলৈ অহা তাইৰ সাতবছৰ হ'ল আৰু সাতবছৰে এইদৰে ফুৰাটো তাইৰ নিয়ম হৈ পৰিল। এদিনো যদি এই পৰিৱেশটো চাব নাহে তাইৰ ভাল নালাগে। আগতে দেউতাকৰ কামৰ বাবে তাই, মাক-দেউতাক, ভায়েক আৰু ভনীয়েক সকলো এই সুন্দৰ পৰিৱেশটোৰপৰা দূৰৈত আছিল। ইয়াত ককাক, আইতাক আৰু খুৰা-খুৰীসকলে আছিল। সকলোৱে সকলোৰে লগত প্ৰথমতে মিলা-প্ৰীতিৰে বাস কৰিছিল। কেৱল মুনৰ মাকক আইতাকে পেটে পেটে ভালপোৱা নাছিল।



# জীৱনৰ মহিমা

গীতামণি পাত্ৰ
স্নাতক দ্বিতীয় বৰ্ষ
বুৰঞ্জী বিভাগ

দেউতাকৰ আটাইতকৈ মৰমৰ মুন আছিল। তাই ঘৰৰ ডাঙৰ আছিল আৰু তাইক লৈ দেউতাক আৰু মাকেও বহুত আশা কৰিছিল। মুঠতে তেওঁলোক ভায়েক-ভনীয়েককো বহুত মৰম কৰিছিল। দেউতাকে বহুত কষ্ট কৰি সিহঁতক পঢ়োৱাইছিল আৰু গোটেই কেইটাকে ভালকে পঢ়াবলৈ বুলি সিহঁতৰ ভৱিষ্যতৰ কথা ভাবি মাক দেউতাকে টকা পইচা সাঁচি ৰাখিছিল। দেউতাক এজন সাধাৰণ লোক আছিল। তেখেতে নিজে ভালকৈ পঢ়া শুনা কৰাৰ সুবিধা নাপাইছিল যাব বাবে ভাল চাকৰি কৰিব পৰা নাছিল। এজন গাড়ীত কাম কৰা লোক আছিল। অসাধাৰণ আৰ্থিক ফালৰপৰা প্ৰভাৱশালী নাছিল যদিও দেউতাকে বহুত কষ্ট লোক হ'লেও তেখেতে সিহঁত চাৰিটাক - কেতিয়াও দুখ বা অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। মাক আৰু মুনহঁতৰ প্ৰত্যেককে দেউতাকে এটা সুখৰ জীৱন দিছিল। দুখ কি বস্তু তাক কেতিয়াও বুজা নাছিল। কিন্তু মানুহৰ জীৱন জানো সদায় একে দিশে পাৰ হয়? কেতিয়াও নহয়। তাই কেতিয়াও এনে এটা দিন ভবা নাছিল যিটো দিনত তাই নিজৰ দেউতাকক হেৰুৱাই এটা যন্ত্ৰণাদায়ক জীৱন পাৰ কৰিব লাগিব। কিন্তু যি বিচাৰা হয় সেইয়া পোৱা নাযায় কিন্তু নিবিচাৰাটো পোৱা যায়। সেই দিনটো তাইৰ জীৱনত ভগৱানে বহুত সোনকালে দিলে।

মুন তেতিয়া সপ্তম শ্ৰেণীত পঢ়ি আছিল। আনদিনাৰ দৰে সেইদিনাও সিহঁত তিনিটাই নিজৰ নিজৰ স্কুল যাব লৈ সাজু হ'ল। দেউতাক আনদিনে পুৱা সোনকালে কামলৈ যায় কিন্তু সেইদিনা দেৰিকৈ যাবলৈ ওলাইছিল হয়তো সেই দিনটো তেওঁ সিহঁতৰ লগত কটোৱা অন্তিম দিন আছিল বুলি গম পাইছিল। সিহঁতে নিজৰ নিজৰ স্কুললৈ বুলি ওলাই গ'ল। দেউতাকো গৈছিল নিয়মিত যোৱাৰ দৰে। তাই লগৰবোৰৰ লগত ৰাস্তাৰে গৈ থাকোঁতে দেউতাকে ভালকে থাকিবা হা মই যাওঁ মুন বুলি কৈ গৈছিল। গধুলি সিহঁতে স্কুলৰপৰা আহি মাকৰ লগত বহি কথা পাতি আছিল তেতিয়া মাজু খুৰাই আহি মাকক ককাইদেউৰে যোৱা গাড়ীখন আজি এক্সিডেন্ট হ'ল আৰু এজন মানুহ ঢুকাল যি গাড়ী চকাৰ তলত সোমাই মৃত্যুক আকোঁৱালি লৈছিল। ককাইদেউ আৰু ড্ৰাইভাৰজন নাই সম্ভৱ আঁতৰি গৈছে। মায়ে কথাষাৰ শুনি ভয়তে মনলৈ যিটি ভাবিলে আৰু খুৰাক

তালৈ মাকক লৈ যাবলৈ অনুৰোধ কৰিলে। সকলোৱে জানে যে তাইৰ দেউতাক ঢুকালে কিন্তু কোনেও তাইক আৰু মাকক কোৱা নাছিল কাৰণ তেওঁলোক ভাগি পৰিব বুলি। ঘৰৰ ওচৰৰ তাইক দেউতাকক অতিকৈ আপোন দলে খুৱাই কিন্তু শেষত "দাদা নাই, দাদাই আমাক এৰি গ'লগৈ মুন।" বৌ আপুনি দুখী নহ'ব বুলি যেতিয়া ক'লে তেতিয়া কিন্তু নিজে তাই কন্দা নাছিল কেৱল মাকৰ মুখলৈ চাইছিল কাৰণ মাকে দুখত পাগলী হৈ গৈছিল। সেই সময়খিনি তাইক মনলৈ দেউতাকৰ সেই হাঁহিৰে ভৰা মুখখন ভাঁহি আহিছিল বাৰে বাৰে। এই খবৰ পাই ককাকে সিহঁতক সেই ৰাতিয়ে গাঁৱৰ ঘৰলৈ লৈ আনিছিল আৰু দেউতাকৰ শেষ ক্ৰিয়া কাজ কৰিলে।

গাঁৱলৈ আহিলে সঁচা কিন্তু ইয়ালে আহি তেওঁলোকে আইতাকৰপৰা মৰম কেতিয়াও নাপালে। আইতাকে মুনৰ মাকক দেউতাকক মৃত্যুৰ বাবে জগৰীয়া বাবে। তেওঁৰমতে সকলো দুখৰ বাবে তাই বা মাক দায়ী। প্ৰতিদিনেই মাকক তেখেতে কেটেৰা মাত দিয়ে। এদিনো নিজক বোৱাৰীয়েক হিচাপে নাভাবিলে। ককাহঁতে প্ৰথমে সিহঁতক ভাল পাইছিল। কিন্তু পিছলৈ আইতাকৰ দৰে দেখিব নোৱাৰা হ'ল। মুনৰ মাকে সিহঁতৰ ভৱিষ্যতলৈ প্ৰয়োজন হ'ব বুলি জমা যোৱা সকলো টকা-পইচা উলিয়াই দিলে-খুৰাকহঁতৰ কথামতে। মুনে-মাকক বাধা দিছিল তেনে কৰোঁতে কিন্তু মাকে তাইৰ কথা নুশুনিলে। পৰিয়ালটোত শান্তি থাকক বুলি হয়তো মাকে সকলোকে বিশ্বাস কৰিলে। কিন্তু মাজু খুৰাকৰ বাহিৰে সকলোৱে বিশ্বাসঘাটকতা কৰিলে তেওঁক। যেতিয়া প্ৰয়োজন আছিল সিহঁতক ৰাখিলে তেওঁলোকৰ লগত তাকো প্ৰতিদিনাই গালি-গালাজ কৰি। দেউতাকৰ মৃত্যুৰপৰা সম্পূৰ্ণ সাতটো বছৰ তাই মৰম কি বস্তু তাক নোপোৱা হ'ল। মৰম ভালপোৱা সকলো তাই হেৰুৱালে। মাকে কেৱল বহুত মৰম কৰে। কিন্তু পৰিস্থিতিয়ে তেওঁক কেতিয়াবা সলনি কৰি দিয়ে। প্ৰতিটো দিনত ঘৰৰ কাজিয়াই মানসিক অশান্তিত পেলাইছে তাইক। তাই কৰো বুলিও মাকক এই অশান্তিবোৰৰপৰা আঁতৰাব পৰা নাই। এইবোৰে তাইৰ পঢ়াৰ দিশতো যথেষ্ট পৰিমাণে আমনি দিয়ে তথাপিও নিজৰ পঢ়াক নিয়াৰিকৈ চলাই গৈছে। এতিয়া তাই স্নাতক দ্বিতীয় বৰ্ষৰ এগৰাকী ছাত্ৰী। নিজকে এটা ভাল দিশত ধাৱমান কৰিবলৈ বহু ইচ্ছা তাইৰ আৰু তাৰ বাবে বহুত চেষ্টাও কৰিছে। তেতিয়াহে দেউতাকে শান্তি পাব আৰু মাকেও এটা সুখী জীৱন পাব তাইৰপৰা। কিন্তু ঘৰখনৰ বাকী সদস্যসকলৰ ব্যৱহাৰৰপৰা বহুতত দুখ পায় তাই। তেওঁলোকে সিহঁতক আন একো নিদিয়ে নালাগে অন্তত এষাৰ মৰমৰ মাত দিব পাৰে যি সিহঁতে বিচাৰি হাহাকাৰ কৰি ফুৰিছে। কিন্তু কোনোৱে দিয়াটো প্ৰয়োজন বুলি নাভাবিলে।


মুনে কোনো দিনে এটা প্ৰশ্নৰ উত্তৰ বহুত বিচাৰিও পোৱা নাই যে মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হয়। কেৱল টকা পইচাৰ মোহৰ বাবে নিজৰ আপোনজনকো বিশ্বাসঘাতকতা কৰিব পাৰে। ইয়াৰ উদাহৰণ তাই নিজৰ জীৱনতে পালে। প্ৰথমে যেতিয়া সিহঁতৰ টকা পইচা আছিল তেতিয়া খুৰাকহঁতে সিহঁতক নিজৰ লগত ৰাখিছিল আৰু যেতিয়াই প্ৰয়োজন হয় ছলে-বলে কৌশলে টকা-পইচা উলিয়াই লয় আৰু যেতিয়া নাইকিয়া হ'ল তেওঁলোকক ঘৰৰপৰা উলিয়াবলৈ ষড়যন্ত্ৰ কৰিলে। তেওঁলোকৰ এই কামত মাকে বহুত প্ৰতিবাদ কৰিলে কিন্তু মাক সফল নহ'ল। যেতিয়া সকলোৱে সিহঁতক মাৰ-পিটৰ ভাবুকি দিলে তেতিয়াই মাকে সিহঁত তিনিটাক লগত লৈ ঘৰৰ পৰা ওলাই আহিল সকলো এৰি থৈ। তেওঁৰ মনত সাহস কৰি এটা আশা লৈ যাতে তেওঁক এতিয়া থাকিব লৈ ঘৰ নাই যদিও এতিয়া শান্তি পাব। মুনে মাকৰ এই সাহস ক'ৰ পৰা কেনেকৈ আহিল নাজানো কিন্তু মাকৰ প্ৰতি তাইৰ সন্মান আৰু বাঢ়ি গ'ল। সকলো হেৰুৱাইয়ো তেওঁ নিজৰ সন্তানকেইটাৰ কাৰণে এটা ছাঁৰ দৰে ৰৈ আছে। হয়তো সেয়ে এই পৃথিৱীত মাকৰ আসন সদায়ে ওপৰত। সেই ঠাই সন্তানে আন কাকো দিব নোৱাৰে। যি সন্তানৰ মাক লগত থাকে সেই সন্তানে সদায় সফলতা লাভ কৰে। মাকৰ আশীৰ্বাদ বা হাত যি সন্তানৰ মূৰৰ ওপৰত থাকে তাৰ যদিও একোৱে নাথাকে কিন্তু তাক অনুভৱ কৰিব নোৱাৰে। মুনে মাকৰ এই ত্যাগ অথলে যাব নিদিয়ে বুলি প্ৰতিজ্ঞা কৰিলে কাৰণ এই ত্যাগৰ সুফল যদি তাই দিব নোৱাৰে তেন্তে তাইৰ জীৱন অথলে যাব। এই প্ৰতিজ্ঞা তাই ঘৰৰপৰা ওলাই আহোঁতে কৰিলে।

নিবাশ্ৰয় হৈ ওলাই অহাৰ পিছত মুনহঁতক আশ্ৰয় দিলে মোমায়েকে। হয়তো মোমায়েকে আৰু মাক সম্পৰ্ক এই দুজন মানুহে ল'ৰা-ছোৱালীৰ জীৱনত বিশিষ্ট স্থান দখল কৰে। ভনীয়েকৰ দুখত সকলোত কৈ বেছি ককায়েক দুখী হয়। এতিয়া মুনৰ জীৱনৰ গতি একেবাৰে সলনি হৈ গ'ল। মোমায়েকৰ ঘৰত ৰাখি মাকে সিহঁতৰ কাৰণে এটা সুখৰ জীৱন দিবলৈ বহুত কষ্ট কৰিছে। এতিয়া তাই আগৰ দৰে কিন্তু সকলোৰে লগত মুকলিভাৱে কথা পাতিব নোৱাৰা হ'ল। কাৰণ তাইৰ নিজৰ জীৱনৰ এই দুখবোৰ আওৰাব নিবিচাৰে। তাই এনে এজন লগ বিচাৰে যাক সকলো ক'ব আৰু তাইক বুজি পোৱা হয় যাতে তেওঁ।

বেলিটো আহি যেতিয়া মূৰৰ ওপৰত পালেহি তাইৰ তেতিয়াহে ঘৰলৈ যাবলৈ মনত পৰিল। জীৱন মহিমা বুজিবলৈ চেষ্টা কৰি থাকোঁতে আজি তাইৰ কলেজ যাবলৈ বহুত পলম হ'ল। মাকে সোনকালে কৰা নহ'লে ক্লাচ নাপাবাগৈ বুলি তাইক মাত দিলে। সময় মতে কাম কৰিবলৈ তাইক মাকে কোৱা কথাটো সদায় মনত থৈ কৰে। কিন্তু পুৰণি স্মৃতিয়ে আজি তাইক এই কথা পাহৰাই দিলে। সকলোবোৰ এতিয়া আঁতৰাই তাই নিজৰ কামত লাগিল আৰু সময়ত কলেজলৈ ওলাই গ'ল। মাকে তাই ওলাই গ'লে এটা দীঘল উশাহ টানি সদায় ভাবে যে এই সময় ৰূপতে তাই অলপ শান্তিত থাকে। লগৰবোৰৰ সংগে তাইক জীৱনৰ দুখ পাহৰাই ৰাখে বুলি। তাৰপিছত তেওঁ নিজৰ কামত মন দিয়ে।







# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল
আৰু লগতে যিসকল শুভাকাংক্ষীয়ে মোক ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক
ৰূপে নিৰ্বাচিত কৰি গৌৰৱান্বিত কৰাৰ বাবে তেওঁলোকলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
মই ডিব্ৰু মহাবিদ্যালয়ৰ "ছাত্ৰ একতা সভা"ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ
মহাবিদ্যালয়খনৰ স্বাৰ্থৰ হকে সেৱা কৰিবলৈ পাই অতি সুখী হলোঁ। সেই কামখিনি কৰাত
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য আৰু বন্ধু-বান্ধৱীসকলে সহায় কৰাৰ বাবে তেখেতসকলৰ
ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ এই চমু কাৰ্যকালত মই মোৰ নিজৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। লগতে
ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলকো সহায় সহযোগ আগবঢ়াইছিলেণা, তথাপি কাৰ্য
ক্ষেত্ৰত আহি পৰা কিছুমান অসুবিধাৰ বাবে মই সম্পূৰ্ণৰূপে সফল হ'ব নোৱাৰিলোঁ। আৰু সেই
সকলোখিনি আগন্তুকসকলে পূৰণ কৰিব বুলি আশা কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত যদি অজানিতে কিবা ভূল ত্ৰুটি ৰৈ গৈছিল তাৰ বাবে ক্ষমা
বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু
মৰম যাঁচিলো। আৰু আমাৰ অতি শ্ৰদ্ধাৰ মাতৃতুল্য মহাবিদ্যালয়ৰ উন্নতিৰ ৰঙীন বাটেৰে আগুৱাই
যাওক এই কামনাৰে আৰু এবুকু শুভেচ্ছাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

# আলোচনী বিভাগৰ সম্পাদক

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে বৰ্তমান মানৱ জীৱনটো সহজ কৰি তুলিছে, যদিও আমাৰ সমাজৰপৰা অন্ধবিশ্বাস, হিংসা, কু-সংস্কাৰ পংকিলতা এতিয়াও আঁতৰি যোৱা নাই। এই হিংসা, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ বশৱৰ্তী হৈ নানা সমস্যাৰ সন্মুখীন হৈছে সমাজ তথা দেশখন। ইয়াৰ সমাধানৰ বাবে দায়িত্ব আহি পৰিছে নৱপ্ৰজন্মৰ।

"সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত, বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰ ইঙ্গিতো পোৱা যায়।

"সাহিত্য হৈছে এটা জাতিৰ দাপোন।"

যিদৰে দাপোনত মুখৰ হুবহু প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যত সমাজৰ জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। আলোচনী খন হৈছে এখন বিদ্যালয় বা মহাবিদ্যালয় দাপোন স্বৰূপ। আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী বা শিক্ষাৰ্থীসকলে তেওঁলোকৰ সুপ্ত হৈ থকা মানসিক প্ৰতিভাবিলাক জাগ্ৰত কৰাৰ থল পায়। আলোচনীখনৰ জৰিয়তে সমসাময়িক সমাজৰ বাস্তৱ জীৱনৰ কিছুমান সমস্যা আৰু সমাধান পথলৈ আগুৱাই লৈ যাব পাৰে।

কিন্তু অতি পৰিতাপৰ কথা এই যে আজি আমাৰ সমাজৰ এচামে অসমীয়া ভাষা সাহিত্যক অৱজ্ঞা কৰি বিদেশী ভাষা সাহিত্যৰ প্ৰতি আগ্ৰহশীল হৈ পৰিছে। সৰ্বপ্ৰথমে আমি জনা উচিত যে, মাতৃভাষা হৈছে স্বদেশ আৰু স্বজাতিৰ সিংহ দুৱাৰ। গতিকে প্ৰত্যেকেই নিজৰ মাতৃভাষাক শ্ৰদ্ধা আৰু সন্মান কৰা উচিত।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপাত্ৰ "ডিব্রুয়ান"ৰ প্ৰকাশৰ বাবে কৰিবলগীয়া কামখিনি ক'ৰপৰা আৰম্ভ কৰিম বুলি ভাবিছিলোঁ যদিও মোৰ অতি শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়ত্ৰী বাইদেউসকলৰ বহুমূলীয়া দিহা পৰামৰ্শই অতি সোনকালেই মোৰ মনৰ সকলো ভাব আঁতৰাই পেলাইছে। তদুপৰি মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠীসকলেই মুখপাত্ৰখনিৰ প্ৰধান অলংকাৰ স্বৰূপ।





# আলোচনী বিভাগৰ সম্পাদক

২০১১-২০১২ বৰ্ষৰ "ডিব্রুয়ান"ৰ প্ৰতি সহাঁৰি জনাই বহু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৱে তেওঁলোকৰ বিভিন্ন বহুমূলীয়া লিখনি আগবঢ়াই, অনুপ্ৰেৰণা যোগোৱাত মোৰ এই যাত্ৰা অধিক সহজ কৰি তুলিলে।

ডিব্ৰু মহাবিদ্যালয়ৰ "আলোচনী সম্পাদক"ৰ দায়িত্বটো মোক অৰ্পণ কৰি মহাবিদ্যালয়খনিৰ বাবে কিঞ্চিত মান হলেও সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আলোচনীখন সম্পাদনা কৰাৰ এয়াই মোৰ প্ৰথম প্ৰয়াস। সেয়েহে অজানিতে যিবোৰ ভুল-ভ্ৰান্তি হৈ গ'ল তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সদৌ শেষত আলোচনীখন প্ৰকাশৰ বাবে যিসকলে অশেষ কষ্ট ত্যাগ কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগাই সহায় কৰিলে তেখেতসকললৈ মোৰ কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপাত্ৰ "ডিব্রুয়ান"ৰ উজ্জ্বল ভৱিষ্যত তথা সকলো প্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

# সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ সকলোৰে লগতে মোৰ মৰমৰ বন্ধু-বান্ধৱী তথা ভাইটি-ভন্টিসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰতে আমাৰ মহাবিদ্যালয়ৰ ৪৭ তম বাৰ্ষিক ক্ৰীড়া সপ্তাহ যোৱা কাৰ্যসূচীৰে আৰম্ভ হয়।

মোৰ কাৰ্যকালত আৰম্ভণিৰপৰা শেষ পৰ্যন্ত প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়োৱা বিভাগীয় ছাৰ-বাইদেউৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকাসকললৈ আৰু লগতে ছাত্ৰ একতা সভাৰ সদস্যসকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ বিভাগৰ খেলসমূহ আছিল মাৰাথান দৌৰ প্ৰতিযোগিতা, দৌৰ ১০০ মিঃ, ২০০ মিঃ, ৪০০ মিঃ, ৮০০ মিঃ ৪×৪০০ মিঃ, ৰিলেৰেচ, ডিচকাচ, চটফুট, লংজাম্প, হাইজাম্প, চামুচত মাৰ্বললৈ দৌৰা প্ৰতিযোগিতা আদি এই খেল সমূহত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ বাবে যথেষ্ট ভাল লাগিছিল।

সদৌ শেষত এই কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**অপূৰ্ব কুমাৰ দাস**



# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মোৰ মাননীয় শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ সমূহ বিষয়া কৰ্মচাৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ২০১১-২০১২ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰা তথা নানা দিশত পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰী আৰু মৰমৰ বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনিৰ স্বাৰ্থৰ হকে সেৱা, কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ আৰু মোক এই সু-কৰ্ম কৰিবলৈ সুযোগ দিয়া সকলোলৈ পুনৰবাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই চমু কাৰ্যকালত যিমান সম্ভৱ নিজৰ দায়িত্ব পালন কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। লগতে ছাত্ৰ-একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলকো সহায় সহযোগ আগবঢ়াইছিলো।

সদৌ শেষত প্ৰতিবেদনৰদ্বাৰাই অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ডিব্ৰু মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে,

"জয় আই অসম"

"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**ৰাখী বকলীয়াল**

# শৰীৰ চৰ্চা বিভাগৰ প্ৰতিবেদন

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে ২০১১-২০১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰিলে সেই সকল আৰু সমূহ ডিব্ৰুয়ানলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই বিগত বৰ্ষৰ দৰেই ০৫-১২-১২ তাৰিখৰপৰা আমাৰ মহাবিদ্যালয়ৰ ৪৭ তম বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হয়। শৰীৰ চৰ্চা বিভাগৰ খেলসমূহ দুদিনীয়া কাৰ্যসূচীৰে ক্ৰমে ঃ

১) ৭ তাৰিখ - ভাৰ উত্তোলন, পাঞ্জা আদি খেলসমূহ

২) ৮ তাৰিখ - বক্সিং, “ডিব্ৰু মহাবিদ্যালয়ৰ দেহশ্ৰী প্ৰতিযোগিতা”।

উক্ত খেলসমূহ অতি সুন্দৰভাৱে বিচাৰকৰ উপস্থিতিত সম্পন্ন কৰা হয়।

শৰীৰ চৰ্চা বিভাগৰ ২০১২ বৰ্ষত হোৱা আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতা শিৱসাগৰৰ S.P.P. মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। এই আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ এজন প্ৰতিযোগীয়ে ভাৰ উত্তোলন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে।

বিভাগীয় সম্পাদকৰ দায়িত্বত থকা এবছৰীয়া কাৰ্য্যকালত মোক সহায় কৰা পৰামৰ্শদাতা নিয়াজ আলি ছাৰ আৰু যোগেশ বৰুৱা ছাৰলৈ লগতে মোৰ বন্ধু-বান্ধৱী ভাইটী-ভণ্টি সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে অজ্ঞাতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থী। আশা কৰো আমাৰ কাৰ্যকালত আধৰুৱা কামৰ সম্পূৰ্ণতা পৰৱৰ্ত্তী ছাত্ৰ একতা সভাই সম্পন্ন কৰিব আৰু ডিব্ৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

‘জয় আই অসম

জয়তু ছাত্ৰ একতা সভা’।

**মঃ তৌচিফ হুছেইন**





# (Annual Report of Major Game secretary)

Before starting my greetings, I would like to pay my utmost respect to our respective principal sir, vice principal Sir and also our teachers with much fondly.

Thanking to all the students of Dibru college for marking proud by electing me as your major game secretary 2011-2012. I was elected by the student of our college just because of them I could give as much as I have within me for the welfare of the students and for the college. Once again I would like to thanks to all the students union member as well as my respective teachers for their kind co-operation and guidance. As soon as I take the responsibility of major game secretary, my first job is to organize annual college week's sports like (cricket, vollyball, kabaddi etc) which with the co-operation of all the student I was able to organize successfully.

During my Job as "major game secretary" I had always tried my level best to improve the sporting environment of our college.

Before over my report once again, I would like to thank our principal sir Dr. Poresh Boruah, Professor-incharge Shri Zenith Buragohain and Shri Jayanta Saud Sir, non-teaching staff and all Dibruans for their kind co-operation which enable me to complete my responsibility successfully.

Long Live Dibru College

Long Live Dibru College Student Union

**Prem Kumar Sonar**

# ANNUAL REPORT OF VICE-PRESIDENT



With God's grace and with all law and kind co-operation my tenure of being a vice president of Dibru College Students union went Sonoathely an caurse. I was elected by the students of college because of them. I could give as much as I have within me for the welfare of students and for the college. Once again I would like to thank all my Friends, Students, Students union members and my respected teachers for their kind co-operation and guidance.

As soon as I take the respopnsibility as vice-president my first and main job is to maintain discipline and bring the unity among the students. So I am happy that I was able to bring this discipline among the students to a great extent and I was able to do so with the help of my fellow secretarys and co-operation. Here I want to mention few names are Apurba Kumar Das, Mon Mohan Baruah, Anup Baruah, Surajit Gogoi, Bhabatush and I would like to thank all of them for their kind co-operation.

During my tenure I had always tried my level best to improve the educational, Social, cultural and sporting, environment of our college.

Before conclusing my report once again, I would like to thank our former principal Dr. B.K. Baruah Sir, Present Principal Dr. Poresh Baruah Sir, Prof. Dr. R. Singha Sir, Prof. Miss N. Konwar Madam, Retd. Prof. Amulya Goswami Sir, and all the teaching and non teaching staff for their kind co-operation which enable me to complete my tenure successfully.

Long Live Dibru College

Long Live Dibru College Students' Union

**Jiten Sharma**





অন্যান্য সংগ্ৰহ —

# কৌতুক



প্ৰথম ব্যক্তি ঃ তুমিযে মোৰ পৰা ৫০ টকা এটা ধাৰলৈ লৈছিলা, কেতিয়া ঘূৰাই দিবা।

দ্বিতীয় ব্যক্তি ঃ পিচত দিম।

প্ৰথম ব্যক্তি ঃ পিচত মানে, কেতিয়াকৈ দিবা?

দ্বিতীয় ব্যক্তি ঃ পিচত কম।



বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্টৰ দিনা, বাপেকে, পুতেকক সুধিছে?

বাপেক ঃ ঐ তোৰ ৰিজাল্ট কেনেকুৱা হ'ল?

পুতেক ঃ ৰাম ফেল, যদু ফেল, হৰি ফেল, মধু ফেল!

বাপেক ঃ ঐ মই তোৰ কথাহে সুধিছো।

পুতেক ঃ মানে মইয়ো দেউতা সিহঁতৰ নিচিনাই।



তিনিজন বন্ধুৱে জাবকালি কথা পাতি আছে।

প্ৰথম বন্ধু ঃ মই খুব গৰম চাহ খাওঁ। কেটলিৰ পৰা কাপত ঢলাৰ লগে লগেই শোহা মাৰি শেষ কৰি দিওঁ।

দ্বিতীয় বন্ধু ঃ সেয়াতো ঠাণ্ডা চাহ। মই কেটলিত চাহ হৈ থাকোঁতেই নলীডালত মুখ লগাই পি খাওঁ।

তৃতীয় বন্ধু ঃ এহ, সেইটোনো কি কথা। মোৰ দৰে গৰম চাহ তহঁতে জীৱনত খায়েই পোৱা নাই। মই গাখীৰ, চেনি, চাহপাত আৰু পানী মুখত লৈ পোনে পোনে চৌকাৰ ওপৰত বহি দিওঁ।



শিক্ষক ঃ ছাত্ৰসকল বাক্য ৰচনা কৰা -

বিনা মেঘে বজ্ৰপাত, আলাসৰ লাড়ু, আকাশত চাং পতা, নপতা ফুকন, দাঁতে ওঠে লগা।

ছাত্ৰ ঃ নপতা ফুকনে আকাশত চাং পাতি আলাসৰ লাডু খাই থাকোঁতে বিনা মেঘে বজ্ৰপাত মৰাত দাঁতে ওঁঠে লাগি মৰি থাকিল।



শিক্ষক - চন্দন, তুমি কলেজলৈ কিয় আহা?

চন্দন- বিদ্যাৰ কাৰণে, ছাৰ।

শিক্ষক- তেনেহলে এতিয়া শুই আছা কিয়?

চন্দন- আজি বিদ্যা নাহিলে ছাৰ।



বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্টৰ দিনা, বাপেকে, পুতেকক সুধিছে?

বাপেক ঃ ঐ তোৰ ৰিজাল্ট কেনেকুৱা হ'ল?

পুতেক ঃ ৰাম ফেল, যদু ফেল, হৰি ফেল, মধু ফেল!

বাপেক ঃ ঐ মই তোৰ কথাহে সুধিছো।

পুতেক ঃ মানে মইয়ো দেউতা সিহঁতৰ নিচিনাই।

## অন্যান্য সংগ্ৰহ —

- “আমাৰ মাধ্যমিক শিক্ষা পৰিচালনাৰ প্ৰক্ৰিয়াত আটাইতকৈ দুৰ্বল সংযোগ হৈ ৰৈছে আৰু ইয়াৰ জৰুৰী সংশোধনৰ প্ৰয়োজন হৈছে।” — *ৰাধাকৃষ্ণন আয়োগ*
- অপব্যৱহাৰ নকৰাকৈ পৃথিৱীখন ব্যৱহাৰ কৰা। — *বাইবেল*
- উচ্চতম শিক্ষাই আমাক অধিক শিক্ষা নিদিয়ে, কিন্তু সকলো সত্তাৰ সমন্বয়ত আমাৰ জীৱন গঢ়ে।
  — *ৰবীন্দ্ৰ নাথ ঠাকুৰ*
- স্বাস্থ্য হৈছে এগৰাকী ব্যক্তিৰ সম্পূৰ্ণ দৈহিক মানসিক আৰু সামাজিক সমৃদ্ধিৰ বিশেষ অৱস্থা আৰু ই কেতিয়াও একমাত্ৰ ৰোগক দৌৰ্বল্যৰ অনুপস্থিতি নহয়। — *বিশ্ব স্বাস্থ্য সংস্থা*
- পৰিসংখ্যা হ'ল সম্ভাৱনা আৰু অনুমানিক বিজ্ঞান। — *বদ্দিষ্টন*
- পৃথিৱীত তিনিটা শ্ৰেণীৰ মানুহ আছে। এক শ্ৰেণীয়ে নিজৰ অভিজ্ঞতাৰ পৰা শিকে। তেওঁলোক সুখী আৰু এক শ্ৰেণীৰ মানুহে নিজৰ অভিজ্ঞতাৰ পৰা নিশিকে। তেওঁলোক হ'ল মুৰ্খ।
  — *চেষ্টাৰ ফিল্‌স*
- চৰিত্ৰ এখিলা বগা কাগজৰ নিচিনা। যদি এবাৰ দাগ লাগে ইয়াক আকৌ আগৰ দৰে বগা কৰা টান
  — *জে. হজ*
- আনক সমালোচনা কৰিবপৈল যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। — *চক্ৰেটিছ*
- ৰাতি যিমান কঠিন হ'ব, প্ৰভাত সিমান উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিবা প্ৰভাত হ'বই।
  —*জ্যোতি প্ৰসাদ আগৰৱালা*
- আধুনিক শিক্ষাপদ্ধতিৰ বিৰুদ্ধে মোৰ এক মাত্ৰ অভিযোগ শিক্ষাৰ কেন্দ্ৰ বিলাকত আমাক ‘মানুহ’ কৰি তুলিবলৈ কোনো ব্যৱস্থা নাই; চৰিত্ৰ গঠনত অন্তৰৰ সদবৃত্তি বিলাকৰ স্ফুৰণ নাই; জীৱনৰ সম্পূৰ্ণ বিকাশ নাই।
  — *ৰঘুনাথ চৌধাৰী*

**মহাভাৰতত উল্লেখিত ধৃতৰাষ্ট্ৰৰ এশজন পত্ৰৰ নাম আৰু এগৰাকী কন্যাৰ নাম উল্লেখ কৰা হৈছে।**

১. দুৰ্যোধন, ২. যুযুৎস, ৩. দুঃশাসন, ৪. দুঃশল, ৫. জলসন্ধ, ৬. সথ, ৭. সহ, ৮. বিন্দ, ৯. অনুবিন্ধ, ১০. দুৰ্মৰ্ষ, ১১. সুবাহু, ১২. দুস্প্ৰধৰ্ষন, ১৩. দুষ্মৰ্ষণ, ১৪. দুমুৰ্খ, ১৫. দুষ্কৰ্ণ, ১৬. কৰ্ণ, ১৭. বিবিংশতি, ১৮. বিকৰ্ণ, ১৯. শল, ২০. সত্ব, ২১. সুলোচন, ২২. চিত্ৰ, ২৩. উপচিত্ৰ, ২৪. চিত্ৰ ংক, ২৫. চাৰুচিত্ৰ, ২৬. দুৰ্যদ, ২৭. দুৰ্বিসাহ, ২৮. বিবিৎসু, ২৯. বিকটা, ৩০. লন, ৩১. উনলাত, ৩২. মুনাভ, ৩৩. নন্দ, ৩৪. উপনন্দ, ৩৫. চিত্ৰবান, ৩৬. চিত্ৰবৰ্ষা, ৩৭. সুবৰ্ষা, ৩৮. দুৰ্বিৰোচন, ৩৯. আয়োবাহু, ৪০. মহাবাহু, ৪১. চিত্ৰকুণ্ডল, ৪২. ভীমব্যো, ৪৩. ভীমবল, ৪৪. বলাকী, ৪৫. বিক্ৰম, ৪৬. উগাযুধ, ৪৭. সুযেন, ৪৮. কুণ্ডোদাৰ, ৪৯. সহোদৰ, ৫০. চিত্ৰাযুধ, ৫১. নিষংগী, ৫২. বৃন্দাৰক, ৫৩. পানী, ৫৪. দৃঢ়বৰ্ষা, ৫৫. দৃঢ়ক্ষেত্ৰ, ৫৬. সামাক্ৰীতি, ৫৭. অনুদৰ, ৫৮. দৃঢ়সন্ধ, ৫৯. জৰাসন্ধ, ৬০. সত্যসন্ধ, ৬১. সদঃসুবাক, ৬২. উগ্ৰশ্ৰৱা, ৬৩. উগ্ৰসেন, ৬৪. সেনানী, ৬৫. দুস্পৰাজয়, ৬৬. অপৰাজিত, ৬৭. বিশালক্ষ, ৬৮. পণ্ডিতক, ৬৯. দুৰাধন, ৭০. দৃঢ়ষ্ট, ৭১. সুহস্ত, ৭২. বাতবেগ, ৭৩.সুবৰ্চা, ৭৪. আদিত্যকেতু, ৭৫. দুৰাধন, ৭৬. নাগদত্ত, ৭৭. অপ্ৰযায়ী, ৭৮. কৰচী, ৭৯. ক্ৰমন, ৮০. দণ্ডী, ৮১. দণ্ডধাৰ, ৮২. ধনগ্ৰহ, ৮৩. উগ্ৰ, ৮৪. ভীমৰথ, ৮৫. বীৰাবাহু, ৮৬. আপোলোণ, ৮৭. অৰ্ভয়, ৮৮. ৰুদ্ৰাকৰ্ষা, ৮৯. দৃঢ়ৰবাশ্ৰয়, ৯০. অনুধৃষ্য, ৯১. কুণ্ডভেদী, ৯২. বিৰোধী, ৯৩. বিচিত্ৰকুণ্ডলী, ৯৪. প্ৰমাহী, ৯৫. বীৰ্যশালী, ৯৬. দীৰ্ঘবাহু, ৯৭. বঢ়োক, ৯৮. কনকধ্যান, ৯৯. কণ্ডজ, ১০০. বিৰজা আৰু কন্যাগৰাকী হ'ল দুঃশলা।














ডিব্ৰু মহাবিদ্যালয়
স্থাপিত:১৯৬৩ চন
ডিব্ৰুগড়, অসম
DIBRU COLLEGE, ESTD.1963